


গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

একাদশ বছৰ ■ সংখ্যা ২৯৬ ■ গুৱাহাটী ■ শনিবাৰ, ৫ জুন, ২০২১, ২১ জেঠ, ১৯৪৩ শক ■ RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ৭.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. 11 ISSUE NO. 296 Dainandin Barta ■ Guwahati, Saturday ■ 5 June 2021 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 7.00 Only





## চেন্নাইৰ ছাফাৰী পাৰ্ক ছিৰিয়াখানাত হাহাকাৰ

# ৯টা সিংহ ক'ভিড ভাইৰাছত আক্ৰান্ত

### এজনী সিংহৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ৪ জুন ঃ** চেন্নাইত অৱস্থিত এখন বিখ্যাত ছিৰিয়াখানাত সৃষ্টি কৰিছে হাহাকাৰ পৰিস্থিতিৰ। কিয়নো ছাফাৰী পাৰ্ক নামেৰে পৰিচিত জৈৱ বৈশিষ্ট্যৰ বাগিচা আৰু ছিৰিয়াখানাত এতিয়া দ্ৰুতভাৱে ক'ভিড ভাইৰাছৰ সংক্ৰমণ ঘটিছে। ভাণ্ডালোৰ জু নামেৰে পৰিচিত এই ছিৰিয়াখানাত ক'ভিড ভাইৰাছৰ দ্বাৰা ■ ৮ পৃষ্ঠাত

## আজি বিশ্ব পৰিৱেশ দিৱস




টেক্‌উইং গোহাঁই, সপ্তম শ্ৰেণী, গুৱাহাটী ক্লাবস্থিত ছেণ্ট মেৰিজ হায়াৰ ছেকেণ্ডাৰী স্কুল

### মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পিছতে ক'ভিড চিকিৎসাৰ নিৰিখ নিৰ্ধাৰণ কৰিলে স্বাস্থ্যমন্ত্ৰীয়ে

# জধে-মধে মাচুল ল'ব নোৱাৰিব ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ে

### মজুত নথকাৰ বাবে নতুনকৈ কোনো লোকক কোভাক্সিনৰ প্ৰথম পালি ভেকচিন দিয়া নহ'ব



**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ৪ জুন ঃ** এতিয়াৰ পৰা ৰাজ্যৰ ব্যক্তিগত খণ্ডৰ চিকিৎসালয়সমূহে নিজৰ ইচ্ছা অনুসৰি ক'ভিড ৰোগীৰ চিকিৎসাৰ বাবে যধে-মধে মাচুল আদায় কৰিব নোৱাৰিব। অসম চৰকাৰে এইক্ষেত্ৰত মাচুলৰ এক তালিকা প্ৰস্তুত কৰিছে আৰু এই তালিকা অনুসৰিহে চিকিৎসাৰ বিনিময়ত মাচুল আদায় কৰিব পাৰিব। উল্লেখ্য, ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি স্বাস্থ্য বিভাগক নিৰ্দেশ জাৰি কৰি কয় যে ব্যক্তিগত খণ্ডৰ চিকিৎসালয়সমূহৰ ক'ভিড চিকিৎসাৰ মাচুল নিৰ্ধাৰণৰ বাবে স্বাস্থ্য বিভাগে শীঘ্ৰে পদক্ষেপ ল'ব লাগে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পাছতে ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত আৰু স্বাস্থ্য বিভাগৰ শীৰ্ষ কৰ্মকৰ্তাসকলে ■ ৮ পৃষ্ঠাত



## সুৰক্ষাৰ স্বাৰ্থত হাতত লাঠী লৈ ৰোগী চালে নগাঁৱৰ চিকিৎসকে

### লাঠীডাল ৰোগীক প্ৰহাৰৰ বাবে নহয়, নিজৰ সুৰক্ষাৰ বাবেহে ঃ ডাঃ দিগন্ত বৰা


**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৪ জুন ঃ** হোজাই জিলাৰ লংকাৰ ফুলতলী ক'ভিড চিকিৎসালয়ত কৰ্মৰত অৱস্থাত চিকিৎসক সেউজ কুমাৰ সেনাপতিক কৰা আক্ৰমণক লৈ ৰাজ্যৰ চিকিৎসকসকল প্ৰতিবাদমুখৰ হৈ পৰাৰ সময়তে নগাঁও শ্বহীদ ভোগেশ্বৰী ফুকননী অসামৰিক ■ ৮ পৃষ্ঠাত

## দ্বিতীয়বাৰলৈ কামাখ্যা মন্দিৰৰ অম্বুবাচী মেলা স্থগিত

### ক'ভিড সংক্ৰমণৰ বাবে ৩০ জুনলৈকে বন্ধ থাকিব মন্দিৰৰ দুৱাৰ

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ৪ জুন ঃ** গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত শক্তিপীঠ কামাখ্যা মন্দিৰৰ অম্বুবাচী মেলালৈ প্ৰতিবছৰে ■ ৮ পৃষ্ঠাত

# অসম আৰক্ষীৰ অবিৰত ড্ৰাগ্‌ছবিৰোধী অভিযানত কঁপি উঠিছে আন্তঃৰাষ্ট্ৰীয় অপৰাধ জগত




## 'গ'ল্ডেন ট্ৰেংগেল'ত তীব্ৰ জোকাৰণি

দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ৪ জুন ঃ ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰাৰ লগে লগে পূৰ্বৰ চৰকাৰৰ তুলনাত ৰাজ্যৰ গৃহ বিভাগক অধিক সষ্টম কৰি তোলা পৰিলক্ষিত হৈছে। ৰাজ্যখনত পূৰ্বৰে পৰা সক্ৰিয় হৈ থকা গৰু-বাৰ্মিজ চুপাৰি ছিণ্ডিকেটক কঠোৰ হাতেৰে দমন কৰাৰ লগতে ৰাজ্যৰ চুকে-কোণে মূৰ দাঙি উঠা ড্ৰাগ্‌ছ সৰবৰাহকাৰীৰ বিৰুদ্ধে অসম আৰক্ষীয়ে ■ ৮ পৃষ্ঠাত

### ম্যানমাৰ-থাইলেণ্ডৰ আন্তঃৰাষ্ট্ৰীয় ড্ৰাগ্‌ছ মাফিয়াৰ বাবে ভাৰত হৈছে এক বৃহৎ বজাৰ ঃ মুখ্য কৰিড'ৰ গুৱাহাটীত সন্মুখীন হোৱা বাধাই অস্বস্তিত পেলাইছে 'গোল্ডেন ট্ৰেংগেল'ৰ ড্ৰাগ্‌ছ ডিলাৰক ঃ প্ৰভাৱ পৰিব পাৰে উত্তৰ-পূৰ্বাঞ্চলৰ বিদ্ৰোহী সংগঠনত ঃ অস্থিৰ হৈ উঠিব পাৰে নেকি অসম ঃ নে সমগ্ৰ ঘটনাই লাভৱান্বিত কৰিব তৃতীয় পক্ষক



## ছয়গাঁও ঔদ্যোগিক কেন্দ্ৰত হাজাৰ হাজাৰ বস্তা চোৰাং চাউলসহ ট্ৰাক জব্দ

### চৰকাৰী চাউল ক'লা বজাৰত বিক্ৰীৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ৪ জুন ঃ** ৰাজ্যত অব্যাহত আছে চোৰাং ব্যৱসায় আৰু ছিণ্ডিকেটৰ বজাৰ। এনে এক বৃহৎ চোৰাং চাউল ■ ৮ পৃষ্ঠাত

শিৱসাগৰৰ অনাথ শিশুৰ আশ্ৰয়স্থল 'প্ৰজ্ঞালয়'ত ৰহদৈ পুখুৰীৰ ১২ বেটেলিয়নৰ খাদ্য-সামগ্ৰী বিতৰণ



### অসম-নাগালেণ্ড সীমান্তৰ নাজিৰা মহকুমাৰ গেলেকীয়েদি আহে শিৱসাগলৈ

# সমগ্ৰ শিৱসাগৰ জিলাতে চলে নাগালেণ্ডৰ ড্ৰাগ্‌ছৰ ৰমৰমীয়া ব্যৱসায়

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ৪ জুন ঃ** নাগালেণ্ডৰ ডিমাপুৰৰ পৰা নাজিৰা মহকুমাৰ গেলেকী সীমান্তইদি সমগ্ৰ শিৱসাগৰ জিলাত চলে ড্ৰাগ্‌ছৰ ৰমৰমীয়া ব্যৱসায়। সমগ্ৰ অসমৰ লগতে শিৱসাগৰ জিলাৰ সীমান্তৱৰ্তী গেলেকীত আৰক্ষীয়ে চলোৱা ড্ৰাগ্‌ছবিৰোধী অভিযানত ■ ৮ পৃষ্ঠাত

### গেলেকী আৰক্ষীৰ অভিযান ঃ পুনৰ আৰক্ষীৰ জালত দুই নগা ড্ৰাগ্‌ছ সৰবৰাহকাৰী ঃ বুজন পৰিমাণৰ ড্ৰাগ্‌ছ উদ্ধাৰ



গুৱাহাটীত দিছপুৰ আৰক্ষীৰ শুকুৰবাৰে দুই ড্ৰাগ্‌ছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

### উচ্চ শিক্ষা বিভাগ-লোক নিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগৰ শীৰ্ষ বিষয়াৰে মুখ্যমন্ত্ৰীৰ বৈঠক

# উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহৰ নিৰ্মাণকাৰ্য খৰতকীয়াভাৱে সম্পূৰ্ণ কৰাটো নিশ্চিত কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

■ 'অসম ইঞ্জিনিয়াৰিং ছাৰ্ভিচেছ ৰিক্ৰুইটমেণ্ট ব'ৰ্ড গঠনৰ আনুষ্ঠানিকতা অতি সোনকালে সম্পূৰ্ণ কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ ■ লোক নিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগ দ্বিবিভক্ত কৰি লোক নিৰ্মাণ (গৃহ) বিভাগক এটা স্বতন্ত্ৰ শাখাৰূপে গঢ়ি তুলিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

দিছপুৰ, ৪ জুন ঃ দিছপুৰ, ৪ জুন ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনস্থিত তেওঁৰ কাৰ্যালয়ৰ সভাকক্ষত উচ্চ শিক্ষা বিভাগ আৰু লোক নিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এক বৈঠকত মিলিত হৈ ৰাজ্যখনত নিৰ্মিয়মাণ বিভিন্ন ■ ৮ পৃষ্ঠাত

# নগা বেদখলকাৰীৰ কৱলত অভয়পুৰ সংৰক্ষিত বনাঞ্চল

### পোহৰলৈ আহিছে প্ৰায় ৩০০ বিঘা মাটি বেদখল কৰি ৰবৰৰ বাগিচা স্থাপন কৰাৰ তথ্য ঃ নীৰৱ ৰাজ্যৰ বন বিভাগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণাৰি, ৪ জুন ঃ** চৰাইদেউ জিলাৰ এখন অন্যতম গুৰুত্বপূৰ্ণ বনাঞ্চল হ'ল অভয়পুৰ সংৰক্ষিত বনাঞ্চল। অসম-নাগালেণ্ড সীমান্তৱৰ্তী এলেকাত থকা বনাঞ্চলখনৰ মুঠ মাটিকালি ৬৭৩২.৬৬০। সম্প্ৰতি নগা বেদখলকাৰীৰ কৱলত পৰিছে অভয়পুৰ সংৰক্ষিত বনাঞ্চলৰ শ শ বিঘা মাটি। তাৰ পিছতো ■ ৮ পৃষ্ঠাত



গুৱাহাটীত ভেকচিন প্ৰদানৰ ছবি, শুকুৰবাৰে

বাক্সাত ভগা পকী দলং। এনেকৈয়ে পাগলাদিয়া নৈৰ ওপৰত থকা ভগা পকী দলঙত বাঁহৰ দলং সংযোগেৰে নিকাছী আৰু সৌৰণখাটালৈ গঞাৰ আহ-যাহ



### কাজিৰঙাত বন্যপ্ৰাণীৰ সুৰক্ষাৰ কাৰণে ১৪৪ ধাৰা জাৰি

# এনিমেল কৰিড'ৰত যান-বাহন ৰখোৱা নিষেধ

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, কাজিৰঙা, ৪ জুন ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানখনৰ বন্যজন্তুৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি গোলাঘাট জিলা প্ৰশাসনে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতিকাষৰীয়া এলেকাসমূহত বলৱৎ কৰিছে ১৪৪ ধাৰা। এই আইন অমান্য কৰিলে ভৰিব লাগিব জৰিমনা। আনহাতে, নিষিদ্ধ এলেকাসমূহত অৰ্থাৎ কাজিৰঙাৰ এনিমেল কৰিড'ৰ, বন্যপ্ৰাণী অহা-যোৱা কৰা এলেকাত নিজ ইচ্ছানুযায়ী গাড়ী ৰখালে তেতিয়াও ভৰিব লাগিব জৰিমনা। সেয়ে এতিয়াৰে পৰা বোকাখাতৰ পৰা জখলাবন্ধালৈকে ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথত যান-বাহনৰ চলাচল কৰাত সাৱধান হোৱাটো অতি জৰুৰী হৈ পৰিছে। উল্লেখ্য, প্ৰতি বছৰ বাৰিষা কালত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণী ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথ অতিক্ৰম কৰি দক্ষিণ দিশে থকা ■ ৮ পৃষ্ঠাত

### ধুবুৰীত খাদ্য অসামৰিক যোগান বিভাগৰ নিমখ চক্ৰৰ বিৰুদ্ধে বৃহৎ অভিযান

# উদ্ধাৰ ১০২ কুইণ্টল অবৈধ নিমখ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ৪ জুন ঃ** ধুবুৰী জিলা খাদ্য অসামৰিক যোগান গ্ৰাহক পৰিক্ৰমা বিভাগৰ অভিযানকাৰী দল আজি ধুবুৰী জিলাৰ ■ ৮ পৃষ্ঠাত



# নলবাৰীত ডকাইত-আৰক্ষীৰ সংঘৰ্ষত তিনি ডকাইত আহত

### বিধায়ক জয়ন্তমল্ল বৰুৱাৰ নলবাৰী আৰক্ষীক সম্বৰ্ধনা জ্ঞাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ৪ জুন ঃ** নলবাৰীৰ মুগকুছিত যোৱানিশা আৰক্ষী আৰু ডকাইতৰ মাজত গুলীয়াগুলীৰ ঘটনা সংঘটিত হয়। মহিন্দ্ৰা জাইল' গাড়ী লৈ অহা এটা ডকাইতৰ দলে নলবাৰীৰ পৰা হাজোলৈ আহি থকাৰ সময়ত আৰক্ষীৰে সংঘৰ্ষ হয়। আৰক্ষীয়ে ডকাইতৰ বাহনখনৰ চকাত গুলীয়াই গাড়ীখন ৰখাই দিয়াত ডকাইতকেইটা পলাবলৈ চেষ্টা কৰে যদিও ■ ৮ পৃষ্ঠাত

## হোজাইত উপস্থিত অসম চৰকাৰৰ বন তথা আবকাৰী বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য



### লামডিং বনাঞ্চলৰ লগতে অন্যান্য ঠাইতো বেদখল মুক্ত কৰা হ'ব ঃ বনমন্ত্ৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, হোজাই, ৪ জুন ঃ** অসমত দ্বিতীয়বাৰ বিজেপি চৰকাৰ গঠন হোৱাৰ পিছত আজি প্ৰথমবাৰৰ কাৰণে হোজাই জিলাৰ অভিভাৱক মন্ত্ৰী হিচাপে হোজাইত উপস্থিত হয় বন তথা আবকাৰী মন্ত্ৰী পৰিমল শুক্লবৈদ্য। হোজাই জিলাৰ বিভিন্ন বিভাগৰ বিষয়াসকলৰ লগত উপাযুক্ত কাৰ্যালয়ত ক'ভিড পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যৰে হোজাইলৈ অহা মন্ত্ৰীজনে সভাৰ পূৰ্বে হোজাই চহৰৰ গীতাশ্ৰমত আহি উপস্থিত হয় মন্ত্ৰীগৰাকী। উত্তৰ-পূবৰ আৰ এছ এছৰ মুখ্য কাৰ্যালয়স্বৰূপ গীতাশ্ৰমত উপস্থিত হৈ সংবাদ মাধ্যমৰ আগত কয় যে, মই ক'ভিড পৰিস্থিতিৰ বুজ ল'বলৈ আজি আহিছো। হোজাই জিলাৰ তিনিটা সমষ্টিৰ বিধায়ক আৰু সাংসদ তথা বিভাগীয় বিষয়াসকলৰ লগত মিলিত হৈ ভয়ানক ক'ভিড মহামাৰীৰ পৰা ৰক্ষা পোৱাৰ বাবে বিভিন্ন ব্যৱস্থা আৰু প্ৰশাসনে কেনে কাম চলাই আছে আৰু কি কি ব্যৱস্থা আমি কৰিব পাৰি সেই সন্দৰ্ভত এক বিতং আলোচনাৰ বাবে আজি হোজাইত অহা বুলি মন্তব্য কৰে মন্ত্ৰীজনে। হোজাইৰ স্থানীয় বিধায়ক ৰামকৃষ্ণ ■ ৮ পৃষ্ঠাত

# ইটাখোলাৰ ছাত্ৰ নেতা মিণ্টু ভূমিজে কৃষি কৰ্মৰ জৰিয়তে দাঙি ধৰিছে নিবনুৱাসকলৰ বাবে নিদৰ্শন

## লকডাউনত ক্ষতি-সাধন হোৱা কৃষকসকলক সহায়ৰ আহ্বান চৰকাৰক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ৪ জুন ঃ** বিশ্বনাথ জিলাৰ ইটাখোলাস্থিত ভূএঞাপাৰা গাঁও নিৱাসী তথা অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক মিণ্টু ভূমিজে নানা ধৰণৰ কৃষি কৰ্মৰ জৰিয়তে আন দহগৰাকী নিবনুৱাৰ কৰ্মসংস্থাপনৰ নিদৰ্শন দাঙি ধৰিছে। জানিব পৰা মতে মিণ্টু ভূমিজ ছাত্ৰ অৱস্থাৰে পৰা কৃষি কৰ্মৰ প্ৰতি থকা আগ্ৰহৰ বাবে নিজে প্ৰতিটো বাৰিষাতে খেতিয়কৰ ৰূপত ব্যস্ত হৈ পৰে। উল্লেখ্য যে পিতৃ প্ৰয়াত মাণিক ভূমিজ জীৱিত অৱস্থাত এগৰাকী চৰকাৰী চাকৰিয়াল হোৱাৰ বাবে ঘৰৰ জ্যেষ্ঠ পুত্ৰ হিচাপে মিণ্টুৱেই নিজৰ ঘৰুৱা খেতি-পথাৰ চম্ভালিবলগীয়া হৈছিল। ভূএঞাপাৰা অঞ্চলৰ এগৰাকী শিক্ষিত যুৱক হিচাপে চৰকাৰী চাকৰিৰ প্ৰতি মন নেমেলি কৃষি কৰ্মৰ জৰিয়তে সংস্থাপিত হোৱাৰ যি মনোবল সেই মনোবলকে লৈ পৰ্যায় ক্ৰমে বতৰ অনুযায়ী শাক-পাচলিৰ পৰা আৰম্ভ কৰি বিভিন্ন শস্যৰ খেতি কৰি আহিছে। এগৰাকী জনগোষ্ঠীয় ছাত্ৰ সংগঠনৰ কেন্দ্ৰীয় বিষয়ববীয়া হিচাপে সময়ে সময়ে ৰাজ্যৰ বিভিন্ন প্ৰান্তত সভা-সমিতি কৰি ব্যস্ততাৰ মাজতো বাৰিষাৰ ধান খেতিৰ



লগতে বিঘাই বিঘাই ৰবি শস্যও পূৰ্ণোদ্যমে কৰি অহা পৰিলক্ষিত হৈছে। ইপিনে সম্প্ৰতি ক'ভিডসৃষ্ট পৰিস্থিতিত যোৱাটো বৰ্ষতো কৃষক ৰাইজ মাধমাৰ খোৱাৰ দৰে এইবেলিও কৰ'না মহামাৰীৰ ফলত আন আন ব্যৱসায়-বাণিজ্যৰ লগতে কৃষকে উৎপাদিত শাক-পাচলি বিঘাই বিঘাই নষ্ট হোৱা পৰিলক্ষিত হৈছে । একেদৰে ছাত্ৰ নেতা মিণ্টু ভূমিজেও চলিত বৰ্ষত প্ৰায় ৮ বিঘা কৃষি ভূমিত বিঘাই প্ৰতি ২০-২৫ হাজাৰ টকা ব্যয় সাপেক্ষে জলকীয়া, বেঙেনা, বিলাহী, ভেণ্ডি, মাকৈ খেতি কৰে যদিও বজাৰ-সমাৰ বন্ধ থকাত উৎপাদিত শস্যসমূহ বিক্ৰী কৰিব নোৱৰাৰ লগতে প্ৰখৰ ৰ'দ আৰু বৰষুণত কৃষি ভূমিতে গেলি-পচি যোৱাৰ উপক্ৰম হৈছে। ইপিনে বৰ্তমান দেশত দিনক দিনে বৃদ্ধি পোৱা নিবনুৱা সমস্যাৰ মাজতে মিণ্টু ভূমিজৰ দৰে শিক্ষিত যুৱকে কৃষি কৰ্মৰ জৰিয়তে আয় কৰা ধনেৰে আত্মনিৰ্ভৰশীল হৈ উঠিব বিচাৰিছিল যদিও দুবছৰ ধৰি হোৱা বৃহৎ লোকচানে ভূমিজৰ মনোবল ভাঙি পেলোৱা পৰিলক্ষিত হৈছে। গতিকে ভূমিজৰ দৰে নিজকে কৃষি কৰ্মৰ জৰিয়তে আত্মনিৰ্ভৰশীল হ'বলৈ আগবাঢ়ি লোকচানৰ সন্মুখীন হ'ব ধৰা যুৱ কৃষকসকলক যদি চৰকাৰে কৃষি খণ্ডৰ বিশেষ আঁচনিৰ দ্বাৰা সাহায্য প্ৰদান কৰে তেন্তে এই মনোবল ভাঙি যোৱা যুৱকসকল উৎসাহিত হ'ব বুলি অঞ্চলটোৰ একাংশ সচেতন লোকে ক'ব খোজে।

# সোণাৰিত কৃষকৰ মাজত ট্ৰেক্টৰ বিতৰণ কৰিলে বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে




**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণাৰি, ৪ জুন ঃ** মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত সোণাৰি আৰু মাহমৰা বিধানসভা সমষ্টিৰ কৃষক গোটৰ মাজত আজি কৃষি বিভাগৰ দ্বাৰা ট্ৰেক্টৰ বিতৰণ কৰা হয়। সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে নিজে চালকৰ আসনত বহি ট্ৰেক্টৰ বিতৰণ কাৰ্যসূচী শুভাৰম্ভ কৰে। সোণাৰি সমষ্টিৰ অন্তৰ্গত লংপতীয়াত ৰাজসাহায্যযুক্ত এই ট্ৰেক্টৰসমূহ বিতৰণ কৰা হয়। শালি খেতিৰ আৰম্ভণিতে কৃষি বিভাগে এই ট্ৰেক্টৰ বিতৰণ কৰা কাৰ্যই কৃষকসকলক উপকৃত কৰিব বুলি মন্তব্য কৰে বিধায়কগৰাকীয়ে। লংপতীয়া বজাৰগৃহত অনুষ্ঠিত ট্ৰেক্টৰ বিতৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰি বিধায়কগৰাকীয়ে কয়— 'অসমক কৃষি ক্ষেত্ৰত আত্মনিৰ্ভৰশীল কৰিবলৈ হ'লে খেতিয়ক ৰাইজক সবাংগীন উত্তৰণত গুৰুত্ব দিয়াটোৰ অত্যন্ত দৰকাৰী। প্ৰতিখন গাঁৱৰ কৃষকসকল শক্তিশালী হ'লেহে অসম শক্তিশালী হ'ব । সেয়েহে 'মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা'ৰ অধীনত ৰাজ্যৰ কৃষক গোটসমূহক দিয়া হৈছে একোখনকৈ আধুনিক ট্ৰেক্টৰ। এই ট্ৰেক্টৰসমূহৰ ব্যৱহাৰৰ ফলত কৃষকসকল স্বাৱলম্বী হোৱাৰ পথ প্ৰশস্ত হৈছে।' উল্লেখ্য যে চৰাইদেউ জিলা কৃষি বিভাগৰ উদ্যোগত অনুষ্ঠিত হোৱা ট্ৰেক্টৰ বিতৰণ কাৰ্যসূচীত চৰাইদেউ জিলা কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীৰ লগতে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

## মাজুলী বনগাঁৱত আত্মৰক্ষা প্ৰশিক্ষণৰ কৰ্মশালাৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, উজনি মাজুলী, ৪ জুন ঃ** ২০১৯ বৰ্ষতে মাজুলীৰ বুকুত জন্মলাভ কৰিছিল কলাগুৰু উদীয়মান যুৱ মঞ্চ নামৰ এটা অৰাজনৈতিক সংগঠন। জন্মলাভৰ পৰা এই অৰাজনৈতিক সংগঠনটোৱে অহৰহ ৰাইজৰ হৈ কাম কৰি আহিছে। বানপীড়িতক খাদ্য-সামগ্ৰী দিয়া, ছাত্ৰ-ছাত্ৰীক কাগজ-কলম দিয়া, মেট্ৰিক পৰীক্ষাৰ্থীক কলম বিতৰণকে আদি কৰি ৰাইজৰ হকে বহু কাম কৰি আহিছে। বৰ্তমান সময়ত দেশৰ ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভয়ংকৰভাৱে ধৰ্ষণ বা অপহৰণৰ যি এক ভয়ংকৰ ৰূপ লৈছে। গতিকে এই সময়ত প্ৰতিজন যুৱক-যুৱতীয়ে নিজকে সুৰক্ষিত কৰি ৰাখিবলৈ ছেল্ফ ডিফেন্স খুবেই প্ৰয়োজন হৈ পৰিছে। সেই উদ্দেশ্যে মাজুলীতো কলাগুৰু উদীয়মান যুৱ মঞ্চ মাজুলীৰ উদ্যোগত ছাত্ৰ-ছাত্ৰী বা যুৱক-যুৱতীসকলৰ আত্মৰক্ষাৰ কথা চিন্তা কৰি বনগাঁৱত আত্মৰক্ষাৰ এক প্ৰশিক্ষণ কৰ্মশালাৰ আয়োজন কৰিছে। বহুকেইজন দক্ষ, সোণৰ মেডেল অৰ্জন কৰি ব্লেক বেল্ট সন্মানিত অসমৰ বিভিন্ন প্ৰান্তৰ প্ৰশিক্ষকৰ দ্বাৰা এই প্ৰশিক্ষণ দিয়াৰ কথা প্ৰকাশ কৰে সংস্থাটোৱে। ইচ্ছুক ছাত্ৰ-ছাত্ৰী বা যুৱক-যুৱতীসকলে ১৫ জুন ২০২১ৰ ভিতৰত নামভৰ্তি কৰিব পাৰিব বুলি সংস্থাটোৱে জনাইছে। বৰ্তমান সময়ৰ লগত সংগতি ৰাখি এনে এক কাৰ্যসূচী হাতত লোৱা বাবে মাজুলীৰ সচেতন লোকসকলে তেওঁলোকৰ শলাগ লৈছে।

**বৰছলাৰ পীৰাকটা গাঁও পঞ্চায়তৰ আজব কাণ্ড**

# পঞ্চায়তৰ সদস্যাই নিজৰ পৰিয়ালতে প্ৰস্তুত কৰিলে একাধিক জৱকাৰ্ড

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ৪ জুন ঃ** ৰাজ্য চৰকাৰে দুৰ্নীতিমুক্ত, শোষণমুক্ত, ভ্ৰষ্টাচাৰমুক্ত কৰি দালালৰাজ সম্পূৰ্ণৰূপে নিৰ্মূলৰ জৰিয়তে নিকাভাৱে চৰকাৰ পৰিচালনা কৰাৰ শ্ল'গান দি থকাৰ সময়তে ৰাজ্যৰ একাংশ পঞ্চায়তত এতিয়া দুৰ্নীতিৰ মুকলি বজাৰ চলিছে। পঞ্চায়তসমূহৰ একাংশ জনপ্ৰতিনিধিয়ে এতিয়া দুৰ্নীতিৰ আখৰা পাতিছে। তাৰে জ্বলন্ত উদাহৰণ শোণিতপুৰ জিলাৰ বৰছলা উন্নয়ন খণ্ডৰ অধীনৰ পীৰাকটা গাঁও পঞ্চায়তৰ কাৰ্যালয়। পীৰাকটা গাঁও পঞ্চায়তৰ কাৰ্যালয়ত সংঘটিত দুৰ্নীতিৰ তদন্তৰ দাবীত পঞ্চায়ত এলেকাৰ একাংশ সচেতন লোকে ৭২নং বৰছলা বিধানসভা সমষ্টিৰ বিধায়ক গণেশ কুমাৰ লিম্বুক লিখিত অভিযোগ দাখিল কৰিছে। ৰাইজে বিধায়কগৰাকীক দাখিল কৰা অভিযোগত উল্লেখ কৰা অনুসৰি পীৰাকটা গাঁও পঞ্চায়তৰ এগৰাকী জনপ্ৰতিনিধিয়ে নিজৰ পৰিয়ালৰ চাৰিজনকৈ সদস্যৰ নামত জৱকাৰ্ড প্ৰস্তুত কৰি চৰকাৰী ধন আত্মসাৎ কৰাৰ ফন্দি পাতিছে। অভিযোগ পত্ৰত উল্লেখ কৰা মতে পীৰাকটা গাঁও পঞ্চায়তৰ ২নং পীৰাকটা ৱাৰ্ডৰ সদস্য ৰিংকুমণি দাসে দৰিদ্ৰক বঞ্চিত কৰি নিজৰ লগতে পৰিয়ালৰ চাৰিজনকৈ সদস্যৰ নামত জৱকাৰ্ড প্ৰস্তুত কৰি চৰকাৰী ধনৰ শৰাধ কৰিছে। অভিযোগ পত্ৰত উল্লেখ কৰা মতে AS-09-008-010-005/162 ৰিংকুমণি দাস, (নিজে), AS-09-008-010-005-437 গোপাল দাস (স্বামী), AS-09-008-010-005/437 নৰেন্দ্ৰ দাস (শহুৰ) আৰু AS-09-008-010-005/186 (দেওৰ) এনেদৰে জৱকাৰ্ড প্ৰস্তুত কৰি কাম নকৰাকৈয়ে চৰকাৰী ধনৰ লুণ্ঠন চলাইছে। তাৰে নৰেন্দ্ৰ দাসৰ বয়স বৰ্তমান ৬৮ বছৰ। আনকি এইগৰাকী গাঁও সদস্যাই পিএমএৱাই গৃহ, অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ তালিকা প্ৰস্তুত কৰাৰ নামত ধন সংগ্ৰহৰ অভিযোগ উত্থাপন কৰিছে ৰাইজে। এইক্ষেত্ৰত বিধায়কগৰাকীয়ে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব। এই সম্পৰ্কত সচেতন নাগৰিক সমিতিয়ে এটা প্ৰেছ বিবৃতিযোগে অভিযোগ কৰিছে।

# গোৱালপাৰা আৰক্ষীৰ সফল অভিযানত গাঞ্জা ব্যৱসায়ী আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৱালপাৰা, ৪ জুন ঃ** কালি বিয়লি ৬.৩০ মান বজাত গোৱালপাৰাৰ বলদমাৰী চৰ অঞ্চলৰ কালু বজাৰ দলঙৰ কাষত এক গোপন সূত্ৰৰ পম খেদি গোৱালপাৰা সদৰ আৰক্ষীৰ আৰক্ষীয়ে এজন গাঞ্জা ব্যৱসায়ী আটক কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে আৰক্ষীয়ে প্ৰায় দুঘণ্টা ধৰি বাহৰ পাতি থকাৰ পিছত আটক কৰিবলৈ সক্ষম হয় গাঞ্জাৰ ব্যৱসায়ীজনক। গোৱালপাৰা সদৰ আৰক্ষী ভাৰপ্ৰাপ্ত বিষয়া আদিত্য প্ৰকাশ দেউৰী আৰু উপ-আৰক্ষী পৰিদৰ্শক সঞ্জয় আনন্দ মুছাহাৰীৰ নেতৃত্বত এটা আৰক্ষীৰ দলে বুধবাৰে বিয়লি ৪ বজাৰে পৰা এক গোপন সূত্ৰৰ পম খেদি গোৱালপাৰাৰ বলদমাৰী অঞ্চলৰ কালু বজাৰ দলঙৰ কাষত বাহৰ পাতি আছিল। প্ৰায় দুঘণ্টা অতিক্ৰম কৰাৰ পাছত অৱশেষত গাঞ্জাৰ ব্যৱসায়ী আহমেদ আলীক হাতে-লোটে আটক কৰিবলৈ সক্ষম হয়। এই অভিযানত গাঞ্জা ব্যৱসায়ী আহমেদ আলীৰ লগতে ৮.১৫০ কিলোগ্ৰাম গাঞ্জা উদ্ধাৰ কৰা হয়। আৰক্ষীয়ে গাঞ্জা ব্যৱসায়ীজনক আটক কৰি গোৱালপাৰা সদৰ থানালৈ লৈ যায় যদিও আন



এজন গাঞ্জা ব্যৱসায়ী পলাই যাবলৈ সক্ষম হয় বুলি জানিব পৰা গৈছে। আৰক্ষী সূত্ৰে জানিব পৰা মতে জব্দ কৰা গাঞ্জাখিনিৰ বজাৰ মূল্য প্ৰায় ৯০ হাজাৰ টকা। আৰক্ষীয়ে প্ৰাথমিক পৰ্যায়ৰ তদন্ত অব্যাহত ৰাখিছে।

## ছিপাঝাৰৰ আদৰ্শ কৃষক, সমাজ সংগঠক মতিৰাম ডেকাৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ৪ জুন ঃ** ছিপাঝাৰৰ ঘাৰোৱা সোণাপুৰ গাৱঁৰ গৰৈমাৰাৰ মতিৰাম ডেকাৰ আজি দুপৰীয়া ১২.৪৫ বজাত নিজ বাসগৃহত বাৰ্ধক্যজনিত কাৰণত মৃত্যুবৰণ কৰে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৯৩ বছৰ। মতিৰাম ডেকা এজন আদৰ্শ খেতিয়ক হোৱাৰ উপৰি ছিপাঝাৰৰ পশ্চিম অঞ্চলৰ বিশেষকৈ গৰৈমাৰা, পুণিয়া অঞ্চলৰ শিক্ষা প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰাত আগভাগ লৈছিল। গৰৈমাৰা বুঢ়াগোসাঁই প্ৰাথমিক বিদ্যালয়, পুণিয়া প্ৰাথমিক বিদ্যালয়, বৰপুখুৰী মধ্য ইংৰাজী বিদ্যালয়, মালিগোসাঁনী ছোৱালী মধ্য ইংৰাজী বিদ্যালয় আদি প্ৰতিষ্ঠা কালত তেওঁ আগৰণুৱা আছিল। তদুপৰি গৰৈমাৰাৰ নৱমিলন গৰখীয়া সভা আৰু গৰৈমাৰা পুণিয়া উপ-স্বাস্থ্য কেন্দ্ৰ প্ৰতিষ্ঠাতো তেওঁ আগভাগ লৈছিল। তেওঁ গোৱালঝাৰ খুলীয়া ভাউৰীয়াৰ এগৰাকী শিল্পীও আছিল। তেওঁৰ মৃত্যুৰ খবৰ পোৱাৰ লগে লগে অঞ্চলটোত বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে তেওঁক শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ তিনিজন পুত্ৰ, দুজনী কন্যা, নাতি-নাতিনী এৰি থৈ যায়। তেওঁৰ জ্যেষ্ঠ পুত্ৰ লক্ষীৰাম ডেকা মালিগোসাঁনী ছোৱালী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক। তেওঁৰ মৃত্যুত বৃহত্তৰ গৰৈমাৰা পুণিয়া ৰাইজৰ লগতে গৰৈমাৰা বুঢ়া গোসাঁই প্ৰাথমিক বিদ্যালয়, পুণিয়া প্ৰাথমিক বিদ্যালয়, মালিগোসাঁনী ছোৱালী মধ্য ইংৰাজী বিদ্যালয়, বৰপুখুৰী মধ্য ইংৰাজী বিদ্যালয়, গৰৈমাৰা পুণিয়া নৱমিলন গৰখীয়া সভা, গৰৈমাৰা পুণিয়া স্বাস্থ্য উপকেন্দ্ৰ, পকাদলি আঞ্চলিক উন্নয়ন পৰিষদ, উপাসনা ফাইন আৰ্টছ, ঢেকীপাৰা মণ্ডল সমল কেন্দ্ৰৰ শিক্ষকসকলে শোকপ্ৰকাশ কৰে।

# দুৰ্গত শিল্পী, কলা-কুশলীক মাজুলী মিলন সংঘৰ সাহায্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ৪ জুন ঃ** মাজুলীৰ অন্যতম প্ৰাচীন সাংস্কৃতিক, সামাজিক অনুষ্ঠান মাজুলী মিলন সংঘই বৰ্তমান কৰ'নাসৃষ্ট পৰিস্থিতিৰ ফলত দুৰ্যোগৰ সন্মুখীন হোৱা সংঘৰ শিল্পী, কলা-কুশলীসকলক সামান্য সকাহ দিয়াৰ উদ্দেশ্যে এক সাহায্য অভিযান আৰম্ভ কৰিছে। আজি ক'ভিড প্ৰট'কল মানি সংঘৰ কমলাবাৰীস্থিত প্ৰেক্ষাগৃহ প্ৰাংগণত এই সাহায্য অভিযানৰ শুভাৰম্ভ কৰা হয়। সংঘৰ সভাপতি ড° আনন্দ হাজৰিকাই বিভিন্ন দুৰ্যোগৰ সময়ত মাজুলী মিলন সংঘই পালন কৰি অহা সামাজিক দায়বদ্ধতাৰ বিষয়ে উল্লেখ কৰি এক চমু বক্তব্য প্ৰদানেৰে সাহায্য অভিযানৰ শুভাৰম্ভ কৰে। এই অভিযানত অৰুণ কুমাৰ পাঠক, জগন্নাথ দুৱৰীয়া, লোহিত বৰা, সীমান্ত বৰা, অভিজিত গোস্বামী, প্ৰশান্ত ভাগৱতী, দ্বিজেন দত্ত, সমীৰণ গোস্বামী, অমৰজ্যোতি বৰা, ৰুবী সভাপণ্ডিত বৰা, মুনীন্দ্ৰ ভূঞা, দীপক নেওগ আদি সংঘৰ




বিষয়ববীয়া-সদস্যসকলে অংশগ্ৰহণ কৰে। আজি সংঘ প্ৰাংগণত অনুষ্ঠিত আৰম্ভণী অনুষ্ঠানত কেইগৰাকীমান শিল্পী-কলা-কুশলীক নিত্য-ব্যৱহাৰ্য খাদ্য-সামগ্ৰীৰ টোপোলা প্ৰদান কৰা হয়। অন্যান্যসকলক ঘৰে ঘৰে গৈ এই সাহায্য সামগ্ৰীসমূহ প্ৰদান কৰা হ'ব। মাজুলী মিলন সংঘৰ নিজা পুঁজিৰে আৰম্ভ কৰা এই সাহায্য অভিযানত প্ৰায় এশটা পৰিয়ালক সামৰি লোৱা হ'ব বুলি উদ্যোক্তাসকলে জনাইছে।

**টীম মাজুলীৰ প্ৰশংসনীয় পদক্ষেপ**

# ধুমুহাত ক্ষতিসাধন হোৱা মাজুলীৰ বহুকেইটা পৰিয়ালক টিনপাত বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নামনি মাজুলী, ৪ জুন ঃ** অলপতে হৈ যোৱা কালৰূপী ধুমুহাই মাজুলীৰ বনগাঁও উপ-আৰক্ষী চকীৰ অন্তৰ্গত উজনি মাজুলীৰ ধোৱাচলা গাঁৱৰ সাধাৰণ দৰিদ্ৰ ৰাইজৰ বিস্তৰ ক্ষতি সাধন কৰিলে। টীম মাজুলীয়ে উক্ত গাঁওখনত উপস্থিত হৈ পৰিয়ালসমূহৰ ক্ষয়-ক্ষতিৰ বুজ লয় আৰু অত্যন্ত দৰিদ্ৰ ১১টা পৰিয়ালৰ ঘৰসমূহ পুনৰ নিৰ্মাণৰ বাবে এক বাণ্ডিলকৈ প্ৰতি ঘৰত টিনপাত দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেই মৰ্মে আজি টীম মাজুলীৰ সদস্যসকলে উক্ত গাঁওখনৰ গাঁওবুঢ়াৰ ঘৰত উপস্থিত হৈ চৰকাৰ তথা জিলা প্ৰশাসনে বান্ধি দিয়া সকলো ক'ভিড বিধি মানি টিনপাত বিতৰণ কাৰ্যসূচী ৰূপায়ণ কৰে। যিহেতু একে ঠাইত দহজন ব্যক্তিৰ উপস্থিতিত বাধা আছে সেই বাবেই এজন এজনকৈ ব্যক্তিক আহিবলৈ দি টিনপাত গ্ৰহণ কৰিবলৈ এখন এখন ৰচিদ দিয়া হয়। ইফালে টীম মাজুলীয়ে নিৰ্দিষ্ট কৰি দিয়া দোকানৰ পৰা সম্পূৰ্ণ ক'ভিড বিধি মানি টিনপাতখিনি গ্ৰহণ কৰিব পাৰিব ক্ষতিগ্ৰস্ত লোকসকলে। সমান্তৰালভাৱে আজি ৰাওনা গাঁৱৰ এজন ব্যক্তিকো ধুমুহাত ক্ষতি হোৱা বাবে ১০ চলা টিনপাত দিয়ে অনুষ্ঠানটোৱে। টীম মাজুলীয়ে চৰকাৰ তথা জিলা প্ৰশাসনক অনুৰোধ জনাই উক্ত গাঁওখনৰ ধুমুহাত ক্ষতি হোৱা বাকীবোৰ পৰিয়ালকো যথোপযুক্ত ক্ষতিপূৰণ দি পৰিয়ালসমূহৰ ঘৰবোৰ নিৰ্মাণৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনায়। টীম মাজুলীয়ে লোৱা এই কাৰ্যসূচীলৈ আৰ্থিক অৱিহণা আগবঢ়ায় টীম মাজুলীৰ সদস্য বিতোপন দলে ( ভাইকণ), পৱিত্ৰ মেধি, বেদান্ত বৰা, লুকু হাজৰিকা আৰু দিগন্ত হাজৰিকাই। টীম মাজুলীয়ে তেওঁলোকক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে অনাগত দিনত ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে টীম মাজুলীৰ মুখ্য আহ্বায়ক প্ৰণৱজ্যোতি কাশ্যপ বৰাই। বৰাই লগতে জনাই যে অনাগত দিনত সমগ্ৰ মাজুলীৰ ৰাইজৰ বাবে টীম মাজুলীয়ে কাম কৰি যাব। আনহাতে, টীম মাজুলীৰ অন্য এটা দলে গড়মূৰ সদৰৰ নিচেই সমীপৰ খোনাচুক গাঁৱত উপস্থিত হৈ এটি দৰিদ্ৰ পৰিয়ালত অলপ খাদ্য বস্তু যোগান ধৰে। টীম মাজুলীৰ এনে পদক্ষেপক ৰাইজে শলাগ লৈছে।

# জালুকবাৰী কেন্দ্ৰীয় নাগৰিক সমিতিৰ উদ্যোগত সাংবাদিকৰ মাজত মাস্ক-হেণ্ড ছেনিটাইজাৰ বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ৪ জুন ঃ** ভয়াৱহ আৰু এক জটিলতাপূৰ্ণ সময়ৰে পাৰ হৈছে সমাজ জীৱন। কৰ'নাকেন্দ্ৰিক পৰিস্থিতিয়ে আনি দিছে এক গভীৰ প্ৰত্যাহ্বান। মাৰাত্মক ক'ভিড-১৯ৰ সামাজিক সংক্ৰমণ প্ৰতিৰোধৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে জাৰি কৰিছে আংশিক লকডাউন। সম্প্ৰতি দিনৰ ১২ বজাৰ পৰা পিছদিনা পুৱা ৫ বজালৈ চলি আছে সান্ধ্য আইন। এনে এক দুৰ্যোগপূৰ্ণ পৰিস্থিতিৰ মাজতো প্ৰতিনিয়ত জনসাধাৰণৰ হকে সেৱা আগবঢ়াই আহিছে সমাজৰ অতন্দ্ৰ প্ৰহৰী হিচাপে পৰিগণিত সংবাদ মাধ্যমৰ ব্যক্তিসকলে। উল্লেখনীয় যে সংবাদ মাধ্যমৰ সৈতে জড়িত ব্যক্তিসকলক এনে এক ভয়াৱহ পৰিস্থিতিৰ মাজতো নিৰন্তৰে সেৱা আগবঢ়াই অহা কৰ্তব্যক এধানি উৎসাহ যোগোৱাৰ উদ্দেশ্যে আজি জালুকবাৰী কেন্দ্ৰীয় নাগৰিক সমিতিয়ে গ্ৰহণ কৰে এক আদৰণীয় পদক্ষেপ। জালুকবাৰী কেন্দ্ৰীয় নাগৰিক সমিতিয়ে কালি দিনৰ প্ৰায় ১১ বজাত জালুকবাৰী উৰণীয়া সেতুৰ তলত আয়োজন কৰা এক অনুষ্টুপীয়া অনুষ্ঠানত বৃহত্তৰ মালিগাঁও-জালুকবাৰী অঞ্চলৰ প্ৰায় কুৰিজন সাংবাদিক তথা সংবাদ মাধ্যমৰ সৈতে জড়িত ব্যক্তিক আনুষ্ঠানিকভাৱে হেণ্ড ছেনিটাইজাৰ আৰু একোখনকৈ মাস্ক প্ৰদান কৰাৰ লগতে প্ৰায় শতাধিক সৰ্বসাধাৰণ লোকৰ মাজত মাস্ক আৰু ছেনিটাইজাৰ বিতৰণ কৰে। জালুকবাৰী কেন্দ্ৰীয় নাগৰিক সমিতিৰ সাধাৰণ সম্পাদক চাদিক আহমেদে আঁত ধৰা অনুষ্ঠানটোৰ আনুষ্ঠানিক শুভাৰম্ভ কৰে জালুকবাৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া তন্ময় নাথে। আনহাতে, অনুষ্ঠানটোত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে মানৱাধিকাৰ কৰ্মী যতীন্দ্ৰ ভৰালী। লগতে যুৱনেতা অজয় দাস, সঞ্জয় বিশ্বাস, হৃষীকেশ দাসকে ধৰি কেবাগৰাকী ব্যক্তি উপস্থিত থাকে। জালুকবাৰী কেন্দ্ৰীয় নাগৰিক সমিতিৰ এনে পদক্ষেপক সংবাদকৰ্মীসকলে কৃতজ্ঞতা জনাইছে।

# লাহৰীঘাটত পত্নীক যৌতুকৰ বাবে হত্যা কৰা স্বামী জিন্নত আলীক জে'ললৈ প্ৰেৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৪ জুন ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত স্বামীয়ে কেৰাচিন ঢালি জ্বলাই হত্যা কৰিলে পত্নীক ২২ মে'ত। লাহৰীঘাট থানাৰ অন্তৰ্গত অমৰাগুৰিত জিন্নত আলীয়ে পত্নী জোনমণি বেগমৰ শৰীৰত কেৰাচিন ঢালি জ্বলাই দিছিল। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত কালি জোনমণিৰ মৃত্যু হয়। উল্লেখ্য, ৮ মাহ পূৰ্বে টেঙাগুৰি গাঁৱৰ হবিবুৰৰ কন্যা জোনমণি বেগমক অমৰাগুৰি গাঁৱৰ জিন্নত আলীৰ লগত বিবাহ হৈছিল। পৰিয়ালৰ লোকৰ অভিযোগ মতে, তেতিয়াৰ পৰাই স্বামীয়ে জোনমণিক যৌতুক দাবী কৰি অত্যাচাৰ কৰি আহিছে। অৱশেষত স্বামী আৰু পৰিয়ালৰ লোকে মিলি জোনমণিক হত্যা কৰে বুলি অভিযোগ তুলিছে। ইতিমধ্যে জোনমণিৰ পৰিয়ালে লাহৰীঘাট থানাত এজাহাৰ দাখিল কৰিছিল। আৰু সেই এজাহাৰৰ ভিত্তিত লাহৰীঘাট আৰক্ষীয়ে পলাতক পত্নী হত্যাকাৰী জিন্নতক যোৱানিশা গ্ৰেপ্তাৰ কৰি case no - 300/21 us 489[a]/307, 304 [b] ধাৰাৰ অধীনত আজি জে'ল হাজোতলৈ প্ৰেৰণ কৰে।



# অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° লক্ষ্মীনন্দন বৰাৰ মৃত্যুত ওদালগুৰিত শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ৪ জুন ঃ** ৰংপুৰ, গৰীয়সীৰ সম্পাদক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° লক্ষ্মীনন্দন বৰাৰ মৃত্যুত ওদালগুৰি শতদল সাহিত্য সভাৰ সভাপতি কমলাকান্ত শৰ্মা, সম্পাদক অজয় কলিতাই গভীৰ শোক প্ৰকাশ কৰাৰ লগতে অসম সাহিত্য সভাৰ পতাকা তিনি দিনৰ বাবে অৰ্ধনিৰ্মিত কৰা হয়। ওদালগুৰি জিলা কবি সমাজ, ওদালগুৰি প্ৰেছ ক্লাবৰ সভাপতি গৌতমজ্যোতি তালুকদাৰ আৰু সম্পাদক বৈদ্যনাথ উপাধ্যায়ে প্ৰথিতযশা কথা শিল্পী, গঙা চিলনীৰ পাখি, পাতাল ভৈৰৱী, লগতে মহাপুৰুষ দুজনাৰ ৰচনাৰে জনপ্ৰিয় হোৱা লক্ষ্মীনন্দন বৰাৰ মৃত্যুৰে সাহিত্য ক্ষেত্ৰখন অভিভাৱকহীন হ'ল বুলি উল্লেখ কৰি শোক প্ৰকাশ কৰে। ইপিনে অসম চৰকাৰৰ অৱসৰী আয়ুক্ত সচিব, অসম সাহিত্য সভাৰ জ্যেষ্ঠ কাৰ্যনিৰ্বাহক তথা ওদালগুৰিৰ প্ৰাক্তন উপায়ুক্ত থানেশ্বৰ মালাকাৰে গভীৰ শোক প্ৰকাশ কৰি কয়— অসমীয়া সাহিত্যৰ সৰস্বতী বঁটাপ্ৰাপক একমাত্ৰ সাহিত্যিক, সাহিত্য অকাদেমিকে ধৰি বিভিন্ন বঁটাৰে সন্মানিত, অসমৰ সাহিত্য সভাৰ সভাপতি তথা পদ্মশ্ৰী ড° লক্ষ্মীনন্দন বৰা এগৰাকী বিজ্ঞানৰ প্ৰতিথযশা অধ্যাপক হৈও অসমীয়া সাহিত্যক মহীয়ান কৰি যোৱা স্বনামধন্য সাহিত্যিকগৰাকীৰ ভূমিকা অসমীয়া সাহিত্যই যুগে যুগে সুঁৱৰিব।

## ৰাশিফলত আজিৰ দিনটো

**২১ জেঠ, শনিবাৰ, ৫ জুন, ১৪২৮ ভাস্কৰাব্দ তিথি ঃ কৃষ্ণা দশমী, নক্ষত্ৰ ঃ ৰেৱতী, জন্ম ৰাশি ঃ মীন**

**সূৰ্যোদয়- ৪-৪১-৪, সূৰ্যাস্ত- ৬-১-৪**



■ **মেষ** ঃ আনন্দ ■ **বৃষ** ঃ সন্তান সুখ ■ **মিথুন** ঃ সহায় লাভ ■ **কৰ্কট** ঃ পদোন্নতি ■ **সিংহ** ঃ আশা পূৰণ ■ **কন্যা** ঃ দ্ৰব্য লাভ ■ **তুলা** ঃ বন্ধুৰ সংগ ■ **বৃশ্চিক** ঃ সন্মান প্ৰাপ্তি ■ **ধনু** ঃ গৃহ সুখ ■ **মকৰ** ঃ কৰ্মোন্নতি ■ **কুম্ভ** ঃ পৰিৱৰ্তন ■ **মীন** ঃ হতাশা

# সাহিত্যিক ড° লক্ষ্মীনন্দন বৰাৰ বিয়োগত বকো সাহিত্য সভাৰ শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ৪ জুন ঃ** অসমীয়া ভাষা সাহিত্যৰ সাধক, বিশিষ্ট শিক্ষাবিদ, বিজ্ঞানী, প্ৰবীণ সাংবাদিক তথা অসম সাহিত্য সভাৰ বোকাখাত অধিৱেশনৰ ১৯৯৬ বৰ্ষৰ সভাপতি প্ৰথিতযশা সাহিত্যিক, বাতৰি কাকতৰ সম্পাদক, গল্পকাৰ, ঔপন্যাসিক, স্বৰস্বতী সন্মানপ্ৰাপক প্ৰসিদ্ধ কথাশিল্পী, পদ্মশ্ৰী ড° লক্ষ্মীনন্দন বৰাৰ প্ৰায় ৮৯ বছৰীয়া বৰ্ণিল জীৱন পৰিক্ৰমাৰ অন্ত পেলাই কালি স্বৰ্গপ্ৰাপ্তি ঘটে। তেওঁৰ দেহাৱসানে অসমীয়া ভাষা, সাহিত্য তথা সাংবাদিকৰ পথাৰখনৰ বাবে এক অপূৰণীয় ক্ষতি। তেওঁৰ মৃত্যুৰ বাতৰিয়ে চৌদিশে মৰ্মাহত কৰি তুলিছে। কিন্তু এয়া যে চিৰন্তন সত্য। ইফালে অসমীয়া ভাষা-সাহিত্যৰ সম্ভ্ৰান্ত আলোচনী 'গৰীয়সী'ৰ মৃত্যুৰ সময়লৈকে সম্পাদকৰ দায়িত্ব পালন কৰি বহু অৱদান দি গ'ল। এনে এগৰাকী নমস্য কথাশিল্পীৰ বিয়োগত অসম



সাহিত্য সভাই আন্তৰিকতাৰে শোক প্ৰকাশ কৰাৰ লগতে কামৰূপ জিলাৰ বকো সাহিত্য সভায়ো গভীৰ শোক প্ৰকাশ কৰি তেওঁৰ বিদেহ আত্মাৰ চিৰ শান্তি কামনা কৰি শ্ৰদ্ধাঞ্জলি জনায়। লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈও গভীৰ সমবেদনা জ্ঞাপন কৰে। উল্লেখ্য যে ড° লক্ষ্মীনন্দন বৰাৰ মৃত্যুত অসম সাহিত্য সভাই সাহিত্য সভাৰ পতাকা তিনিদিনীয়াকৈ অৰ্ধনমিত কৰি ৰখাৰ কথা ঘোষণা কৰে আৰু বকো সাহিত্য সভায়ো আনুষ্ঠানিকভাৱে পতাকা অৰ্ধনমিত কৰে। বকো সাহিত্য সভাৰ পতাকা অৰ্ধনমিত কৰা কাৰ্যসূচীত অসম সাহিত্য সভাৰ কাৰ্যকৰী সদস্য ড° গণেশ্বৰ চহৰীয়া, বকো সাহিত্য সভাৰ সভাপতি সুৰেন চন্দ্ৰ কলিতা, সম্পাদক বিজয়া ডেকা, কোষাধ্যক্ষ গৌৰাংগ ঠাকুৰীয়া, কাৰ্যনিৰ্বাহক নাৰায়ণ তালুকদাৰ, সহকাৰী সম্পাদক বিষুওৰাম দাস আৰু পৱিত্ৰ কৈৱৰ্তকে ধৰি বহুকেইজন বিশিষ্ট সমাজকৰ্মী উপস্থিত থাকে। ইফালে অসমীয়া ভাষা-সাহিত্যৰ সাধক ড° লক্ষ্মীনন্দন বৰাৰ দেহাৱসানত বকো প্ৰেছ ক্লাবৰ সকলো সাংবাদিকে শোক প্ৰকাশ কৰা বুলি জানিবলৈ দিয়ে সভাপতি কামাৰুজ জামানে।

জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা
৫ জুন, ২০২১ শনিবাৰ, গুৱাহাটী ২১ জেঠ ১৯৪৩ শক


# বিশিষ্ট সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত শিক্ষক হোমেশ্বৰ শৰ্মাৰ মৃত্যু, অনুষ্ঠান- প্ৰতিষ্ঠানৰ শোক



**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিগাঁও, ৪ জুন ঃ** অবিভক্ত নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত মাজগাঁও নিবাসী বিশিষ্ট সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত শিক্ষক তথা সৰ্বৱহী নাগৰিক হোমেশ্বৰ শৰ্মাৰ যোৱা নিশা বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ নিজা বাসভৱনত পৰলোকপ্ৰাপ্তি ঘটে। সমাজপ্ৰিয় সহজ-সৰল ব্যক্তিত্বৰ অধিকাৰী প্ৰয়াত শৰ্মাৰ মৃত্যুৰ সময়ত বয়স আছিল ৭৬বছৰ। কালি তেওঁৰ মৃত্যুৰ বাতৰি সদৰী হোৱাৰ লগে লগেই তেওঁৰ জন্মস্থান মৰিগাঁও জিলাৰ কাঁহিবাৰীৰ লগতে হাতীচোং মৌজাৰ মাজগাঁৱতো শোকৰ ছাঁ পৰিছে। উল্লেখ যে ১৯৪৫চনত মৰিগাঁও জিলাৰ কাঁহিবাৰীত জন্মগ্ৰহণ কৰা প্ৰয়াত হোমেশ্বৰ শৰ্মা অঞ্চলটোৰ ভিতৰতে মেধা ছাত্ৰ হিচাপে পৰিচিত আছিল। ১৯৬১ চনত প্ৰয়াত শৰ্মাই কাঁহিবাৰী অঞ্চলৰ প্ৰথমজন মেধা ছাত্ৰ হিচাপে হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। পিছত মৰিগাঁও জিলাৰ দৈপৰা প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা জীৱন আৰম্ভ কৰাৰ কেইবছৰমানৰ পিছত প্ৰয়াত শৰ্মাই জিলাখনৰ সাপমাৰী মজলীয়া বিদ্যালয়তো শিক্ষকতা কৰে। তাৰপিছত অবিভক্ত নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত মাজগাঁও উচ্চ বুনিয়াদী বিদ্যালয়ত শিক্ষকতা আৰম্ভ কৰি সেই বিদ্যালয়ৰ পৰাই ২০০৫ চনত শিক্ষকতা জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। প্ৰয়াত শৰ্মাই অৱসৰ গ্ৰহণ কৰাৰ পিছতো মাজগাঁও উচ্চ বুনিয়াদী বিদ্যালয়ৰ প্ৰতিটো অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ উপৰি স্থানীয় দুৰ্গা পূজা সমিতি, জিলা ব্ৰাহ্মণ সমাজকে ধৰি বহুকেইটা অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত মৃত্যুৰ আগমুহূৰ্তলৈকে সক্ৰিয়ভাৱে নিজক জড়িত কৰি ৰাখিছিল। সহজ-সৰল হাঁহিমুখীয়া সৰ্বৱহী ব্যক্তিগৰাকীৰ মৃত্যুত মৰিগাঁও জিলা ব্ৰাহ্মণ সমাজ, মাজগাঁও উচ্চ বুনিয়াদী বিদ্যালয়ৰ শিক্ষক গোট তথা পৰিচালনা সমিতি, অগ্ৰগামী যুৱক সংঘ, মাজ জাঁজৰি গোপাল দেৱ মন্দিৰ পৰিচালনা সমিতি, মাজগাঁও দুৰ্গাপূজা সমিতিৰ লগতে নগাঁও জিলা ব্ৰাহ্মণ সমাজকে ধৰি একাধিক অনুষ্ঠান- প্ৰতিষ্ঠানৰ ব্যক্তি বিশেষে গভীৰ শোক প্ৰকাশ কৰি তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে। সমাজপ্ৰিয় অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰয়াত হোমেশ্বৰ শৰ্মাই মৃত্যুৰ সময়ত তিনি পুত্ৰ, এক কন্যা, আত্মীয়-স্বজনকে ধৰি বহু গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যায়।

# ড্ৰাগছ আৰু গৰু সৰবৰাহকাৰীৰ বিৰুদ্ধে সষ্টম গোৱালপাৰা (পঞ্চৰত্ন)নদী আৰক্ষী

## নদী আৰক্ষীৰ এছ পি কমল কুমাৰ গুপ্তাৰ নেতৃত্বত গোৱালপাৰা-বঙাইগাঁও জিলাৰ বিভিন্ন চৰত আৰক্ষীৰ অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ৪ জুন ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তত ড্ৰাগচৰ বিৰুদ্ধে আৰক্ষীৰ তীব্ৰতৰ অভিযান চলি থকাৰ সময়তে পঞ্চৰত্নত থকা গোৱালপাৰা নদী আৰক্ষীয়ে চৰে চৰে অভিযান চলাইছে। নদী আৰক্ষী বিভাগৰ আৰক্ষী অধীক্ষক কমল কুমাৰ গুপ্তাৰ নেতৃত্বত আৰু পঞ্চৰত্নত থকা গোৱালপাৰা নদী আৰক্ষীৰ সহযোগত এটি বৃহৎ আৰক্ষীৰ দলে আজি বঙাইগাঁও আৰু গোৱালপাৰা জিলাৰ বিভিন্ন চৰ অঞ্চলত অভিযান চলায়। আৰক্ষীৰ বৃহৎ দলটোৱে আজি পুৱাৰ ভাগতে গোৱালপাৰা নদী আৰক্ষী থানাৰ খনৰ অন্তৰ্গত উচুংগাৰ চৰ, সাতশবিঘা, কাঈম মাজেৰ আলগা চৰৰ লগতে বিভিন্ন চৰত অভিযান চলায়। গুৱাহাটীৰ পৰা অহা বিভাগীয় এছ পি কমল কুমাৰ গুপ্তাই গোৱালপাৰা আৰু বঙাইগাঁও জিলাৰ চৰ অঞ্চলত অভিযান চলাবলৈ দুদিন ধৰি গোৱালপাৰাত বাহৰ পাতিছে। যাতে কোনো সন্দেহজনক ইঞ্জিনচালিত নাৱেৰে বাংলাদেশলৈ গৰু সৰবৰাহ ব্ৰহ্মপুত্ৰ নদীৰে কৰিব নোৱাৰে তাৰ বাবে বিশেষভাৱে পেট্ৰোলিঙৰ ব্যৱস্থা কৰিছে। উল্লেখ্য যে উৰ্দ্ধতন কৰ্তৃপক্ষৰ নিৰ্দেশমতে যোৱা দুই তাৰিখে দক্ষিন কাতলামাৰী চৰত গোৱাল পাৰা নদী আৰক্ষীৰ ভাৰপ্ৰাপ্ত বিষয়া ভুপেন্দ্ৰ নাথ দাসৰ নেতৃত্বত অভিযান চলাই এজন লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে প্ৰায় ৫ কিলোগ্ৰাম গাঞ্জা জব্দ কৰিবলৈ সক্ষয় হয়। চৰ অঞ্চলত এনেদৰে গাঞ্জা উদ্ধাৰ হোৱাৰ পিছতে নদী আৰক্ষী অধিক সষ্টম হৈ পৰিছে।

# পৰকীয়া প্ৰেমক লৈ মোৱাঝাৰৰ ৰৌৱাৰপাৰত দুই ফৈদৰ তয়াময়া ৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ৪ জুন ঃ** হোজাই জিলাৰ মোৱাঝাৰ আৰক্ষী থানাৰ অন্তৰ্গত ৰৌৱাৰপাৰ গাঁৱত পৰকীয়া প্ৰেমৰ বাবেই ৰক্তাক্ত পৰিস্থিতিৰ সৃষ্টি হয়। দা-লাঠীৰে দুটা ফৈদৰ লোকৰ মাজত তুমুল সংঘৰ্ষৰ ফলত চাৰিজন লোক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। প্ৰাপ্ত বাতৰি অনুসৰি কিছুদিন পূৰ্বে গাঁওখনৰ নাজিম উদ্দিন নামৰ যুৱক এজনক একে গাঁৱৰে দুই সন্তানৰ মাতৃ এগৰাকীৰ সৈতে অসংযত অৱস্থাত নিশা স্থানীয় ৰাইজে আটক কৰি উত্তম-মধ্যম দি মোৱাঝাৰ আৰক্ষী থানাত চমজাই দিছিল। তাৰ পিছতেই দুয়োটা ফৈদৰ মাজত কেইদিনমানৰ পৰা এক শীতল যুদ্ধ চলি আহিছিল । বৃহস্পতিবাৰে বিয়লিৰ ভাগত প্ৰেমিকাৰ আত্মীয় জাকিৰ হুছেইন নামৰ লোকজন ঘৰলৈ ওভতাৰ পথত প্ৰেমিকৰ সমৰ্থকৰ একাংশ লোকে দা, লাঠীৰে বাট আগচি ধৰি প্ৰাণেমৰাৰ চেষ্টা চলায়। তাৰ পিছতেই ঘটনাই জটিল ৰূপ ধাৰণ কৰে। পাছত প্ৰেমিক-প্ৰেমিকাৰ দুয়োটা ফৈদৰ শতাধিক লোকৰ সমাগম হোৱাত ভয়ংকৰ সংঘৰ্ষৰ সৃষ্টি হয়। পুৰুষ-মহিলা সকলোৱে এজনে আনজনৰ ওপৰত দা-লাঠীৰে আক্ৰমণ কৰা আৰম্ভ কৰে। ভয়ংকৰ আক্ৰমণৰ ফলত জাকিৰ হুছেইনসহ পাঁচজনকৈ লোক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। আঘাতপ্ৰাপ্ত লোককেইজনক আৰক্ষীয়ে মুমূৰ্ষু অৱস্থাত উদ্ধাৰ কৰি ডবকা চিকিৎসালয়ত ভৰ্তি কৰায়। ঘটনাস্থলীত ডবকা আৰক্ষী, মোৱাঝাৰ আৰক্ষীৰ লগতে আৰক্ষীৰ ঊৰ্দ্ধতন বিষয়া উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয় যদিও উত্তেজনা অব্যাহত আছে। ঘটনাৰ সংক্ৰান্তত দুয়োটা ফৈদে মোৱাঝাৰ থানাত এজাহাৰ দাখিল কৰিছে। উল্লেখযোগ্য যে ছফৰ আলীৰ পৰিয়াল আৰু ৰিয়াজ আলীৰ পৰিয়ালৰ সৈতে এই সংঘাতে অঞ্চলটোত তীব্ৰ ৰূপ ধাৰণ কৰিছে। ঘটনাত জড়িত দুয়োটা ফৈদৰ চাৰিজনকৈ লোকক আৰক্ষীয়ে আটক কৰে।

## নগাঁৱত যুৱ-ছাত্ৰ পৰিষদৰ সংবাদমেল

# তপতজুৰি, বামুণী পাহাৰত বনজ-খনিজ সম্পদ লুণ্ঠন

## তপতজুৰিৰ ১৮ টা হাতীৰ মৃত্যু সন্দৰ্ভত পৰিৱেশকৰ্মী অপূৰ্ববল্লভ গোস্বামীৰ এজাহাৰ দাখিল

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৪ জুন ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতিয়ে আজি পৰিষদৰ কাৰ্যালয়ত ১৮ টা বনৰীয়া হাতীৰ মৃত্যুৰ প্ৰসংগত এখন সংবাদ মেল অনুষ্ঠিত কৰে। সংবাদ মেলত পৰিষদৰ নগাঁও জিলা সমিতিৰ সভাপতি দীপমনি বড়া আৰু সম্পাদক প্ৰাগজ্যোতিষ বনিয়াই ৰাজ্যৰ বন বিভাগৰ বিৰুদ্ধে সৰৱহে পৰে। সংবাদ মেলত তেওঁলোকে উল্লেখ কৰে যে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতিয়ে বনৰীয়া হাতীকেইটাৰ মৃত্যুৰ খবৰ পোৱাৰ পিছদিনা বন তথা পৰিৱেশমন্ত্ৰী পৰিমল শুক্লবৈদ্যক তপতজুৰিত এখন স্মাৰকপত্ৰ দিছিল। বনমন্ত্ৰীয়ে সেই স্থানতে ঘোষণা কৰিছিল যে তিনিদিনৰ ভিতৰত হাতীৰ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন আৰু ১৪ দিনৰ ভিতৰত বিস্তাৰিত প্ৰতিবেদন দাঙি ধৰিব। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতিয়েএই প্ৰতিবেদন প্ৰস্তুত কৰোতে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এজন অৱসৰপ্ৰাপ্ত ন্যায়াধীশৰ লগতে হাতীৰ আচৰণ বিশেষজ্ঞ, পদাৰ্থ বিজ্ঞানী, বৈদ্যুতিক অভিযন্তা, ফৰেনচিক বিশেষজ্ঞ, ব্ৰজপাত বিশেষজ্ঞ, পুলিচ বিভাগৰ উচ্চস্তৰীয় বিষয়া, ভাৰতীয় প্ৰাণীবিজ্ঞানৰ প্ৰতিনিধি, অণুজীৱ বিজ্ঞানী, বন্যপ্ৰাণী সংস্থাৰ প্ৰতিনিধি, অসম বিজ্ঞান আৰু পৰিৱেশ সংস্থাৰ প্ৰতিনিধি, ভূ-বিজ্ঞানীৰ লগতে ৰাজ্যৰ প্ৰতি দায়বদ্ধ দুজন বিশিষ্ট নাগৰিকক লৈ এখন স্বয়ং সম্পূৰ্ণ তদন্ত সমিতি গঠন কৰাৰ দাবী জনাইছিল। কিন্তু চৰকাৰে এজন বন সংমণ্ডল বিষয়া, কেইজনমান পশু চিকিৎসক-বিষয়া আৰু ডব্লিউ ডব্লিউ এফৰ এজন বিষয়াৰ লগতে আৰু ভাস্কৰ নামেৰে এজনক লৈ প্ৰতিবেদন প্ৰস্তুত কৰি দায় সাৰিবলৈ যত্ন কৰিছে। সংবাদমেলত সংগঠনটোৱে লগতে উল্লেখ কৰে যে ৰাজ্যৰ বন বিভাগক আমি প্ৰশ্ন কৰিব বিচাৰো যে ১৮টা বনৰীয়া হাতীৰ মৃত্যুস্থলী পৰিদৰ্শন কৰা দলত ব্ৰজপাত বিশেষজ্ঞ আৰু হস্তী বিশেষজ্ঞ আছিল নে? ব্ৰজপাতে আঘাত হনা নিৰ্দিষ্ট স্থান ঠাৱৰ কৰিব পৰিলেনে? সেই স্থানৰ পৰা প্ৰতিটো মৃত হাতীৰ দূৰত্বৰ নথি আছেনে? ব্ৰজপাতৰ বাবে উক্ত পাহাৰৰ চূড়াত চাৰিজোপা গছ জ্বলি যোৱা বুলি কৈছে। গছ কেইজোপাৰ উচ্চতা আৰু তাৰ প্ৰজাতি আৰু গছ কেইজোপাৰ ইজোপাৰ পৰা আনজোপাৰ ব্যৱধানৰ আলোকচিত্ৰসহ নথিভুক্ত হৈছেনে? তপতজুৰি বনাঞ্চলৰ দাঁতিকাষৰীয়া লোকৰ জবানবন্দী গ্ৰহণ কৰি তাৰ প্ৰতিলিপি গ্ৰহণ কৰিছেনে? ১৮ টা মৃত হাতীৰ বাবে পৃথকে পৃথকে মৰণোত্তৰ প্ৰতিবেদন প্ৰস্তুত কৰিলেনে? হাতীবোৰৰ অন্ত্যেষ্টিক্ৰিয়া কৰিবলৈ ইমান তৎক্ষণাত উক্ত স্থানলৈ টাৱাৰবোৰ কিয় অনা হৈছিল? প্ৰমাণ নষ্ট কৰিবলৈ নেকি? বৃহৎ পৰিমাণৰ নিমখ দিয়াৰ কাৰণটো কি? পচন প্ৰক্ৰিয়াটো দ্ৰুত কৰাৰ বাবে নেকি? যাতে সাক্ষ্যপ্ৰমাণ নাইকিয়া হয়? হাতীকেইটা সৎকাৰৰ পূৰ্বে প্ৰতিটো হাতীৰ ক্ৰমিক নম্বৰ দি প্ৰতিটো স্থানৰ আলোকচিত্ৰ লোৱা হ'ল নে? পৰৱৰ্তী সময়ত স্থানবোৰ নিৰীক্ষণ কৰিব পৰাকৈ চিহ্নিত সংৰক্ষণ ব্যৱস্থা কৰা হ'ল নে? হাতীকেইটা যদি ব্ৰজপাতত মৰিছে তেন্তে হাতীকেইটাৰ কেজুৱেলিটি কি? সংগঠনটোৱে লগতে সংবাদ মেলত উল্লেখ কৰে যে ঘটনাৰ দিনা অৰ্থাৎ ১২ মে'ৰ ৰাতিপুৱা ব্ৰজপাত পৰিছে বুলি শ্বিলঙৰ পৰা সংগৃহীত বতৰ বিজ্ঞান কেন্দ্ৰই কৈছে। কিন্তু নিশা হাতীৰ চিঞৰ শুনিছে গাঁওবাসীয়ে। ক'ৰ পৰা আহিল ইমান ডাঙৰ শব্দ গাঁওবাসীয়ে শুনা নাই বুলি কৈছে। soil টেষ্ট বা Registrivity টেষ্ট কৰালেনে? নিৰপেক্ষ বাহিৰৰ পৰীক্ষাগাৰত স্পেইমেন বোৰ কিয় পৰীক্ষা কৰা নহ'ল? পুখুৰীৰ পানী সংগ্ৰহ কৰাৰ সঠিক স্থান কিয় ৰিপৰ্টত নাই? এনে বহুবোৰ প্ৰশ্ন সংবাদমেলৰ জৰিয়তে সংগঠনটোৱে উল্লেখ কৰে। তদুপৰি চামগুৰি আৰক্ষী থানাত জ্যেষ্ঠ পৰিবেশ কৰ্মী অপূৰ্ব বল্লভ গোস্বামীয়ে দাখিল কৰা এজাহাৰৰ প্ৰসংগও উল্লেখ কৰে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতিৰ সভাপতি দীপমনি বড়া আৰু সম্পাদক প্ৰাগজ্যোতিষ বনিয়াই। পৰিষদৰ দুয়োজন নেতাই পৰিবেশ কৰ্মী অপূৰ্ব বল্লভ গোস্বামীক সমৰ্থন কৰি সংবাদমেলত উল্লেখ কৰে যে উক্ত এজাহাৰখনে কেইটামান প্ৰশ্নৰ অৱতাৰণা কৰিছে। হাতীৰ বসতিস্থল বুলি কালি অসম চৰকাৰে দিয়া প্ৰতিবেদনত উল্লেখ কৰিছে কিন্তু আচৰিত ধৰণে বনবিভাগে জাৰি কৰা এন অ' চিত হাতীৰ কৰিড'ৰ অথবা বসতিস্থল নহয় বুলি কি দৰে জাহিৰ কৰিলে? পাৱাৰ কোম্পানীৰ ফ্ৰেন্সিং হাতীয়ে ভাঙিছে , দিনত কোম্পানীৰ ভিতৰত হাতী সোমাই গৈছে তেনেস্থলত বনবিভাগে কেনেকৈ এনঅ'চি জাৰি কৰিলে? অন্যহাতেদি তপতজুৰি, বামুণী অঞ্চলৰ পাহাৰকেইটাত অবাধ হাৰত স্থলজ, বনজ, জলজ, খনিজ তথা প্ৰাকৃতিক সম্পদ কাৰ ছত্ৰছায়াত লুণ্ঠন হৈছে বুলিও প্ৰশ্ন উত্থাপন কৰে পৰিষদৰ নেতাদ্বয়ে। তেওঁলোকে কয় বনজ সম্পদ লুণ্ঠনৰ উচিত তদন্ত বৰ্তমানৰ চৰকাৰখনে কৰা উচিত। লগতে এইসম্পদসমূহৰ নতুনকৈ জৰীপ কৰা উচিত। অঞ্চলটোত ডজন ডজন শিলৰ কুৱেৰী নিৰবিচ্ছিন্ন ভাবে চলি থকা বুলিও অভিযোগ কৰে পৰিষদৰ নেতাদ্বয়ে। তেওঁলোকে অবৈধ শিলৰ কোৱেৰী বন্ধ কৰাৰো দাবী উত্থাপন কৰে। ইপিনে কালি অপূৰ্ব বল্লভ গোস্বামী নামৰ এজন পৰিবেশ কৰ্মীয়েও চামগুৰি আৰক্ষী থানাত ১৮টা বনৰীয়া হাতীৰ মৃত্যুৰ প্ৰসংগত এজাহাৰ দাখিল কৰিছে। এজাহাৰত তেওঁ ব্ৰজপাতত বনৰীয়া হাতীকেইটাৰ মৃত্যু হোৱাৰ এই বিষয়টো বহু প্ৰকৃতিপ্ৰেমী তথা পৰিবেশ সম্পৰ্কীয় গৱেষকে নস্যাৎ কৰিছে বুলিও উল্লেখ কৰিছে।

# অৱসৰপ্ৰাপ্ত শিক্ষক কুলেধৰ চুতীয়াৰ ক'ভিডত মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকপথাৰ, ৪ জুন ঃ** তিনিচুকীয়া জিলাৰ কাকপথাৰৰ জ্যেষ্ঠ নাগৰিক, সমাজসেৱক তথা একাধাৰে শিশু কল্যাণ প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক শিক্ষক, কাকপথাৰ নিম্ন বুনিয়াদী প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক, চেঙেলীজান প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, সদৌ চুতীয়া জাতি সন্মিলন অসমৰ প্ৰাক্তন সাংগঠনিক সম্পাদক, তিনিচুকীয়া জিলা চুতীয়া জাতি সন্মিলনৰ প্ৰাক্তন উপ-সভাপতি, চেঙেলীজান মইনা পাৰিজাতৰ প্ৰতিষ্ঠাপক সভাপতি, চেঙেলীজান নামঘৰ পৰিচালনা সমিতিৰ প্ৰাক্তন কোষাধ্যক্ষৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত কুলেধৰ চুতীয়া (৮৫) ই ক'ভিডত আক্ৰান্ত হৈ আজি শেষনিশ্বাস ত্যাগ কৰে। শিক্ষাবিদগৰাকী যোৱা কিছুদিন ধৰি তিনিচুকীয়া অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ আছিল (যদিও পিছলৈ ক'ভিড নিগেটিভ হয়) যদিও আজি পুৱতিনিশা তেওঁ স্বৰ্গগামী হয় । তেওঁ পত্নী, তিনিজন পুত্ৰ, নাতি-নাতিনীক ইহসংসাৰত এৰি থৈ গৈছে। তেওঁৰ মৃত্যুত একালৰ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ তথা অসম জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক জগদীশ ভূঞাই গভীৰ দুখ প্ৰকাশ কৰিছে। সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি জ্যোতিপ্ৰসাদ চুতীয়াই গভীৰ দুখ প্ৰকাশ কৰি কয় যে চুতীয়াদেৱৰ মৃত্যুত জাতিটোৰ লগতে কাকপথাৰ অঞ্চলত অপূৰণীয় ক্ষতি হ'ল। লগতে তেওঁ সমাজলৈ আগবঢ়োৱা অৱদানক সদায় স্মৰণ কৰি যাব বুলি উল্লেখ কৰে। ইয়াৰ উপৰি সদৌ তিনিচুকীয়া জিলা চুতীয়া জাতি সন্মিলন, সদৌ তিনিচুকীয়া জিলা চুতীয়া ছাত্ৰ সন্থা, ডিৰাক মাইথং শাখা সাহিত্য সভা, কাকপথাৰ আঞ্চলিক চুতীয়া জাতি সন্মিলন, কাকপথাৰ আঞ্চলিক চুতীয়া ছাত্ৰ সন্থা, কাকপথাৰ আঞ্চলিক মটক যুৱ ছাত্ৰ সন্মিলন, শিশুকল্যাণ প্ৰাথমিক বিদ্যালয়, চেঙেলীজান প্ৰাথমিক বিদ্যালয়, কাকপথাৰ নিম্ন বুনিয়াদী প্ৰাথমিক বিদ্যালয়, চেঙেলীজান শাখা



চুতীয়া জাতি মহিলা সন্মিলন, কাকপথাৰ প্ৰেছ ক্লাব, অভিৰুচি ক্লাব, ২ নং সৰুমেছাই জ্ঞানজ্যোতি ক্লাব, চেঙেলীজান নামঘৰ পৰিচালনা সমিতি, চেঙেলীজান জেউতি পুঁথিভড়াল সমিতি, চেঙেলীজান নৱ উদিত মইনা পাৰিজাত সমিতিৰ লগতে সাৰ্বজনীন উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক সৌৰভজ্যোতি বৰুৱাই গভীৰ শোকপ্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালটোলৈ সমবেদনা জনাইছে।

# 'ত্ৰিধাৰা'ৰ উদ্যোগত সত্ৰীয়া নৃত্যৰ অনলাইন কৰ্মশালাৰ সফল সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ৪ জুন ঃ** ক'ভিড মহামাৰীৰ সময়ত শিশুৰ পৰা বৃদ্ধলৈকে সকলো ঘৰতে আবদ্ধ হৈ থাকিবলগীয়া হোৱা পৰিস্থিতিৰ মাজতে অসমৰ বিভিন্ন প্ৰান্তৰ কেইজনমান যুৱক-যুৱতী লগ হৈ গঠন কৰা 'ত্ৰিধাৰ' নামৰ অনুষ্ঠানটোৰ উদ্যোগত গুৰু দুজনাৰ অন্যতম অৱদান সত্ৰীয়া নৃত্যৰ প্ৰচাৰৰ বাবে অনলাইনৰ যোগে এক কৰ্মশালা অনুষ্ঠিত হৈ যায়। মে' মাহৰ ১৪ তাৰিখৰ পৰা জুন মাহৰ ২ তাৰিখলৈ ২০দিনীয়া 'নৃত্যাবন' নামেৰে অনুষ্ঠিত এই কৰ্মশালাত অসমৰ বিভিন্ন ঠাইৰ পৰা প্ৰায় ৩৫গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। সম্পূৰ্ণ বিনামূলীয়াকৈ আয়োজন কৰা এই কৰ্মশালাত সত্ৰীয়া নৃত্যৰ ব্যৱহাৰিক শিক্ষাৰ লগতে তাত্বিক দিশৰো শিক্ষা প্ৰদান কৰা হয়। কৰ্মশালাখনিত সত্ৰীয়া সংস্কৃতিৰ লগত জড়িত বিভিন্নজন ব্যক্তিয়ে প্ৰশিক্ষাৰ্থীসকলক শিক্ষা প্ৰদান কৰে। তাৰ ভিতৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ অধ্যাপক-অধ্যাপিকা ক্ৰমে ড° ৰূপলেখা বৰবৰা দাস, যাদৱ বৰা, মৃণাল কুমাৰ বৰুৱা, বৰ্ণালী সোণোৱালকে ধৰি মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ নিৰঞ্জন শইকীয়া বায়ন আৰু যোৰহাটৰ কৃষ্ণা পংকজা দত্ত আছিল অন্যতম। ২০ দিনীয়া কৰ্মশালাখনি ২জুন তাৰিখে সামৰণি পৰে। 'ত্ৰিধাৰা'ৰ সভাপতি ভাস্কৰ শইকীয়াৰ দ্বাৰা পৰিচালিত হোৱা সামৰণী অনুষ্ঠানত পাপৰি ৰাজখোৱাই অনুষ্ঠানটিৰ আদৰণী ভাষণ আগবঢ়ায় আৰু প্ৰিয়ংকা দত্তই সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে। সভাখনত ত্ৰিধাৰাৰ উপদেষ্টা যাদৱ বৰাকে প্ৰমুখ্য কৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা বিভিন্ন অনুষ্ঠান পৰিৱেশন কৰা হয়। অনুষ্ঠানসমূহ ক্ৰমে লখিমপুৰৰ ধীৰাজ বৰাৰ বৰগীত পৰিৱেশন, মৰাণৰ প্ৰাৰ্থনা দত্তৰ ঘোষাভিনয় আৰু নাহৰকটীয়াৰ কুঁহি ধাদুমীয়াৰ মুকাভিনয় অন্যতম। অনুষ্ঠানটিত উপস্থিত থকা বিশিষ্ট ব্যক্তিসকলে শুভেচ্ছামূলক বক্তব্যৰে ত্ৰিধাৰাৰ সদস্যসকলৰ লগতে প্ৰশিক্ষাৰ্থীসকলক উৎসাহ-উদ্‌গণি যোগায়। এই অতিমাৰীৰ সময়ত শিশুৰ পৰা কিশোৰসকলৰ প্ৰতিভা তথা বৌদ্ধিক বিকাশৰ বাবে লোৱা এনে প্ৰচেষ্টাক একমুখে শলাগি অনুষ্ঠানটিত বহুকেইগৰাকী অভিভাৱকেও বক্তব্য আগবঢ়ায়। কৰ্মশালাত উপস্থিত থকা বিশিষ্ট ব্যক্তিসকলক অভিনন্দন-পত্ৰ আৰু প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ অনলাইনযোগে প্ৰদান কৰা হয়। কাৰ্যসূচীৰ শেষত ত্ৰিধাৰাৰ সম্পাদক ভাগ্যশ্ৰী সেনাপতিয়ে অনুষ্ঠানটিৰ বিষয়ে আৰু ভৱিষ্যতৰ পৰিকল্পনাৰ সন্দৰ্ভত অৱগত কৰে আৰু ৰাজশ্ৰী কোঁৱৰে শলাগৰ শৰাই আগবঢ়াই কাৰ্যসূচীৰ সামৰণি মাৰে।

## মৰিগাঁও জিলা প্ৰশাসনত উৎকোচৰ বজাৰ, বিদায়ী অতিৰিক্ত উপায়ুক্তৰ কাণ্ডত প্ৰতিক্ৰিয়া

# বেকডেটত, বন্ধৰ দিনত কাম-কাজ, নিৰ্বাচন-ৰাজহ বিভাগত ছিণ্ডিকেটৰাজ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিগাঁও, ৪ জুন ঃ** মৰিগাঁও জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ পৰা কেইদিনমান পূৰ্বে বিদায় লোৱা এগৰাকী অতিৰিক্ত উপায়ুক্তই বিদায় সম্ভাষণ লোৱাৰ পিছতো বন্ধৰ দিনত বেকডেটত ৰাজহ বিভাগকে ধৰি একাধিক কাম-কাজ চলাই বিতৰ্কৰ শিৰোনাম দখল কৰা কাৰ্যক লৈ এতিয়া মৰিগাঁও প্ৰশাসনৰ ভিতৰে-বাহিৰে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। যোৱা প্ৰায় এমাহ ধৰি কৰ'না বিভীষিকাই ত্ৰাসৰ সৃষ্টি কৰাৰ সময়তো সদ্যবিদায়ী এগৰাকী অতিৰিক্ত উপায়ুক্তই বন্ধৰ দিন বাছি লৈ বিশেষকৈ ৰাজহ বিভাগত ব্যাপক বিতৰ্কিত কাম-কাজ চলোৱাৰ অভিযোগ সম্প্ৰতি পোহৰলৈ আহিছে। ৰাজ্য চৰকাৰে বদলি কৰা চৰকাৰী নিৰ্দেশনাৰ পিছতো যোৱা ৩০মে' ৰবিবাৰে মৰিগাঁও প্ৰশাসনৰ পৰা বিদায় লোৱা অতিৰিক্ত উপায়ুক্ত এগৰাকীয়ে জিলা উপায়ুক্ত কাৰ্যালয়ৰ এটা কক্ষত ব্যাপক হাৰত উৎকোচ লৈ একাধিক ৰাজহ সম্পৰ্কীয় কাম সম্পূৰ্ণ কৰে। অতিৰিক্ত উপায়ুক্তগৰাকীয়ে বিদায় পৰত জিলাখনৰ পাঁচোটাকৈ ইটাভাতাৰ বিতৰ্কিত কাম সম্পূৰ্ণ কৰাৰো গুৰুতৰ অভিযোগ উত্থাপন হৈছে। ৰাজহ বিভাগৰ শ্ৰেণী পৰিৱৰ্তন,গাঁওবুঢ়া নিযুক্তিকে ধৰি বিভাগটোৰ একাধিক কামত দীৰ্ঘদিন ধৰি লুটপাত চলাই অহাৰ অভিযোগ পোহৰলৈ আহিছে। ভূমি সম্পৰ্কীয় বহুকেইটা কাম ধন লৈ বেকডেটত সম্পূৰ্ণ কৰাৰ উপৰি মণ্ডল নিযুক্তি প্ৰশিক্ষণ সন্দৰ্ভতো ব্যাপক হাৰত ধনৰ লেনদেন কৰাৰ তথ্য পোহৰলৈ আহিছে। এইক্ষেত্ৰত উপায়ুক্ত কাৰ্যালয়ৰ জনৈক ৰহমান উপাধিৰ এজন বিতৰ্কিত কৰ্মচাৰীক লগত লৈ অতিৰিক্ত উপায়ুক্তজনে এনে অনিয়ম সংঘটিত কৰাৰ তথ্য উত্থাপিত হৈছে। তাৎপৰ্যপূৰ্ণ বিষয় যে সদ্যবিদায়ী অতিৰিক্ত উপায়ুক্ত গৰাকীয়ে যোৱা ৩০মে' ৰবিবাৰে বন্ধৰ দিনটোতো ঠিকাদাৰৰ পৰা ধন লৈ এফ ডি আৰৰ কাম পৰিদৰ্শন কৰা কাৰ্যক লৈও এতিয়া সৰ্বত্ৰতে তোলপাৰ হৈছে। উল্লেখ যে বদলিৰ পিছতো মৰিগাঁও এৰিব নোখোজা এইজনা সদ্য বিদায়ী অতিৰিক্ত উপায়ুক্তই যোৱা বিধানসভা নিৰ্বাচনতো নিৰ্বাচন সম্পৰ্কীয় ঠিকা-ঠুকলি আদিত বৃহৎ কেলেংকাৰী সংঘটিত কৰাৰ অভিযোগ সম্প্ৰতি পোহৰলৈ আহিছে। নিৰ্বাচন বিভাগৰ এজন বিষয়াক লগত লৈ অতিৰিক্ত উপায়ুক্তগৰাকীয়ে কেৱল ধনৰ মোহতেই উপযুক্ত নিবনুৱা যুৱকক বঞ্চিত কৰি ব্যাপক হাৰত উৎকোচ-কমিছন লৈ নিৰ্বাচনীয় ঠিকা প্ৰদান কৰি মৰিগাঁও জিলা প্ৰশাসনত ব্যাপক ছিণ্ডিকেটৰাজ চলোৱাৰ অভিযোগে এতিয়া তীব্ৰ জোকাৰণি তুলিছে মৰিগাঁও জিলাত। বিদায় সম্ভাষণ লোৱাৰ পিছতো এজন প্ৰশাসনৰ উচ্চ পৰ্যায়ৰ বিষয়াই এনে অনিয়ম, বিতৰ্কিত কাম কৰাৰ ঘটনাই অস্বস্তিত পেলাইছে জিলা প্ৰশাসনৰ একাংশ বিষয়া-কৰ্মচাৰীক। ইয়াক লৈ এতিয়া মৰিগাঁও প্ৰশাসনত চলিছে ব্যাপক চৰ্চা।

# কামপুৰত ষাড়গৰুৰ আক্ৰমণত এজন নিহত

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৪ জুন ঃ** নগাঁও জিলাৰ কামপুৰৰ তেতেলীসৰাত ষাড় গৰুৰ আক্ৰমণত কালি নিশা এজন লোক নিহত হয়। লোকজনৰ নাম মণ্টু দাস। কালি নিশা তেওঁ কাষৰীয়া ঘৰৰ পৰা নিজ ঘৰলৈ আহি থকা অৱস্থাত পিছফালৰ পৰা চোচা লৈ যাঁড় টোৱে খেদি আহি মন্টু দাসক খুন্দিয়াই পেলাই দিয়ে। যাঁড় গৰুটোৰ খুন্দাৰ ফলত পেটত কিছু আহত পোৱা মন্টু দাসে ঘৰতে প্ৰাথমিক চিকিৎসা কৰে যদিও নিশা শুই থকা অৱস্থাত তেওঁৰ মৃত্যু হয়। উল্লেখযোগ্য যে বিগত সময়তো যাঁড়টোৱে অঞ্চলটোৰ কেইবাজনো লোকক খুন্দিয়াৰ ফলত চিকিৎসাধীন হ'ব লগা হৈছিল। দুজনমান লোকে গুৱাহাটীত চিকিৎসা কৰিহে আৰোগ্য লাভ কৰিছিল। ইয়াৰ পিছতেই কালি নিশা সংঘটিত হয় এই ঘটনা। যাঁড়গৰুটোৰ তাণ্ডৱৰ বাবেই মানুহ মুকলিকৈ অঞ্চলটোত ঘূৰি ফুৰিবলৈ ভয় কৰা হৈছে। অঞ্চলটোৰ ৰাইজে যাঁড় গৰুটোৰ ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ বন বিভাগক আহ্বান জনাইছে।

**এলএইচবি এচি ডবাসমূহৰ বাবে আউটচোৰ্চিং কাম**

ই-নিবিদা জাননী নং.ঃ ইএল/আৰএনৱাই/টিএন/০৩/২০২১-২২, তাৰিখঃ ০১-০৬-২০২১। ই-নিবিদা নং.ঃ আৰএনৱাই-ইএল-টি-০১-২০২১-২২। কামৰ নামঃ ২ (দুই) বছৰ সময়ৰ বাবে শতাব্দী এক্সপ্ৰেছ আৰু অৰুণাচল এচি এক্সপ্ৰেছৰ বাবে নাহৰলগুনৰ অধীনত প্ৰাথমিক তত্বাৱধান ডিপোত এলএইচবি এচি ডবাসমূহৰ আৰএমপিইউএছৰ ফিটেডৰ বাবে ব্যাপক বাৰ্ষিক তত্বাৱধানৰ ঠিকা আৰু ৰানিং এলএইচবি এচি ডবাসমূহৰ সুৰক্ষাৰ বাবে এচিচিআইৰ কামৰ আউটচোৰ্চিং। **নিবিদা মূল্যঃ** ৬,৪৮,১০,৪৬৮.০৩ টকা; **নিবিদা নথি-পত্ৰৰ মূল্যঃ** ১০,০০০/- টকা। **ই-নিবিদা বন্ধ কৰা হ'ব** ২২-০৬-২০২১ তাৰিখৰ ১৩.০০ ঘন্টাত আৰু **মুকলি কৰা হ'ব** ২২-০৬-২০২১ তাৰিখৰ ১৫.০০ ঘন্টাত। উল্লিখিত ই-নিবিদাৰ নিবিদা নথি-পত্ৰৰ সৈতে সম্পূৰ্ণ তথ্য www.ireps.gov.in ত উপলব্ধ হ'ব।

চিনিয়ৰ ডিইই/জি/ৰঙিয়া
**উত্তৰ পূব সীমান্ত ৰেলৱে**
হাঁহিমুখে গ্ৰাহকলৈ সেৱা

# বঙাইগাঁৱত মহিলাকে ধৰি ক'ভিডত দুগৰাকীৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ৪ জুন ঃ** বঙাইগাঁও জিলাত শুকুৰবাৰে পুনৰ নতুনকৈ ৬২ জন ব্যক্তি ক'ভিড -১৯ত আক্ৰান্ত হৈছে। আনহাতে মৃত্যু হৈছে এগৰাকী মহিলাকে ধৰি দুগৰাকী ব্যক্তিৰ ।মৃত মহিলাগৰাকী মাণিকপুৰ থানাৰ অন্তৰ্গত দক্ষিণ বিজনী নগৰঝাৰৰ জুৰি বেগম (৩২) আৰু বৰপেটা ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। আনহাতে আনগৰাকী মৃত ব্যক্তি হ'ল জিলাখনৰ অভয়াপুৰীৰ অনিলেন্দ্ৰ নাৰায়ণ দেৱ( ৮৫)। ব্যক্তিগৰাকীৰ বঙাইগাঁও চহৰৰ ব্যক্তিগত খণ্ডৰ স্বাগত হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। ইপিনে জিলাখনত শুকুৰবাৰে পুনৰ কৰ'নাত আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাইছে। জিলাখনত একেদিনাই নতুনকৈ ৬২ জন ব্যক্তিৰ দেহত ক'ভিড পজিটিভ ধৰা পৰাত বৰ্তমান ক'ভিডত আক্ৰান্ত সক্ৰিয় ৰোগীৰ সংখ্যা ২৭৭জন হৈছে। ইয়াৰ ভিতৰত ২১৮ জন ইনষ্টিটিউচনেল কোৱাৰেণ্টাইনত আৰু ৫৯জন ব্যক্তি হোম কোৱাৰেণ্টাইনত আছে। সেইদৰে শুকুৰবাৰৰ দিনটোত সুস্থ হৈ উঠিছে ৩৬ জনকৈ ৰোগী।




# বিশিষ্ট গণিতজ্ঞ, মৌলিক সংখ্যা নিৰ্ণয়ৰ সূত্ৰ উদ্ভাৱক অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নৌছাদ আলীৰ দেহাৱসান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ৪ জুন ঃ** গণিতৰ নতুন সূত্ৰ উদ্ভাৱন কৰি অসমজুৰি চৰ্চিত হোৱা গণিতজ্ঞ, প্ৰধান শিক্ষক নৌছাদ আলী আৰু নাই। বিগত কেইবামাহো ধৰি জটিল ৰোগত আক্ৰান্ত হৈ অৱশেষত গৰিয়া চতলাস্থিত নিজ গৃহতে আজি পুৱা ৫বজাত শেষনিশ্বাস ত্যাগ কৰে মৌলিক সংখ্যা নিৰ্ণয়ৰ প্ৰথমটো সূত্ৰ উদ্ভাৱক নৌছাদ আলীয়ে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৮বছৰ। তেওঁৰ মৃত্যুত গভীৰ শোকৰ ছাঁ পৰিছে বৰপেটা জিলাতো। গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ লগতে বিভিন্ন দল-সংগঠন, শিক্ষক সমাজে গভীৰ শোক প্ৰকাশ কৰি তেওঁৰ মৃত্যু গণিত জগতৰ বাবে এক অপূৰণীয় ক্ষতি বুলি অভিহিত কৰে। বিশিষ্ট গণিতজ্ঞগৰাকীৰ মৃত্যুত গৰিয়া চতলা গাঁৱৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে চতলা আঞ্চলিক হাইস্কুলৰ শিক্ষক আৰু প্ৰাক্তন ছাত্ৰসকলে ক'ভিড প্ৰট'কল মানি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি গভীৰ শোকপ্ৰকাশ কৰে। তেওঁৰ মৃত্যুত ইণ্ডিয়ান জাৰ্নেলিষ্ট এছ'চিয়েচনৰ বৰপেটা জিলা সমিতিয়েও গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰি তেওঁৰ মৃত্যু বৌদ্ধিক জগতৰ বাবে এক ক্ষতি বুলি কৈ গণিতৰ জগতত তেওঁৰ সাধনা, গৱেষণা আৰু গণিতৰ জগতত তেওঁৰ অৱদান লেখতল'বলগীয়া বুলি কয়। গৱেষক, বিশিষ্ট গণিতজ্ঞ নৌছাদ আলীয়ে মৌলিক সংখ্যা নিৰ্ণায়কৰ সূত্ৰ উদ্ভাৱন কৰি সেইটোৰ ওপৰত লিখা 'মৌলিক সংখ্যা নিৰ্ণয়ৰ সূত্ৰ আৰু পাটিগণিত-জ্যামিতিৰ তত্ত্ব' নামৰ এখন গ্ৰন্থ এখন অনুষ্টুপীয়াকৈ অলপতে উন্মোচন হৈছিল। ২০১৭ চনতে গণিতজ্ঞ নৌছাদ আলীয়ে উদ্ভাৱন কৰা এই সূত্ৰটি সবিস্তাৰে প্ৰকাশ কৰিছে এই গ্ৰন্থখনত। এই সূত্ৰৰ যোগেৰে সপ্তম, অষ্টম, নৱম আৰু দশম শ্ৰেণীৰ পাঠ্যপুথিত থকা জটিল সূত্ৰৰ সহজ আৰু বাস্তৱধৰ্মী ৰূপ দিছে। গ্ৰন্থখনৰ যোগেৰে জ্যামিতি আৰু পাটিগণিতত থকা বহু ভুলো আঙুলিয়াই দিছে। উদ্ভাৱক নৌছাদ আলীৰ মৌলিক সংখ্যা নিৰ্ণয়ৰ সূত্ৰমতে যদি এটা বাস্তৱিক সংখ্যা n>1, 2n 2 ৰ উৎপাদক হয়, তেন্তে n এটা মৌলিক সংখ্যা হয়। পূৰ্বৰ মতে, যদিহে কোনো এটা সংখ্যাৰ মাত্ৰ দুটাহে উৎপাদক ১ আৰু সেই সংখ্যাটো নিজে হয়, তেন্তে সেই সংখ্যাটো মৌলিক সংখ্যা হয়। তেওঁ দাবী কৰা মতে বিশ্বৰ মৌলিক সংখ্যা নিৰ্ণয়ৰ নিৰ্দিষ্ট কোনো সূত্ৰ এতিয়ালৈকে কোনেও উলিওৱা নাই। গণিতৰ জগতত এইটোৱে প্ৰথম সূত্ৰ যাৰ জড়িয়তে মৌলিক সংখ্যা নিৰ্ণয় কৰিব পৰা যাব। অতি মেধাসম্পন্ন, গণিতজ্ঞ নৌছাদ আলীয়ে গণিতৰ জগতত অন্যতম অভিলেখ গঢ়ি আজি ইহলীলা সম্বৰণ কৰে। এই সূত্ৰটো উদ্ভাৱন কৰিবলৈ বিগত ৪০ বছৰে সাধনা কৰিছিল তেওঁ। প্ৰয়াত নৌছাদ আলীয়ে ১৯৭৪ চনতে স্নাতক ডিগ্ৰী লাভ কৰি মুকালমুৱা হাইস্কুলত শিক্ষকতা কৰে। তাৰ পিছত ১৯৭৭ৰ পৰা ১৯৯১চনলৈ



মাজদিয়া হাইস্কুলত সহকাৰী শিক্ষক হিচাপে যোগদান কৰে। ১৯৯২ চনত চতলা আঞ্চলিক হাইস্কুলত তেওঁ প্ৰধান শিক্ষক হিচাপে যোগদান কৰে। ২০১৩ চনত অৱসৰ গ্ৰহণ কৰি হাইস্কুল শিক্ষান্ত পৰীক্ষাত কেইবাবাৰো নিৰীক্ষকৰ দ্বায়িত্বভাৰ লৈছিল তেওঁ। মৃত্যুৰ সময়ত তেওঁ ছয়গৰাকী কন্যা, এগৰাকী পুত্ৰৰ লগতে নাতি-নাতিনীসহ বহু আত্মীয়ক ইহ সংসাৰত এৰি থৈ যায়।

দৈনন্দিন বাৰ্তা

সম্পাদকীয়

৫ জুন ■ ২০২১ ■ ২১ জেঠ ■ গুৱাহাটী

## যুগজয়ী, সুখী, সৃষ্টিশীল জীৱনৰ সমাপ্তি ঃ এক অপূৰণীয় ক্ষতি

অসমৰ সাহিত্য জগতখন জিলিকাই থকা এগৰাকী প্ৰসিদ্ধ সাহিত্যিক লক্ষ্মীনন্দন বৰাৰ বিয়োগে অসমৰ সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখন উকা কৰিলে। তেখেতৰ জনপ্ৰিয়তা বহু দশকজুৰি যিদৰে আছে, একেদৰেই আছে তেওঁৰ আদৰ্শ আৰু জীৱনৰ বৈপৰীয়াৰ সমালোচনাও সেইদৰে আছে। জীৱনত অহা দুৰ্যোগ সকলো প্ৰতিহত কৰাৰ শক্তিও আছিল। হাৰ মানিব নোখোজা, প্ৰবল মনোদৈহিক শক্তিৰ অধিকাৰীজনে ক'ভিড আক্ৰমণৰ দ্বিতীয় ঢৌত জয়ী হৈছিল যদিও মানসিকভাৱে ভাগি পৰিছিল। চিকিৎসালয়ত ভৰ্তি হোৱাৰ কেইদিনমান আগতে তেখেতৰ খবৰ লওঁতে কিছু দুৰ্বলতাৰ উমান পাইছিলো, সেয়ে তেওঁৰ শৰীৰৰ বেয়া অৱস্থা, শক্তিও কম বুলি কৈছিল— প্ৰবল আত্মবিশ্বাসী বৰাদেৱে সেইদিনাই এক বিপদৰ সংকেত প্ৰকাশ কৰিছিল। কিন্তু সঁচাকৈয়ে যেন তেওঁ চিৰকালৰ বাবে আমাৰ মাজৰ পৰা আঁতৰি গ'ল। স্বনামধন্য সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, 'গৰীয়সী'ৰ সম্পাদক ড° লক্ষ্মীনন্দন বৰাই জীৱন-মৃত্যুৰে যুঁজি অৱশেষত বৃহস্পতিবাৰে পুৰা নিয়তিৰ ওচৰত হাৰ মানিলে। ক'ভিড-১৯ত আক্ৰান্ত হৈ গুৱাহাটীৰ এক্সেল কেয়াৰ হাস্পতালৰ আইচিইউত চিকিৎসাধীন হৈ থকা বিশিষ্ট সাহিত্যিকগৰাকীয়ে ৮৯ বছৰ বয়সৰ মৃত্যুক সাৱটি লয়। অসমৰ বৌদ্ধিক সমাজৰ বাবে কঢ়িয়াই আনিলে দুঃসংবাদ। এগৰাকী জীৱনৰসিক, সুখ-সন্ধানী, অক্লান্ত পৰিশ্ৰমী, অসমীয়া সাহিত্য জগতৰ কীৰ্তি পুৰুষ লক্ষ্মীনন্দন বৰাৰ প্ৰয়াণ বাৰ্তা শুনি আশাহত আৰু বেদনা কাতৰ হৈ পৰিলো। তেওঁৰ লিখনিৰ গল্পৰ উপন্যাসশৈলীৰে পঢ়ুৱৈ সমাজক চমকিত কৰি তোলে। তেওঁৰ লিখনিত চমকপ্ৰদ কাহিনী শিল্পৰ তুলনাত আছিল নিৰীহ বিষয়বস্তু আৰু নিৰলংকাৰ ভাষাৰে এক সম্পূৰ্ণ নতুন ধৰণৰ গভীৰতাৰে অন্তৰ চুই যোৱা শিল্পকৰ্ম। গ্ৰাম্য জীৱনৰ সৰলতা, সততা, সহজ বিশ্বাস আৰু হৃদয়স্পৰ্শী আত্মীয়তাৰ তেনে বিৰল চিত্ৰণ এক পৃথক কথনভংগী আৰু কাব্যিক মহিমাৰে উজ্বল ৰূপত প্ৰকাশ পাইছিল। লিখনিবোৰে ব্যক্তিজীৱন পাৰ হৈ পটভূমিৰ সমাজজীৱনৰ অন্তঃস্থলীকো সূক্ষ্ম কটাক্ষৰে আলোকিত কৰি তুলিছিল। লিখনিৰ গ্ৰাম্য সমাজ জীৱন তেওঁৰ লেখক চিন্তাৰ গভীৰত অন্তলীন হৈ আছিল। সেয়ে পৰিস্ফূট হৈছিল সময় আৰু সমাজৰ পৰিৱৰ্তিত চৰিত্ৰই কৰুণ বাস্তৱক সংবেদনশীল কৰিছিল। তেওঁ মানৱীয় সম্পৰ্কৰ জটিল স্বৰূপ আৰু অনাত্মীয়তা বিৰল স্পৰ্শকাতৰভাৱে চিত্ৰিত কৰিছিল। তেওঁ এজন তীক্ষ্ণ, অন্তদৃষ্টিসম্পন্ন লেখক হিচাপে কৃত্ৰিমতাৰ পৰা আঁতৰত আছিল। উল্লেখযোগ্য যে অসমৰ নৱবৈষ্ণৱ বাদ আন্দোলনৰ মহাপুৰুষ পাঁচগৰাকী প্ৰধান ধৰ্মগুৰুৰ জীৱনীমূলক উপন্যাসেই তেওঁৰ বিশাল সাহিত্যিক জীৱনৰ সৰ্বোচ্চ কীৰ্তি-অক্ষয় কীৰ্তি। যি কি নহওঁক সাহিত্য একাডেমীৰ সন্মানেৰে বিভূষিত বৰাদেৱে বিভিন্ন বঁটা, উপাধিও লাভ কৰে। গল্প, উপন্যাস, নাটক, ভ্ৰমণ কাহিনী, জীৱনী, বিজ্ঞানভিত্তিক গ্ৰন্থ আৰু অনুবাদেৰে অসমীয়া সাহিত্য ক্ষেত্ৰখনক তেওঁ চহকী কৰি থৈ গৈছে। 'গঙা চিলনীৰ পাখি' উপন্যাসখনৰ কাহিনীৰ আধাৰত বিশিষ্ট চলচ্চিত্ৰ নিৰ্মাণ কৰিছিল।

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

## ক'ভিড আৰু জলবায়ুৰ পৰিৱৰ্তন

### (বিশ্ব পৰিৱেশ দিৱস উপলক্ষে)

সাম্প্ৰতিক সময়ত সকলোতে বিভীষিকাৰ পৰিৱেশ। কৃষিৰ পৰা আৰম্ভ কৰি জীৱিকাৰ সকলো ক্ষেত্ৰ যেনে— স্বাস্থ্য, পিন্ধন-উৰণ আৰু উন্নয়নৰ ধৰণতো জলবায়ুৰ বিস্তীৰ্ণ প্ৰভাৱ দেখিবলৈ পোৱা গৈছে। মানুহৰ বিভিন্ন কাৰ্যকলাপৰ কাৰণে যে বিশ্বজুৰি জলবায়ুৰ ভীষণ তাৰতম্য ঘটিছে, জলবায়ুৰ এই চৰম আৰু সঘন সাল-সলনিৰ ফলত বিশ্বত কেনেধৰণৰ বিপদৰ সন্মুখীন হৈ আছে সেই কথা বহলাই কোৱাৰ প্ৰয়োজন নাই। অতি শেহতীয়াকৈ ৰাষ্ট্ৰসংঘৰ বিশ্ব জলবায়ু সংস্থাই প্ৰকাশ পোৱা প্ৰতিবেদন অনুসৰি ২০২০ বৰ্ষত মহামাৰীৰ কাৰণে প্ৰযোজ্য হোৱা লকডাউন, যাতায়তৰ বিঘ্নিত হোৱাৰ কাৰণে বিশ্বজুৰি কাৰ্বনৰ নিঃসৰণ কিছু হ্ৰাস পালেও তাৰ ইতিবাচক প্ৰভাৱ আপতদৃষ্টিত বায়ুমণ্ডলত পৰা নাই, যাৰ বাবে যোৱা বৈশ্বিক গড় তাপমাত্ৰা হিচাপে ২০২০ চনটো ২০১৬ আৰু ২০১৯ বৰ্ষৰ দৰেই ইতিহাসৰ উষ্ণতম বৰ্ষ হিচাপে চিহ্নিত হৈছে। এই উষ্ণ জলবায়ুৰ প্ৰভাৱত ২০২০ বৰ্ষটোত বিভিন্ন প্ৰাকৃতিক পৰিঘটনা, যেনে—মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু ভাৰতীয় উপমহাদেশত ঘূৰ্ণিবতাহ, দক্ষিণ আমেৰিকা আৰু অষ্ট্ৰেলিয়াত দাবানল তথা মেৰু অঞ্চলত তাপপ্ৰবাহ আৰু বানপানীৰ দৰে ঘটনা যোৱাটো চনত বৃদ্ধি পাইছিল। তাৰ সমান্তৰালকৈ জলবায়ুৰ পৰিৱৰ্তনে বাৰে বাৰে আমাৰ পৃথিৱীখনক আঘাত হানিছে, কিয়নো কৰ'না মহামাৰীৰ প্ৰাদুৰ্ভাৱত বিশ্বজুৰি অৰ্থনীতিৰ গতি স্থবিৰ হৈ পৰিছিল, সেই অচলাৱস্থা অৰ্থনীতি পুনৰুজ্জীৱিত কৰিবলৈ কল-কাৰখানা আৰু উদ্যোগসমূহ যি উপকৰণ ব্যৱহৃত হৈছে, সেইসমূহে বায়ুমণ্ডলত কাৰ্বন ডাই অক্সাইড ৫ শতাংশ বৃদ্ধি কৰিছে। মুঠৰ ওপৰত বিশ্ব জলবায়ুৰ এনে এক ভয়ংকৰ সন্ধিক্ষণত আহি পৰিছে যে আমাৰ সেউজী ধৰণীখন জীয়াই ৰাখিবলৈ বিশ্বস্তৰৰ সংস্থাবোৰ ঐক্যবদ্ধভাৱে কাম কৰিবই লাগিব।

ঠিক তেনেদৰে অসমৰ প্ৰেক্ষাপটৰ কথা ক'বলৈ গ'লে মূলতঃ কৃষিকাৰ্য বহুল পৰিমাণে বৰষুণৰ ওপৰত নিৰ্ভৰ হৈ থাকিবলগীয়া হোৱাত জলবায়ুৰ সাল-সলনিয়ে বিপদ সংকুলতাৰ পৰিমাণ যথেষ্ট পৰিমাণে বঢ়াইছে বুলি বিশেষজ্ঞসকলে আঙুলিয়াই দিছে। তাৰ লগতে দীঘলীয়া খৰাং সময়, বানপানীৰ ক্ৰমবৰ্ধমান উগ্ৰতা তথা আৱতৰীয়া খৰাং আৰু বানপানীৰ সমস্যায়ো দুৰ্যোগৰ সম্ভাৱনা দুগুণে বৃদ্ধিহে কৰিছে। প্ৰকৃততে পৃথিৱীৰ ভাৰসাম্য বজাই ৰাখিবলৈ জলবায়ুৰ বিষয়ত বিস্তৃত গৱেষণা কৰাৰ প্ৰয়োজন আছে আৰু এক সুস্থ পৰিকল্পনাৰে এই সমস্যাৰ জটিলতা এতিয়াও হ্ৰাস কৰাৰ সময় আছে। অন্যথা প্ৰকৃতিয়ে নিজৰ সন্তুলিত ক্ষমতা বৰ্তাই নাৰাখিলে অনাগত দিনত জীৱকূলৰ বাবেও আহুকালৰ সৃষ্টি হ'ব পাৰে।

**শশাংক কুমাৰ শৰ্মা**
*পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়*
*খানাপাৰা, গুৱাহাটী*
*ফোন ঃ ৮৬৩৮০০৭২৫১*

# প্ৰকৃতিয়ে আমাক শিকায়, প্ৰকৃতিয়ে আমাক বচায়

■ নৱজিৎ দেউৰী

মানুহ আজি অহংকাৰী। শিক্ষাৰ দৌৰত সি সকলোকে পিছ পেলাই গৈছে। এতিয়া সি নিজৰ শিক্ষা ব্যৱস্থা নিজেই ঠিক কৰি লয়। প্ৰকৃতিক অস্বীকাৰ কৰে। অথচ গুহাবাসী মানুহে এদিন প্ৰকৃতিৰ ওচৰৰ পৰাই শিক্ষাৰ প্ৰথম পাঠ গ্ৰহণ কৰিছিল। প্ৰকৃতিৰ নিয়মবোৰ তেতিয়া সি মানি চলিছিল। পৰৱৰ্তীকালত ক্ৰমে ক্ৰমে যিমানেই সি শিক্ষিত হৈছে সিমানেই সি নিয়ম ভঙাৰ খেলত নামি পৰিছে।

শিক্ষা সম্পূৰ্ণ তেতিয়াই হয়, যেতিয়া তাত্ত্বিক আৰু প্ৰয়োগিক উভয় শিক্ষাই লাভ কৰা যায়। আমাৰ কিতাপ, সৰ্বশিক্ষা কেৱল তাত্ত্বিক শিক্ষাই দিব পাৰে, প্ৰায়োগিক শিক্ষাই নহয়। প্ৰায়োগিক শিক্ষা পূৰ্ণ হয় প্ৰকৃতি শিক্ষাত। এইফালৰ পৰা বিচাৰ কৰিলে আমাৰ শিক্ষা অসম্পূৰ্ণ।

প্ৰকৃতিৰ ওচৰত মানুহে দুই ধৰণে শিক্ষা লাভ কৰিব পাৰে - প্ৰকৃতিৰ নিজৰ উপাদান অৰ্থাৎ, পাহাৰ-পৰ্বত, নদ-নদী, গছ-লতা, আকাশ-বতাহ প্ৰভৃতিৰ মাজেৰে আৰু প্ৰকৃতিৰ কোলাত লালিত-পালিত তাৰেই সন্তান পশু-পক্ষী-কীট-পতঙ্গৰ মাধ্যমেৰে। এতিয়া দেখা যাওক শিক্ষাৰ প্ৰাথমিক স্তৰত মানুহে কেনেকৈ প্ৰকৃতিৰ পৰা শিক্ষা পাব পাৰে।

শৈশৱতে আমি শিকিছো, 'এবাৰ নোৱাৰিলে কৰা শতবাৰ'। এই প্ৰসঙ্গত মনত পৰে ৰবাৰ্ট ব্ৰুচ আৰু মকৰাৰ কথা। যুদ্ধত পৰাজিত হৈ ব্ৰুচে যেতিয়া শিলৰ গুহাত আশ্ৰয় লয়, হতাশাই তেতিয়া তেওঁক গ্ৰাস কৰিছিল, তেতিয়াই তেওঁ দেখিবলৈ পাইছিল মকৰাটোক। প্ৰবল বতাহৰ মুখত মকৰাটোৱে শতবাৰ চেষ্টা কৰাৰ পিছত গুহাটোৰ মুখত জাল গুঠিবলৈ সক্ষম হৈছিল। সেই ঘটনাৰ পৰাই ব্ৰুচে শিক্ষা পাইছিল যে বাৰে বাৰে চেষ্টা কৰিলে সফলতা এটা সময়ত আহিবই। এই শিক্ষা আমি কীট-পতঙ্গৰ পৰাই পাই থাকো। কেৱল মানুহৰে নহয়, সমগ্ৰ জীৱজগতৰেই দৈহিক শক্তিৰ সীমাবদ্ধতা আছে। কিন্তু যেতিয়া দেখো অতি ক্ষুদ্ৰ আকাৰৰ পৰুৱাই তাৰ দেহৰ ওজনতকৈ প্ৰায় ৫২ গুণ বেছি ওজনৰ কোনো বস্তু কঢ়িয়াই চলা-ফুৰা কৰিছে, অথবা যেতিয়া দেখো গুবৰুৱা পোকৰ দৰে অতি সাধাৰণ এটা পোকে তাৰ শৰীৰৰ ওজনৰ প্ৰায় ৮৫০ গুণ ওজনৰ বস্তু কঢ়িয়াই লৈ গৈছে তেতিয়া জানো আমি আমাৰ দৈহিক শক্তিক সীমাবদ্ধতা জয় কৰাৰ প্ৰেৰণা নাপাওঁ?

দূৰ দিগন্তলৈ বাৰ্তা প্ৰেৰণৰ বাবে এটা সময়ত আমি পাৰ চৰাইৰ সহায় লৈছিলোঁ। প্ৰায় প্ৰতিটো ক্ষেত্ৰতেই পাৰ চৰাইয়ে ডাকোৱালৰ কামটো সঠিকভাৱেই পালন কৰিছিল। আনকি নিজৰ জীৱন বিপন্ন কৰিও সি সঠিক ঠাইত সংবাদ দিয়াৰ চেষ্টা কৰিছিল। ১৯১৭ চনৰ এনেকুৱাই এটা ঘটনাৰ বিষয়ে পঢ়িছিলোঁ। পাৰ চৰাইজনীয়ে যেতিয়া খবৰ লৈ যুদ্ধক্ষেত্ৰৰ পৰা উৰা মাৰিছিল তেতিয়া তীব্ৰ বেগত অহা জাৰ্মানীৰ সৈন্যৰ এটা গুলীত তাৰ এখন ঠেং ছিগি গৈছিল। কেৱল সেয়াই নহয়। চিঠিৰ টোপোলাটো বুলেটৰ আঘাতত তাৰ পেটৰ মাজত সোমাই গৈছিল। গুৰুতৰ আহত পাৰ চৰাইজনীয়ে সেই অৱস্থাত অতি কষ্টেৰে ৯ মাইল পথ উৰা মাৰি চিঠিখন প্ৰাপকৰ হাতত দি থৈ আহিছিল। এই কৰ্তব্যবোধৰ শিক্ষা পাৰ চৰাইজনীয়ে কাৰ পৰা পাইছিল? নিশ্চয় মানুহৰ পৰাই নহয় জানো? মানুহৰ কৰ্তব্যবোধতো এতিয়া প্ৰায় শূন্যৰ ঘৰত। বৰঞ্চ মানুহে এতিয়া পশু-পক্ষী-কীট-পতঙ্গৰ পৰা নতুনকৈ কৰ্তব্যবোধৰ পাঠ গ্ৰহণ কৰা উচিত।

স্থাপত্য শিল্পত পশু-পক্ষী আনকি কীট-পতংগবোৰেও যে উৎকৰ্ষতাৰ পৰিচয় দিয়ে তাক দেখি অবাক হ'বলগীয়া হয়। টোকোৰা চৰাইৰ বাঁহ সজাবৰ বাবে পৃথককৈ কোনো প্ৰযুক্তিবিদ্যা শিকিবলগীয়া নহয়। সহজাত প্ৰবৃত্তিৰ দ্বাৰাই সি শিকি লয় বাঁহ সজোৱাৰ প্ৰয়োগ কৌশল। কেৱল টোকোৰা চৰায়েই নহয়, অন্যান্য বহু পশু-পক্ষী আনকি পৰুৱাবোৰেও জানে নানা ধৰণৰ সুন্দৰ সুন্দৰ বাঁহ সজোৱাৰ প্ৰযুক্তি। এইবোৰ প্ৰাণীৰ বহুতেই মানুহতকৈ আগতে পৃথিৱীলৈ আহিছে। গুহাবাসী মানুহে ইহঁতৰ পৰাই ঘৰ বনোৱাৰ প্ৰেৰণা পাইছিল নেকি?

নিৰ্দিষ্ট উষ্ণতা প্ৰয়োজন অনুসাৰে ধৰি ৰখাৰ বাবে আমি ইনকুবেটৰ ব্যৱহাৰ কৰো। মনুষ্যজীৱনৰ দীৰ্ঘপথ পাৰহৈ আহি বিজ্ঞান আৰু প্ৰযুক্তিৰ সাহায্য লৈ আমি এই যন্ত্ৰটো আৱিষ্কাৰ কৰিছোঁ। অথচ অষ্ট্ৰেলিয়াৰ মেলি ফাউল(এক ধৰণৰ মুৰ্গী জাতীয় চৰাই)এ বহুকাল ধৰি প্ৰাকৃতিক ইমকুবেটৰৰ সহায়ত কণী পাৰি আহিছে। শুকান ঘাঁহ-জংঘল, লতা-পাতৰ স্তূপৰ মাজত স্ত্ৰীজনীয়ে পাৰি থোৱা কণীবোৰ মতা মেলি ফাউলে বালিৰে ঢাকি দিয়ে। বালিৰ তলত উদ্ভিদবোৰ কিছুদিন পিছত পচি গৈ তাপৰ সৃষ্টি কৰে। তাৰ তাপে কণীত উম দিয়াত সহায় কৰে। মেলি ফাউলৰ কণী ফুটি পোৱালি হ'বলে বহু সময় লাগে। সেয়ে প্ৰাকৃতিক ইনকুবেটৰৰ তাপ নিৰ্দিষ্ট মাত্ৰাত আছে নে নাই চাবৰ বাবে মতা চৰাইটোৱে মাজে মাজে বালিৰ মাজত ঠোঁট সুমোৱাই পৰীক্ষা কৰি চায়। প্ৰয়োজনত কেতিয়াবা বালি আঁতৰাই, কেতিয়াবা বালিৰ স্তৰ পূৰ কৰি সি প্ৰাকৃতিক ইনকুবেটৰৰ তাপমাত্ৰা নিৰ্দিষ্ট ৰাখে। নিঃসন্দেহে ই এক বৈজ্ঞানিক ব্যৱস্থা।

আমাৰ দেশত অধিকাংশ বিদ্যালয়ত এই পদ্ধতিত গণিত শিকোৱা হয়, তাত শিশু মনৰ গাণিতিক বিকাশ কিমান হয় তাক লৈ সন্দেহ আছে। সঠিকভাৱে উপস্থাপনৰ অভাৱত বিষয়টো শিশুৰ ওচৰত নিৰস হৈ পৰে। ফলত বেছিভাগ শিশুৰ বাবে গণিত শিক্ষণ কঠিন আৰু ভীতিপ্ৰদ হৈ পৰে। লাহে লাহে সিহঁতৰ অৱচেতন মনত বিষয়টোৰ প্ৰতি বিৰাগ জন্মে। অথচ প্ৰকৃতিৰ সাহায্য লৈ যদি বিষয়টো শিকোৱাৰ চেষ্টা কৰা হয় তেন্তে শিশুৰ বাবে গণিত শিকোৱাটো কঠিন বিষয় হৈ নুঠিব। গণিতৰ এটা শাখা 'জ্যামিতি'। জ্যামিতি-বিষয়ক চিত্ৰসমূহ প্ৰকৃতিৰ মাজতেই বিচাৰি পোৱা যায়। কেৱল ফল, ফুল, উদ্ভিদৰ মাজত নহয়, পশু-পক্ষীৰ মাজতো বিয়পি আছে এই চিত্ৰ ভাণ্ডাৰ। আনাৰসৰ দেহৰ পৰা 'ত্ৰিভুজৰ' ধাৰণা পোৱা যায়। তাৰ সমগ্ৰ দেহত যি দাগ(চকু নামেৰে পৰিচিত) থাকে সেয়া ত্ৰিভুজাকৃতি। নাৰিকৰ গছৰ পাতৰ পৰা সমান্তৰাল সৰলৰেখা ধাৰণা কৰাটো কঠিন বিষয় নহয়। 'বৃত্তৰ' ছবি পোৱা যায় পূৰ্ণিমাৰ জোনত। তৰমূজ আৰু গোলকৰ মাজত সাদৃশ্য বিচাৰি পোৱাটোও বিশেষ কঠিন কাম নহয়। কলডিল অগ্ৰভাগৰ পৰা 'কোণ', কলগছৰ(থোৰ) পৰা 'চোঙা', এনে ধৰণৰ আৰু বহু উদাহৰণ পাব পৰা যায় প্ৰাকৃতিক ভাণ্ডাৰত। অনিসন্ধিৎসু চকুৰে সেইবোৰ কেৱল বিচাৰি ল'ব লাগিব আমি। প্ৰকৃতি শিক্ষাৰ লগত একাত্ম হৈ শিশুক গণিত শিকালে সেই শিক্ষাই হ'ব প্ৰকৃত শিক্ষা।

গান গোৱাৰ বাসনা বোধহয় প্ৰত্যেক মানুহৰেই থাকে। কিন্তু সকলোৱে গাব নাজানো। তাৰ বাবে উপযুক্ত প্ৰশিক্ষণৰ দৰকাৰ। গান গাবৰ বাবে পক্ষীৰ কোনো পৃথক প্ৰশিক্ষণৰ প্ৰয়োজন নহয়। প্ৰকৃতিৰ কোলাত লালিত-পালিত এইবোৰ পক্ষীৰ দলে জন্মৰ পৰাই পায় শুৱলা কণ্ঠ। সেই কণ্ঠেৰে নিখুঁত সুৰ নিগৰিত হয়। যিবোৰ পক্ষী দেখাত সুন্দৰ, তাৰ তালিকাত কুলিক স্থান দিয়া নাযায়। কিন্তু বসন্ত ঋতুত সি যেতিয়া পঞ্চম সুৰত গীত গায় তেতিয়া তাৰ স্থান হয় আমাৰ মনৰ মণিকোঠাত। অতি ডাঙৰ গায়কো তেতিয়া তাৰ এই সুৱলা কণ্ঠৰ বাঃ বাঃ নিদিয়াকৈ নাথাকে। শুনা মতে, আমাৰ সঙ্গীতৰ সপ্তসুৰৰ উৎপত্তিয়েই হেনো পশু-পক্ষীৰ কণ্ঠ নিঃসৃত শব্দৰ পৰা।

নৃত্যৰ ক্ষেত্ৰতো আমি প্ৰকৃতিৰ ওচৰত শিক্ষাৰ্থী। পাখি মেলি যেতিয়া নাচে তেতিয়া সেই নৃত্যই আমাক সকলোকে মুগ্ধ কৰে- এই কথাক আমি জানো অস্বীকাৰ কৰিব পাৰো?

ৰং নো কাৰ ভাল নালাগে? অঙ্গসজ্জা, গৃহসজ্জা, ৰূপচৰ্চা ইত্যাদি সকলোতেই থাকে ৰঙৰ ছাঁ। চিত্ৰকৰৰ ছবি জীৱন্ত হৈ উঠে কল্পনা আৰু ৰঙৰ সংমিশ্ৰণত। একাধিক ৰঙৰ মিশ্ৰণত তেওঁ ফুটাই তোলে অতি সূক্ষ্ম পৰিৱৰ্তন(shade)।তথাপিও এটা প্ৰশ্ন থাকি যায়, সঁচাকৈ আমি আজিও পাৰিছো জানো প্ৰকৃতিৰ দৰে এই ৰঙৰ বৈচিত্ৰ্য আয়ত্ত কৰিবলৈ? তেন্তে কিয় আমি বিস্ময়েৰে চাই থাকো বিচিত্ৰ ৰঙৰ প্ৰজাপতিৰ পিনে? কৃত্ৰিম ফুল এৰি কিয় আমি গুচি যাওঁ প্ৰাকৃতিক ফুলৰ আকৰ্ষণত? পক্ষীৰ শৰীৰৰ পালকৰ ৰঙৰ বৈচিত্ৰ্য আমি পাৰো জানো নিঁখুতভাৱে আমাৰ ছবিত ফুটাই তুলিবলৈ? আমি পাৰো জানো ৰামধেনুক নিঁখুতভাৱে আঁকিবলৈ? প্ৰাকৃতিক ফুলৰ কমনীয়তা ৰঙৰ প্ৰলেপত ছবিত ফুটাই তুলিবলৈ এতিয়াও আমাৰ বহুত শিকিবলগীয়া আছে। ৰঙৰ খেলাত প্ৰকৃতিৰ ওচৰত এতিয়াও আমি শিক্ষাৰ্থী।

খেলা-ধূলাৰ ক্ষেত্ৰতো প্ৰকৃতি আমাৰ শিক্ষাগুৰু। হাঁহ বা পানীকাউৰীৰ সাঁতোৰে হয়তো আমাক সাঁতোৰাৰ প্ৰেৰণা জোগাইছে। হৰিণ, কেঙ্গাৰু বা ফৰিং জপিওৱা দেখি হয়তো আমি ক্ৰীড়াসূচীত অন্তৰ্ভুক্ত কৰিছিল লং-জাম্প, হাই-জাম্প ইত্যাদি ক্ৰীড়া। হনুমান বা বান্দৰে গছৰ ডালে ডালে ঘূৰি ফুৰা বা এজোপা গছৰ পৰা আন এজোপা গছলৈ জঁপিয়াই দিয়াৰ লগত আমাৰ জিমনাষ্টিক ক্ৰীড়াৰ সাদৃশ্য লক্ষ্য কৰা যায়। বৰ্তমান নৃত্যকলা কেৱল ডোঙাতেই নহয়, পানীত নৃত্য কৰাৰ কৌশলো মানুহে আয়ত্ত কৰিছে। ইয়াৰ প্ৰেৰণা যদি ডলফিনৰ পৰা আমি পাইছো বুলি কওঁ, তেন্তে আশ্চৰ্য হোৱাৰ কোনো কাৰণ নাই। আকাশত উৰাৰ বাসনাতো পক্ষীয়েই দেখুৱাই দিছিল আমাক। বিচাৰিলে হয়তো এনেধৰণৰ আৰু বহু উপমা পোৱা যাব যি আমাক আৰু বহু নতুন নতুন ক্ৰীড়াৰ সন্ধান দিব।

পৰুৱাৰ পৰা আমাৰ শিকাৰ শেষ নাই। সিহঁতৰ দৰে শৃঙ্খলাবোধ যদি আমাৰ মাজত থকাহেঁতেন, আমাৰ জীৱনৰ ধাৰাটোৱেই সলনি হ'লেহেঁতেন। বৃহৎ পৰিয়ালক কেনেকৈ ৰক্ষা কৰিব লাগে তাৰ পৰা শিকিবলগীয়া কথা। এই বিষয়ত মৌমাখিৰ নামো উল্লেখ কৰিব পাৰি। মূৰ ঠাণ্ডা ৰাখি কিদৰে বিপদৰ পৰা পৰিত্ৰাণ পোৱা যায়, তাৰ কৌশল এই ক্ষুদ্ৰ প্ৰাণীবোৰৰ বুদ্ধি মূৰত কেনেকৈ আহিল ভাবিলে অবাক লাগে। বৰ্ষাকালত যেতিয়া সিহঁতৰ বাহবোৰ পানীত উটি যায় তেতিয়া আত্মৰক্ষাৰ বাবে সিহঁত একতাৰে ওপৰা-ওপৰিকৈ উঠি ঘূৰণীয়া হৈ পানীৰ ওপৰেৰে উটি গৈ থাকে। সেই অৱস্থাতে উটি গৈ কোনোবা ওখ ঠাই পালে অথবা পানী কমি গ'লে আকৌ স্বাভাৱিক জীৱনলৈ ঘূৰি আহে। সিহঁতক দেখি, শত্ৰু-মিত্ৰ পাহৰি গৈ যৌথভাৱে আমি বিপদৰ সৈতে যুঁজিব পাৰো নে নোৱাৰো?

সকলো মাতৃয়েই বিচাৰে তেওঁলোকৰ সন্তানসকলে যেন কোনো বিপদত নপৰে। 'প্ৰকৃতিয়েও বিচাৰে। সেয়ে তাৰ সন্তানক সুৰক্ষাৰ কাৰণে সি সকলো ধৰণৰ ব্যৱস্থা কৰি ৰাখিছে। শ্বাস-প্ৰশ্বাসৰ কাৰণে বায়ুত আছে যথেষ্ট পৰিমাণৰ অক্সিজেন। অক্সিজেন আৰু কাৰ্বন-ডাই-অক্সাইডৰ প্ৰয়োজনীয় অনুপাত ঠিক ৰাখিবলৈ পৃথিৱীৰ বুকুত সৃষ্টি হৈছিল পৰ্যাপ্ত বনাঞ্চল। নিৰ্বিচাৰে গছ কাটি আৰু বনাঞ্চল ধ্বংস কৰি আমি সেই অনুপাত ৰক্ষাত বিঘিনী ঘটাইছো। পৃথিৱীক বেষ্টন কৰি থকা বায়ুত অৱস্থিত অজ'ন স্তৰৰ ক্ষতিকৰ মহাজাগতিক ৰশ্মিৰ পৰা আমাক ৰক্ষা কৰিছে। পৃথিৱীত মাটিতকৈ পানীৰ পৰিমাণ বহু বেছি। সাগৰ সমূহেৰে সঞ্চিত এই বিপুল জলৰাশি নষ্ট হৈ আমাৰ অস্তিত্ব যাতে বিপন্ন কৰি নোতোলে তাৰ বাবে প্ৰাকৃতিক নিয়মেৰেই তাত মিহলি হৈ আছে পৰ্যাপ্ত নিমখ। এই জলৰাশিৰেই কেইবা অংশ সূৰ্যৰ প্ৰখৰ তাপত বাষ্পীভূত হৈ আকাশত মেঘৰ সৃষ্টি কৰে। পৰৱৰ্তীকালত সেই মেঘৰ পৰাই বৰষুণ আকাৰে পৃথিৱীৰ বুকুলৈ নামি আহে সু-স্বাদু জলধাৰা, যি আমাৰ প্ৰাণ ধাৰণৰ বাবে একান্তই প্ৰয়োজন।

প্ৰকৃতিয়ে দিয়া এই 'ৰক্ষা কবচ' ৰক্ষা কৰাৰ দায়িত্ব আমাৰ। প্ৰকৃতিয়ে সৃষ্টি কৰা নিয়ম-নীতি মানি চলিলে তাত ৰক্ষা কৰিবলৈ কোনো সমস্যা নহ'ব। মানুহ অবিহনে পৃথিৱীৰ অন্যান্য সন্তানক লৈ প্ৰকৃতিৰ কোনো চিন্তা নাই, কাৰণ সি প্ৰকৃতি-জননীৰ সমস্ত নিয়ম অক্ষৰে অক্ষৰে পালন কৰে। আনকি অৰণ্যৰ মানুহবোৰেও অকণমান হ'লেও বুজিব পাৰিছে যে প্ৰকৃতিৰ বিপৰ্যয় মানে নিজৰ বিপৰ্যয়। এই সহজ-সৰল সত্যটো বুজিব পৰা নাই কেৱল আমি, যিয়ে আধুনিক কৃত্ৰিম শিক্ষাৰ অহংকাৰত প্ৰকৃতিৰ নিয়মসমূহক মানি চলিবলৈ অস্বীকাৰ কৰো। নিজৰ ভোগলিপ্সা চৰিতাৰ্থ কৰিবলৈ গৈ প্ৰকৃতিৰ অঙ্গত অনবৰতে 'প্ৰদূষণ' নামৰ ক্ষত সৃষ্টি কৰি আহিছে। প্ৰকৃতিৰ সমগ্ৰ অঙ্গত আজি এই ক্ষত।

অবাধ্য সন্তানক সঠিক পথত অনিবৰ বাবে মাতৃয়ে যেনেকৈ মাজে মাজে তাক শাসন কৰে, প্ৰকৃতিয়েও তাৰ অবাধ্য সন্তান মানুহক প্ৰাকৃতিক বিপৰ্যয়ৰ মাজেদি শাসন কৰাৰ চেষ্টা কৰে। গ্ল'বেল ৱাৰ্মিং' বা অজ'ন স্তৰৰ ফুটা অথবা বৰ্তমান সময়ত অক্সিজেনৰ অভাৱ— এইবোৰ কেৱল মানুহৰ অসংযত ক্ৰিয়াকলাপৰ ফল। এতিয়াও সাৱধান নহ'লে মানুহে নিজৰ চিতা নিজেই সজাবলগীয়া হ'ব। প্ৰকৃতিয়ে নিবিচাৰে, তাৰ প্ৰৱৰ্তিত নিয়মবোৰ মানুহে প্ৰতিনিয়ত সলনি কৰক। বৰঞ্চ সি বিচাৰে, তাৰ নিয়মবোৰ মানি চলক আৰু তাৰ লগত সহযোগিতা কৰি মানুহে তাৰ ভৱিষ্যত আনন্দময় কৰি তোলক।


গতিকে আৰু ভুল নহয়। প্ৰকৃতিয়ে যি পাঠদানৰ ব্যৱস্থা কৰে ৰাখিছে তাক গ্ৰহণ কৰি প্ৰকৃতিক ৰক্ষা কৰাৰ শপত লওঁ। অনাগত দিনত শ্ল'গান হওক, 'প্ৰকৃতিৰ শিক্ষাই প্ৰকৃত শিক্ষা'।

*ফোন ঃ ৯৩৬৫২০২৯৬২*

**'পৰিৱেশতন্ত্ৰৰ পুনৰুদ্ধাৰ'ৰ দশক**

# ৰাষ্ট্ৰসংঘৰ 'বিশ্ব পৰিৱেশ দিৱস'

■ ৰূপজ্যোতি গোস্বামী



মানুহৰ একমাত্ৰ বাসভূমি এই পৃথিৱীত ক্ৰমে ক্ৰমে প্ৰবলতৰ হৈ উঠা পৰিৱেশজনিত সমস্যা, খাদ্যবস্তুৰ অপচয় আৰু লোকচান, নিৰ্বনিকৰণ, গোলকীয় উষ্ণতা বৃদ্ধি আদি সমস্যাবোৰ সমাধানৰ উদ্দেশ্য ১৯৭৩ চনৰ পৰাই ৫ জুনৰ দিনটো 'বিশ্ব পৰিৱেশ দিৱস'ৰূপে পালন কৰি অহা হৈছে। মানুহৰ জীৱনত সেউজ আৰু স্বাস্থ্যসন্মত পৰিৱেশৰ গুৰুত্ব সন্দৰ্ভত বিশ্বজুৰি সজাগতা সৃষ্টিয়ে এই দিৱসৰ মূল লক্ষ্য। পৰিৱেশ-অনুকূল ইতিবাচক কাম-কাজৰ জৰিয়তে আমাৰ চাৰিওফালে মূৰ দাঙি ধৰা পৰিৱেশজনিত সমস্যাবোৰ সমাধান কৰাৰ ক্ষেত্ৰত সজাগতা বৃদ্ধি, সমাজৰ প্ৰতিজন লোকেই যে তেওঁৰ পৰিৱেশ সংৰক্ষণ কৰাটোত দায়বদ্ধ, এই কামৰ বাবে কোনো বিশেষ ব্যক্তি বা অনুষ্ঠানৰ মুখলৈ আমি চাই থকা উচিত নহয়- সেই ধৰণৰ সজাগতা সমগ্ৰ বিশ্বৰ সাধাৰণ মানুহৰ মাজলৈ লৈ যোৱাটো এই দিৱসৰ অন্যতম লক্ষ্য।

সেই উদ্দেশ্যে আৰু লক্ষ্য আগত ৰাখি প্ৰতিবছৰে এটা বিষয়বস্তু আৰু শ্লোগান সমগ্ৰ বিশ্বতে প্ৰচাৰৰ আঁচনি কৰা হয়। কাৰ্বনমুক্ত পৰিৱেশ আহৰণত সফলতা লাভৰ বাবে বনানিকৰণ, সেউজ গৃহৰ পাৰ্শ্বক্ৰিয়া হ্ৰাসকৰণ, জৈৱ-ইন্ধন উৎপাদনত উদ্‌গণি, বিদ্যুৎ উৎপাদনত জলবিদ্যুৎ প্ৰকল্পৰ ব্যৱহাৰ, ছ'লাৰ ৱাটাৰ হিটাৰ ব্যৱহাৰত সাধাৰণ মানুহক উৎসাহিত কৰা, সৌৰ উৎসৰ পৰা শক্তি উৎপাদন, নতুন জল নিষ্কাশণ ব্যৱস্থাৰ বিকাশ, প্ৰবাল-চৰ আৰু মেংগ্ৰোভৰ প্ৰতিষ্ঠা বা পুনঃপ্ৰতিষ্ঠাত সহায় কৰা, যাতে বান আৰু খহনীয়াৰ কবলৰ পৰা দ ঠাইবিলাক ৰক্ষা কৰিব পাৰি ইত্যাদি বিষয়বোৰক মানুহৰ মাজত জনপ্ৰিয় কৰাৰ উদ্দেশ্য আগত ৰাখি এই দিৱস উদ্‌যাপন কৰা হয়।

এই দিৱস প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদ আৰু ৰাষ্ট্ৰসংঘৰ পৰিৱেশ আঁচনিয়ে (UNEP) ১৯৭২ চনৰ ৫-১৬ জুনলৈকে অনুষ্ঠিত মানৱ পৰিৱেশ (Human Environment) সন্মিলনত আৰম্ভ কৰিছিল। পিছৰ বছৰত 'Only one Earth' মূল বিষয়বস্তুৰে এই দিৱস উদ্‌যাপন কৰা হয়। ১৯৭৪ চনৰ পৰাই বিশ্বৰ বিভিন্ন দেশৰ মহানগৰবোৰত এই পৰিৱেশ দিৱস উদ্‌যাপন কৰিবলৈ লোৱা হয় আৰু পৰৱৰ্তী কালত ই বিশ্বজনীন হৈ পৰে।

বিভিন্ন সামাজিক গোট আৰু সম্প্ৰদায়ৰ মানুহক এই দিৱসত জড়িত কৰাই তেওঁলোকক এই বিষয়ৰ সজাগতাৰ ক্ষেত্ৰত সক্ৰিয় নেতৃত্ব ল'বলৈ উৎসাহিত কৰি আহিছে। পৰিৱেশৰ পৰা নেতিবাচক পৰিৱৰ্তনবোৰক বাধা দিয়া নিতান্তই দৰকাৰী। নিৰাপদ, পৰিচ্ছন্ন আৰু সমৃদ্ধ ভৱিষ্যৎ এটা লাভৰ বাবে যে আমি আমাৰ চৌপাশ সুৰক্ষিত আৰু পৰিচ্ছন্ন কৰি ৰাখিব লাগে, সেই কথা সাধাৰণ মানুহৰ উপলব্ধিৰ মাজলৈ লৈ যোৱাটোও এই দিৱসৰ গুৰুত্বপূৰ্ণ লক্ষ্য হৈ পৰিছে, যাৰ ফলত বিশ্বৰ জনসাধাৰণে সুস্থ-সবল পৰিৱেশৰ নিৰ্মাণৰ প্ৰতি সচেতন হ'বলৈ আৰম্ভ কৰিছে।

ৰাষ্ট্ৰসংঘৰ দ্বাৰা নিৰ্ণিত একোটা বিশেষ বিষয়ক ভিত্তি কৰি প্ৰতিবছৰৰ বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন কৰা হয়। যাতে এই উদ্‌যাপনে অধিক মানুহক সামৰি লয় আৰু অধিক কাৰ্যকৰী হয়। এই বৰ্ষৰ মূলমন্ত্ৰ হ'ল- 'পৰিৱেশতন্ত্ৰৰ পুনৰুদ্ধাৰ'।

বিশ্বজুৰি প্ৰতিখন মহাদেশৰ, প্ৰতিখন মহাসাগৰৰ পৰিৱেশতন্ত্ৰৰ অৱক্ষয় প্ৰতিৰোধ কৰা, অৱক্ষয়ৰ গতিৰুদ্ধ কৰি পৰিৱেশতন্ত্ৰৰ আমূল পৰিৱৰ্তন কৰা। যিয়ে দৰিদ্ৰতা নিৰ্মূল কৰিব, জলবায়ু পৰিৱৰ্তনৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিব, যাৰ দ্বাৰা সামূহিক বিনাশ ৰুদ্ধ হ'ব। এই সফলতাৰ বাবে বিশ্বৰ প্ৰতিজন নাগৰিক এই মূলমন্ত্ৰৰ অংশীদাৰ হ'ব লাগিব।

ইতিমধ্যে ৰাষ্ট্ৰসংঘই অহা দশকটো 'পৰিৱেশতন্ত্ৰৰ পুনৰুদ্ধাৰ' দশকৰূপে ঘোষণা কৰিছে। লগতে কোৱা হৈছে যে, ধ্বংস হ'বলৈ ধৰা পৃথিৱীৰ পৰিস্থিতিতন্ত্ৰক পুনৰ ঘূৰাই অনাৰ প্ৰয়োজন এতিয়াৰ দৰে পূৰ্বে কেতিয়াও উপলব্ধি কৰা হোৱা নাছিল। এই প্ৰয়োজনীয়াত যাতে অহা দশকটোৰ ভিতৰত বিশ্বৰ প্ৰতিজন ব্যক্তিয়ে বুজি পাই তাৰ বাবেই এইবাৰৰ এই আয়োজন।

বিশ্ব পৰিৱেশ দিৱসৰ আঁত ধৰিব চুবুৰীয়া পাকিস্তানে প্ৰতিবছৰে ৫জুনত বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। এই বছৰৰ বিশ্ব পৰিৱেশ দিৱসৰ বিষয়বস্তু 'পৰিৱেশতন্ত্ৰৰ পুনৰুদ্ধাৰ'। এই বছৰৰ পৰা ইক'ছিষ্টেম ৰিষ্টোৰেচন ২০২১-২০৩০ৰ ওপৰত ৰাষ্ট্ৰসংঘৰ বিশেষ সজাগতা কাৰ্যসূচীৰ শুভাৰম্ভ হ'ব।

পাকিস্তানে ঘোষণা কৰা মতে, ৰাষ্ট্ৰসংঘৰ পৰিৱেশ কাৰ্যসূচীৰ সহযোগিতাৰে পালন কৰিব বিশ্ব পৰিৱেশ দিৱস। এইবছৰ পৰিৱেশ দিৱসৰ বিষয়বস্তু হ'ব 'পৰিৱেশতন্ত্ৰৰ পুনৰুদ্ধাৰ'। লগতে ৰাষ্ট্ৰসংঘৰ 'ইক'ছিষ্টেম ৰিষ্টোৰেচন ২০২১-২০৩০'কো বিশেষভাৱে গুৰুত্ব আৰোপ কৰা হ'ব।

ৰাষ্ট্ৰসংঘৰ পৰিৱেশ বিভাগৰ মতে পাকিস্তানৰ প্ৰধানমন্ত্ৰীৰ প্ৰতিনিধি হিচাপে জলবায়ু পৰিৱৰ্তন মন্ত্ৰী মালিক আমিনে ৰাষ্ট্ৰসংঘৰ পঞ্চম পৰিৱেশ বিধানসভাৰ সীমাবদ্ধতাক স্বীকাৰ কৰি পৰিৱেশতন্ত্ৰৰ সংৰক্ষণ, সজাগতা আদিৰ ক্ষেত্ৰত আলোচনাৰ বাবে ৰাষ্ট্ৰসংঘৰ কাৰ্যবাহী সঞ্চালক ইংগাৰ এণ্ডাৰছনক সাক্ষাৎ কৰিছে। বিবৃতিটোত ইয়াকো কোৱা হৈছে যে পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰাণ খানৰ নেতৃত্বত বিগত ৫ বছৰত ১০ লাখ গছপুলি ৰোপণেৰে ছুনামি আঁচনিৰ জৰিয়তে এক বৃহৎ বনানীকৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

দেশখনে পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি মেনগ্ৰোভ আৰু অৰণ্য স্থাপন কৰাৰ লগতে বিদ্যালয়, মহাবিদ্যালয়, ৰাজহুৱা উদ্যান আৰু সেউজীয়া বেল্টকে ধৰি নগৰ অঞ্চলত গছ ৰোপণৰ পৰিকল্পনা হাতত লৈছে। পাকিস্তানে পৰিৱেশতন্ত্ৰৰ লগতে জৈৱ বৈচিত্ৰ্য সংৰক্ষণ আৰু বনানীকৰণৰ বাবে পৰিৱেশতন্ত্ৰ পুনৰুদ্ধাৰ বিশেষ পুঁজিও আৱণ্টন দিছে। শেহতীয়াকৈ পাকিস্তানৰ প্ৰধানমন্ত্ৰীয়ে ৭,৩০০বৰ্গ কিল'মিটাৰতকৈও অধিক ভূমি অঞ্চল সংৰক্ষণ আৰু ৫,৫০০তকৈও অধিক বনানীকৰণৰ বাবে সমগ্ৰ দেশত ১৫ টা সুৰক্ষিত অঞ্চল বিকশিত কৰিবলৈ উদ্যোগ হাতত লৈছে।

আনহাতে, মন্ত্ৰী মালিক আমিন আছলামে কোৱা মতে, পাকিস্তান চৰকাৰে ১০ বিলিয়ন গছ ছুনামি আঁচনিৰ জৰিয়তে সমগ্ৰ দেশত ১ নিযুত হেক্টৰতকৈও অধিক ভূমিত বনানীকৰণৰ মাধ্যমেৰে জলবায়ু পৰিৱৰ্তনৰ সমস্যা সমাধানত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। তেওঁ লগতে কয় যে এই বছৰৰ বিশ্ব পৰিৱেশ দিৱসৰ জৰিয়তে বিশ্বজুৰি পৰিৱেশতন্ত্ৰৰ পুনৰুদ্ধাৰ প্ৰচেষ্টাৰ বাবে তেওঁলোকে সমৰ্থন আগবঢ়াইছে।

সমান্তৰালকৈ ৰাষ্ট্ৰসংঘৰ পৰিৱেশ কাৰ্যসূচীৰ কাৰ্যবাহী সঞ্চালক ইংগাৰ এণ্ডাৰছনে কয় যে ২০২০চনতো মহামাৰীৰ লগতে প্ৰকৃতিৰ ওপৰতো বহু পৰিমাণে সংকট আহিছিল। সেয়ে ২০২১ চনত এই সংকটৰ পৰা পৰিত্ৰাণ পাবলৈ সকলোৱে পদক্ষেপ গ্ৰহণ কৰিব লাগিব। মানুহ জীয়াই থাকিবলৈ প্ৰকৃতি সংৰক্ষণৰ অতি প্ৰয়োজন বুলি তেওঁ উল্লেখ কৰি পাকিস্তানে লোৱা পদক্ষেপক প্ৰশংসা কৰে।

উল্লেখ্য যে বিশ্বৰ মুঠ জনসংখ্যাৰ প্ৰায় ৪০শতাংশ লোকে পৰিৱেশ প্ৰদূষণৰ ফলত বিভিন্ন ধৰণৰ সমস্যাৰ সন্মুখীন হৈছে। সেইবোৰৰ ভিতৰত খোৱাপানীৰ অভাৱ, মাটিৰ উৰ্বৰতা হ্ৰাস আদি প্ৰধান। বিজ্ঞানীসকলে ধাৰণা কৰা মতে যদিহে এই হাৰত পৰিৱেশ প্ৰদূষণ হৈ থাকে তেনেহ'লে বিশ্বত এক চৰম পৰ্যায়ৰ সন্মুখীন হ'ব লাগিব সমগ্ৰ মানৱ জাতি। সেয়েহে ৰাইজৰ সজাগতাৰ বাবে ৰাষ্ট্ৰসংঘৰ পৰিৱেশ বিভাগে বিশেষ ব্যৱস্থা গ্ৰহণ কৰি আহিছে।

*ফোন ঃ ৮৬৩৮২৪১০৮৯*



# ৫ জুন

■ বীণা হাজৰিকা

আজি বিশ্ব পৰিৱেশ দিৱস। প্ৰতিবছৰে ৫জুনৰ দিনা সমগ্ৰ বিশ্বব্যাপি এই দিৱস পালন কৰা হয়। এই দিনটোতেই ৰাষ্ট্ৰসংঘৰ পৃষ্ঠপোষকতাত ছুইডেনৰ ৰাজধানী ষ্টকহ'মত 'মানৱিক পৰিৱেশ কনফাৰেন্স (United Conference on the Human Environment) আৰম্ভ হৈছিল। এই কনফাৰেন্স ১৯৭২ চনৰ ৫ জুনৰ পৰা ১৬ জুনলৈ হৈছিল। তেতিয়াৰ পৰাই প্ৰতিবছৰে এই দিৱসটি বিশ্ব পৰিৱেশ দিৱস হিচাপে পালন কৰি অহা হৈছে।

সকলোৱে জানে যে আমাৰ চৌদিশে পৰিবেষ্টিত হৈ থকা জীৱ আৰু জড় সকলো বস্তুৰ সমষ্টিয়েই হৈছে পৰিৱেশ। প্ৰকৃতি আৰু পৰিৱেশৰ লগত জীৱ জগতৰ সকলো প্ৰাণীৰ ওতঃপ্ৰোত সম্বন্ধ। জীৱজগতৰ সকলো প্ৰাণী প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল। গতিকে পৰিৱেশ বিনষ্ট হোৱা মানে মানুহৰ লগতে জীৱজগতৰ সকলো জীৱকূলৰে অনিষ্ট সাধন হোৱা।

বিশ্ব পৰিৱেশ দিৱসৰ মূল উদ্দেশ্য হৈছে পৰিৱেশৰ প্ৰতি জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰা, যাতে সকলো মানুহে পৰিৱেশ সংৰক্ষণ কৰি পৃথিৱীক সুস্থিৰ কৰি ৰাখে।

আমাৰ এই বিনন্দীয়া পৃথিৱীখনত ক্ৰমে প্ৰবলতৰ হৈ উঠা বিভিন্ন পৰিৱেশজনিত সমস্যা, গোলকীয় উষ্ণতা বৃদ্ধি আদি সমস্যাবোৰ সমাধানৰ উদ্দেশ্যে, সমাজৰ প্ৰতিজন লোকেই যে তেওঁৰ পৰিৱেশ সংৰক্ষণ কৰাতো দায়বদ্ধ আৰু এই কামৰ বাবে কোনো বিশেষ ব্যক্তি বা অনুষ্ঠানৰ মুখলৈ আমি চাই থকা উচিত নহয়। সেই ধৰণৰ সজাগতা সমগ্ৰ বিশ্বৰ সাধাৰণ মানুহৰ মাজলৈ লৈ যোৱাৰ উদ্দেশ্যে প্ৰতিবছৰে এটা বিষয় আৰু শ্ল'গান সমগ্ৰ বিশ্বতে প্ৰচাৰৰ আঁচনি কৰা হয়। কাৰ্বন মুক্ত পৰিৱেশ আহৰণত সফলতা লাভৰ বাবে বনানীকৰণ, সেউজগৃহৰ পাৰ্শ্বক্ৰিয়া,সৌৰশক্তিৰ পৰা শক্তি উৎপাদন, নতুন জলনিষ্কাশণ ব্যৱস্থাৰ বিকাশ আদি বিষয়বোৰৰ প্ৰতি মানুহক সজাগতা কৰাৰ লক্ষ্যৰে এই দিৱস উদ্‌যাপন কৰা হয়।

আমাক দূষিত পৰিৱেশৰ পৰা ৰক্ষা কৰে সেউজীয়া গছ-গছনিবোৰে। এজোপা পূৰ্ণাংগ গছে প্ৰতিবছৰে প্ৰায় ২৪ লাখ টকা মূল্যৰ অক্সিজেন প্ৰদান কৰে বুলি কোৱা হয়। ইয়াৰ লগতে ০.৫৩ টন কাৰ্বন-ডাই-অক্সাইড আৰু ১.৯৫ কিলোগ্ৰাম আন প্ৰদূষক গছৰ ডালে গ্ৰহণ কৰে।

গছ আৰু মানুহৰ জীৱন পৰস্পৰ পৰিপূৰক। এই কথা আজিৰ যুগত নজনা মানুহ নাই। তথাপিও আমি নিজৰ কুঠাৰ নিজৰ ভৰিতেই মাৰি সংকটৰ দিশলৈ আগবাঢ়ি গৈ আছোঁ। আহক আমি সজাগ হওঁ। আমি প্ৰত্যেকেই হৃদয়েৰে উপলব্ধি কৰো আৰু পিছৰ প্ৰজন্মৰ কাৰণে আমি এখন সেউজীয়া পৃথিৱী উপহাৰ দি যাওঁ।

'গছ থাকিলেহে মানুহ থাকিব'
'এখন বিশ্ব,এটা পৰিৱেশ'
'গছ আমাৰ পৰম বন্ধু'

(অকল গছপুলি ৰোপণ কৰিলেই নহ'ব, প্ৰতিটো গছপুলিক নিজ সন্তানৰ দৰে লালন-পালন কৰি ডাঙৰ কৰিলেহে সেউজ বনানীকৰণৰ উদ্দেশ্যে সাৰ্থক হ'ব।)

*ফোন ঃ ৭৬৬৪৮৩৮৮৭৮*



মঙলদৈত ক'ভিড ভেকচিন গ্ৰহণ এগৰাকী বয়োজ্যেষ্ঠ মহিলাৰ, শুকুৰবাৰে

# নুমলীগড় শোধনাগাৰৰ মাৰ্কেটিং কমপ্লেক্সত ছিণ্ডিকেটৰাজ

## তেল পৰিবাহী টেংকাৰৰ পৰা প্ৰতিমাহে অবৈধভাৱে ৫ লক্ষাধিক ধন সংগ্ৰহৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাখাত, ৪ জুন ঃ** অসম চুক্তিৰ আধাৰত স্থাপিত নুমলীগড় তেল শোধনাগাৰৰ মাৰ্কেটিং কমপ্লেক্সত এটা সংগঠনে ছিণ্ডিকেটৰাজ চলোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে শোধনাগাৰটোৰ চালক আৰু সহায়ক সংস্থাই। উত্থাপিত অভিযোগ অনুসৰি এনআৰএল পেট্ৰ'লিয়াম মজদুৰ ইউনিয়ন নামৰ সংগঠনটোৱে পেট্ৰ'লিয়ামজাত সামগ্ৰী পৰিবাহী টেংকাৰৰ পৰা অবৈধভাৱে বৃহৎ পৰিমাণৰ অৰ্থ সংগ্ৰহ কৰি আহিছে। আজি গোলাঘাট জিলা চালক সংস্থাৰ অধীনস্থ নুমলীগড় ৰিফাইনেৰী পেট্ৰ'লিয়াম ড্ৰাইভাৰ এণ্ড হেল্পাৰ ইউনিয়ন নামৰ সংগঠনটোৰ তৰফৰ পৰা বোকাখাতত এক সংবাদমেলৰ আয়োজন কৰে। বোকাখাতত থকা সংগঠনটোৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত সংবাদমেলখনত গোলাঘাট জিলা ড্ৰাইভাৰ সন্থাৰ সম্পাদক বিজয় সিংহই সদৰী কৰা মতে, এনআৰএল পেট্ৰ'লিয়াম মজদুৰ ইউনিয়ন নামৰ সংগঠনটোৰ নামত শোধনাগাৰত 'ল'ড' হোৱা প্ৰতিখন টেংকাৰৰ পৰা প্ৰতিদিনে সংগ্ৰহ কৰে ৩০ টকাকৈ । উক্ত সংগঠনটোৰ জনৈক শচীন সিং নামৰ চালক এজনৰ নাম উল্লেখ কৰি সম্পাদকজনে অভিযোগ কৰে যে তেওঁ কেইজনমান উদণ্ড যুৱকক লৈ গঠন কৰিছে সংগঠনটো আৰু তেওঁৰ নেতৃত্বতেই চলি আছে উক্ত অবৈধ ধন সংগ্ৰহ কাৰ্য। প্ৰথম অৱস্থাত বলীন গগৈ নামৰ ব্যক্তিগৰাকীক সভাপতি হিচাপে লৈ সংগঠনটো গঠন কৰা হৈছিল যদিও একাংশ সদস্যই টেংকাৰ চালকৰ পৰা ধন সংগ্ৰহ কৰাৰ বাবে সংগঠনৰ পৰা বলীন গগৈয়ে পদত্যাগ কৰে। তেতিয়াই কেন্দ্ৰীয় সমিতিয়ে নুমলীগড় তেল শোধনাগাৰৰ সমিতিখন ভংগ কৰি দিয়ে। কিন্তু তাৰ পিছতো শচীন সিং নামৰ লোকজনৰ নেতৃত্বত প্ৰতিখন টেংকাৰৰ পৰা ৩০ টকাকৈ সংগ্ৰহ কৰা কাৰ্য চলিয়েই আছে। সংবাদমেলখনত সদৰী কৰা অনুসৰি নুমলীগড় শোধনাগাৰৰ মাৰ্কেটিং কমপ্লেক্সত প্ৰতিদিনে ল'ডিং হয় প্ৰায় ৬০০ খন টেংকাৰ । সেই অনুসৰি, প্ৰতিদিনে টেংকাৰসমূহৰ পৰা সংগ্ৰহ কৰা হয় ১৮ হাজাৰকৈ টকা । সেই হিচাপে প্ৰতি মাহে ৫ লাখ ৪০ হাজাৰ টকা সংগ্ৰহ হয় । কোনো বৈধ ছীল-মোহৰ নথকা ৰিচিপ্টৰ জড়িয়তে তেনেদৰে ধন সংগ্ৰহ কৰাৰ বাবে গোলাঘাট জিলা চালক, সহ-চালক সন্থাই যোৱা ৪ মাৰ্চত শচীন সিং আৰু নুমলীগড় তেলশোধনাগাৰ পেট্ৰ'লিয়াম মজদুৰ ইউনিয়নৰ বিৰুদ্ধে গোলাঘাট সদৰ থানাত এজাহাৰো দাখিল কৰে। গোলাঘাট সদৰ থানাই নুমলীগড় আৰক্ষী চকীক বিষয়টো তদন্তৰ দ্বায়িত্ব দিয়ে যদিও আজি পৰ্যন্ত বিষয়টোৰ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত কৰা নাই বুলিও সম্পাদকজনে অভিযোগ কৰে। ইফালে, এজাহাৰ দিয়াৰ পাছতো ভাবুকি প্ৰদানেৰে আজিও ধন সংগ্ৰহ অব্যাহত ৰাখিছে শচীন সিঙৰ নেতৃত্বত থকা সংগঠনটোৱে। আনহাতে যদিহে টেংকাৰবোৰে প্ৰতিদিনে ৩০টকাকৈ দিবলৈ অস্বীকাৰ কৰে, তেতিয়া টেংকাৰ ল'ড কৰাত বাধা প্ৰদান কৰে বুলিও গুৰুতৰ অভিযোগ কৰে একাংশ চালকে। আজিৰ সংবাদমেলখনত গোলাঘাট জিলা ড্ৰাইভাৰ সন্থাৰ সম্পাদক বিজয় সিংহ, নুমলীগড় ৰিফাইনেৰী পেট্ৰ'লিয়াম ড্ৰাইভাৰ এণ্ড হেল্পাৰ ইউনিয়নৰ সভাপতি ইনাও সিংহ আৰু অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে।

# মোৰাঝাৰত আৰক্ষীৰ অভিযানত হস্তনিৰ্মিত বন্দুক উদ্ধাৰ, এজনক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ৪ জুন ঃ** আজি পুৱতি নিশা হোজাই জিলাৰ মোৰাঝাৰ থানাৰ অন্তৰ্গত মধ্যম চামৰালি গাঁৱৰ এজন লোকৰ ঘৰত হোজাই আৰক্ষীয়ে তালাচী চলাই এটা হস্তনিৰ্মিত বন্দুক উদ্ধাৰ কৰাৰ লগতে এজন লোকক আটক কৰিবলৈ সক্ষম হয়। মোৰাঝাৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া জ্যোতিকমল বণিয়াই জানিবলৈ দিয়া মতে, এক গোপন সূত্ৰৰ খবৰৰ ভিত্তিত আজি পুৱতিনিশা মধ্যম চামৰালি গাঁৱৰ আব্দুল লতিফৰ ঘৰত তালাচী অভিযান চলাই এটা হস্তনিৰ্মিত ৰাইফল বন্দুক, তিনি জাঁই সজীৱ গুলী আৰু এটা খালী কাৰ্টিজ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে অবৈধভাৱে অস্ত্ৰ ৰখাৰ অপৰাধত আব্দুল লতিফক গ্ৰেপ্তাৰ কৰি তদন্ত অব্যাহত ৰাখিছে। ইফালে লোকজনক গ্ৰেপ্তাৰ কৰাৰ পিছতেই চৌধুৰী বজাৰ অঞ্চলৰ একাংশ ৰাইজ সৰৱ হৈ পৰে। আটক হোৱা লোকজন ষড়যন্ত্ৰৰ বলি হোৱা বুলি দাবী কৰে ৰাইজে। স্থানীয় ৰাইজৰ অভিযোগ মতে, আব্দুল লতিফ আৰু স্থানীয় বৰকত উল্লাহ আৰু তেওঁৰ পুত্ৰ গিয়াছ উদ্দিন, নাছিৰ উদ্দিন, শ্বাহাজ উদ্দিনৰ সৈতে এডোখৰ ভূমিক কেন্দ্ৰ কৰি কাজিয়া চলি আছে । আব্দুল লতিফ আৰু বৰকত উল্লাহ দুয়ো সম্পৰ্কীয় ভাই-ককাই। সেই কাজিয়াৰ পোটক তুলিবলৈ ৰহমত উল্লাহ আৰু তেওঁৰ পুত্ৰসকলে মিলি ষড়যন্ত্ৰমূলকভাৱে আব্দুল লতিফৰ মুৰ্গীৰ গঁড়ালত মাৰণাস্ত্ৰটো ৰাখি আৰক্ষীক খবৰ দি লোকজনক গ্ৰেপ্তাৰ কৰোৱায়। এই সন্দৰ্ভত আৰক্ষীৰ হাতত ধৃত আব্দুল লতিফৰ পত্নী নুৰ জাহান বেগমে মোৰাঝাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক এখন লিখিত অভিযোগ দিছে। মহিলাগৰাকীয়ে কৰা অভিযোগ মতে, যিখন গামোচাৰে মাৰণাস্ত্ৰটো বান্ধি ৰখা হৈছিল, সেই গামোচাখন বৰকত উল্লাহৰ। গামোচাখন আৰক্ষীয়ে জব্দ কৰা নাই বুলি অভিযোগ কৰে। সমগ্ৰ ঘটনাটো আৰক্ষীয়ে তদন্ত চলাই আছে। কোন সঁচা, কোন মিছা, আৰক্ষীৰ তদন্ততহে সকলো কথা পোহৰলৈ আহিব।

# অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে পুনৰ সষ্টম হৈছে তামুলপুৰ আৰক্ষী

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ৪ জুন ঃ** সমগ্ৰ ৰাজ্যজুৰি অসম আৰক্ষীয়ে ড্ৰাগছ আৰু অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে অভিযান অব্যাহত ৰখাৰ সমান্তৰালভাৱে বাক্সা জিলাৰ তামুলপুৰ মহকুমাৰ আৰক্ষী প্ৰশাসনেও ড্ৰাগছ, জুৱা আৰু অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তুলিছে। এক গোপন সূত্ৰৰ পম খেদি আজি তামুলপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দ্বীপেন কলিতা আৰু আৰক্ষী উপ পৰিদৰ্শক নিপন গগৈৰ নেতৃত্বত আৰক্ষীৰ এটা দলে বৰবিলা গাঁৱত অভিযান চলাই পাগলদিয়া নদীৰ বুকুত জুৱা খেলি থকা অৱস্থাৰ পৰা খেদি খেদি এটা জুৱাৰীক আটক কৰিবলৈ সক্ষম হয় যদিও কে'বাটাও জুৱাৰী পলাই সাৰিবলৈ সক্ষম হয়। ধৃত জুৱাৰীটো হ'ল ফজিদ আলী(৪২)। তেওঁৰ ঘৰ ঘগ্ৰাপাৰ আৰক্ষী থানাৰ অন্তৰ্গত অৰোৱা গাঁৱত । আৰক্ষীয়ে তেওঁৰ জিম্মাৰ পৰা এখন জুৱাৰ ডাইচমেটসহ পাঁচটা ডাইচৰ গুটি আৰু দুখন মটৰ চাইকেলো জব্দ কৰে। ফজিদৰ বিৰুদ্ধে তামুলপুৰ আৰক্ষী থানাত এটি গোচৰ ৰুজু কৰি বাক্সা জিলাৰ সদৰ মুছলপুৰৰ আদালতলৈ প্ৰেৰণ কৰা হয়। ইপিনে ২ জুন বুধবাৰে দিনৰ ভাগত তামুলপুৰ মহকুমা সদৰৰ গোৰেশ্বৰ চ'কত চলি থকা এখন বৃহৎ জুৱা খেল উৎখাত কৰাৰ লগতে চাৰিটা জুৱাৰীকো আটক কৰে। আটকাধীন জুৱাৰীকেইটা হ'ল বিজয় বড়ো, ধনেশ্বৰ বড়ো, জ্যোতিষ লাহিড়ী আৰু পৰমেশ্বৰ বড়ো। আৰক্ষীয়ে তেওঁলোকৰ জিম্মাৰ পৰা ৩১,০০০ হাজাৰতকৈও অধিক নগদ ধন উদ্ধাৰ কৰে। জুৱাৰ আড্ডাত উপস্থিত থকা আনবোৰ জুৱাৰীয়ে আৰক্ষীৰ উপস্থিতিৰ উমান পাই পলাই সাৰে বুলি জনা গৈছে । ইপিনে দৰঙ্গা মেলা আৰক্ষীয়ে ড্ৰাগছ সৰবৰাহৰ লগত জড়িত থকাৰ অভিযোগত ফাইজল খান নামৰ এগৰাকী আঠাইছ বছৰীয়া লোকক বৃহস্পতিবাৰে এন কে দৰঙ্গাৰ পৰা আটক কৰে। ফাৰ্মাচী ব্যৱসায়ৰ সতে জড়িত লোকজন বৃহৎ ড্ৰাগছ সৰবৰাহৰ লগত জড়িত আৰু বহুদিন ধৰি তেওঁ অঞ্চলটোৰ বিভিন্ন ফাৰ্মাচী আদিত অবৈধভাৱে নিচাজাতীয় টেবলেট, চিৰিঞ্জ আদি যোগান ধৰি আহিছিল। আৰক্ষীয়ে আজি তেওঁৰ বিৰুদ্ধে এক গোচৰ ৰুজু কৰি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে।



# পশ্চিম গুৱাহাটী মাটাইখাৰত ক'ভিডৰ সজাগতা অভিযান

## বিনামূলীয়া চিকিৎসা শিবিৰ স্থাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ৪ জুন ঃ** ৰাজ্যৰ আন বহু গ্ৰামাঞ্চলৰ দৰে পশ্চিম গুৱাহাটীৰ অসম-মেঘালয় সীমান্তৰ মাটাইখাৰ অঞ্চলত ক'ভিড-১৯ মহামাৰীয়ে গণ সংক্ৰমণৰ ৰূপ ধাৰণ কৰাৰ উপক্ৰম হৈছে। সেয়েহে আজি পশ্চিম গুৱাহাটী সমষ্টিৰ মাটাইখাৰত যোগ গুৰুকূল, অসম আৰু বি বি ক্ৰিয়েচনৰ সৌজন্যত ক'ভিড-১৯ৰ সজাগতা শিবিৰ আৰু বিনামূলীয়া চিকিৎসা সেৱা প্ৰদান কৰা হয়। উক্ত সজাগতা শিবিৰৰ শুভ উদ্বোধন কৰে পশ্চিম গুৱাহাটীৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই। অনুষ্ঠানত বিশিষ্ট কৌতুক অভিনেতা অতুল পাচনি উপস্থিত থকাৰ লগতে যোগ গুৰুকূল, অসমৰ উপাচাৰ্য তথা সচিব ডাঃ হিমাংশু বুজৰবৰুৱাই ক'ভিড-১৯ৰ বিৰুদ্ধে কেনেকৈ যুঁজিব লাগে তাৰ সন্দৰ্ভত সজাগতামূলক বক্তব্য প্ৰদান কৰাৰ লগতে ৫০জন ব্যক্তিক বিনামূলীয়াকৈ চিকিৎসা সেৱা প্ৰদান কৰি ঔষধ বিতৰণ কৰে। উক্ত অনুষ্ঠানত সহযোগিতা আগবঢ়ায় ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ, দক্ষিণ কামৰূপ জিলাৰ প্ৰচাৰপ্ৰমূখ বিকাশ দাস আৰু যোগ শিক্ষক মৃত্যুঞ্জয় ৰজকে। শেষত যোগ গুৰুকূল, অসমৰ সাধাৰণ সম্পাদক দিলীপ গোস্বামীয়ে শান্তিমন্ত্ৰ দি শিবিৰ ভংগ কৰে। আনহাতে বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই উত্তৰ ভোলাগাঁও গাঁও পঞ্চায়তৰ অন্তৰ্গত গড়গৰা আৰু হীৰাপাৰাত কণ্টেইনমেণ্ট জ'ন হিচাপে থকা অঞ্চলটোৰ লোকসকলৰ সৈতে মিলিত হৈ পৰিস্থিতিৰ সন্দৰ্ভত বুজ লয়। পৰিদৰ্শনৰ সময়ত বিধায়কগৰাকীক সৈতে সংগ দিয়ে অগপ নেতা সুভাষ শৰ্মা, বিজেপি নেতা প্ৰশান্ত মহন্ত, অগপৰ ৰবীন দৈমাৰী, ৰুবুল বৈশ্য আদি বহুকেইজন অগপ-বিজেপি নেতাই।

## কৰ্ণাটকৰ ব্যৱসায়ীৰ মহানুভৱতা

# নগাঁওবাসীলৈ আগবঢ়ালে ২৪ লক্ষাধিক টকা মূল্যৰ ১৫টা অক্সিজেন কনচেনট্ৰেটৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৪ জুন ঃ** সাম্প্ৰতিক সময়ত ক'ভিড আক্ৰান্ত ৰোগীসকলে অক্সিজেনৰ অভাৱৰ বাবে বহুক্ষেত্ৰত কৰুণভাৱে মৃত্যুক সাৱটি ল'ব লগা হৈছে। বিশেষকৈ গ্ৰামাঞ্চলত ক'ভিড আক্ৰান্ত ৰোগীসকলে অক্সিজেনৰ অভাৱত যথেষ্ট সমস্যাৰ সন্মুখীন হৈছে। তেনে সময়তে বেংগালুৰুৰ এগৰাকী ব্যৱসায়ী আগবাঢ়ি আহিছে নগাঁৱৰ গ্ৰামাঞ্চলৰ ৰাইজক সহায় আগবঢ়াবলৈ। ইতিমধ্যে তেওঁ নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাৰ হাতত অৰ্পণ কৰিছে ১৫টাকৈ অক্সিজেন কনচেনট্ৰেটৰ মেচিন। এই মেচিনে ক'ভিড ৰোগীক অক্সিজেন গ্ৰহণত সহায় কৰিব। ভাৰতীয় বজাৰত এটা অক্সিজেন কনচেনট্ৰেটৰৰ মূল্য প্ৰায় ১লাখ ৬৫হাজাৰ টকা। এনেকুৱা১৫টা মেচিন বিনামূলীয়াকৈ নগাঁওবাসীলৈ আগবঢ়াইছে বেংগালুৰুৰ 'আশীৰ্বাদ পাইপছ প্ৰাইভেট লিমিটেডৰ' মুখ্য প্ৰবন্ধক দীপক মালহোট্ৰাই। আজি নগাঁৱৰ বিশিষ্ট ব্যৱসায়ী তথা সমাজসেৱক ছৈয়দ খানে বিধায়ক ৰূপক শৰ্মাক আনুষ্ঠানিকভাৱে এই মেচিনকেইটা প্ৰদান কৰে। বিধায়ক ৰূপক শৰ্মাই এই অক্সিজেন কনচেনট্ৰেটৰ নগাঁও সদৰ সমষ্টিৰ অন্তৰ্গত পঞ্চায়তসমূহত বিতৰণ কৰা হ'ব বুলি সংবাদ মাধ্যমক অৱগত কৰায়। বিধায়কগৰাকীয়ে এই কাৰ্যৰ বাবে ব্যৱসায়ীগৰাকীক কৃতজ্ঞতা জনোৱাৰ লগতে এতিয়াৰে পৰা নগাঁৱৰ ৰাইজে সম্পূৰ্ণ বিনামূলীয়াভাৱে এই সেৱা লাভ কৰিব বুলিও জনায়।



# জকাই বনকুমাৰ গাঁৱৰ একে পৰিয়ালৰে পিতা-পুত্ৰৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ৪জুন ঃ** ডিব্ৰুগড় জিলাৰ বৰবৰুৱা উন্নয়ন খণ্ডৰ কোটোহা গাঁও পঞ্চায়তৰ অন্তৰ্গত জকাই বনকুমাৰ গাঁৱৰ পিতা-পুত্ৰৰ মৃত্যুত শোক ছাঁ পৰিছে। উল্লেখ্য যে যোৱা ৩জুনত জকাই বনকুমাৰ গাঁৱৰ সৰবৰহী উদ্যোগী যুৱক তথা লেকাই কে চি জাতীয় বিদ্যালয়ৰ ছাত্ৰী ঋতুৰ্পণা ভৰালীৰ পিতৃ পোনাকণ ভৰালীৰ(৪৭) ক'ভিড-১৯ত আক্ৰান্ত হৈ অসম চিকিৎসা মহাবিদ্যালয়ত মৃত্যু ঘটে। উক্ত পোনাকণ ভৰালীৰ মৃত্যুৰ এদিনৰ পিছতেই আজি তেওঁৰ পিতৃ মালভোগ ভৰালীৰো (৮৭) পুৱা ৭বজাত পৰলোকপ্ৰাপ্তি ঘটে। জকাই বনকুমাৰ গাঁৱৰ একেটা পৰিয়ালৰ পিতা-পুত্ৰৰ মৃত্যুত সমগ্ৰ কোটোহা অঞ্চলতে শোক ছাঁ পৰিছে। জকাই বনকুমাৰ গাঁৱৰ একেটা পৰিয়ালৰ পিতা-পুত্ৰৰ বিয়োগত মানকটা কে চি জাতীয় বিদ্যালয়ৰ অধ্যক্ষ সমীৰণ কুমাৰ দাস, উপাধ্যক্ষা বৰ্ণালী বৰুৱাই গভীৰ শোকপ্ৰকাশ কৰি আজি উক্ত বিদ্যালয়ৰ প্ৰাংগণত ক'ভিড বিধি আৰু সামাজিক দূৰত্ব বৰ্তাই ৰাখি মৌন প্ৰাৰ্থনা জনাই পৰিয়ালৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে। আনহাতে জকাই শাখা সাহিত্য সভাৰ সম্পাদক বদন দাস, 'জকাই প্ৰভাৰ গোষ্ঠী', জকাই বনকুমাৰ গাঁও নামঘৰ পৰিচালনা সমিতি আৰু ডিব্ৰুগড় জিলাৰ কুমাৰ সন্মিলন, কুমাৰ যুৱ ছাত্ৰ পৰিষদে গভীৰ শোক প্ৰকাশ কৰে।

# শিমলুগুৰি ৰে'ল জংচনত কৰ্মৰত স্বাস্থ্যকৰ্মীক দুৰ্ব্যৱহাৰৰ অভিযোগত আটক ৰে'ল বিষয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাঁহচৰা, ৪ জুনঃ** ৰাজ্যত চিকিৎসক-নাৰ্ছক প্ৰহাৰ কৰা ঘটনাৰ চাঞ্চল্য মাৰ নৌযাওতেই আজি শিৱসাগৰৰ শিমলুগুৰি ৰে'ল জংচনত ৰে'ল যাত্ৰীসকলৰ স্বাৱ সংগ্ৰহত কৰ্মৰত এগৰাকী মহিলা কৰ্মচাৰীক দুৰ্ব্যৱহাৰ কৰি আৰক্ষীৰ হাতত আটক হ'বলগীয়া হ'ল এজন ৰে'ল বিভাগৰ বিষয়া। ৰে'ল বিভাগৰ ডিব্ৰুগড় বাণীপুৰৰ টিটিআই ৰূপে কৰ্মৰত তথা আমগুৰি নিবাসী সোণাৰাম গগৈয়ে শিমলুগুৰি জংচনত ৰে'লেৰে আহি উপস্থিত হয়। যিহেতু ৰে'লত যাত্ৰা কৰা প্ৰতিজন যাত্ৰীয়ে ৰে'ল জংচনত নামি স্বাস্থ্য বিভাগৰ অস্থায়ী পৰীক্ষা শিবিৰত ক'ভিডৰ পৰীক্ষা কৰিব লাগে, তেনে অৱস্থাত ৰে'ল বিভাগৰ বিষয়া গগৈয়ে ৰে'লেৰে যাত্ৰা কৰাৰ অন্তত স্বাৱ পৰীক্ষা কৰিবলৈ অমান্তি হৈ কৰ্তব্যৰত এগৰাকী মহিলা স্বাস্থ্যকৰ্মীৰ লগতে আন একাংশ পুৰুষ স্বাস্থ্যকৰ্মীকো দুৰ্ব্যৱহাৰ কৰে। এই সন্দৰ্ভত স্বাস্থ্যকৰ্মীসকলে বিভাগীয় কৰ্তৃপক্ষক খবৰ দিয়াৰ লগতে শিমলুগুৰি আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত উপস্থিত হয় নাজিৰা মহকুমাৰ স্বাস্থ্য বিষয়া, চক্ৰ বিষয়া, মহকুমা আৰক্ষী বিষয়া আৰু শিমলুগুৰি আৰক্ষীৰ এটা দল। পৰৱৰ্তী সময়ত ৰে'ল আৰক্ষীয়ে সোণাৰাম গগৈ নামৰ ৰে'ল বিভাগৰ টিটিআইজনক আটক কৰে।

### টুপামাৰী-ৰাংগাপানীত তীব্ৰ চাঞ্চল্য

# অঞ্চলবাসীয়ে নিচাজাতীয় দ্ৰব্যসহ এগৰাকী যুৱকক আটক কৰি গতালে আৰক্ষীক

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ৪ জুনঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ নগৰবেৰা আৰু ইয়াৰ পাৰ্শ্ববৰ্তী অঞ্চলত দীৰ্ঘদিন চলি থকা মদ আৰু ড্ৰাগছৰ প্ৰচলন হৈ থকাৰ সময়তে আজি এগৰাকী যুৱক অবৈধ কফছিৰাপসহ আটক হোৱাৰ ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, ২নং পলাহৰটাৰী গাঁৱৰ মকতেল আলী (মাষ্টৰ)ৰ পুত্ৰ মহিদুল ইছলাম (২৫)নামৰ যুৱকজনে পালছাৰ বাইকেৰে উত্তৰ ৰাংগাপানী হৈ সোণতলী অভিমুখে হৈ থকা অৱস্থাত টুপামাৰী আৰক্ষী চকীৰ টহলদাৰী আৰক্ষীয়ে যুৱকজনক বাইকখন ৰখাবলৈ কয় যদিও আৰক্ষীৰ নিৰ্দেশ নামানি যুৱকজনে তীব্ৰ গতিত বাইক চলাই তাৰ পৰা পলাবলৈ চেষ্টা কৰে। অৱশেষত উত্তৰ ৰাংগাপানীৰ একাংশ ৰাইজে যুৱকজনক আটক কৰি পিছত তেওঁৰ পৰা উদ্ধাৰ হোৱা ১১টা অবৈধ কফছিৰাপৰ বটলসহ টুপামাৰী আৰক্ষীক গতাই দিয়ে। বৃহত্তৰ নগৰবেৰা - টুপামাৰী অঞ্চলৰ সচেতন নাগৰিকৰ লগতে বিভিন্ন দল-সংগঠনে শীঘ্ৰে নিষিদ্ধ ড্ৰাগছবিৰোধী অভিযান তীব্ৰতৰ কৰি তুলিবলৈ চৰকাৰ তথা আৰক্ষী প্ৰশাসনক দাবী জনাইছে।

# সোণাৰিৰ নামতোলাত ব্ৰাউন ছুগাৰসহ আটক ২

**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণাৰি, ৪জুন ঃ** চৰাইদেউ জিলাৰ অসম-নগালেণ্ড সীমান্তৰ নামতোলা অঞ্চলটো অসামাজিক কাৰ্যকলাপৰ ঘাটিলৈ পৰিণত হৈছে নেকি? এই কথা এতিয়া সমগ্ৰ চৰাইদেউ জিলাতে চৰ্চাৰ বিষয় হৈ পৰিছে। নিচাজাতীয় দ্ৰব্য বিশেষকৈ ভাং-ড্ৰাগছ সৰবৰাহৰ ঘাটিলৈ পৰিণত হৈছে নেকি নামতোলা। এই কথাই এতিয়া বিশেষভাৱে চৰ্চিত হৈছে সচেতন মহলত। কিয়নো অসামাজিক কাৰ্যকলাপৰ লগতে নিচাজাতীয় দ্ৰব্য সৰবৰাহকাৰীৰ বিৰুদ্ধে অভিযান চলাই বিগত কেইটামান দিনত বহু লোকক আটক কৰিবলৈ সক্ষম হৈছে চৰাইদেউ আৰক্ষী। তাৎপৰ্যপূৰ্ণ কথা যে নামতোলা আৰক্ষী থানাৰ মাত্ৰ এশ মিটাৰ পৰিধিৰ ভিতৰতে দীৰ্ঘদিন ধৰি অসামাজিক কাৰ্যকলাপ চলি থকা বুলি বিভিন্নজনে অভিযোগ উত্থাপন কৰি আহিছে যদিও এই অসামাজিক কাৰ্যকলাপৰ ঘাটি উচ্ছেদ কৰিবলৈ সক্ষম হোৱা নাই আৰক্ষী। আজি নামতোলা আৰক্ষীয়ে চলোৱা নিয়মীয়া তালাচীৰ সময়ত পুনৰ দুই অৰুণাচলী ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰাৰ ঘটনাই প্ৰমাণ কৰিছে এই কথা। জানিব পৰা মতে, অৰুণাচল প্ৰদেশৰ কানুবাৰীৰ পৰা ড্ৰাগছ ক্ৰয় কৰাৰ উদ্দেশ্যে নামতোলালৈ আহিছিল দুই যুৱক। নগালেণ্ড সীমান্তৰ নামতোলা অঞ্চলত থকা এখন বিশেষ দোকানৰ পৰা যথেষ্ট পৰিমাণৰ ব্ৰাউন ছুগাৰ ক্ৰয় কৰি উভতাৰ পথত নামতোলা আৰক্ষীৰ জালত পৰে অৰুণাচলী লোক দুজন। আৰক্ষীয়ে অৰুণাচলী লোক দুজনৰ পৰা যথেষ্ট পৰিমাণৰ ব্ৰাউন ছুগাৰৰ লগতে সৰবৰাহ কাৰ্যত ব্যৱহৃত AS 06 U 6491 নম্বৰৰ হিৰ' স্কুটী জব্দ কৰি দুয়োজন লোকৰ বিৰুদ্ধে নামতোলা আৰক্ষী থানাত এটা গোচৰ ৰুজু কৰিছে। আনহাতে আটকাধীন ব্যক্তি দুজনৰ নাম ওৱাংগে ওৱাংজেন আৰু পিংছাই তিংগখাত্ৰা বুলি জানিবলৈ দিছে আৰক্ষীয়ে। উল্লেখ্য যে নামতোলা অঞ্চলত অবৈধ নিষিদ্ধ নিচাজাতীয় দ্ৰব্যৰ এখন ৰমৰমীয়া বজাৰ অব্যাহত থকা বুলি বিভিন্ন সময়ত বিভিন্ন দল-সংগঠনৰ লগতে স্থানীয় সচেতন লোকে দীৰ্ঘদিন ধৰি অভিযোগ উত্থাপন কৰি আহিছে যদিও আজিলৈকে সেই নিষিদ্ধ বজাৰখন উৎখাত কৰিবলৈ সক্ষম হোৱা নাই আৰক্ষীয়ে। তাৰ বিপৰীতে নামতোলা আৰক্ষী থানাৰ নিচেই সমীপত সময়ে সময়ে নিচাজাতীয় দ্ৰব্য ভাং, ড্ৰাগছ আদি উদ্ধাৰ হৈ আহিছে সময়ে সময়ে। ইয়াৰ পৰাই আচলতে নামতোলা আৰক্ষীৰ জ্ঞাতসাৰেই এই অবৈধ ব্যৱসায় চলিছে নেকি সেই প্ৰশ্ন উত্থাপন হৈছে সচেতন মহলত।

# নাজিৰাবাসী আজি মুকলি হ'ল নতুন মোবাইল এপ 'প্ৰয়োজন'




**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ৪ জুন ঃ** সমগ্ৰ দেশতে কৰ'না মহামাৰীয়ে ভয়াৱহ ৰূপ ধাৰণ কৰাৰ ফলত জনসাধাৰণৰ মাজত যি পৰিস্থিতিৰ সৃষ্টি হৈছে তাৰ প্ৰতি লক্ষ্য ৰাখি জনসাধাৰণে ঘৰৰে পৰা ম'বাইল এপৰ জৰিয়তে নিত্য ব্যৱহাৰ্য্য সামগ্ৰী তথা খাদ্যসামগ্ৰীসমূহ অৰ্ডাৰ দি ঘৰতে থাকি ডেলিভাৰী পোৱাৰ উদ্দেশ্যেৰে নাজিৰাবাসী আৰু গোলাঘাটবাসী ৰাইজৰ সুবিধাৰ্থে এই 'প্ৰয়োজন' এপটো আজি নাজিৰাত আনুষ্ঠানিকভাৱে মুকলি কৰে কেইগৰাকীমান উদীয়মান যুৱকে। এই 'প্ৰয়োজন' এপটো ম'বাইলৰ গুগুল প্লে'ষ্টৰৰ পৰা ডাউনল'ড কৰি ল'ব লাগিব। বৰ্তমান সময়ত কৰ'না মহামাৰীৰ ফলত পৰাপক্ষত জনসাধাৰণ ঘৰতে থকাতো অতি প্ৰয়োজন। গতিকে ঘৰতে থাকি জনসাধাৰণে এই 'প্ৰয়োজন' এপটোৰ জৰিয়তে উপকৃত হ'ব বুলি আশাবাদী এপটোৰ পৰিচালক অচ্যুত কুমাৰ কোঁৱৰ, ধ্ৰুৱ বৰা, নিলোৎপল চুতীয়া, মিণ্টু বৰুৱা আৰু ভৃগু কটকী।

NO.DN.21/2011/

**QUOTATION NOTICE**

Sealed quotations affixing non-refundable court fee stamp of Rs. 8.25 (Rupees eight and paise twenty five) only are invited from intending registered firms/suppliers/vendors etc. for supply and fixation of rate of office & stationery items/materials to DCs Office, Dhemaji with effect from July 2021 to June, 2023.

The firms/suppliers/vendors should submit rates inclusive of transportation cost, GST etc. wherever applicable as per rule on the following items for Annexure-I. The quotations will be received in the office of the undersigned till 15lh June, 2021 up-to 2.00 P.M. and will be opened on the same day at 3.30 P.M. in presence of firms/suppliers/vendors under the terms and conditions.

Details of terms and conditions may be seen at the undersigned office.

Janasanyog/C/764/21

**Deputy Commissioner, Dhemaji.**

## ক'ভিড কালত আৰক্ষীৰ নিৰ্যাতনত ঘূণীয়া হোৱাৰ অভিযোগ ভুক্তভোগী আব্দুৰ ৰহমানৰ

# দুৰ্ভগীয়া পৰিয়ালৰ কাষত আমছুৰ সঁজাতী দল



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ৪ জুন ঃ** ক'ভিডৰ প্ৰথম আৰু দ্বিতীয় ঢৌত চৰকাৰৰ নীতি-নিৰ্দেশনা অৱমাননা কৰা একাংশৰ বিৰুদ্ধে সমগ্ৰ দেশজুৰি আৰক্ষী প্ৰশাসনে কঠোৰ স্থিতি গ্ৰহণ কৰি আহিছে। নীতি-নিৰ্দেশনা অৱমাননা কৰা একাংশৰ বিৰুদ্ধে আৰক্ষী প্ৰশাসনে কৰা এনে শাৰীৰিক নিৰ্যাতনৰ বাবেই কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত ২ নং বদলা গাঁৱৰ আব্দুৰ ৰহমান (৫০)নামৰ এগৰাকী শ্ৰমিক চিৰদিনৰ বাবে ঘূণীয়া হ'বলগীয়া হোৱাৰ অভিযোগ উত্থাপন হৈছে। বিগত বৰ্ষত তেওঁ ৰাজমিস্ত্ৰীৰ কাম কৰিবলৈ গৈছিল ওদালগুৰি জিলাৰ মৌচিদা গাঁৱলৈ। ক'ভিড পৰিস্থিতিৰ বাবে হঠাৎ দেশজুৰি লকডাউন ঘোষণা কৰাত শ্ৰমিকজন তাতেই আবদ্ধ হৈ পৰাত আব্দুৰ ৰহমান নামৰ শ্ৰমিকজনে ওচৰতে বজাৰ কৰিবলৈ গৈ এখন হোটেলত চাহ খাবলৈ ধৰোতে আৰক্ষীয়ে দোকানৰ ভিতৰত থকাসকলক পিটিবলৈ আৰম্ভ কৰে। আৰক্ষীৰ পিটনত ফৰিং ছিটিকাদি পলাবলৈ লওঁতেই আব্দুৰ ৰহমান নামৰ শ্ৰমিকজনৰ সোঁভৰিৰ নিম্ন অংশত বেয়াকৈ আঘাতপ্ৰাপ্ত হয়। ৰহমানক স্থানীয় চিকিৎসালয়ত চিকিৎসা প্ৰদান কৰি ঘৰলৈ পঠিওৱা হয় যদিও আজি তেওঁ পংগু হৈ পৰিছে। নিজৰ নামত থকা একমাত্ৰ মাটি বিক্ৰী কৰি চিকিৎসা গ্ৰহণ কৰে যদিও সেই চিকিৎসাত সুফল নাপালে। পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰী আব্দুৰ ৰহমানৰ এনে পংগুত্বৰ বাবেই পৰিয়ালটোৱে অভাৱত চকুৰে বাট নেদেখাৰ খবৰ সৰ্বত্ৰে চৰ্চিত হোৱাত আমছুৰ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশমৰ্মে আজি কামৰূপ জিলা সমিতিৰ সভাপতি ইমদাদ হুছেইন আৰু সাধাৰণ সম্পাদক আব্দুল লতিফৰ নেতৃত্বত আমছুৰ এটা সঁজাতী দলে আব্দুৰ ৰহমানৰ ঘৰত উপস্থিত হয়। সঁজাতী দলটোৱে উপস্থিত হৈ আব্দুৰ ৰহমান আৰু তেওঁৰ পৰিয়ালটোৰ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে নগদ দুহেজাৰ টকা, চাউল, দাইল, বিস্কুট, আটা আদি খাদ্যসামগ্ৰী প্ৰদান কৰে। ইপিনে আব্দুৰ ৰহমানৰ লগত সংঘটিত এই ঘটনাৰ এক উচ্চ পৰ্যায়ৰ তদন্ত দাবী কৰাৰ লগতে ব্যক্তিজনৰ উন্নত চিকিৎসাৰ যাবতীয় ব্যৱস্থা গ্ৰহণ কৰি উপযুক্ত আৰ্থিক অনুদান আগবঢ়াবলৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তক আহ্বান জনায় সঁজাতী দলটোৱে। উল্লেখ্য যে ক'ভিডসৃষ্ট এই জটিল সময়তো এনে এটা দুৰ্ভগীয়া পৰিয়ালৰ কাষত বকো সমষ্টিৰ বিধায়িকা নন্দিতা দাস আৰু স্থানীয় জনপ্ৰতিনিধিসকলে থিয় নিদিয়াত ক্ষোভ প্ৰকাশ কৰে আমছুৰ প্ৰতিনিধি দলটোৱে।

*No.KMB-27/Tender/2016-17/3618* *Dated Kokrajhar the 02/06/2021*

**SHORT NOTICE FOR TENDER**

The Executive Officer Kokrajhar Municipal Board, Kokrajhar invite sealed tenders in the prescribed from eventually to be drawn in PWD F-2 form / departmental form for the work in the given below with validity period of 90 days affixing court fee Rs. 8.25 (Rupees Eight and Paisa twenty five) only are invited from the Registered contractor from PWD class -1 & 2 Municipal Registered contractor firm for the year 2020-21 as applicable having past experience of executing work of similar nature and will be received by the undersigned up to 2.00 PM on 07/06/2021 and will be opened on same day sat 3.00PM in presence of intending tenders or authorizes agent. If the office happens at the closed on the date of receipt of this tender, the tender will be. The tender will be received and opened at same place and hours on the next working day of the office. Earnest money at the rate 2% for general and 1% for ST & SC OBC, unemployed/call deposit will have to deposited along with each tender duly pledged to the Executive Officer KMB. Tender submit without earnest money shall be summarily rejected.

The detailed tender papers from the office of the undersigned by the intending tenders on payment fees 0.30 % of the tender value which is non refundable. No tender papers will be issue date the date.

Detailed of work, term and condition as may be seen in the office of the KMB during office hours 06/2/21 to 13/2/21 which are included in detailed NIT documents.

| Sl No. | Name of Work | Approx Value | Eligible class | E. Money | Time of completion |
|---|---|---|---|---|---|
| 1. | Clearing of Public Canal/Dong in Kokrajhar Town under Kokrajhar Municipal Board. | Rs. 35,24,700.00 | Class 1 & 2 | 35,247.00 | 90 Days |

Sd/-Chairperson
Kokrajhar Municipal Board
Kokrajhar

*IPR(BTC)-42/2021*



## কেৱল ৫ জুনত গছপুলি ৰুলৈই...

■ পিনাক পাণি বশিষ্ঠ

৫ জুন, বিশ্ব পৰিৱেশ দিৱস। আমাৰ চৌপাশে থকা সেউজীয়া সমষ্টিৰ বাবে এটা বিশেষ দিন। কিন্তু যিখন সেউজ ধৰণীয়ে আমাক সকলোকে অক্সিজেন দিছে, লগতে জীৱনৰ প্ৰান্তে প্ৰান্তে অগণন দিন-ৰাতিৰ যুদ্ধ আৰু সভ্যতা ভঙা-গঢ়া সপোনৰ সাক্ষী হৈ আহিছে তাৰ বাবে মাথোঁ এটা দিন? সম্প্ৰতিক সময়ত পৰিৱেশ সংৰক্ষণ এটা বহুল উচ্চাৰিত বিষয় বুলিলেও হয়তো অত্যুক্তি কৰা নহয়। পিছে গোটেই বছৰটো পৰিৱেশ বিনষ্ট কৰি, গছ-গছনি কাটি, পাহাৰ-পৰ্বত ভাঙি যিধৰণে আমি পৰিৱেশতন্ত্ৰক ধ্বংস কৰি আহিছোঁ, তেনেস্থলত আমি মাথোঁ চৌব্বিশ ঘণ্টা পৰিৱেশৰ হকে কাম কৰাটোৱেই আমাৰ প্ৰকৃতি সচেতনতাক বুজাবনে?

জ্যোতিপ্ৰসাদ আগৰৱালাই কৈছিল— 'সেউজী সেউজী সেউজী অ' সেউজী ধৰণী ধুনীয়া...।' এই ধৰণীৰ ধুনীয়াখিনি অটুট ৰাখিবলৈ আমি দিৱস বিহীনভাৱেও সচেতন হৈ থাকিব নোৱাৰোঁনে? নোৱাৰোঁনে বিভিন্ন ব্যতিক্ৰমী চিন্তাৰে পৰিৱেশ সংৰক্ষণৰ দায়িত্ব ল'বলৈ? প্ৰাকৃতিক ভাৰসাম্য অটুট ৰাখি সুন্দৰতা বৰ্তমানে উপভোগ কৰাৰ লগতে ভৱিষ্যৎ প্ৰজন্মক সুৰক্ষিত কৰি ৰাখিবলৈ ইয়াৰ সংৰক্ষণ সকলো মানুহৰে এটা নৈতিক দায়িত্ব। যি সময়ত কণমানি ভাইটি-ভণ্টিসকলে চকলেট অথবা চিপছ্ খাই তাৰ পেকেটসমূহ ৰাস্তাত দলিয়াই দিয়ে, তেনেস্থলত অভিভাৱকসকলে তেনে হ'বলৈ নিদি পেকেটবোৰ নিৰ্দিষ্ট ডাষ্টবিনত পেলাবলৈ শিক্ষা দিয়াটো উচিত। সুন্দৰলাল বহুগুণা, যাদৱ পায়েং, গৌড়া দেৱী আদিৰ দৰে মানুহে যিধৰণে সেউজীয়াক জীৱনৰ অবিচ্ছেদ্য অংগ হিচাপে গণ্য কৰি আহিছে, সেইদৰে আমিও যদি সেউজীয়াক জীৱনৰ বৰপেৰাত বান্ধি লৈ ফুৰোঁ, তেন্তে প্ৰকৃতিয়ে দৈনিক বিজয়ৰ উৎসৱ পালন কৰিব আৰু জীৱশ্ৰেষ্ঠ মানৱে ধৰিত্ৰীৰ কোলাত নিশ্চিতভাৱে নিৰাপদে শুব পাৰিম। নিজৰ জন্মদিনৰ শুভক্ষণত, বিবাহ-বাৰ্ষিকী, পৰিয়ালৰ সবাতোকৈ বয়োজ্যেষ্ঠজনৰ জন্মবাৰ, জাতি-ধৰ্ম-সংস্কৃতি নেওচি সকলো উৎসৱৰ পবিত্ৰ দিনত অথবা অন্যান্য বিশেষ দিনত গছপুলি ৰোৱাৰ এটা পৰম্পৰা সৃষ্টি কৰিব নোৱাৰিনে? প্ৰায় সকলো শিক্ষানুষ্ঠানত শিল্প-কৰ্ম, শাৰীৰিক চৰ্চা, খেল-ধেমালি আদিৰ দৰে বিভিন্ন বিষয়ৰ ওপৰত শিক্ষা দিয়া হয় অথবা ছেমিনাৰ, আলোচনা-চক্ৰ আদি অনুষ্ঠিত কৰা হয়, ইয়াৰ লগতে সামন্তৰালভাৱে শিক্ষানুষ্ঠানবিলাকত পৰিৱেশ সচেতনতা, পৰিৱেশতন্ত্ৰৰ প্ৰতি থকা আমাৰ দায়িত্ব, ইয়াৰ সংৰক্ষণ আদি সকলো বিষয়ক কেন্দ্ৰ কৰি বিভিন্ন সজাগতামূলক পদক্ষেপ লোৱাটো উচিত আৰু লগতে শিক্ষানুষ্ঠান, চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, ৰাজহুৱা অনুষ্ঠানত 'আন্তঃৰাষ্ট্ৰীয় জৈৱ বৈচিত্ৰ্য দিৱস', 'বিশ্ব পৰিৱেশ দিৱস' আদি উদ্‌যাপন কৰাটো খুবেই প্ৰয়োজনীয়। সম্প্ৰতি গৃহবন্দীৰ সময়ছোৱাত দেশ তথা ৰাজ্যৰ বিভিন্ন শিক্ষানুষ্ঠান, অনুষ্ঠান, বেচৰকাৰী সংস্থা, সামাজিক সংস্থা, সাহিত্য গোষ্ঠী আদিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিভিন্ন শিতানৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে, যি এক প্ৰতিভা প্ৰদৰ্শন আৰু প্ৰতিভা বিকাশ কৰাৰ ইতিবাচক খোজ, তেন্তেস্থলত আমি সকলো আয়োজক গোষ্ঠীক বিনম্ৰ অনুৰোধ জনাওঁ যে সকলো মৰমৰ আৰু শ্ৰদ্ধাৰ প্ৰতিযোগীসকলৰ বাবে নিজৰ প্ৰতিভাৰ লগতে এটা গছপুলি ৰোপণ কৰাৰ ফটো অথবা ভিডিঅ' প্ৰেৰণ কৰিবলৈ দিয়ে যেন। পৰিৱেশ সংৰক্ষণ আৰু অধিক সেউজীয়া সৃষ্টি কৰিবলৈ হ'লে আমি সকলোৱে মিলি এক নতুন বিপ্লৱৰ আৰম্ভ কৰিব লাগিব। প্ৰতিদিনে অনানুষ্ঠানিকভাৱে পৰিৱেশ দিৱস পালন কৰা হওক- প্ৰকৃতিৰ হকে, সেউজীয়াৰ হকে, জীৱশ্ৰেষ্ঠ মানুহৰ হকে। আহক আমি সকলোৱে মিলি এক সেউজ বিপ্লৱৰ সূচনা কৰোঁ।

*ফোন: ৮৭২১৮ ০৭৯৪১*

# 'বিশ্ব পৰিৱেশ দিৱস'ৰ প্ৰসংগ
# পৰিস্থিতিতন্ত্ৰৰ পুনৰুদ্ধাৰ

■ মোছলিমা বেগম

১৯৭৪ চনৰ ৫ জুন তাৰিখৰ পৰা আৰম্ভ কৰি প্ৰতিবছৰৰ ৫ জুন তাৰিখে সমগ্ৰ বিশ্বই পালন কৰি আহিছে 'বিশ্ব পৰিৱেশ দিৱস'। ইয়াৰ মূল লক্ষ্যই হৈছে বিশ্ববাসীক পৰিৱেশ সংৰক্ষণৰ প্ৰতি এক বৃহৎ জাগৰণৰ সৃষ্টি কৰা। সেয়েহে, প্ৰত্যেক বছৰেই বিভিন্ন বিষয়বস্তুৰে সজাগতাৰ ঢৌ তোলাৰ এক চেষ্টা অব্যাহত ৰখা হৈছে আৰু সেই উদ্দেশ্যেৰেই প্ৰত্যেক বছৰৰ দৰেই এইবেলিও ৰাষ্ট্ৰসংঘই 'Ecosystem Restoration' অৰ্থাৎ 'পৰিস্থিতিতন্ত্ৰৰ পুনৰুদ্ধাৰ' বিষয়বস্তুৰে সজাগতা সৃষ্টিৰ লক্ষ্যৰে পালন কৰিবলৈ ঠিৰাং কৰিলে বিশ্ব পৰিৱেশ দিৱস।

পৰিৱেশ বুলিলেই পোনপ্ৰথমে আহে আমাৰ চৌপাশৰ কথা, ইয়াৰ বাৰু উচিত ব্যৱহাৰ নাইবা সংৰক্ষণ হৈছেনে? আমি বাৰু আমাৰ পৰিস্থিতিতন্ত্ৰটো সঠিকভাৱে সুস্থিৰ কৰি ৰখাত সক্ষম হৈছোনে? ইয়াৰ উপৰি আমাৰ চৌপাশটো প্ৰদূষণমুক্ত হ'ব পাৰিছেনে? বিভিন্ন প্ৰদূষণে আৱৰি ধৰা এই পৃথিৱীত আজি জীৱ বাৰুকৈয়ে শংকিত। অতিমাত্ৰা প্ৰদূষণৰ ফলত বহু প্ৰজাতিৰ জীৱকূল আজি প্ৰায় বিলুপ্তিৰ পথত। বিভিন্ন কাৰণত বনাঞ্চল ধ্বংসৰ পৰা আৰম্ভ কৰি পাহাৰ খনন, বিল-জলাশয় পুতি পেলোৱাত বিভিন্ন প্ৰজাতিৰ জীৱকূল আজি হেৰাই গৈছে। এইয়াই সত্য যে বন্যপ্ৰাণী বিলুপ্তিৰ কাৰণে বন ধ্বংসযজ্ঞই প্ৰধান কাৰণ। বিভিন্ন কাৰণত বনাঞ্চল ধ্বংস কৰি পেলোৱাৰ ফলত তাত বসবাস কৰা সৰু অণুজীৱৰ পৰা আৰম্ভ কৰি বিভিন্ন প্ৰজাতিৰ প্ৰাণীৰ মৃত্যু হৈছে। যাৰ ফলত বহুতো প্ৰাণী আজি 'Endangered species' আৰু 'Red list category'ত অন্তৰ্ভুক্ত কৰিবলগীয়া হৈছে। ইয়াৰ উপৰি বিভিন্ন কাৰণত ৰাসায়নিক দ্ৰব্য প্ৰস্তুত কৰা উদ্যোগ আদিৰ পৰা নিৰ্গত বিষাক্ত গেছ, ধোঁৱা আৰু পদাৰ্থই এচাম জীৱকূলৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। মানুহ, জনসংখ্যা বৃদ্ধিৰ কাৰণেও বনাঞ্চল ধ্বংস অন্যতম। সাম্প্ৰতিক সময়ত অত্যধিক পৰিমাণৰ প্লাষ্টিক ব্যৱহাৰেও জীৱকূললৈ এক অশনি সংকেত নমাই আনিছে, বাঢ়ি আহিছে প্ৰদূষণৰ আন এক মাত্ৰা। প্ৰত্যেক বছৰে মিলিয়ন হিচাপত আৱৰ্জনা হিচাপে ওলোৱা ব্যৱহৃত প্লাষ্টিকে সাগৰীয় তথা জলজীৱলৈ প্ৰত্যাহ্বানস্বৰূপ হৈ পৰিছে। এই দিশত ভাৰতবৰ্ষত বৰ্তমানে 'প্লাষ্টিক-বৰ্জন' শ্ল'গান ইতিমধ্যে আৰম্ভ হৈছিল, কিন্তু কিমানদূৰ ফলপ্ৰসূ হয়, সেয়া সময়েহে ক'ব। কিন্তু আহ্বান জনাওঁ যে এই প্ৰচেষ্টাক আমি সকলোৱে জীৱকূলৰ স্বাৰ্থত সমৰ্থন জনাওঁ, কাৰণ জীৱকূল বুলিলে আমি মানুহো অন্তৰ্ভুক্ত হৈ আছোঁ। যিয়ে অনাগত দিনত আৰু অধিক বিৰূপ প্ৰভাৱ পেলাব।

এতিয়া আহো পৰিস্থিতি তন্ত্ৰ (Ecosystem) ৰ প্ৰসংগলৈ। প্ৰত্যেক বছৰৰ দৰেই এইবেলিও 'Ecosystem Restoration' অৰ্থাৎ 'পৰিস্থিতিতন্ত্ৰৰ পুনৰুদ্ধাৰ' বিষয়বস্তুৰে সজাগতা সৃষ্টিৰ উদ্দেশ্য পালন কৰা হৈছে বিশ্ব পৰিৱেশ দিৱস। আচলতে পৰিস্থিতিতন্ত্ৰ বুলিলেনো নৱপ্ৰজন্মই কি বুজে? কোনো বসতিস্থানৰ জীৱগোষ্ঠীবোৰ যেতিয়া এটাই আনটোৰ লগত আৰু সেই বসতিপূৰ্ণ অঞ্চলৰ অজৈৱ পৰিৱেশৰ লগত প্ৰতিক্ৰিয়া কৰি এটা সুস্থিৰ তন্ত্ৰ গঠন কৰে, সেই ক্ৰিয়া পদ্ধতিকে পৰিস্থিতিতন্ত্ৰ (Ecosystem) বুলি কোৱা হয়। কিন্তু পৰিস্থিতিতন্ত্ৰ আমাৰ বাবে কিয় প্ৰয়োজনীয়? কাৰণ পৰিস্থিতিতন্ত্ৰই আমাক জীৱকূলক বিনামূলীয়াকৈ অভূতপূৰ্ব সহায় কৰি আহিছে। ইয়াৰ ভিতৰত পৰিস্থিতিতন্ত্ৰই সাঙুৰি লয়, এটা সুস্থিৰ জলবায়ু, বিশুদ্ধ বায়ু, পানী, খাদ্য আৰু বহুতো অত্যাৱশ্যকীয় সম্পদ। যিয়ে আমাক বচাই ৰাখে বিভিন্ন মহাদুৰ্যোগ আৰু বেমাৰৰ পৰা। কিন্তু সাম্প্ৰতিক সময়ত পৰিস্থিতিতন্ত্ৰই বিভিন্ন মানৱসৃষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হৈ আহিছে। সেয়ে পৰিস্থিতি তন্ত্ৰৰ প্ৰয়োজনীয়তা নৱ-প্ৰজন্মৰ মাজত ব্যাপক প্ৰসাৰৰ চেষ্টা নিত্যান্তই দৰকাৰী হৈ পৰিছে। 'Ecosystem Restoration' আন নহ'লেও ভৱিষ্যত প্ৰজন্মৰ বাবে পুনঃসংৰক্ষণৰ (Generation Restoration) ৰ প্ৰয়োজনীয়তা আহি পৰিছে।

পৰিস্থিতিতন্ত্ৰৰ গঠননো কেনেকৈ হয়? ইয়াৰ মূলতে আছে জৈৱিক (Biotic) আৰু অজৈৱিক (Abiotic) উপাদান। জীৱিত উপাদানৰ ভিতৰত বিভিন্ন স্ব-পোষী (Autotrophic) আৰু পৰপোষী (Heterotrophic) অৰ্থাৎ উৎপাদক আৰু উপভোক্তাই নিজৰ নিজৰ প্ৰক্ৰিয়াৰে গঠন কাৰ্য অব্যাহত ৰাখে। পৰপোষীৰ ক্ষেত্ৰত, স্থুল উপভোক্তা (Macro consumer) আৰু বিয়োজক (Decomposer) য়ে এক বিশেষ ভূমিকা পালন কৰে। অৰ্থাৎ পৰিস্থিতিতন্ত্ৰত সকলোবোৰ জৈৱিক আৰু অজৈৱিক উপাদানে পৰস্পৰৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে আৰু এই দুয়োটা উপাদানেই শক্তি আৰু পদাৰ্থৰ আদান-প্ৰদানৰ যোগেদি ইটোৱে সিটোৰ লগত যোগসূত্ৰ স্থাপন কৰি আহিছে। প্ৰত্যেক পৰিস্থিতিতন্ত্ৰই প্ৰাকৃতিক অৱস্থাত শৃংখলাবদ্ধভাৱে কাম কৰে। ই সূৰ্যৰ পৰা শক্তি আহৰণ কৰি বিভিন্ন জৈৱিক উপাদানৰ মাজেৰে প্ৰবাহিত হয়। আচলতে প্ৰত্যেক জীৱ সূৰ্যৰ শক্তি প্ৰবাহৰ ওপৰত নিৰ্ভৰশীল। ভিন্ন কাৰ্যৰ বাবে শক্তিৰ উপৰি শৰীৰৰ ক্ৰিয়াৰ বাবে আৱশ্যকীয় পুষ্টিকৰ উপাদান আৰু পানীৰ জৈৱিক উপাদানবোৰে অজৈৱিক উপাদানৰ লগত পৰস্পৰৰ আদান-প্ৰদানৰ যোগসূত্ৰ স্থাপন কৰি লয়। এই শক্তি আৰু খাদ্য প্ৰবাহৰ যোগেদি জীৱজগতে পৰিৱেশৰ বিভিন্ন সময়ত আহিব পৰা বিপদসমূহৰ পৰা নিজকে ৰক্ষা কৰে। যিহেতু, পৰিস্থিতি তন্ত্ৰ এটাত মূল শক্তি প্ৰবাহৰ উৎসই হ'ল সৌৰশক্তি, সেই একমুখী সৌৰশক্তিৰ, শক্তি উৎপাদকৰ পৰা আৰম্ভ কৰি প্ৰাথমিক উপভোক্তা, দ্বিতীয় স্তৰৰ উপভোক্তালৈ প্ৰবাহিত হয় আৰু উপভোক্তাৰ পৰা শক্তি পুনৰ বিয়োজকৰ দ্বাৰা উৎপাদকে পুনৰুদ্ধাৰ কৰে। ফলত, এটা স্তৰৰ পৰা আন এটা স্তৰলৈ শক্তি প্ৰবাহিতৰ সময়ত শক্তিৰ ক্ৰমাৎ অৱনতিও ঘটে। ইয়াৰ উপৰি পৰিস্থিতি তন্ত্ৰ এটাত বিভিন্ন প্ৰকাৰৰ জীৱৰ মাজেদি ক্ৰম পৰ্যায়ত বিভিন্ন স্তৰৰ উপভোক্তাসকলৰ যোগেদি খাদ্য পৰিবহণ কৰি খাদ্য শৃংখল (food chain)ৰ সৃষ্টি কৰি লয়। আনহাতে, পৰিস্থিতিতন্ত্ৰত বিভিন্ন খাদ্য শৃংখলবোৰৰ মাজত পাৰস্পৰিক যোগসূত্ৰৰ যোগেৰে জীৱ-জন্তুবোৰে খাদ্য শৃংখলত থকা ট্ৰেফিক স্তৰত বিকল্প খাদ্যও গ্ৰহণ কৰে। অৰ্থাৎ এটা প্ৰাণীয়ে একাধিক খাদ্য গ্ৰহণ কৰিব পাৰে। ফলত খাদ্য শৃংখলত এক জটিল সংযোগে অৱস্থান কৰি খাদ্য জাল (food web)ৰ সৃষ্টি কৰে।

মুখ্যতঃ পৰিস্থিতিতন্ত্ৰ বুলি ক'লে, প্ৰধানত ডাঙৰ স্থলজ নাইবা জলজ পৰিস্থিতি তন্ত্ৰ, তাত বসবাস কৰা প্ৰাণীসমূহকে অন্তৰ্ভুক্ত কৰি লয়। যাক বায়'ম বুলি জনা যায়, এনে বায়'মৰ স্থানভেদে পোহৰ, তাপ, ভূ-সংস্থান, আদ্ৰতা, বৰষুণ, উষ্ণতা আদিৰ তাৰতম্য হয়। মুখ্য পৰিস্থিতি তন্ত্ৰ হিচাপে প্ৰথমতেই আহে - (ক) অৰণ্য পৰিস্থিতিতন্ত্ৰ (Forest Ecosystem), (খ) তৃণভূমি পৰিস্থিতিতন্ত্ৰ (Grassland Ecosystem), (গ) মৰুভূমি পৰিস্থিতিতন্ত্ৰ (Desert Ecosystem), (ঘ) জলজ পৰিস্থিতিতন্ত্ৰ (Aquatic Ecosystem)। এইসমূহৰ ভিতৰত অৰণ্য পৰিস্থিতিতন্ত্ৰ পৃথিৱীখনৰ কৃত্ৰিমতাৰ পৰা বহু নিলগত অৱস্থিত, য'ত বৃষ্টিপাত আৰু সুস্থিৰ জলবায়ু উপলব্ধ। বিভিন্ন ঘাঁহ, লতা, লাইকেন, শেলাই আৰু বনৰীয়া জীৱকূলেৰে পৰিপুষ্ট। এই পৰিস্থিতিতন্ত্ৰৰ ভাগত পৰে, চিৰসেউজীয়া বনাঞ্চল (Evergreen Forest), গ্ৰীষ্মপ্ৰধান বৰ্ষাৰণ্য (Temperate Rainforest) আদি। আনহাতে, তৃণভূমি পৰিস্থিতিতন্ত্ৰত বিশেষকৈ ঘাঁহ জাতীয় উদ্ভিদৰ প্ৰাধান্য বেছি যদিও কেতিয়াবা খুব কম পৰিমাণৰ গছ আৰু জোপোহা গছ উপলব্ধ হয়। য'ত বৰষুণ অনিয়মিত আৰু তুলনামূলকভাৱে কম। জলবায়ুৰ ওপৰত নিৰ্ভৰ কৰি এই পৰিস্থিতিতন্ত্ৰকো ভিন্নভাৱে ভগোৱা হয়। যেনে, ক্ৰান্তীয় তৃণভূমি অঞ্চল (Tropical Grassland), গ্ৰীষ্মপ্ৰধান তৃণভূমি অঞ্চল (Temperate Grassland), তুন্দ্ৰাৰ তৃণভূমি অঞ্চল (Tundra Grassland) আদি। মৰুভূমি পৰিস্থিতিতন্ত্ৰই আমাৰ স্থলভাগৰ প্ৰায় এক তৃতীয়াংশ স্থান আগুৰি আছে। য'ত বৰষুণৰ তুলনাত বাষ্পীভৱনৰ মাত্ৰা অত্যধিক। অতি বেছি উষ্ণতাৰ বাবে নিজৰ শাখাদেহত পানী সঞ্চয় কৰিব পৰা কেক্‌টাছজাতীয় কাঁইটীয়া উদ্ভিদহে গজে। ইয়াৰো জলবায়ুৰ ওপৰত নিৰ্ভৰ কৰি Tropical desert, Temperate desert আৰু Cold desertত ভাগ কৰা হৈছে আৰু জলজ পৰিস্থিতিতন্ত্ৰ, য'ত পৃথিৱীৰ চাৰিভাগৰ তিনি অংশই জলজ পৰিস্থিতিতন্ত্ৰই অধিকাৰ কৰি আছে আৰু এই পৰিস্থিতিতন্ত্ৰতেই সৰ্বাধিক জৈৱ বৈচিত্ৰ্যতা পোৱা যায়। ইয়াক প্ৰধানকৈ অলুণীয়া পানীৰ পৰিস্থিতিতন্ত্ৰ (Fresh water Ecosystem) আৰু লুণীয়া পানীৰ পৰিস্থিতিতন্ত্ৰ (Marine water Ecosystem)। অৰ্থাৎ, পুখুৰী (pond ecosystem), হ্ৰদ (lake ecosystem), নিজৰা (stream ecosystem), নদী (river ecosystem), সাগৰ (ocean ecosystem) আদিয়েই উপলব্ধ।

কিন্তু সাম্প্ৰতিক সময়ত মানুহে এনেবোৰ পৰিস্থিতিতন্ত্ৰক শক্তি উৎপাদনৰ উৎস হিচাপে ব্যৱহাৰ কৰি আহিছে। যদিহে এই হাৰত এনেবোৰ কাৰ্য সম্পাদিত হৈ গৈ থাকে, অদূৰ ভৱিষ্যতে বহুতো পৰিস্থিতিতন্ত্ৰ হেৰাই যোৱাৰ অতিক্ৰম হ'ব। বৰ্তমান আধুনিকতাৰ ধামখুমীয়াত আত্মকেন্দ্ৰিক চিন্তা-চৰ্চাত বিভোৰ হৈ স্বাৰ্থপৰ মানুহে অনাগত ভৱিষ্যতত নিজ সন্তানক কেনেকৈ সুখত ৰাখিব তাৰেই চিন্তাত নৈতিকতা, মানৱীয় মূল্যবোধক নিঃশেষ কৰি পেলাইছে। আজিৰ নৱপ্ৰজন্মক শিক্ষা দিছে ঠিকেই কিন্তু এখন প্ৰদূষণমুক্ত, সুৰক্ষিত, বসবাসৰ উপযোগী পৃথিৱীৰ কেনেকৈ সৃষ্টি আৰু সুৰক্ষাত অৰিহণা যোগাব পাৰি সেই চিন্তা আৰু মনোভাৱ গঢ়াৰ ক্ষেত্ৰ নিচেই তাকৰ। পৰিৱেশ আৰু জলবায়ু সন্তুলিত কৰি ৰাখিবলৈ নৱপ্ৰজন্মক গছপুলি ৰোপণ কৰিবলৈ কিমান উৎসাহিত কৰিছোঁ, সেয়াও লক্ষণীয়। যি হাৰত বনাঞ্চল ধ্বংস, গছ কটা কাৰ্য অব্যাহত আছে, এই ধ্বংসযজ্ঞ অব্যাহত থাকিলে, প্ৰকৃতিপ্ৰেমীৰ মাজত যে দ্বিতীয় 'চিপকো আন্দোলন'ৰ প্ৰয়োজনীয়তা আহি পৰিব সেয়া নিশ্চিত। অন্যথা ভৱিষ্যত প্ৰজন্মৰ বাবে একোৱেই বাকী নাথাকিব। সেয়ে, আহক আমি সকলোৱে ভৱিষ্যত প্ৰজন্মৰ স্বাৰ্থতেই এখন সেউজীয়া পৃথিৱী সুৰক্ষা আৰু গঢ় দিয়াৰ ক্ষেত্ৰত দৃঢ় পৰিপক্ক হওঁ আৰু সচেতন নাগৰিক হিচাপে পৰিস্থিতিতন্ত্ৰক সুৰক্ষিত আৰু সমাজত নিকা পৰিৱেশ গঢ়ি তুলিবলৈ বদ্ধপৰিকৰ হওঁ।

*ফোন: ৬০০৩৯৪৪৩১৭*



**পৰিৱেশ বুলিলেই পোনপ্ৰথমে আহে আমাৰ চৌপাশৰ কথা, ইয়াৰ বাৰু উচিত ব্যৱহাৰ নাইবা সংৰক্ষণ হৈছেনে? আমি বাৰু আমাৰ পৰিস্থিতিতন্ত্ৰটো সঠিকভাৱে সুস্থিৰ কৰি ৰখাত সক্ষম হৈছোনে? ইয়াৰ উপৰি আমাৰ চৌপাশটো প্ৰদূষণমুক্ত হ'ব পাৰিছেনে? বিভিন্ন প্ৰদূষণে আৱৰি ধৰা এই পৃথিৱীত আজি জীৱ বাৰুকৈয়ে শংকিত। অতিমাত্ৰা প্ৰদূষণৰ ফলত বহু প্ৰজাতিৰ জীৱকূল আজি প্ৰায় বিলুপ্তিৰ পথত। বিভিন্ন কাৰণত বনাঞ্চল ধ্বংসৰ পৰা আৰম্ভ কৰি পাহাৰ খনন, বিল-জলাশয় পুতি পেলোৱাত বিভিন্ন প্ৰজাতিৰ জীৱকূল আজি হেৰাই গৈছে। এইয়াই সত্য যে বন্যপ্ৰাণী বিলুপ্তিৰ কাৰণে বন ধ্বংসযজ্ঞই প্ৰধান কাৰণ ◆◆◆**

## ৫ জুন: বিশ্ব পৰিৱেশ দিৱস আৰু ইয়াৰ তাৎপৰ্য

■ ধনমণি বৰদলৈ

এখন বিশাল পৃথিৱী। চিৰন্তন সত্য, আমি যেন ক'ৰবাত হেৰাই গৈছোঁ, ক'ৰবাত যেন আমি অৱহেলা কৰিছোঁ, যাৰ বাবে আমি কেতিয়াবা আপোনা আপুনিভাৱে পৰিয়ালবৰ্গক হেৰুৱাইছো আৰু কেতিয়াবা নিজৰ মৃত্যুক আমন্ত্ৰণ জনাইছোঁ। ই সঁচা.. এখন স্ব-স্বাধীন সমাজ যাক জীৱশ্ৰেষ্ঠৰূপে নামাকৰণ কৰি আহিছোঁ, কেতিয়াবা স্বাৰ্থ পূৰণৰ দাবীত কাৰোবাক ধ্বংসৰ বুকুলৈ ঠেলি দি শ্ৰেষ্ঠত্বহীন পৰিচয়েৰেহে আদৰিছোঁ। কেতিয়াবা বিশাল পৃথিৱীৰখনতো শূন্যতা অনুভৱ কৰো, কেতিয়াবা যদি জীৱ-জন্তুৱে কাৰোবাক অনিষ্ট আৰু কেতিয়াবা কাৰোবাৰ প্ৰাণ লৈছে, কেতিয়াবা যদি ভূমিকম্প-ম টি খহি মৃত্যু আনিছে আৰু কেতিয়াবা অক্সিজেনৰ অভাৱত মৃত্যুক আঁকোৱালি লৈছে, দৰাচলতে আমি প্ৰকৃতিক ধ্বংস কৰি আধুনিকতা নামকৰণ কৰিছোঁ, আমাৰ সমাজত এনেকুৱা এচাম আছো যে ইমানেই আধুনিকতাৰ ঢৌত সোমাই গৈছোঁ যে কোনোবা দিনা ম'বাইলৰ ষ্টেটাছত দিয়েই দায়িত্ব সামৰিছোঁ। যেনে - মাতৃ সমাজক বৃদ্ধা আশ্ৰমত ৰাখিছো, কোনোবা দিনা মাতৃক বলিও দিছো তথাপিও ম'বাইলৰ ষ্টেটাছত শুভ মাতৃ দিৱস বুলি ৰাখিছো, গছ-গছনি কাটি পৰিৱেশ ধ্বংস কৰিছোঁ তথাপিও ষ্টেটাছত শুভ পৰিৱেশ দিৱস বুলিছো। ই এক বিষাদপূৰ্ণ এয়াই আজি পৃথিৱীত শ্ৰেষ্ঠ সমাজৰ অৱদান।

আমি সকলোৱে জানো যে আমাৰ চৌদিশে পৰিবেষ্টিত হৈ থকা জীৱ আৰু জড় সকলো বস্তুৰ সমষ্টিয়েই হৈছে পৰিৱেশ। আদিৰে পৰা প্ৰকৃতি আৰু পৰিৱেশৰ লগত জীৱৰ জগতৰ সকলো প্ৰাণীৰ ওতঃপ্ৰোতভাৱেই সম্বন্ধ আছে। প্ৰাণ প্ৰদায়িনী প্ৰকৃতিৰ ওপৰত জীৱজগতৰ সকলো প্ৰাণীয়েই নিৰ্ভৰশীল। উল্লেখযোগ্য যে এই প্ৰকৃতিৰ জগতত প্ৰাকৃতিকভাৱে সৃষ্টি হোৱা অৱদানসমূহৰ অবিহনে জীৱসমাজ জীয়াই থাকিব নোৱাৰে। গছ-গছনিয়ে আমাক অক্সিজেন দিছে, প্ৰকৃতিয়ে আহাৰ উৎপাদন দিছে, জীৱসমাজৰ বাবে ইত্যাদি ইত্যাদি অৱদান গছ-গছনিয়ে আমাক দিছে আৰু পানী যাৰ ভূমিকাত জীৱ-জন্তুৰ পৰা ধৰি পৃথিৱীৰ জড় পদাৰ্থৰ লৈছে সমস্ত উপাদান জীয়াই থকাৰ আৰু উৎপাদনমুখী হোৱাত সহায় কৰিছে। পৃথিৱীৰ প্ৰতিটো বস্তুৰে ইটোৰ অবিহনে আনটো অসম্ভৱ। গতিকে পৰিৱেশ বিনষ্ট হোৱা মানে মানুহৰ লগতে জীৱ-জগতৰ সকলো জীৱকূলৰে অনিষ্ট সাধন হৈ পৰিব। গতিকে সময় থাকোঁতেই এই সকলো প্ৰদূষণৰ পৰা নিস্তাৰ পাবলৈ হ'লে আমি বসবাস কৰি থকা পৃথিৱীখনক বাসোপযোগী কৰি তুলি ভৱিষ্যৎ প্ৰজন্মক এখন সুন্দৰ পৃথিৱী উপহাৰ দিবলৈ পৰিৱেশ সংৰক্ষণ কৰাটো অতি গুৰুত্বপূৰ্ণ বিষয়।

সেই উদ্দেশ্যকেই সাৰোগত কৰি ১৯৭২ চনৰ ৫-১৬ জুনলৈকে ৰাষ্ট্ৰসংঘৰ পৃষ্ঠপোষকতাত ছুইডেনৰ ৰাজধানী ষ্টকহ'মত অনুষ্ঠিত হোৱা 'মানৱ পৰিৱেশ সন্মিলন' (Human Environment) ত এক আলোচনাচক্ৰত ভৱিষ্যৎ প্ৰজন্মৰ বাবে এখন প্ৰদূষণমুক্ত, সুৰক্ষিত, সুন্দৰ পৃথিৱী উপহাৰ দিয়াৰ লগতে পৰিৱেশৰ ক্ষতি ৰোধৰ বাবে বিতংকৈ আলোচনা কৰি এক সুন্দৰ পদক্ষেপ গ্ৰহণ কৰি পোনপ্ৰথমবাৰৰ বাবে 'বিশ্ব পৰিৱেশ দিৱস' পালনৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেই প্ৰস্তাৱ অনুসৰি ১৯৭৩ চনৰে পৰা ৫ জুনৰ দিনটো সমগ্ৰ বিশ্বব্যাপি 'বিশ্ব পৰিৱেশ দিৱস' হিচাপে উদ্‌যাপন কৰি অহা হৈছে। প্ৰতিবছৰে একোটা মূল বিষয়বস্তুক লৈ 'বিশ্ব পৰিৱেশ দিৱস' পালন কৰা হয়। বিশ্ববাসীক পৰিৱেশ ৰক্ষাৰ প্ৰতি সজাগতা বৃদ্ধি কৰাৰ লক্ষ্য আগত ৰাখি এই দিৱস পালন কৰা হয়।

সি যি কি নহওক আমি হ'লো জীৱ শ্ৰেষ্ঠ। আমাক এখন সুস্থ সমাজ লাগে, এটা সুস্থ পৰিৱেশ লাগে আৰু আমি সদায় দীৰ্ঘজীৱী হৈ থকাটো বিচাৰো। অকল পাঁচ জুন তাৰিখে বিশ্ব পৰিৱেশ দিৱস বুলিয়ে নহয় পৰাপক্ষত সদায় একোডালকৈ বৃক্ষৰোপণ কৰাতো হবি বা অভ্যাসত পৰিণত কৰিছোঁ আৰু আপোনালোকেও কৰক। বৃক্ষও বাঢ়িব, সেউজীয়াও বাঢ়িব আৰু সমাজো সুৰক্ষিত হ'ব আৰু লগতে পৃথিৱীৰ আয়ুস দীৰ্ঘজীৱী হৈ পৰিব।

*ঔজাৰী, মৰিগাঁও, অসম*
*ফোন: ৯৯৫৭৯০৪৫২৩*

# পৰিৱেশ দিৱস আৰু আমাৰ কৰণীয় কাম

■ চিন্ময় ডেকা

আমি সকলোৱে অৱগত যে আমাৰ চৌদিশে পৰিবেষ্টিত হৈ থকা জীৱ আৰু জড় সকলো বস্তুৰ সমষ্টিয়েই হৈছে পৰিৱেশ। অতীজৰে পৰা প্ৰকৃতি আৰু পৰিৱেশৰ লগত জীৱজগতৰ সকলো প্ৰাণীৰ এক ওতঃপ্ৰোত সম্বন্ধ আছে। প্ৰাণ প্ৰদায়িনী প্ৰকৃতিৰ ওপৰত জীৱজগতৰ সকলো প্ৰাণীয়ে নিৰ্ভৰ আৰু নিৰ্ভৰশীল। গতিকে পৰিৱেশ বিনষ্ট হোৱা মানে মানুহৰ লগতে জীৱ-জগতৰ সকলো জীৱকূলৰে অনিষ্ট সাধন হোৱা। এইক্ষেত্ৰত ১৯৭৩ চনৰ পৰাই ৫ জুনৰ দিনটো 'বিশ্ব পৰিৱেশ দিৱস'ৰূপে পালন কৰি অহা হৈছে। মানুহৰ জীৱনত সেউজ আৰু স্বাস্থ্যসন্মত পৰিৱেশৰ গুৰুত্ব সন্দৰ্ভত বিশ্বজুৰি সজাগতা সৃষ্টিয়ে এই দিৱসৰ মূল লক্ষ্য। পৰিৱেশ-পৰিস্থিতিৰ অনুকূল বাতাবৰণৰ ক্ষেত্ৰত ইতিবাচক কাম-কাজ হাতত লৈ আমাৰ চাৰিওফালে মূৰ দাঙি ধৰা পৰিৱেশজনিত সমস্যাবোৰ সমাধান কৰাৰ ক্ষেত্ৰত সজাগতা বৃদ্ধি কৰা, ইয়াত সমাজৰ প্ৰতিজন লোকৰেই পৰিৱেশ সংৰক্ষণ কৰাটো দায়বদ্ধ, এই কামৰ বাবে কোনো বিশেষ ব্যক্তি বা অনুষ্ঠানৰ মুখলৈ আমি চাই থকা উচিত নহয়। পৰ্যায় মানে নিজ সামৰ্থ অনুসৰি পৰিৱেশ সজাগতা সমগ্ৰ বিশ্বৰ সাধাৰণ মানুহৰ মাজলৈ লৈ যোৱাটো উদ্দেশ্যত উপনীত কৰাটোৱেই এই দিৱসৰ অন্যতম লক্ষ্য। সমস্ত জীৱকূলৰ লগতে মানৱ সভ্যতাক বিপন্ন কৰিব পৰা এক অন্যতম গুৰুত্বপূৰ্ণ উদ্বেগ হ'ল ক্ৰমবৰ্ধমান গোলকীয় উষ্ণতা আৰু আমি বাস কৰা গ্ৰহটিত জীৱন বহন কৰি ৰখা প্ৰকৃতিৰ সূক্ষ্ম ভাৰসাম্যৰ ওপৰত ইয়াৰ প্ৰভাৱ। মানুহৰ মানসিকতাত এই পৰিৱেশৰ সংকটৰ লগতে ইয়াৰ গুৰুত্বতাক ফলপ্ৰসূ কৰাৰ উদ্দেশ্যে, ৰাষ্ট্ৰসংঘই ইয়াৰ সদস্য ৰাষ্ট্ৰসমূহৰ জৰিয়তে ৫জুন তাৰিখটোক বিশ্ব পৰিবেশ দিৱস হিচাপে অনুষ্ঠিত কৰি আহিছে, যাতে পৃথিৱীখন অধিক স্বচ্ছ আৰু সেউজীয়া হয়। জৰুৰী পৰিৱেশগত সমস্যাসমূহক এক মনুষ্যত্বপূৰ্ণ মুখা প্ৰদান কৰাৰ আন্তঃৰাষ্ট্ৰীয় মূল বিষয়টোৰ সৈতে সংগতি ৰাখি আমাৰ দেশৰ সকলো ৰাজ্যতে বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। ই লগতে মানুহক বহনক্ষম আৰু ন্যায়সংগত উন্নয়নৰ সক্ৰিয় প্ৰতিনিধি হ'বলৈ সবল কৰাৰ চেষ্টা কৰে আৰু মুখ্য পৰিৱেশত সমস্যাসমূহৰ ফালে সম্প্ৰদায়সমূহৰ পৰিৱৰ্তিত মনোভাৱ যে অত্যন্ত গুৰুত্বপূৰ্ণ সেই বুজাবুজি বৃদ্ধি কৰিবলৈ চেষ্টা কৰে তথা অংশীদাৰিত্বক সমৰ্থন কৰে। এই অনুষ্ঠানটোৰ প্ৰাথমিক লক্ষ্য হ'ল পৰিৱেশৰ অৱস্থা সন্দৰ্ভত সাধাৰণ মানুহক সংবেদনশীল কৰি তোলা আৰু পৰিৱেশগত সমস্যাসমূহৰ সন্দৰ্ভত এক উপলব্ধি গঢ়ি তোলা আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিশ্ব পৰিৱেশ দিৱস তথা অন্যান্য স্থানীয় নিৰ্দিষ্ট পৰিৱেশগত সজাগতা অনুষ্ঠানসমূহ অনুষ্ঠিত কৰা। মানুহৰ একমাত্ৰ বাসভূমি এই পৃথিৱীত দ্ৰুতহাৰত বৃদ্ধি হৈ উঠা পৰিৱেশজনিত সমস্যা, খাদ্যবস্তুৰ অপচয় আৰু লোকচান, নিৰ্বনীকৰণ, গোলকীয় উষ্ণতা বৃদ্ধি আদি সমস্যাবোৰৰ সমাধানকে এই দিৱসৰ লক্ষ্য কৰি লোৱা হৈছে। সেই উদ্দেশ্যে প্ৰতি বছৰে এটা বিষয়বস্তু আৰু শ্লোগান সমগ্ৰ বিশ্বতে প্ৰচাৰৰ আঁচনি কৰা হয়। কাৰ্বনমুক্ত পৰিৱেশ আহৰণত সফলতা লাভৰ বাবে বনানিকৰণ, সেউজ গৃহৰ পাৰ্শ্বক্ৰিয়া হ্ৰাসকৰণ, জৈৱ-ইন্ধন উৎপাদনত উদ্‌গণি, বিদ্যুৎ উৎপাদনত জলবিদ্যুৎ প্ৰকল্পৰ ব্যৱহাৰ, ছ'লাৰ ৱাটাৰ হিটাৰ ব্যৱহাৰত সাধাৰণ মানুহক উৎসাহিত কৰা, সৌৰ উৎসৰ পৰা শক্তি উৎপাদন, নতুন জলনিষ্কাশণ ব্যৱস্থাৰ বিকাশ, প্ৰবাল-চৰ আৰু মেংগ্ৰোভৰ প্ৰতিষ্ঠা বা পুনঃপ্ৰতিষ্ঠাত সহায় কৰা, যাতে বান আৰু খহনীয়াৰ কবলৰ পৰা দ ঠাইবিলাক ৰক্ষা কৰিব পাৰি- ইত্যাদি বিষয়বোৰক মানুহৰ মাজত জনপ্ৰিয় কৰাৰ উদ্দেশ্য আগত ৰাখি এই দিৱস উদ্‌যাপন কৰা হয়। লগতে বিভিন্ন সামাজিক গোট আৰু সম্প্ৰদায়ৰ মানুহক এই দিৱসত জড়িত কৰাই তেওঁলোকক এই বিষয়ৰ সজাগতাৰ ক্ষেত্ৰত সক্ৰিয় নেতৃত্ব ল'বলৈ উৎসাহিত কৰা হয়। তেওঁলোকক এইটো উপলব্ধি সৃষ্টি কৰিবলৈ চেষ্টা কৰোৱা হয় যে পৰিৱেশৰ পৰা নেতিবাচক পৰিৱৰ্তনবোৰক বাধা দিয়া নিতান্তই দৰকাৰী। নিৰাপদ, পৰিচ্ছন্ন আৰু সমৃদ্ধিপূৰ্ণ ভৱিষ্যৎ এটা পাবৰ বাবে যে আমি আমাৰ চৌপাশ সুৰক্ষিত আৰু পৰিচ্ছন্ন কৰি ৰাখিব লাগে, সেই কথা সাধাৰণ মানুহৰ উপলব্ধিৰ মাজলৈ লৈ যোৱাটোও এই দিৱসৰ গুৰুত্বপূৰ্ণ লক্ষ্য। এই লক্ষ্যবোৰত উপনীত হোৱাৰ চেষ্টাৰ অংশস্বৰূপে বিশ্ব পৰিৱেশ দিৱসত সমগ্ৰ বিশ্বতে কিছুমান সবল আৰু গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱা হয়। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় উভয় পৰ্যায়ত এনে কাৰ্যসূচী গ্ৰহণ কৰা হয়। পথ সমদল, বৃক্ষৰোপণ, আৱৰ্জনা পুনৰ ব্যৱহাৰকৰণ, চৌপাশ পৰিষ্কাৰ কৰা অন্যান্য বিভিন্ন সক্ৰিয়তাত লাখ লাখ লোকক জড়িত কৰা হয়। তদুপৰি অধিক ব্যাপকভাৱে জনসাধাৰণৰ মাজলৈ লৈ যাবলৈ বিভিন্ন সংবাদ মাধ্যমক জড়িত কৰা হয়। আপুনি জানেনে বাৰু পৰিৱেশৰ ভাৰসাম্য নোহোৱাৰ বাবে বিশ্বত প্ৰতি বছৰে ১৫ নিযুত লোক খাদ্যৰ অভাৱত মৰে। বিশ্বৰ ১০৮ কোটি মানুহৰ বায়ু প্ৰদূষণৰ ফলত মৃত্যু ঘটে। বিশ্বৰ ১.২ বিলিয়ন মানুহে পৰিষ্কাৰ পানী খাবলৈ নাপায় আৰু ফলত মৃত্যুবৰণ কৰে। কিন্তু আমি বাৰু আজিৰ সমাজ-পৰিৱেশক লৈ কিমান সজাগ আৰু সচেতন। গোটেই বিশ্বৰে অকল ৫ জুন তাৰিখেহে মনত পৰে নেকি পৰিৱেশৰ প্ৰতি? বিশ্ব পৰিৱেশ দিৱস হিচাপে প্ৰতিবছৰে বিশ্ব আন্তঃজাতিক ৰাষ্ট্ৰীয় সংগঠনে এটা বিষয় প্ৰসঙ্গ ৰাখে আৰু এই বিষয় প্ৰসঙ্গৰ ওপৰত ভিত্তি কৰি বিভিন্ন ধৰণৰ অনুষ্ঠান পতা হয়। বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি ২০১৫বৰ্ষৰ বিষয় প্ৰসঙ্গ হৈছে ভাবক, খাওক আৰু বচাওক। পোনপ্ৰথমে ভাবক বৰ্তমান আমি কি কৰি আছো আৰু কিদৰে প্ৰকৃতিক অনিষ্ট কৰি আছো। তাৰ বাবে সকলো মানুহ সমানেই দায়ী। সময় আহিল ভাবিব কিদৰে পৰিৱেশ সংৰক্ষণ কৰি ৰাখো। নিয়মিত আৰু সীমিতভাৱে খাওক। বাঢ়ি অহা কাৰ্বন-ডাই-অক্সাইড গেছৰ পৰিমাণ কমাই অনা আৰু পৰিৱেশ দূষিত নকৰা সামগ্ৰী ব্যৱহাৰ কৰা। ইয়াৰ লগতে নিজৰ ঠাইত উৎপাদন কৰা বস্তু ব্যৱহাৰ কৰা যাতে নিজৰ কৃষকসকল আৰ্থিকভাৱে লাভবান হয়। পৰিৱেশ বচাই ৰখাটো আমাৰ সকলোৰে দায়িত্ব। অলপ হ'লেও সঞ্চিত ৰখাটো আমাৰ বহু প্ৰয়োজনীয়। আমি দিনে বহু খাদ্য অথবা নষ্ট কৰি পেলাই দিও য'ত নেকি আমাৰ দেশত খাবলৈ নাপাই হাজাৰ হাজাৰ মানুহে মৃত্যুবৰণ কৰে। গতিকে বচাই ৰাখি খোৱাটো আমাৰ বহু প্ৰয়োজনীয়। আপুনি অলপ কৰিও পৰিৱেশ বচাই ৰাখিব পাৰে। মাথোঁ লাগে অলপ চেষ্টা আৰু সচেতনতা। পোনপ্ৰথমে প্ৰশ্ন আহে আচলতে আপুনিনো পৰিৱেশক লৈ কিমানখিনি সচেতনত। আজিৰ যান্ত্ৰিক যুগত পইচাৰ পিছত দৌৰি থাকোঁতে জানো পৰিৱেশ বিষয়ক চিন্তা-চৰ্চা কৰিবলৈ সময় আছে। কিন্তু বছৰটো ঘৰৰ ভিতৰত থাকিও আপুনি পৰিৱেশতন্ত্ৰৰ ভাৰসাম্যতা বজাই ৰাখিব পাৰে। ইমান দিনে ঘৰতে থাকি অযথা বহুত খাদ্য নষ্ট কৰে, কিন্তু এইখন দেশতে হেজাৰ হেজাৰ মানুহে খাবলৈ নাপাই মৃত্যুমুখত পৰে। গতিকে এক সীমিত পৰিমাণকে খাই খাদ্যশৃংখল ধৰি ৰাখিব পাৰে। ঘৰৰ পিছফালে, ঘৰৰ চাঁদৰ ওপৰত আৰু আগফালে খালী হৈ থকা মাটিখিনিত আপুনি সৰু-সুৰা বাগিচা বনাব পাৰে। এই বাগিচাত আপুনি ফুলৰ পৰা আদি কৰি ফলমূল, মছলা জাতীয় গছ লগাব পাৰে। এই বাগিচাই পৰিৱেশ সুস্থ কৰাৰ লগতে খাদ্য প্ৰদান কৰিব। দৈনিক-দিনে বজাৰৰ পৰা চবজি কিনি আনো আৰু তাৰ পৰা খাদ্য বনাও। খাদ্য বনাওতে অযথা আমি বহু নষ্ট কৰো বা অলাগতিয়াল অংশখিনি ঘৰৰ নলা-নৰ্দমাত পেলাই দিওঁ। কিন্তু আমি তাকে নকৰি পেলনীয়া সামগ্ৰীখিনি গোটাই এটা পাত্ৰত জমা কৰি ৰাখিব পাৰো। এটা সময়ত পচিব আৰু এইখিনি উত্তম সাৰ হিচাপে বাগিচাত ব্যৱহাৰ কৰিব পাৰো। এইখিনি কৰিলে পৰিৱেশ দূষিত কৰাৰ পৰা বিৰত ৰাখিও পৰিৱেশ জৈৱিক কৰি তুলিব পাৰোঁ। নিতৌ বজাৰ কৰিব যাওঁতে পৰাপক্ষত মোনা লৈ যাওক যাতে প্লাষ্টিক জাতীয় বস্তুৰ ব্যৱহাৰ কমাই দিব পাৰো। যিহেতু এই প্লাষ্টিক জাতীয় সামগ্ৰীবোৰ মাটিৰ লগত পচি নাযায়। গতিকে যিমান পাৰি এই প্লাষ্টিকজাতীয় সামগ্ৰী ব্যৱহাৰ কৰাৰ পৰা বিৰত থাকক। আপুনি বাৰু আহিবলগীয়া প্ৰজন্মৰ বাবে অলপ কিবা এটা হ'লেও কৰিবলৈ মন যায় নে? এক সমীক্ষা মতে ২০৫০ চনত গোটেই বিশ্বতে খোৱাপানীৰ অভাৱ ঘটিব আৰু পানীৰ বাবে হাহাকাৰ অৱস্থাৰ সৃষ্টি হ'ব। প্ৰায়ভাগ লোকৰে ঘৰতে পানীৰ সদ্ব্যৱহাৰ কৰা দেখা নাযায়। অবাবতে পানী ব্যৱহাৰ কৰে, তাৰ ফলশ্ৰুতিত আহিবলগীয়া ভৱিষ্যত প্ৰজন্মলৈ বিপদৰ শংকাই চিন্তিত কৰি তুলিছে। কেৱল মিটিং এখন পাতিয়েই যে পৰিৱেশ সজাগতা আনিব পাৰে ঠিক তেনেকুৱা নহয়। দেওঁবাৰৰ দিনটো নহ'লে আবেলিৰ চাহ একাপৰ সৈতে গপ্‌চপ মৰাৰ অভ্যাস আছে, তেন্তে আপুনি এই পৰিৱেশত পৰিৱেশ জাতীয় বিষয় লৈ আলাপ-আলোচনা কৰিব পাৰে। আজিৰ যুগত আটাইতকৈ উত্তম উপাই হৈছে ছ'চিয়েল নেটৱৰ্কবোৰ যি এতিয়া প্ৰতিজন মানুহৰে প্ৰিয়। আপুনি যি কোনো পৰিৱেশৰ লগত সংগতি থকা বিষয় শ্বেয়াৰ কৰিব পাৰে আপোনাৰ বন্ধু-বান্ধৱীক আৰু এক নতুন সজাগতা সৃষ্টি কৰিব পাৰে। তেতিয়াহে আমাৰ পৃথিৱীখনত চিৰসেউজ পৰিৱেশে বিৰাজ কৰিব, লগতে ভৱিষ্যত প্ৰজন্ম অন্ধকাৰৰ পৰা সুৰক্ষিত হ'ব পাৰিব। গতিকে আহকচোন আমি সকলোৱে বিশ্বজুৰি বিশ্ব পৰিৱেশ দিৱসৰ পৰিৱৰ্তে অন্য দিনতো গছ-গছনি ৰোপণ কৰি ভয়ংকৰ সন্ত্ৰাসৰ পৰা আমাৰ চিৰ সেউজ পৃথিৱীখন বচাই ৰাখো।



*ফোন: ৬০০২৬৬৬৫৯৩*

# ৫ জুন

## প্ৰকৃতি সুৰক্ষাত নৱ-প্ৰজন্মৰ ভূমিকা

■ তেজস্বিতা কৰবী

◆ ◆ ◆

*আজিৰ সময়ৰ আমাৰ বাবে অতি প্ৰয়োজনীয় বিষয়টোৰেই হৈছে গছপুলি ৰোপণ। গছেই যে আমাৰ জীৱন সেই কথা সকলোৱে জানো। পিছে সেই কথা জানিও জানো আমি একে ভুলকে কৰিৈ থকা নাই?*

◆ ◆ ◆

প্ৰকৃতিক কেন্দ্ৰ কৰি মানুহৰ কল্পনাৰ অন্ত নাই। আদিম কালৰে পৰা মানৱ সমাজৰ জ্ঞান আৰু প্ৰজ্ঞাৰ ক্ৰমবিকাশত প্ৰাকৃতিক পৰিৱেশৰ ভূমিকা অন্যতম। এটা সুন্দৰ পৰিৱেশে এজন ব্যক্তিৰ অন্তৰত জগাই তোলে সৃষ্টিশীল দক্ষতা। প্ৰাকৃতিক আৰু সামাজিক দুয়োটা পৰিৱেশ সুন্দৰ আৰু সবল হৈ থাকিলেহে সুস্থ পাৰিপাৰ্শ্বিক অৱস্থা গঢ় লৈ উঠাটো সম্ভৱ।

প্ৰকৃতিৰ লগত মানুহৰ আছে নিবিড় সম্পৰ্ক। প্ৰকৃতি অবিহনে মানুহ জীয়াই থাকিব নোৱাৰে। আমি প্ৰতিক্ষণ পৰিৱেশৰ লগত জড়িত। সম্প্ৰতি ব্যক্তিমুখী চিন্তাধাৰাই মানুহক যেন প্ৰকৃতিৰ পৰা ক্ৰমশঃ দূৰ কৰি আনিছে। আধুনিক জীৱনটো উপভোগ কৰিবলৈ গৈ মানুহে নষ্ট কৰি পেলাইছে প্ৰকৃতিৰ সকলো সৌন্দৰ্য। প্ৰদূষিত কৰি তুলিছে ধৰিত্ৰী। অধিক সা-সম্পত্তি, অধিক ক্ষমতা এইবোৰৰ গৰাকী হ'বলৈ গৈ মানুহে প্ৰকৃতিৰ ওপৰত নানান অত্যাচাৰ চলাব ধৰিছে। ফলত গোলকীয় উষ্ণতা মানৱ সভ্যতাৰ বাবে অভিশাপ হৈ পৰিছে। কিছুমান অবিবেচক তথা অপৰিকল্পিত কাৰ্যৰ বাবেই আমাৰ চৌপাশে বিৰাজ কৰা শান্ত, শীতল, সেউজ, নিৰ্মল পৰিৱেশৰ ভাৰসাম্যতা বিনষ্ট হোৱাত জীৱকুল সন্মুখীন হৈছে এক অভূতপূৰ্ব ভয়াৱহতাত। এয়া কিন্তু শুভ লক্ষণ নহয়। ডাঙৰ ডাঙৰ মহানগৰ, চহৰসমূহত বাস কৰা লোকসকলৰ ল'ৰা-ছোৱালী তথা নৱ-প্ৰজন্মই প্ৰকৃতিৰো যে এই অপৰূপ সৌন্দৰ্য আছে তাক উপলব্ধি কৰিব নোৱাৰে। এইক্ষেত্ৰত দায়ী কিন্তু আমিয়েই।

বৰ্তমান মানুহে প্ৰাকৃতিক পৰিৱেশ এনেকৈ ধ্বংস কৰিছে যে তাৰ পৰা পৰিত্ৰাণ পাবলৈ চৰকাৰে আইন প্ৰণয়ন কৰিব লগা হৈছে। আজিৰ সময়ৰ আমাৰ বাবে অতি প্ৰয়োজনীয় বিষয়টোৰেই হৈছে গছপুলি ৰোপণ। গছেই যে আমাৰ জীৱন সেই কথা সকলোৱে জানো। পিছে সেই কথা জানিও জানো আমি একে ভুলকে কৰি থকা নাই? মাটি আৰু বতাহক জীৱন উপযোগী কৰি ৰখাত গছ-গছনিৰ ভূমিকা অপৰিহাৰ্য। প্ৰকৃতি সুৰক্ষিত হৈ নাথাকিলে আমাৰ জীৱন ধাৰণত বিৰূপ প্ৰভাৱ পৰাৰ লগতে পৃথিৱীৰ জীৱ জগতৰ প্ৰতি ভাবুকিৰ সৃষ্টি হ'ব। জন-বিস্ফোৰণ আৰু প্ৰাকৃতিক দুৰ্যোগ যেনে— ভূমিস্খলন, ভূমিকম্প, বানপানী, ধুমুহা আদিৰ দ্বাৰা ইতৰ জীৱবোৰৰ নিৰ্যাতন আৰু বিপৰ্যয় ঘটিব। সেয়ে আমি প্ৰকৃতি সুৰক্ষাত মনোনিৱেশ কৰা উচিত। এইক্ষেত্ৰত দৃঢ় পদক্ষেপ গ্ৰহণ কৰিব লাগিব বিশেষকৈ নৱ-প্ৰজন্মই। প্ৰকৃতিক সুৰক্ষা দিবলৈ নিজৰ লগতে সমাজখনকো সচেতন কৰি তুলিব লাগিব। ঠায়ে ঠায়ে গছপুলি ৰোপণ কৰা, কৰ্মশালা পাতি প্ৰকৃতি সুৰক্ষাৰ বিষয়ে সজাগতা বৃদ্ধি, বাটৰ নাট, তথ্যচিত্ৰৰ দ্বাৰা অশিক্ষিত লোকসকলৰ সমস্যাৰ গভীৰতা বুজাই দিয়া আদি পদক্ষেপসমূহ গ্ৰহণ কৰিব লাগে। তদুপৰি প্ৰকৃতিৰ ওপৰত জীৱশ্ৰেষ্ঠ মানৱৰ অবিবেচক কাৰ্যাৱলী যাতে অদূৰ ভৱিষ্যতে নিয়ন্ত্ৰণলৈ আনিব পাৰি তাৰ বাবে সচেতনতা অৱলম্বন কৰাটো নিতান্তই প্ৰয়োজন।

প্ৰতি বছৰে বিশ্ব পৰিৱেশ দিৱস আমি মহা আয়োজনেৰে পালন কৰিছোঁ, গছপুলি ৰুই প্ৰকৃতি ৰক্ষাৰ জয়গান গাইছোঁ। কিন্তু কাৰ্যতঃ হৈছে কি? কালক্ৰমত সকলো জহি-খহি যোৱাৰ উপক্ৰম হৈছে। ইয়াৰ প্ৰধান কাৰণ হৈছে আমাৰ সচেতনতাৰ অভাৱ। কেৱল ৫ জুন দিনটো এটি উৎসৱ হিচাপে পালন নকৰি প্ৰতিটো দিনেই সুস্থ আৰু নিকা পৰিৱেশ সৃষ্টি কৰাই হ'ব লাগে আমাৰ প্ৰধান কৰ্তব্য।

আহক আমি সকলোৱে অৰণ্য মানৱৰ দূৰদৰ্শিতাৰ প্ৰতি সন্মান জনাই আৰম্ভ কৰো এক সেউজ যাত্ৰা। অদেখা দিনত আহিবলগীয়া প্ৰজন্মই এখন সৰ্বাংগসুন্দৰ সেউজৰ উপহাৰ পাব।

*ফোন ঃ ৭৮৯৬৮-৪৪৭৯৬*



# বিশ্ব পৰিৱেশ দিৱস

## পুনৰ কল্পনা কৰক, পুনৰ সৃষ্টি কৰক, পুনৰুদ্ধাৰ কৰক, একেলগে

■ নৱ ডেকা



এইটো স্বতঃসিদ্ধ যে বিনন্দীয়া প্ৰকৃতি হ'ল মানৱ জীৱনৰ পৰম বন্ধু। শ্যামলিমা প্ৰকৃতিৰ লগত জন-জীৱনৰ সম্বন্ধ অতি নিগূঢ়। প্ৰাণ প্ৰদায়িনী প্ৰকৃতি জীয়াই নাথাকিলে মানৱ জাতিৰ বিনাশ যে অৱশ্যম্ভাৱী সেইটো সৰ্বজনবিদিত। আকৌ সুষমা-নিৰুপমা প্ৰকৃতিৰ ভাৰসাম্যতা সম্পূৰ্ণৰূপে নিৰ্ভৰশীল সুস্থ-সবল পৰিৱেশতন্ত্ৰৰ আন্তঃগাঁথনিৰ ওপৰত গতিকে সুস্থ প্ৰকৃতিৰ বাবে সুস্থ জৈৱ-বৈচিত্ৰ্য নিতান্ত বাঞ্ছনীয়। সাম্প্ৰতিক সময়ত সুস্থ-সবল পৰিৱেশতন্ত্ৰৰ বাতাৱৰণ জীৱশ্ৰেষ্ঠ মানৱৰ মহাসম্ভোগ আৰু বিনন্দ বিলাসৰ বাবে হওক নতুবা ঔদ্যোগীকৰণ আৰু নগৰায়নৰ বাবেই হওক বিনষ্ট দিশত ধাৱমান হৈছে। বৰ্ষাৰণ্য ধ্বংস আৰু জৈৱ বৈচিত্ৰ্য বিলুপ্তিৰ বাবে চৌদিশে এক কলুষিত বাতাৱৰণে ছানি ধৰাৰ উপক্ৰম হৈছে আমাৰ মনোৰম বসুন্ধৰাখন। লক্ষণীয় কথাটো হ'ল যে সাধাৰণতে সুস্থিৰ পৰিৱেশতন্ত্ৰৰ বাবে অন্যান্য কাৰকৰ লগতে পৰিৱেশতন্ত্ৰৰ আৱেষ্টনীটো ভিতৰ অঞ্চলতো ৩৩ শতাংশ সেউজীয়া উদ্ভিদেৰে আৱৰি থকাটো নিতান্ত বাঞ্ছনীয়। কিন্তু পৰিতাপৰ বিষয় যে সম্প্ৰতি অসমৰ লগতে উত্তৰ-পূৱ ভাৰতত ইয়াৰ পৰিমাণ টুটি ২৫ শতাংশলৈ অৱনমিত হৈছে। আনহাতে, পৃথিৱীৰ মুঠ জৈৱ-বৈচিত্ৰ্যৰ প্ৰায় ৯৮ শতাংশ বিলুপ্তিৰ পথত। শেহতীয়াভাৱে একেৰাহে তিনি বছৰ ধৰি বিশ্বব্যাপী সেউজগৃহ গেছ নিৰ্গমন বৃদ্ধি পোৱাটোৱে সচেতন নাগৰিকৰ মূৰৰ কামোৰণিৰ সৃষ্টি কৰিছে। জলবায়ু পৰিৱৰ্তন হৈ পৃথিৱীৰ উষ্ণতাত যি হাৰত দিনক দিনে বৃদ্ধি পাই আছে, ভূগৰ্ভস্থ সঞ্চিত পানী আৰু ইন্ধন যি মাত্ৰাধিকভাৱে হ্ৰাস পাই আহিছে আৰু বায়ু, পানী, মাটি আৰু শব্দ প্ৰদূষণৰ প্ৰভাৱত পৰি যি হাৰত প্ৰদূষিত হৈ আহিছে সুনিৰ্মল বায়ু, বিশুদ্ধ পানী, উৰ্বৰ মাটি আৰু কোলাহলশূন্য নিৰ্জনতা আদি পৰ্বতত কাছৰ কণী বিচৰাৰ লেখীয়া হ'বলৈ আৰু বেছিদিন অপেক্ষা কৰিব নালাগিব কিজানি। এই কথা উপলব্ধি কৰিয়ে বিশ্ব-বিশ্ৰুত বিজ্ঞানী ষ্টিফেন হকিঙে ভৱিষ্যদ্বাণী কৰি গৈছিল— অহা এশ বছৰৰ ভিতৰত পৃথিৱীখন মানুহৰ বাবে বসবাসৰ অনুপযোগী হৈ পৰিব।

সঁচাকৈ মানৱসৃষ্ট অসুস্থ পৰিৱেশতন্ত্ৰৰ কু-প্ৰভাৱৰ কু-ফল ভোগ কৰিবলৈ মানুহক বেছি দিন নিশ্চয় নালাগিল। সম্প্ৰতি দেশজুৰি কৰ'না অতিমাৰীৰ সংহাৰী ৰূপ তাৰ জলজল-পটপট উদাহৰণ। ক'ভিড-১৯ৰ জৰুৰীকালীন পৰিৱেশে গোটেই বিশ্বক সোঁৱৰাই দিছে যে পৰিৱেশতন্ত্ৰৰ ধ্বংসৰ পৰিণাম কিমান ভয়ানক হৈ পৰে। অক্সিজেনৰ অভাৱত কেনেকৈ কৰ'না সংক্ৰমিত ব্যক্তিয়ে তিলতিলকৈ অকাল মৃত্যুক সাবটি ল'বলৈ বাধ্য হৈছে। আত্মীয়-স্বজনে নিঃসহায় হাতেৰে নিথৰ-থৰ হৈ থকাৰ বাহিৰে আন কোনো পথেই মুকলি নথকাৰ বাবে মুক্ত আকাশ ভাগি পৰাৰ উপক্ৰম হৈছে। একেদৰে জীৱ-জন্তুৰ প্ৰাকৃতিক বাসভূমি-অৰণ্যৰ ধ্বংসলীলাৰ ফলত ক'ভিড-১৯ৰ অবাধ সংক্ৰমণৰ এক অনুকূল পৰিৱেশ সূচনা কৰিছে। আনহাতে, যদি দেশৰ মেৰুদণ্ডস্বৰূপ অৰ্থনৈতিক ক্ষেত্ৰখনত চকু ফুৰাও তেতিয়া স্পষ্ট হৈ পৰে যে পৰিৱেশতন্ত্ৰৰ অধঃপতনে দেশৰ অৰ্থনৈতিক পতনৰ দিশ বাৰুকৈয়ে উন্মোচিত কৰিছে। যিহেতু দেশৰ মুঠ ঘৰুৱা উৎপাদন (DGP) নিৰ্ভৰ কৰে পৰিৱেশতন্ত্ৰৰ উপযুক্ত সেৱাৰ ওপৰত। কৰ'নাসৃষ্ট অতিমাৰীত সেৱাসমূহৰ অৱক্ষয়ে ব্যৱসায়-বাণিজ্য আদিৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাই বিপদ ঘণ্টা বজোৱাটো ইতিমধ্যে সকলোৱে দৃষ্টিগোচৰ হৈছে। গতিকে চকু বন্ধ কৰি ক'ব পাৰি যে সমগ্ৰ বিশ্বৰ পৰিৱেশ আৰু পাৰিপাৰ্শ্বিকতা আজি ধ্বংসমুখী আৰু প্ৰদূষণৰ কৰাল গ্ৰাসত। গতিকে মানৱ সমাজে কৰা কৃতকৰ্মৰ পৰিণাম স্বৰূপে সমগ্ৰ জীৱকুলে আজি দুৰ্ভোগ ভুগিবলৈ আৰম্ভ কৰিছে।

প্ৰণিধানযোগ্য যে এই সংসাৰৰ চৌৰাশী লাখ জীৱৰ ভিতৰত মানুহেই হ'ল সৰ্বোতকৃষ্ট। জীৱশ্ৰেষ্ঠ মানৱৰ এনে অপকৰ্ম সঁচাকৈ গৰিহণাৰ যোগ্যই নহয়, নিজৰ মৰণ-ফান্দ নিজে পতাৰ লেখীয়া। গতিকে মানৱ সমাজে নিজক আত্মবিশ্লেষণ কৰাৰ সময় সমাগত। সকলোৱে যদি মনৰ সংকীৰ্ণতা বিসৰ্জন দি আৰু দৃষ্টিভংগীৰ কিছু পৰিৱৰ্তন কৰি নতুনকৈ পৃথিৱীখনক বাসোপযোগী কৰিবলৈ কল্পনা কৰোঁ তেতিয়া নিশ্চয় আকৌ সুজলা-সুফলা, শস্য-শ্যামলা, মলয়জ-শীতলা প্ৰকৃতি সৃষ্টি হ'বলৈ বেছি দিন অপেক্ষা কৰিব নালাগিব। কলুষ-কালিমাৰে আৱৰি ধৰি বিষমিশ্ৰিত হতভগীয়া প্ৰকৃতি গুচি আকৌ ন সাজোন-কাচোনেৰে মানৱৰ আজন্ম প্ৰশান্তিৰ নিলয় হৈ উঠিব। সেয়েহে হয়তো বিশ্ব পৰিৱেশ দিৱস- ২০২১ৰ মূল বিষয়বস্তু নিৰ্বাচিত কৰিছে— পুনৰ কল্পনা কৰক, পুনৰ সৃষ্টি কৰক, পুনৰুদ্ধাৰ কৰক, একেলগে। এইখিনিতে উল্লেখ কৰিব পাৰি যে পৰিৱেশ সম্পৰ্কে জনগণৰ মাজত সজাগতা আৰু সচেতনতা বৃদ্ধি কৰাৰ মানসেৰে ১৯৭৩ চনৰ পৰা ৫ জুন দিনটো ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ দ্বাৰা বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন কৰি আহিছে। এই বিশেষ দিনটোত ৰাষ্ট্ৰসংঘই পৃথিৱীৰ পৰিৱেশতন্ত্ৰক জৰুৰীকালীনভাৱে পুনৰুজ্জীৱিত কৰিবলৈ চৰকাৰ, বিনিয়োগকাৰী, ব্যৱসায়ী, চৰকাৰী, অৰ্ধ চৰকাৰী, বেচৰকাৰী দল-সংগঠন সমন্বিতে সকলো জনসাধাৰণৰ মনোযোগ কেন্দ্ৰীভূত কৰিবলৈ প্ৰয়াস কৰি অহাটো সঁচাকৈ প্ৰশংসনীয় পদক্ষেপ। এইটো একেবাৰে সত্য নহয় যে পৰিৱেশৰ ভাৰসাম্য ৰক্ষা কৰিবলৈ এৰি বিশ্বই হাত সাবটি বহি আছে। বিশ্বৰ অন্যান্য দেশৰ লগতে আমাৰ দেশতো বিভিন্ন আঁচনি চৰকাৰীভাৱে গ্ৰহণ কৰিছে। বছৰি কোটি কোটি টকা আবণ্টিত হৈ আহিছে আঁচনিৰ ফলপ্ৰসূ ৰূপায়ণৰ নিমিত্তে। পৰিৱেশ সংবেদনশীল চৰকাৰী, অৰ্ধ-চৰকাৰী আৰু বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠনে উল্লেখনীয় পদক্ষেপ গ্ৰহণ নকৰাও নহয়। এইক্ষেত্ৰত গোটাদিয়েক প্ৰকৃতিপ্ৰেমী হৃদয়ৱান ব্যক্তি আৰু অপেছাদাৰী ব্যক্তিৰ সম্পূৰ্ণ আত্মনিয়োগ নিশ্চয় শলাগ নলৈ নোৱাৰি। তৎসত্ত্বেও পৰিৱেশ আৰু ভূ-বিজ্ঞানীসকলে বাৰম্বাৰ মানৱ জাতিৰ আসন্ন প্ৰলয়ৰ কথা সোঁৱৰাই দি থকাটোৱে সকলো যেন ফুটুকাৰ ফেন হৈপৰিছে তাকে সূচায়। আণুবীক্ষণিক দৃষ্টি নিক্ষেপ কৰিলে দেখা যায় চৰকাৰী আঁচনিসমূহ সঠিকভাৱে ৰূপায়ণ হয়তো হোৱা নাই নতুবা হ'বলৈ দিয়া হোৱা নাই এচাম স্বাৰ্থান্বেষী বিষয়া, আমোলা, ঠিকাদাৰৰ মইমতালিত। মুষ্টিমেয় কেইগৰাকীমান ব্যক্তিয়ে দেহে-কেহে খাটি বিপন্ন বসুন্ধৰাৰ হেৰোৱা সুবাস ওভতাই আনিব বুলি মনত সান্ত্বনা লভিলে নহ'ব। ইতিবাচক মনোভংগীৰে দেশৰ আবাল-বৃদ্ধ-বনিতা সাজু হ'ব লাগিব ন-উদ্যমেৰে পুনৰুজ্জীৱিতকৰণৰ বাবে। উন্নয়নৰ নামত হৈ থকা বনাঞ্চলৰ ধ্বংসযজ্ঞ একেমুখে ৰোধ কৰি সামাজিক বনানীকৰণত মনোনিৱেশ কৰিব লাগিব। প্লাষ্টিকজাতীয় সামগ্ৰীসমূহৰ ব্যৱহাৰত অতি সজাগ আৰু সচেতনতা অৱলম্বন কৰিব লাগিব। গোলকীয় উষ্ণতা বৃদ্ধিৰ পৰা সকাহ পাবলৈ ঔদ্যোগীকৰণৰ ওপৰত বিশেষ সাৱধানতা অৱলম্বন কৰা নিতান্ত প্ৰয়োজনীয় হৈপৰিছে। পাৰিপাৰ্শ্বিক প্ৰভাৱ অধ্যয়ন নকৰাকৈ বৃহৎ বৃহৎ নদীবান্ধ প্ৰকল্প কাৰ্যকৰীকৰণৰ পৰা বিৰত থকা উচিত। প্ৰাকৃতিক সম্পদ আহৰণৰ ক্ষেত্ৰত সহমৰ্মিতা পোষণ কৰি মিতাহাৰী আৰু মিতব্যয়ী হোৱাটো নিশ্চয় পৰিৱেশ সংৰক্ষণৰ দিশত ধাৱমান হোৱা এক অন্যতম ঢাপ বুলি বিবেচিত কৰিব পাৰি। এইক্ষেত্ৰত সকলোৱে মনে-প্ৰাণে মহামানৱ মহাত্মা গান্ধীয়ে কৈ যোৱা অমৃতোপম বাণীফাকি সাৰোগত কৰিলে নিশ্চয় উপকৃত হ'ব। তেওঁ কৈছিল— The Earth provides enough to satisfy every man's needs but not every man's greed.

পৰিশেষত অৱতাৰণা কৰিব বিচাৰোঁ যে প্ৰকৃতিৰ বায়ু, পানী সেৱন কৰি, মাটিত উমলি-জামলি জীৱনৰ আদিপাঠ আৰম্ভ কৰা মানুহৰ হাততেই আছে তাৰ সংৰক্ষণৰ চাবি-কাঠী। মাথোন সদিচ্ছা আৰু মানসিকতা প্ৰদৰ্শনৰ প্ৰয়োজন। তেতিয়া নিশ্চয় সেউজীয়া পৃথিৱীখন সদায় সেউজীয়া হৈ থাকিব। নিজেও সুৰক্ষিত হৈ থাকিব পাৰিব আৰু ভৱিষ্যৎ প্ৰজন্মই এখন সুস্থ, নিকা, নিৰাপদ বাসোপযোগী পৃথিৱীৰ বাসিন্দা হৈ পৰম গৌৰৱবোধ কৰিব পাৰিব।

*ফোন ঃ ৭৫৭৬৮-৯৫৯৭০*

# উপহাৰত এটিকৈ গছপুলি প্ৰদান কৰোঁ আহক

■ দিবাকৰ ৰেণু

'এক বৃক্ষ দশ পুত্ৰ সম'— এই মহান আৰু চিৰসত্য বাণী আছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ। মহাপুৰুষজনাই তেওঁৰ বিভিন্ন ৰচনাৰ মাজতে বৃক্ষ এজোপাৰ সত্যতা বিচাৰ কৰিবলৈ চেষ্টা কৰিছিল। অসমীয়া লোক-সংস্কৃতি আৰু লোক-বিশ্বাসৰ এক এৰাব নোৱৰা অংগ হ'ল গছ বা বৃক্ষ। গছপুলি ৰোপণৰ বিভিন্ন লোক-কথা বা পৰম্পৰাই অসম অতীজৰে পৰা প্ৰকৃতিৰ প্ৰতি যে অত্যন্ত দায়বদ্ধ, সেয়া নিশ্চিত কৰিব পাৰি। অসমৰ লোক-জীৱনত গছপুলি ৰোপণ কৰা প্ৰথাই ধৰ্মীয় প্ৰেক্ষাপটতো ভুমুকি মাৰিছিল। বৰ্তমানেও এই প্ৰথা আছে। সেই প্ৰথাসমূহৰ ভিতৰত বৃক্ষ পূজনৰ ৰীতি-নীতিও অন্যতম। এই ৰীতি বা পৰম্পৰা অতি পুৰণি। হাজাৰ বছৰ আগতে গছৰ খোৰোং, বৃহৎ আকৃতিৰ ডাল আৰু জোপোহা পাতৰ আঁৰতেই মানুহৰ বসতি আছিল। আনকি মানুহে খাদ্য আৰু খাদ্য উৎপাদনৰ বাবে যিবিলাক জীৱ-জন্তুক ব্যৱহাৰ কৰিছিল, সেই জীৱ-জন্তুসমূহৰো খাদ্য আৰু বসতিস্থান আছিল সেই গছ-বন-অৰণ্যসমূহেই। মানুহৰ মাজত শ্ৰেণী বিভাজন হোৱাৰ বহু বছৰ আগতেই যাযাবৰী জীৱন-যাপন কৰা মানুহে বল্কল পিন্ধি লজ্জা নিবাৰণ কৰিছিল। বিভিন্ন সমস্যাসমূহৰ লগতে ৰোগ নিৰাময়ৰ বাবে মানুহে গছ-বনৰ পাত, ঠাৰি, আলু, শিপা, ফল আদিকেই দৰব হিচাপে গ্ৰহণ কৰিছিল। গছ-বনৰ লগত থকা অংগাগী সম্পৰ্কই এক পৰম্পৰাৰ মূল কাৰণ। মিচৰ, বেবিলন আদি অঞ্চলতো এই পৰম্পৰাৰ ইতিহাস পোৱা যায়।

ভাৰতীয় সভ্যতা-সংস্কৃতিতো বেল গছ, তুলসী, দূবৰি, চন্দন, বট, আহত, আমলখি, নাগেশ্বৰ, সিজু আদি গছ বা উদ্ভিদক ভক্তি ভাবেৰে চোৱা হয়। অসমীয়া সংস্কৃতিত আৰ্যতেৰ সংস্কৃতিৰ অনেক প্ৰভাৱ দেখা যায়। অসমৰ জনজাতীয় সম্প্ৰদায়ৰ বড়োসকলে সিজু গছক পূজা কৰে। বড়োসকলৰ উপাস্য বাথৌ দেৱতাক সিজু গছৰ প্ৰতীকত ব'হাগ মাহত পূজা কৰা হয়। বড়োসকলে সিজু গছৰ তলত বাথৌ দেৱতাক সন্তুষ্ট কৰাৰ বাবে কুকুৰা চৰাই, পাৰ চৰাই বলিও দিয়ে।

অসমৰ বিহু তিনিটাৰ ভিতৰত ব'হাগ বিহুত গৰুক যি পাতেৰে কোবোৱা হয়, সেই গছৰ নাম দীঘলতি আৰু মাখিয়তী। গৰু বিহুৰ দিনা তৰা, নাগেশ্বৰ গছৰ পাত, আমৰ পাত আৰু বাঁহৰ লৰু ব্যৱহাৰ হয়। এই সময়ত ব্যৱহৃত সকলো সামগ্ৰীকেই ভক্তিভাৱেৰে ৰখা হয়। ব'হাগ মাহত আহত গছ আৰু বৰগছ বা বট গছৰ মাজত বিয়া পতাও প্ৰথা আছে। সেই সময়ত অসমৰ বিভিন্ন অঞ্চলত বাঁহ পূজা বা পাউৰা তোলা বা ভঠেলি উৎসৱ পালন কৰা হৈছিল। আনহাতে, মাঘ বিহুত ভেলাঘৰটো বাঁহেৰেই সজা হয়। কাতি বিহুত মূলতঃ তুলসীৰ তলত বন্তি জ্বলোৱা নিয়ম। বৃক্ষ পূজাৰ ভিতৰত তুলসী পূজা অসমীয়া সনাতনী পৰম্পৰাত আহ্নিক। আহিন-কাতিৰ সংক্ৰান্তিৰ দিনা প্ৰতিঘৰ অসমীয়াৰ ঘৰতে তুলসীৰ ভেটি কৰি তুলসী গছ ৰোৱা হয়। পুৰণি তুলসী গছ থাকিলেও নতুন তুলসী এজোপা হ'লেও ৰুই লোৱাতো নিয়ম। তুলসীৰ ভেটি মচি, ভেটিৰ সমুখত এটা কল-পুলি ৰুই তাত বন্তি জ্বলাই, মাহ-প্ৰসাদ, নৈবেদ্য দি সেইদিনা সন্ধিয়া নাম-কীৰ্তন কৰা হয়। সেইদিনা সন্ধিয়াৰ পৰা এমাহলৈ তুলসীৰ গুৰিত বন্তি প্ৰজ্বলন কৰিব লাগে। কোনো কোনোৱে আকাশ বন্তিও দিয়া দেখা যায়। আৰু পুৰা তুলসী ভেটি মচি পৰিষ্কাৰ কৰা হয়। এই কামবোৰ অসমীয়া নাৰীয়ে বৰ পবিত্ৰ কাম বুলি গণ্য কৰে। তুলসী পাতেৰে ছটিওৱা পানীয়ে ঘৰ শুদ্ধ কৰে বুলি লোক-বিশ্বাস আছে। আঁহত, বট, জৰী, আম, ডিমৰু— এই পঞ্চ পল্লৱেৰে ঘট স্থাপন কৰি পূজা কৰা হয়। শাৰদীয় দুৰ্গা পূজাত অপৰাজিতা, ডালিম, মানকচু, কচু, গছ, ধান, হালধি, আশোক, জয়ন্তী আৰু কলগছক একেলগ কৰি নৱ-পত্ৰিকা স্থাপন কৰা হয়।

নলবাৰীৰ টিহুৰ ওচৰৰ নমাটিত এক সন্তানহীন ব্ৰাহ্মণ দম্পতীয়ে আঁহত গছক পুত্ৰপ্ৰাপ্তিৰ বাবে আন এজোপা বট গছৰ লগত অতি জাক-জামকতাৰে বিবাহ অনুষ্ঠিত কৰিছিল বুলি নমাটি মজলীয়া বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষৰ স্মৃতিগ্ৰন্থত উল্লেখ পোৱা যায়। এই ঘটনা প্ৰায় ডেৰশ বছৰ আগৰ। পুষ্পিতা হোৱা কন্যাক প্ৰথমে কলগছক বিয়া দিয়া প্ৰথাই অসমীয়া লোকৰ বৃক্ষ প্ৰেমৰ কথাকেই ইংগিত কৰে। গ্ৰামাঞ্চলৰ অসমীয়া সমাজখনৰ লগত এনে অযুত নিয়ম জড়িত হৈ থকা দেখা যায়, যিসমূহ গছৰ লগতেই সংযুক্ত। অসমীয়া তোলনি বিয়াত চাৰিদিনীয়া আৰু সাতদিনীয়া স্নানৰ পাছত নতুনকৈ ৰোৱা নিখুঁত কলপুলি এটাক স্বামীৰূপে সেৱা কৰা হয় আৰু লাগনী গছলৈ চাই উৰ্বৰতাৰ আকাংক্ষাৰে প্ৰণাম জনোৱা হয়।

বিশ্বাস বা অন্ধবিশ্বাসেই হওক, অসমীয়া লোক-সংস্কৃতি আৰু জন-জীৱনত গছক অতি উচ্চ আসন দিয়া হয়। গছৰ প্ৰতি থকা এই ভক্তিভাৱেই অসমীয়া সমাজখন যে অতীজৰে পৰাই প্ৰকৃতি প্ৰেমী তাক প্ৰমাণ কৰে।

অসমত যদিওৱা চিপকো বা বিষ্ণৌসকলৰ পৰিৱেশ আন্দোলনৰ দৰে কোনো আন্দোলন হোৱা নাই, অসমৰ যাদৱ পায়েং বা বকুল গগৈ আদি প্ৰকৃতিপ্ৰেমীয়ে সদায় প্ৰকৃতি সুৰক্ষাৰ বাবে মাত মাতি আহিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে শিলিখা গছৰ তলত বহিয়ে দশম আৰু কীৰ্তন পঢ়া বুলি জনা যায়। আনহাতে, সাঁচি গছৰ বাকলিতেই সেই সময়ত পুথি ৰচনা কৰা সেই প্ৰথাক আজিও সভক্তিৰে বিবেচনা কৰা হয়।

কিন্তু বৰ্তমান সময়ত লকডাউনৰ প্ৰভাৱত যদিওৱা পৃথিৱীৰ পৰিৱেশ কিছু উন্নত হৈছে, যদিও মানুহে প্ৰকৃতিৰ ওপৰত দিনে-নিশাই বিভিন্ন প্ৰক্ৰিয়াৰে জ্ঞাত বা অজ্ঞাতে অত্যাচাৰ কৰি আহিছে। যাৰ বাবে হাতী-মানুহৰ সংঘাতকে ধৰি অনেক প্ৰাকৃতিক পৰিঘটনাৰ উদ্ভৱ হৈছে। বিশ্ব পৰিৱেশ দিৱসত এটা গছপুলি ৰোপণতেই সমাপ্ত হৈছে আমাৰ প্ৰকৃতিপ্ৰেম। ইয়াৰ মূল আসোঁৱাহ হ'ল আমাৰ প্ৰদৰ্শনকামী কিছুমান কাৰ্য। আমি আমাৰ সমাজত সেই পূৰ্বৰ প্ৰকৃতিপ্ৰেমক প্ৰদৰ্শন কৰিব পৰা নাই। যাৰ বাবে আমাৰ উত্তৰ পুৰুষে প্ৰকৃত সত্য বিচাৰত ব্যৰ্থ হৈছে। কেৱল ৫ জুনতেই কিয়, বছৰৰ প্ৰতিটো দিনতেই গছপুলি ৰোপণ কৰি আমি প্ৰকৃত প্ৰকৃতিপ্ৰেমৰ উদাহৰণ নিদিওঁনো কিয়? বিয়া-সবাহ, অনুষ্ঠান আদিত অভ্যাসগত এখন গামোচাৰ লগতে এটি গছপুলি নিদিওঁনো কিয়? বিবাহৰ দিনা দৰা-কইনাক এটি গছপুলি ৰোপণেৰে নৱ-জীৱন আৰম্ভ কৰিব নিদিওঁনো কিয়? এক বৃক্ষ দশ পুত্ৰসম এই পবিত্ৰ বাক্যষাৰৰ যথাৰ্থতা তেতিয়াহে ৰক্ষা হ'ব, যেতিয়া আপোনাৰ বা মোৰ শিশুটিয়ে গছপুলি ৰোপণৰ প্ৰকৃত মহত্ত্ব বুজি পাব। আহক আমি যিকোনো আনন্দৰ সুযোগতেই এটিকৈ গছপুলি ৰোপণ কৰি প্ৰকৃতিৰ প্ৰতি দায়বদ্ধ হওঁ।

*ফোন ঃ ৮৬৩৮১-৪৩৮১৫*



# পৰিৱেশ প্ৰদূষণ ৰোধৰ দূৰদৰ্শী চিন্তাৰ নায়ক, পৰিৱেশবিদ ঃ শ্ৰীমন্ত শংকৰদেৱ

■ অজয় বৰুৱা

সমগ্ৰ পৃথিৱীত ৰাষ্ট্ৰসংঘই পৃথিৱীখনক প্ৰদূষণমুক্ত কৰিবৰ বাবে যি প্ৰচেষ্টা অব্যাহত ৰাখিছে আজিৰ পৰা প্ৰায় পাঁচশ বছৰ আগতেই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাই আৰম্ভ কৰিছিল এই দূৰদৰ্শী প্ৰচেষ্টা। তেওঁৰ জীৱন দৰ্শন আছিল সত্য-শিৱ-সুন্দৰৰ উপলব্ধি কৰোৱাই পৃথিৱীখনক শান্তিৰে বাসোপযোগী কৰা। চৰকাৰ, বিভিন্ন দল-সংগঠন বা ব্যক্তিগতভাৱে বিভিন্ন আঁচনিৰ দ্বাৰা পৃথিৱীখনক প্ৰাণী সংৰক্ষণ, সংবৰ্ধন, পৰিৱেশ সংৰক্ষণ, পানী সংশোধন-সংৰক্ষণ প্ৰচেষ্টা হাতত লৈছে সেই প্ৰচেষ্টা বা আঁচনি গুৰুজনাই আমাক সেই তেতিয়াই দি থৈ গৈছে। তেওঁ অন্তৰেৰে উপলব্ধি কৰিছিল গজন, ভ্ৰমণ, উৰণ আৰু বুৰণ জগতৰ এই চাৰি মুঠি জীৱৰ মাজত যি সম্পৰ্ক আৰু এই সম্পৰ্কই পৃথিৱীৰ পৰিৱেশ ৰক্ষা কৰি আহিছে। মানুহকে ধৰি এই চাৰি মুঠি জীৱৰ সমতা ৰক্ষা কৰি পৃথিৱীত বসবাস কৰিব পৰাৰ মূল আধাৰ বায়ু, পানী, মাটি, তাপ, পোহৰক প্ৰদূষণমুক্ত কৰি ৰখাটো পৰিৱেশ সংৰক্ষণৰ মূল চৰ্ত। পৃথিৱীত যি অনুপাতে জনসংখ্যা দিনে দিনে বাঢ়ি গৈছে সেই অনুপাতে কিন্তু বনাঞ্চল ক্ৰমান্বয়ে সংকুচিত হৈছে। যাৰ বাবে বায়ু, পানী, মাটি, প্ৰদূষিত হৈ মানুহৰ লগত আন জীৱ-জন্তু জীয়াই থকাৰ এক প্ৰত্যাহ্বান হৈ পৰিছে। সংকুচিত বনাঞ্চলে অতিবৃষ্টি বা খৰাং, উষ্ণতা বৃদ্ধি বা কম আদি বিভিন্ন জলবায়ুৰ তাৰতম্যই দেখা দিছে। পৃথিৱীৰ লগতে অসমত এনে ভয়াৱহতা এদিন নিশ্চিত হ'ব বুলি গুৰুজনাই সেই পঞ্চদশ শতিকাতে অনুমান কৰি, উপলব্ধি কৰি গছ-গছনিক সুৰক্ষা দিয়াৰ নিমিত্তে মানুহক বিভিন্ন কাহিনী, গীত, নাট-ভাওনা আদিৰে পৰামৰ্শ, সতৰ্ক কৰি দিছিল, শিক্ষা দিছিল। 'গছ থাকিলেহে মানুহ থাকিব'— এই কথা ফাঁকিৰ এয়া আধুনিক মানুহৰ প্ৰকৃতিৰ লগত খেলা কৰাৰ পৰিণামত কৰা উপলব্ধি। গুৰুজনাই শ্ৰীমদ্ভাগৱত শাস্ত্ৰৰ চতুৰ্থ স্কন্ধত বৰ্ণিত ধৰ্মশীল ৰজা দশ প্ৰচেত কাহিনীৰে বৃক্ষৰাজ সোমে কোৱা 'বৃক্ষহীন ভৈলে জানা নৰৈৰ জগত' কথাষাৰৰে অনুকৰণ দেখা যায়। বৃক্ষৰাজ সোমৰ কথাত দশ প্ৰচেতৰ কৃতকৰ্মৰ বাবে অনুতপ্ত হৈ গছ-গছনিক সংৰক্ষণ আৰু সংবৰ্ধনৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। গুৰুজনাই এই কাহিনীবোৰৰ দ্বাৰা পৰিৱেশ ৰক্ষাৰ শিক্ষা দিয়াৰ লগতে 'উপদেশকৈ আৰ্হি ভাল' কথাষাৰৰ তাৎপৰ্য ৰক্ষা কৰি হাতে-কামে গছ-গছনি ৰোপণ, সংৰক্ষণ, সংবৰ্ধনত গুৰুত্ব আৰোপ কৰিছিল। তেওঁ বৰদোৱা, বৰপেটা, পাটবাউসী, সুন্দৰীদিয়া, আঁহতগুৰি, ধুৱাহাট, মধুপুৰ আদি সত্ৰবোৰৰ চৌহদত সাঁচি গছ, বেল, শিলিখা, আঁহত, কদম, নিম, নাহৰ, জামু, আম, আমলখি আদি গছ ৰুই বাস্তৱ নিদৰ্শন দি গৈছিল। আজিও অসমৰ সত্ৰসমূহত সেই সুস্থ পৰম্পৰা বৰ্তি আছে। বিশুদ্ধ পানী বা পানীৰ সংৰক্ষণৰ ক্ষেত্ৰত তেৰাৰ পদক্ষেপো আছিল অতি আদৰণীয়। তেওঁ জানিছিল নৈ, খাল, বিল, জান, জুৰিৰ পানী নিৰ্মল আৰু বিশুদ্ধ। সকলো জীৱই এই পানী খাই বেমাৰত আক্ৰান্ত নোহোৱাকৈ থাকিব পাৰে। তেওঁ প্ৰথমে বৰদোৱাতেই সকলোৰে বাবে বিশুদ্ধ পানী খাবৰ বাবে গভীৰ পুখুৰী খন্দাই দিছিল চাৰিওফালে ওখ ওখকৈ পাৰ বান্ধি। এই পাৰবোৰৰ বাবে বাহিৰৰ বেয়া বোকা-পানী পুখুৰীত প্ৰৱেশ কৰিব নোৱাৰিছিল। এই গভীৰ পুখুৰীটোৱেই বৰ্তমানৰ 'আকাশী গংগা' নামেৰে জনা যায়। বায়ু প্ৰদূষণৰ ক্ষেত্ৰত তেওঁ দি থৈ যোৱা বা লোৱা ব্যৱস্থা আছিল— গুৰুজনাই কীৰ্তন ঘৰ, নাটঘৰ, দৌল, মন্দিৰ আদিত জ্বলোৱা বন্তিবোৰত খাঁটি সৰিয়হৰ তেল, ধূপ-ধূনা জ্বলাইছিল। খাঁটি সৰিয়হ তেল আৰু ধূপ-ধূনাৰ পৰা ওলোৱা নিৰ্মল গেছ তথা সুগন্ধই চৌদিশ বিয়পি পৰিছিল। লগতে মানুহৰ মনত ভক্তিৰ ভাব সঞ্চাৰিত হৈছিল আৰু কীট-পতংগবোৰ দূৰতে বিদূৰ হৈছিল। গুৰু চৰিত পুথিৰ মতে মহাপুৰুষজনাই ৰচনা কৰা আৰু মঞ্চস্থ কৰা প্ৰথম নাট 'চিহ্নযাত্ৰা' ভাওনা সাত দিন সাত ৰাতি চলিছিল। য'ত বহু মানুহ একগোট হোৱা বাবে পৰিৱেশ প্ৰদূষিত হৈছিল। কিন্তু দূৰদৰ্শী গুৰুজনাই এই সম্ভাব্য প্ৰদূষণ ৰোধ কৰিবৰ বাবে ভাওনাস্থলীৰ চাৰিওফালে চাৰিটা চুকত আলুৰে সৈতে ভীমকলৰ গুৰি খান্দি আনি আলুটোৰ ফালে সুন্দৰকৈ চাকি থ'ব পৰাকৈ কাটি ওপৰলৈ দি তিনি-চাৰিহাত ওখকৈ গুৰিকেইটা ওলোটাকৈ মাটিত পুতি দিয়া হৈছিল। ইয়াৰ ওপৰত প্ৰকাণ্ড মাটিৰ চাকি বহুৱাই তাত খাঁটি সৰিয়হ তেলেৰে বন্তি জ্বলাই দিছিল আৰু চৌদিশ পোহৰাই দিছিল। সেই বন্তিৰ পৰা ওলোৱা নিৰ্মল গেছে ভাওনাথলীৰ প্ৰদূষিত বায়ু শোধন কৰিছিল। ডাঙৰ ডাঙৰ মাটিৰ মলাত ধূনা জ্বলাই চৌদিশ ঘূৰাই দিয়াৰ ফলতো প্ৰদূষিত বায়ু শোধনৰ লগতে ভক্তি ভাব সম্বলিত হৈছিল। ভাওনাৰ শেষত গুৰুজনাৰ নিৰ্দেশতে ভাওনাৰ থলী নিকা কৰি পৰিৱেশ সুস্থ কৰি ৰখাত গুৰুত্ব দিছিল। গুৰুজনাৰ সময়ত কল-কাৰখানা, উদ্যোগ, গাড়ী অৰ্থাৎ যান-বাহনৰ প্ৰচলন নোহোৱাৰ বাবে কিন্তু দূষিত ধোঁৱা বা গেছে পৰিৱেশ প্ৰদূষিত কৰা নাছিল কিন্তু তেওঁ মানুহৰ অদূৰদৰ্শিতাৰ ফলত হ'ব পৰা বিপদৰ পৰা হাত সৰাৰ উপায় হিচাপে আধ্যাত্মদৰ্শন বা হৰি ভক্তি দৰ্শনৰ কথা কৈ গৈছে। প্ৰদূষণক তেওঁ (দৰ্শনে) 'কলিমল' হিচাপে অভিহিত কৰি ভাগৱত শাস্ত্ৰৰ যোগেৰে কৈছে — "দূষিত কৰিলে কলি কাহাৰো পৱিত্ৰ নুহি- দ্ৰব্য দেশ তনু মন প্ৰাণ।" কলিমলৰ প্ৰভাৱত মানুহে মানৱীয় মূল্য, সৎ চিন্তা, কৰ্ম, সদাচাৰ, মানৱ প্ৰীতি, ক্ষমা, দয়া, ভক্তি আদি গুণবোৰ পাহৰি আত্মকেন্দ্ৰিক হৈ পৰিছে। মানৱীয় এই মূল্যবোধবোৰো প্ৰদূষিত হৈ পৰিছে। অসত্য, দুৰ্নীতি, অধৈৰ্যই ছানি পেলাইছে চৌপাশ। এনে বিষম পৰিস্থিতিৰ পৰা, প্ৰদূষণৰ পৰা বা কলিমলৰ পৰা পৰিত্ৰাণ পোৱা একমাত্ৰ উপায় হ'ল 'হৰি ভক্তি'। ইয়াৰ বাবে মানুহে শৰণ ল'ব লাগিব অৱতাৰী দৃশ্যমান সৎ গুৰুৰ। তেতিয়াহে হৰি ভক্তিত দৃঢ় বিশ্বাস জন্মি সৎ পথেৰে, গুণানু কীৰ্তনেৰে মনত দৃঢ় বিশ্বাস স্থাপন কৰিব পাৰিব। নিজৰ ক্ষুদ্ৰ স্বাৰ্থ জলাঞ্জলি দি সৎ পথেৰে জীৱৰ কল্যাণৰ অৰ্থে মানুহক উদ্বুদ্ধ কৰিবলৈ আগবাঢ়ি আহিব। তেতিয়া এক সুস্থ পৰিৱেশৰ সৃষ্টি হ'ব। মাটি প্ৰদূষণৰ ক্ষেত্ৰত তেওঁ কৈছে যে— বানপানীয়ে জীৱকুলৰ লগতে সমগ্ৰ পৰিৱেশ কদৰ্যতাৰে ভৰি পৰে। তেওঁৰ দিনতে বৰদোৱাৰ কাষেৰে বৈ যোৱা টেম্বুৱানি নৈত বান্ধ বান্ধি অঞ্চলটো বানৰ কবলৰ পৰা ৰক্ষা কৰিছিল। ফলত অঞ্চলটো প্ৰদূষিত হোৱাৰ পৰা ৰক্ষা পৰিছিল। বেমাৰ-আজাৰ, জীৱ-জন্তু মৃত্যুৰ পৰা হাত সাৰিছিল, সা-সম্পত্তি বিনষ্ট নোহোৱাকৈ ৰৈ গৈছিল। আৰু সমগ্ৰ অঞ্চলত শান্তি বিৰাজ কৰিছিল। সেয়ে পিছলৈ এই বান্ধটোৰ নাম শান্তিজান ৰাখিছিল। এইক্ষেত্ৰত সতী ৰাধিকা নামৰ এগৰাকী নাৰীয়ে আগ-ভাগ লৈছিল বাবে ইয়াৰ নাম শান্তি ৰাধিকাৰে জনা যায়। ইয়াৰ উপৰি বাট-পথ ওখকৈ দিয়া, কীৰ্তন ঘৰ, নামঘৰ, দৌল মন্দিৰ, ভকতৰ বহাঘৰ আদিৰ ভেটি ওখকৈ বনাই প্ৰাকৃতিক পৰিৱেশ ৰক্ষাত ভাৰসাম্য ৰাখিছিল। মুঠতে গুৰুজনাৰ দূৰদৰ্শী চিন্তাৰে কৰি থৈ যোৱা আঁচনি বা কৰ্মবোৰ আমি যদি একাত্মতাৰে পালন কৰিব পাৰো তেনেহ'লে এখন সুন্দৰ পৃথিৱী, পৰিষ্কাৰ, স্বাস্থ্যকৰ, সৌন্দৰ্যময় আৰু নিৰাপদ পৰিৱেশত আমি বাস কৰিব পাৰিম। আৰু ভৱিষ্যৎ প্ৰজন্মলৈও নিৰাপদ পৃথিৱী এখন থৈ যাবলৈ সক্ষম হ'ম।

*ফোন ঃ ৯৭০৭৭-৩০৪২৭*

# 'চিৰসেউজ পাহাৰবিলাক থাকিবগৈনে?'

■ ৰূপক জি দুৱৰা

আমি সদায় দেখি অহা পাহাৰবিলাক প্ৰকৃতিৰ অনুপম সৃষ্টিৰ নিদৰ্শন। ইয়াৰ নান্দনিক সৌন্দৰ্যই সকলোকে হাত-বাউলি দি মাতে। সেয়েহে মানুহে এনে ঠাইত ফুৰিবলৈ গৈ ভালপায়। পাহাৰৰ কোলাৰ এই প্ৰদুষণমুক্ত, সুন্দৰ আৰু নিৰিবিলি ঠাইবিলাকত জীৱন কটোৱাৰ মাদকতাই সুকীয়া। অতীতৰ পৌৰাণিক কাহিনী, মহাকাব্য আদিতো পৰ্বত-পাহাৰৰ অপৰিসীম সৌন্দৰ্য আৰু ইয়াৰ শান্ত-সমাহিত জীৱনশৈলী সুন্দৰভাৱে বৰ্ণনা কৰা হৈছে।

এই সসাগৰা পৃথিৱীত প্ৰকৃতিৰ সমান্তৰালভাৱে জীৱ কুলো বৰ্তি আছে। এই জীৱ কুলৰ ভিতৰত মানুহকে জীৱশ্ৰেষ্ঠ বুলি অভিহিত কৰা হৈছে। কিয়নো মানুহে কথা পাতিব পাৰে আৰু হাত দুখনৰ দ্বাৰা বিভিন্ন সৃষ্টিমূলক কাম কৰিব পাৰে। কিন্তু বৰ্তমান এই জীৱশ্ৰেষ্ঠ প্ৰাণীবিধৰ কিছুমান কাম-কাজে প্ৰকৃতিৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাবলৈ লৈছে। নিজৰ সীমাহীন উচ্চাকাংক্ষা আৰু অতিৰিক্ত স্বাৰ্থলোভৰ তাড়নাত, মানুহে প্ৰকৃতিৰ ওপৰত চলোৱা অবাধ অত্যাচাৰৰ বাবে পৃথিৱীৰ অসুখৰ পৰিমাণ দিনক দিনে বৃদ্ধি পাইছে। ফলত প্ৰাকৃতিক ভাৰসাম্য বিনষ্ট হৈছে, প্ৰদূষণৰ মাত্ৰা বাঢ়িব লাগিছে আৰু গোলকীয় উত্তাপ বৃদ্ধিয়ে জীৱ জগতক বিপদত মুখলৈ ঠেলি দিছে।

আমি চকুৰ সন্মুখত দেখি থকা সেউজীয়া পাহাৰবিলাক মানুহৰ অবাধ আগ্ৰাসনৰ বাবেই ক্ৰমশঃ নিঃশেষ হোৱাৰ উপক্ৰম হৈছে। মানুহৰ প্ৰাকৃতিক সম্পদ লুণ্ঠনৰ অঘোষিত প্ৰতিযোগিতা, আশ্চৰ্যকৰ স্বাৰ্থলোভ আৰু অবিবেচক তথা অদূৰদৰ্শী কাৰ্য-কলাপে সমগ্ৰ মানৱ জাতিটোলৈকে এক ভয়াৱহ ভৱিষ্যতৰ দুৰ্ভাৱনা কঢ়িয়াই আনিছে। কোনো বাচ-বিচাৰ নকৰাকৈ হাবি-বন কাটি খাস্তাং কৰাই নহয়, চিৰসেউজ পাহাৰসমূহো অত্যাধুনিক যন্ত্ৰ আৰু সঁজুলি ব্যৱহাৰ কৰি খান্দি-কুৰুকি শেষ কৰি অনা হৈছে। পাহাৰৰ বিশাল শিলাখণ্ডও যন্ত্ৰৰে টুকুৰা-টুকুৰকৈ ভাঙি কংক্ৰিটৰ বিভিন্ন নিৰ্মাণ কাৰ্যত ব্যৱহাৰ কৰা হৈছে। দিনত শান্ত হৈ থকা এই পাহাৰবিলাকত আন্ধাৰ হোৱাৰ লগে লগেই আৰম্ভ হয় মানুহৰ অবাধ অত্যাচাৰ। এচাম মানুহ 'এন্ধাৰৰ ৰজা' হৈ পাহাৰ খন্দাৰ প্ৰতিযোগিতাত নামে। ফলত মাটি খন্দা, শিল ভঙা যন্ত্ৰৰ কৰ্কশ শব্দ আৰু শিল-মাটি কঢ়িওৱা ডাম্পাৰৰ ভয়ানক দ্ৰুতগতিৰ বাবে স্থানীয় লোকসকলে গভীৰ আতংক আৰু অশান্তিৰ মাজত দিন কটাব লগা পৰিৱেশ এটাৰ সৃষ্টি হৈছেগৈ। আৰু এতিয়া এনেদৰেই খান্দি-কুৰুকি লাহে লাহে লঠঙা আৰু নিঃশেষ কৰি অনা হৈছে পাহাৰবিলাক। কিন্তু আশ্চৰ্যকৰভাৱে এনেদৰে পাহাৰ খান্দি প্ৰকৃতি নিঃশেষ কৰা এই অপকৰ্মৰ বিৰুদ্ধে মাত মতা বা বাধা দিওঁতা কোনো নাই। প্ৰশাসনৰ লগতে প্ৰকৃতি সুৰক্ষামূলক সংগঠনসমূহৰো অৱস্থান এক নিৰাপদ দূৰত্বত। ভাবি আচৰিত লাগে, যি প্ৰকৃতিয়ে মানুহক জীৱশ্ৰেষ্ঠ হিচাপে জীয়াই থকাৰ সুবিধা কৰি দিছে, অন্ন-বস্ত্ৰ-বাসস্থানৰ দৰে মৌলিক প্ৰয়োজনসমূহ পূৰণ কৰিছে, সেই প্ৰকৃতিকে আজি মানুহে নিৰ্লজ্জ আৰু অকৃতজ্ঞৰ দৰে অহোৰাত্ৰ শোষণ কৰিব লাগিছে। গতিকে সকলোৱে চকুৰ সন্মুখতেই বনাঞ্চলসমূহ ধ্বংস হৈ আহিছে, পাহাৰসমূহ নিঃশেষ হৈ আহিছে আৰু বিল-খাল আদি প্ৰাকৃতিক জলাশয়সমূহৰো অস্তিত্ব লোপ পাইছে।

অৱশ্যে পাহাৰ ধ্বংস আৰু প্ৰাকৃতিক সম্পদ লুণ্ঠনত সমাজৰ সকলো লোকেই জড়িত নহয়। মাথোঁ এচাম মানুহহে এই দুষ্কাৰ্যত জড়িত হৈ সমগ্ৰ মানৱ জাতি তথা জীৱকুলৰ ভৱিষ্যৎ বিপদাপন্ন কৰি তুলিছে। কিন্তু সেইচাম অবিবেচক তথা অদূৰদৰ্শী লোকৰ অপকৰ্ম ৰোধৰ বাবে কোনেও সততা, সাহস আৰু নিঃস্বাৰ্থ মনোভাবেৰে আগবাঢ়ি আহিব নিবিচাৰে। ফলত প্ৰকৃতি ধ্বংসৰ প্ৰক্ৰিয়াটো অবিৰতভাৱে চলিব লাগিছে। কিন্তু এই নিৰৱচ্ছিন্ন ধ্বংস কাৰ্য এতিয়াই প্ৰতিৰোধ কৰিব নোৱাৰিলে আমাৰ ভৱিষ্যৎ প্ৰজন্মৰ বাবে প্ৰাকৃতিক সম্পদ বুলি বিশেষ একোৱেই নাথাকিবগৈ। গতিকে জীৱশ্ৰেষ্ঠ মানুহ হিচাপে এই বিষয়টোৰ গুৰুত্ব বুজি, প্ৰকৃতি সুৰক্ষাৰ বাবে সকলোৱেই নিষ্ঠা আৰু সততাৰে আগবাঢ়ি অহাটো সাম্প্ৰতিক সময়ৰ অতিকৈ প্ৰয়োজনীয় কথা হৈ পৰিছে।

*ফোন ঃ ৬০২৬৪-৭৩৭৩৪*
ই-মেইল ঃ rintu.duarah@gmail.com

## প্ৰথম পৃষ্ঠাৰ পৰা—

## অসম আৰক্ষীৰ অবিৰত

একপ্ৰকাৰ জেহাদ ঘোষণা কৰিছে। শদিয়াৰ পৰা ধুবুৰী, কি বৰাক উপত্যকা কি বি টি আৰ আৰক্ষীৰ অভিযানত সবতে ওলাইছে দ'মে দ'মে যুব-প্ৰজন্মক ধ্বংস কৰাৰ বাবে মজুত কৰি ৰখা ৰবহিহ। শেহতীয়াকৈ অসম আৰক্ষীয়ে সামাজিক মাধ্যমত প্ৰকাশ কৰা তথ্য মতে বিগত মে' মাহৰ ১০ তাৰিখৰ পৰা ৩১ তাৰিখলৈ চলোৱা ড্ৰাগছবিৰোধী অভিযানত ২৬৪টা গোচৰ পঞ্জীভুক্ত হোৱাৰ লগতে ৪৪১জন লোকক আটক কৰা হৈছে। সমান্তৰালভাৱে অভিযানত ৬.৫৭ কিলোগ্ৰাম হেৰ'ইন, ৫৭৮৫.৮৪ কিলোগ্ৰাম গাঞ্জা, ৯২,৩৬৬টা নিচাজাতীয় টেবলেট, ১১,৮৬১ বটল নিচাজাতীয় কফ চিৰাপ, ২০ গ্ৰাম মৰফিন, ৪২৬ গ্ৰাম অপিয়াম আৰু ১৭,১১,১৩০ টকা নগদ ধন জব্দ কৰিবলৈ সক্ষম হৈছে। এইখিনিলৈকে বাৰু সকলো ঠিকেই আছে। কিন্তু এখন ড্ৰাগছমুক্ত সমাজ গঢ়াৰ লক্ষ্যৰে অসম আৰক্ষীয়ে চলোৱা এনেবোৰ সফল অভিযানে যে এক বিৰূপ পৰিস্থিতিৰ সৃষ্টি কৰিব এই ধাৰণাও একেবাৰে নুই কৰিব নোৱাৰি। আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ ব্যৱসায়ৰ গতিবিধিৰ ওপৰত ভু ৰখা মহলে এনেই এক ধাৰণা কৰিছে। উল্লেখ্য যে আফগানিস্তানৰ পিছত ম্যানমাৰ হৈছে বিশ্বৰ ভিতৰত আফিং উৎপাদন কৰা দ্বিতীয় বৃহত্তম দেশ। দ্বিতীয় বিশ্বযুদ্ধৰ পিছৰে পৰা আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ সৰবৰাহৰ দিশত ম্যানমাৰে গুৰুত্বপূৰ্ণ স্থান দখল কৰি আহিছে। ইউ এন অ' ডি চিয়ে প্ৰকাশ কৰা তথ্য অনুসৰি ম্যানমাৰত ২০০৫ চনত ৪৩০ বৰ্গকিলোমিটাৰ অঞ্চলজুৰি আফিং খেতি কৰি নিচাজাতীয় দ্ৰব্য উৎপাদনেৰে বিশ্বৰ ভিতৰত দ্বিতীয় স্থান দখল কৰিছিল। আনহাতে, আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ সাম্ৰাজ্যৰ বিষয়ে ক'বলৈ গ'লে প্ৰথমে 'গ'ল্ডেন ট্ৰেংগেল'ৰ কথা উল্লেখ কৰিব লাগিব। 'গ'ল্ডেন ট্ৰেংগেল' হৈছে ম্যানমাৰ, থাইলেণ্ড আৰু লাওচ সীমান্তৰ ত্ৰিভুজ আকৃতিৰ এক বিশেষ অঞ্চল। সমান্তৰালভাৱে উল্লেখ কৰিব লাগিব 'গোল্ডেন ক্ৰুচেণ্ট'ৰ কথা। আফগানিস্তান, পাকিস্তান আৰু ইৰান সীমান্তৰ ত্ৰিভুজ আকৃতিৰ অঞ্চল হৈছে আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ সৰবৰাহৰ দ্বিতীয় সৰ্ববৃহৎ ঘাটি। এই দুই বিশাল বজাৰ তথা ড্ৰাগছৰ বৃহৎ ঘাটিৰ ঠিক মাজভাগতেই অৱস্থিত ভাৰত। ইউনাইটেড নেশ্যনছ অৱ ড্ৰাগছ এণ্ড ক্ৰাইমে সদৰী কৰা মতে ১৯৯৮ চনৰ পৰা ২০০৬ লৈকে 'গ'ল্ডেন ট্ৰেংগেল'ত ভিন্ন সময়ত চলোৱা সৰু-বৰ অভিযানৰ ফলত আফিং আৰু হেৰ'ইনৰ সৰবৰাহ যথেষ্ট পৰিমাণে নিয়ন্ত্ৰিত হৈছিল যদিও ২০১৪ৰ পৰা চিনথেটিক ড্ৰাগছ অৰ্থাৎ নিচাজাতীয় টেবলেট আৰু কেপচুলৰ উৎপাদন আৰু সৰবৰাহ বৃদ্ধি পাইছে। লক্ষণীয়ভাৱে ভাৰতৰ প্ৰান্তে প্ৰান্তে সৰবৰাহ হোৱা ড্ৰাগছ তথা সকলো ধৰণৰ নিচাজাতীয় সামগ্ৰী উল্লিখিত দুই 'ট্ৰেংগেল'ৰ পৰাই সৰবৰাহ হৈ আহিছে। আনহাতে, ড্ৰাগছ সৰবৰাহৰ কাৰ্যত জড়িত কুখ্যাত আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ ডিলাৰবোৰ সশস্ত্ৰ উগ্ৰপন্থী সংগঠনৰ তুলনাত কোনো গুণে কম নহয়। অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰৰে সুসজ্জিত আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ ডিলাৰে কেৱল নিচাজাতীয় সামগ্ৰী সৰবৰাহেই নহয় উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন বিদ্ৰোহী সংগঠনৰ লগতে ইছলামিক উগ্ৰপন্থী সংগঠনক অস্ত্ৰ সৰবৰাহ কাৰ্যতো জড়িত থকাৰ তথ্য বিভিন্ন ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমত প্ৰকাশ পাই আহিছে। লগতে ইয়াৰ একাংশই আন্তঃৰাষ্ট্ৰীয় মানৱ দেহ সৰবৰাহৰ লগতো জড়িতৰ বাতৰি আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমত বিভিন্ন সময়ত বাতৰিৰ শিৰোনাম দখল কৰি আহিছে। এনে প্ৰেক্ষাপটত অতি গুৰুত্বপূৰ্ণ কথা এয়ে যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত অসমত চলি থকা ড্ৰাগছবিৰোধী অভিযানে ভাৰত তথা উত্তৰ-পূৰ্বাঞ্চলৰ সীমাতে লাগি থকা ম্যানমাৰ তথা 'গ'ল্ডেন ট্ৰেংগেল'ৰ আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ বজাৰত প্ৰভাৱ পেলোৱাটো একপ্ৰকাৰ নিশ্চিত বুলি ক'ব পাৰি। কিয়নো ভাৰতৰ প্ৰায় ৫০ শতাংশ অংশত 'গ'ল্ডেন ট্ৰেংগেল'ৰ পৰাই ড্ৰাগছ সৰবৰাহ হৈ আহিছে আৰু অসম তথা গুৱাহাটী হৈছে ইয়াৰ অন্যতম দুৱাৰমুখ। লক্ষণীয়ভাৱে এইসকল আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ সৰবৰাহকাৰীয়ে বিগত সময়ছোৱাত ৰে'ল, বাছ অথবা মালবাহী ট্ৰাকত অসমৰ ভূখণ্ড ব্যৱহাৰ কৰি ড্ৰাগছ সৰবৰাহৰ তথ্য ভিন্ন সময়ত আৰক্ষী-নিৰাপত্তা বাহিনীৰ সফল অভিযানে প্ৰমাণিত কৰে। বিগত সময়ত গুৱাহাটী ৰে'ল ষ্টেচনৰ লগতে ৰাজ্যৰ বিভিন্ন ৰে'ল ষ্টেচনত আৰক্ষীৰ অভিযানত ৰাজধানী এক্সপ্ৰেছৰ উপৰি অন্যান্য যাত্ৰীবাহী ৰে'লত আফিং, হেৰ'ইন, ব্ৰাউন ছুগাৰ, কোকিনৰ লগতে নিচাজাতীয় টেবলেট, কেপচুল জব্দ হোৱাটো আছিল তেনেই স্বাভাৱিক বিষয়। তদুপৰি অসম-বংগ সীমান্তৰ ছাগলীয়া আৰু শ্ৰীৰামপুৰত আৰক্ষীৰ অভিযানত মাজে-সময়ে মালবাহী ট্ৰাকৰ পৰা উদ্ধাৰ হৈছিল ভিন্ন ধৰণৰ নিচাজাতীয় দ্ৰব্য। একাধিকবাৰ জব্দ হৈছিল মণিপুৰী গাঞ্জা। এনে পৰিপ্ৰেক্ষিতত সম্প্ৰতি অসম আৰক্ষীৰ ড্ৰাগছবিৰোধী সক্ৰিয়তাই বিপদত পেলাইছে 'গ'ল্ডেন ট্ৰেংগেল'ৰ আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ ডিলাৰক। ব্ৰিলিয়ন ডলাৰৰ ক্ষতিৰ সন্মুখীন হৈছে আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ সৰবৰাহকাৰী। স্বাভাৱিকভাৱেই অসমত আৰক্ষীয়ে কঠোৰ স্থিতি গ্ৰহণ কৰাত অসমৰ লগতে পশ্চিমবংগ, বিহাৰ, উত্তৰপ্ৰদেশ, দিল্লী, ওড়িশা, মধ্যপ্ৰদেশৰ লগতে দাক্ষিণাত্যৰ ৰাজ্যসমূহতো ড্ৰাগছ সৰবৰাহত বাধাৰ সৃষ্টি হৈছে। লক্ষণীয়ভাৱে যিহেতু আন্তঃৰাষ্ট্ৰীয় অপৰাধ জগতত ড্ৰাগছ সৰবৰাহকাৰী আৰু বিভিন্ন বিদ্ৰোহী তথা উগ্ৰপন্থী অথবা সন্ত্ৰাসবাদী সংগঠন এজনে আনজনৰ পৰিপূৰক, এনে ক্ষেত্ৰত 'গ'ল্ডেন ট্ৰেংগেল'ৰ আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ সৰবৰাহকাৰীৰ এই বিপদৰ সময়ত কাষত থিয় দিব নেকি ম্যানমাৰত সক্ৰিয় হৈ থকা উত্তৰ-পূৰ্বৰ বিদ্ৰোহী সংগঠনে ? পোতক তুলিবলৈ পুনৰ অশান্ত কৰি তুলিব নেকি অসমক ? সমান্তৰালভাৱে প্ৰশ্ন হয় পূৰ্বৰ চৰকাৰখনে কিয় আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ সৰবৰাহকাৰী চক্ৰৰ বিৰুদ্ধে ল'ব পৰা নাছিল কঠোৰ স্থিতি। বৰাক উপত্যকাৰ মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰা সীমান্তত কিয় গঢ়ি তুলিব পৰা নাছিল শক্তিশালী নিৰাপত্তা ব্যৱস্থা। কিয় অৰুণাচল আৰু নাগালেণ্ড সীমান্তত ড্ৰাগছ সৰবৰাহৰ বিৰুদ্ধে পূৰ্বৰ চৰকাৰৰ আৰক্ষী প্ৰশাসনে গ্ৰহণ কৰা নাছিল সবল ভূমিকা। অপেক্ষা পৰৱৰ্তী প্ৰতিবেদনলৈ।

## সুৰক্ষাৰ স্বাৰ্থত হাতত লাঠী

চিকিৎসালয়ৰ শল্য চিকিৎসক দিগন্ত বৰাই কালি এক অভিনৱ প্ৰতিবাদ সাব্যস্ত কৰি সংবাদ মাধ্যমৰ লগতে আন বহুতৰে দৃষ্টি আকৰ্ষণ কৰে। চিকিৎসকগৰাকীয়ে হাতত এডাল লাঠী লৈ ৰোগী চালে। পিছে এই লাঠীডাল ৰোগীক প্ৰহাৰৰ বাবে নহয়। নিজৰ সুৰক্ষাৰ বাবেহে হাতত লাঠী লৈ ৰোগীক চিকিৎসা কৰা বুলি ডাঃ দিগন্ত বৰাই সংবাদ মাধ্যমক জানিবলৈ দিয়ে। নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত ৰোগীৰ চিকিৎসাৰ সময়ত চিকিৎসকগৰাকীয়ে হাতত লাঠী লৈ ৰোগীক চিকিৎসা সেৱা আগবঢ়োৱা কাৰ্যই সকলোকে আকৰ্ষিত কৰে। ডাঃ দিগন্ত বৰাৰ এই কাৰ্যক চিকিৎসালয়খনৰ আন স্বাস্থ্যকৰ্মীসকলে সমৰ্থন কৰে। উল্লেখ্য যে, চাকৰি কালৰ আৰম্ভণিৰে পৰা নগাঁৱৰ বিভিন্ন সংখ্যালঘু অধ্যুষিত গ্ৰামাঞ্চলত চিকিৎসা সেৱা আগবঢ়োৱা ডাঃ দিগন্ত বৰাই চাকৰিকালত বিভিন্ন তিক্ত অভিজ্ঞতাৰ সন্মুখীন হোৱা বুলিও সংবাদ মাধ্যমক অৱগত কৰে। আনহাতে, চিকিৎসকৰ সীমিত ক্ষমতাক যদি সাধাৰণ ৰাইজে বুজি নাপায় তেনেহ'লে চিকিৎসকসকল আৰু নিৰ্যাতনৰ সন্মুখীন হ'ব বুলিও ডাঃ বৰাই আক্ষেপ প্ৰকাশ কৰে।

## নলবাৰীত ডকাইত-আৰক্ষীৰ

আৰক্ষীয়ে আবু বক্কৰ, বিজু আহমেদ আৰু ৰুবুল হুছেইন নামৰ ডকাইত তিনিটাক কৰায়ত্ত কৰে। তিনিওটা ডকাইত আৰক্ষীৰ গুলীত আহত হয় আৰু তিনিওটাকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে। উল্লেখ্য ডকাইতৰ দলটোৱে আৰক্ষীৰ গাড়ীৰ সন্মুখত ডাম্পাৰ এখন ৰখাই পলায়নৰ চেষ্টা কৰোঁতে আৰক্ষীয়ে গুলীচালনা কৰে। ডকাইতৰ কবলৰ পৰা আৰক্ষীয়ে পিষ্টল এটা, সজীৱ গুলী আৰু বহু আপত্তিকৰ সামগ্ৰী উদ্ধাৰ কৰিছে। আৰক্ষীয়ে জনোৱা মতে ডকাইত দলটোৰে মূল অভিযুক্ত আবু বক্কৰ ধন লুট, গৰু চোৰ, বেংক ডকাইতি, মন্দিৰ লুটপাত আদি ঘটনাৰে জড়িত। আনহাতে, নলবাৰী সদৰ থানাৰ এনে সফলতাত পুৱাৰ ভাগত নলবাৰীৰ স্থানীয় বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱাই থানাত উপস্থিত হৈ সমগ্ৰ ঘটনাৰ বিষয়ে আলোচনা কৰি শেষত নলবাৰী সদৰ থানাৰ আৰক্ষীক অভিনন্দন জনায়।

## লামডিং বনাঞ্চলৰ লগতে

ঘোষণ লগতে গীতাশ্ৰমত উপস্থিত হৈ জিলাৰ ৰাষ্ট্ৰীয় স্বয়ং সেবক সংঘ, বিশ্ব হিন্দু পৰিষদৰ জিলা পদাধিকাৰীসকলৰ লগত এটা বৈঠকত মিলিত হোৱাৰ পিছত হোজাই বিজেপিৰ কৰ্মকৰ্তা আৰু সংঘ পৰিয়ালৰ অঙ্গিত ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ কৰ্মীসকলৰ সৈতে গীতাশ্ৰম মন্ত্ৰীগৰাকী এক আলোচনাত মিলিত হয়। আলোচনাত গীতাশ্ৰম আৰু সংঘ পৰিয়ালৰ হোজাই সমাজৰ সুৰক্ষাৰ ক্ষেত্ৰত অৱদানৰ কথা স্মৰণ কৰাৰ লগতে আগন্তুক দিনত হোজাই সমষ্টিৰ লগতে হোজাই জিলাৰ সামগ্ৰিক উন্নয়নৰ বাবে সংঘ পৰিয়াল আৰু বিজেপিৰ কৰ্মীসকলক লগত আলোচনা কৰি আগুৱাই যাব বুলি আশ্বাস দিয়ে। হোজাই জিলা বিজেপিৰ সভাপতি সহ হোজাইত উপস্থিত থকা বিজেপিৰ বিষয়ববীয়াসকল উপস্থিত থাকে। আনহাতে, বনমন্ত্ৰী পৰিমল শুক্লবৈদ্যই হোজাইত বন্যহাতীৰ উপদ্ৰৱ সন্দৰ্ভত সাংবাদিকক জনায়। উল্লেখ্য যে লামডিং বনাঞ্চলত হাতীৰ খাদ্যৰ অভাৱত বন্যহাতীয়ে লোকালয়ত আক্ৰমণৰ ঘটনা সঘনাই সংঘটিত হৈছে বুলি মন্তব্য কৰে। উমৰাংচু আৰু লামডিং বনাঞ্চলৰ বেদখল সন্দৰ্ভত বন বিভাগে উচ্ছেদ অভিযান চলাই বনভূমি বেদখলমুক্ত কৰা হ'ব বুলি জনায়। পাছত মন্ত্ৰীগৰাকী হোজাই জিলা সদৰ নগৰত উপস্থিত হৈ জিলাখনৰ বৰ্তমান পৰিস্থিতিৰ বিষয়ে আলোচনা কৰে। মন্ত্ৰীগৰাকীয়ে আলোচনাত জিলাখনৰ বৰ্তমান পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ সকলো সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে।

## ৯টা সিংহ ক'ভিড ভাইৰাছত

সংক্ৰমিত হৈ এজনী মাইকী সিংহৰ ইতিমধ্যে মৃত্যু হৈছে। আনহাতে ৮ টাকৈ জীৱিত সিংহৰ দেহত পোৱা গৈছে ক'ভিড ভাইৰাছৰ উপস্থিতি। চিৰিয়াখানাখনৰ পশু চিকিৎসকৰ দল এটাই ইতিমধ্যে এই কথা চৰকাৰক তথা উচ্চস্তৰীয় কৰ্তৃপক্ষক অৱগত কৰিছে। সিংহকেইটাৰ অস্বাভাৱিক আচৰণ আৰু অসুস্থতাৰ বাবে ১১টা সিংহৰ খেকা আৰু মল আদি সংগ্ৰহ কৰি মধ্যপ্ৰদেশৰ ভূপালত অৱস্থিত নেশনেল ইনষ্টিটিউট অৱ হাইছিকিউৰিটী ডিজিজৰ লেবৰেটৰীলৈ প্ৰেৰণ কৰা হৈছিল। এই চেম্পলসমূহৰ ভিতৰত ৯ টাৰ শৰীৰত ক'ভিড ভাইৰাছৰ সংক্ৰমণ হোৱাটো নিশ্চিত কৰিছে। ইফালে ৩ জুন তাৰিখে উক্ত চিৰিয়াখানাৰ নীলা নামৰে পৰিচিত মাইকী সিংহজনীৰ মৃত্যু হৈছে। সেয়েহে বিষয়টো এতিয়া সমগ্ৰ চেন্নাই চহৰতে বিশেষভাৱে চৰ্চিত হোৱা দেখা গৈছে।

## এনিমেল কৰিডৰত যান-বাহন

কাৰ্বি পাহাৰলৈ ঢাপলি মেলে। তেনে সময়তে ৰাষ্ট্ৰীয় পথত চলাচল কৰা তীব্ৰ বেগী গাড়ীৰ খুন্দাত বন্যপ্ৰাণী মৃত্যুমুখত পৰে। আনহাতে, কাজিৰঙাৰ ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথত চলাচল কৰা যান-বাহন বন্ধৰ সম্পৰ্কত নিষিদ্ধ ঘোষণা কৰিছে প্ৰশাসনে। কাজিৰঙাৰ এনিমেল কৰিডৰসমূহত যান-বাহন ৰখোৱাৰ বাবে বন্যপ্ৰাণীসমূহে বিচৰণ কৰা বা পথ অতিক্ৰম কৰাত সমস্যাৰ সন্মুখীন হ'ব লগা হোৱা বিভিন্ন ধৰণৰ সমস্যাক প্ৰতি লক্ষ্য ৰাখি কাজিৰঙাৰ বাগৰিৰ পৰা বুঢ়াপাহাৰলৈকে কাজিৰঙাৰ ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ ছাৰাক ন' পাৰ্কিং জ'ন হিচাপে চিনাক্ত কৰিছে, ট্ৰেকাৰ আৰু ট্ৰেইলাৰ ৰখোৱা সম্পূৰ্ণৰূপে বন্ধ কৰা বুলি ঘোষণা কৰিছে। আনহাতে, প্ৰশাসনে ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ লগতে কাষৰীয়া অঞ্চলত ১৪৪ ধাৰা জাৰি কৰি কোনো লোকে যাতে অবৈধভাৱে বিচৰণ কৰা নিষিদ্ধ কৰিছে। ইয়াৰ উপৰি ৰাষ্ট্ৰীয় ঘাইপথত বন্যপ্ৰাণীৰ সুৰক্ষা তথা নিৰাপত্তাৰ কাৰণে যান-বাহনৰ গতি নিয়ন্ত্ৰণ কৰিবলৈ নিৰ্দেশ দিছে। এই আইন ভংগ কৰিলে পৰিবহণ আইনৰ লগতে বন আইনৰ অধীনত চালক ৯ হাজাৰ টকালৈকে জৰিমনা ভৰিব লাগিব বুলিও প্ৰশাসনে সতৰ্ক কৰি দিছে।

## উদ্ধাৰ ১০২ কুইণ্টল অবৈধ

হাতাকু বজাৰৰ দুজন ব্যৱসায়ীৰ পৰা অবৈধভাৱে জমা কৰি ৰখা ১০২ কুইণ্টল নিমখ উদ্ধাৰ কৰাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাৰ বিৱৰণ মতে ধুবুৰীৰ খাদ্য অসামৰিক যোগান বিভাগৰ উপ-সঞ্চালক বিপিন চক্ৰৱৰ্তীৰ নিৰ্দেশত যোগান বিভাগৰ পৰিদৰ্শক মৃগেন দাস, পৰিদৰ্শক বিশ্বজিৎ সূত্ৰধৰসহ দেৱেশনা বৰ্মন, অমৃতা দত্ত, নিবেদিতা বৰঠাকুৰ আৰু গোপেন সূত্ৰধৰে হাতাকু বজাৰৰ শক্তি ষ্টোৰ আৰু দীপ ষ্টোৰত অভিযান চলায়। প্ৰথমতে শক্তি ষ্টোৰত অভিযান চলাই ১৪ কুইণ্টল নিমখ জব্দ কৰে। এই সম্পৰ্কে মালিক জলীপ দত্তৰ ওচৰত নিমখৰ কোনো বৈধ নথি-পত্ৰ নাছিল। আনহাতে, দীপ ষ্টোৰত অভিযান চলাই ৮৮ কুইণ্টল অবৈধ নিমখ জব্দ কৰে। কোনো নথি-পত্ৰ দেখুৱাব পৰা নাই নাৰায়ণ সাহা আৰু প্ৰদীপ দত্তই। ইতিমধ্যে যোগান বিভাগৰ দ্বাৰা চলোৱা এই অভিযানত নিমখ জব্দ কৰাৰ লগতে ব্যৱসায়ীজনৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

## নগা বেদখলকাৰীৰ কবলত

নীৰৱে আছে ৰাজ্যৰ বন বিভাগ। উল্লেখ্য যে চৰাইদেউ জিলাৰ অভয়পুৰ সংৰক্ষিত বনাঞ্চলত পৰ্যাপ্ত বনৰক্ষী নথকাৰ সুযোগ লৈ দুষ্কৃতিকাৰীয়ে বনাঞ্চলখনৰ বৃহৎ বৃহৎ গছ কাটি কাঠৰ চোৰাং সৰবৰাহ কৰাৰ অভিযোগ দীৰ্ঘদিনীয়া। আনহাতে, বনাঞ্চলখনত নগা দুষ্কৃতিকাৰীয়ে বেদখল কৰাৰ লগতে বন ধ্বংসযজ্ঞ অব্যাহত ৰখাৰ অভিযোগো বহু পুৰণি। মূলতঃ বনকৰ্মীৰ সংখ্যা সীমিত হোৱাৰ বাবেই নগা দুষ্কৃতিকাৰীয়ে অবাধ বিচৰণ কৰিছে অভয়পুৰ সংৰক্ষিত বনাঞ্চলত। শেহতীয়াকৈ বনাঞ্চলখনৰ ভিতৰত নগা দুষ্কৃতিকাৰীয়ে শিবিৰ পাতি প্ৰায় তিনিশ বিঘা মাটি বেদখল কৰি কৰবৰ বাগিচা স্থাপন কৰাৰ তথ্য পোহৰলৈ আহিছে। এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে ২০১৯ চনৰ অক্টোবৰ মাহতে চৰাইদেউ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক মৃণাল ডেকাৰ নেতৃত্বত আৰক্ষী বাহিনীৰ লোকে বনৰক্ষীক লগত লৈ বনাঞ্চলখনত চলোৱা এক অভিযানত নগা দুষ্কৃতিকাৰীয়ে বেদখল কৰাৰ তথ্য পোহৰলৈ আহিছিল। সেই অভিযানৰ সময়ত বেদখল আৰু কাঠৰ চোৰাং সৰবৰাহত জড়িত চাৰিজন নগা যুৱকক মাৰণাস্ত্ৰ আৰু গছ কটা যন্ত্ৰসহ আটক কৰা হৈছিল যদিও বন বিভাগৰ নিৰ্লিপ্ততাৰ বাবেই আটাইকে মুকলি কৰি দিব লগা হৈছিল আৰক্ষীয়ে। মন কৰিবলগীয়া যে অভয়পুৰ সংৰক্ষিত বনাঞ্চলত পৰ্যাপ্ত বনৰক্ষী নথকাৰ বাবে নিৰাপত্তাজনিত কাৰণত কিছু বছৰ পূৰ্বে বনাঞ্চলখনৰ ভিতৰত থকা জয়মতী বন শিবিৰটো বন্ধ কৰি দিয়া হয় আৰু ইয়াৰ সুযোগ গ্ৰহণ কৰি দুষ্কৃতিকাৰীয়ে বেদখল অব্যাহত ৰাখিছে বনাঞ্চলখনত। ইফালে শেহতীয়াকৈ বনাঞ্চলখনৰ ভিতৰত নগা দুষ্কৃতিকাৰীয়ে বেদখল কৰাৰ লগতে বন ধ্বংসযজ্ঞ অব্যাহত ৰখা এটা ভিডিঅ' ছ'চিয়েল মিডিয়াত প্ৰচাৰ হোৱাৰ পাছতেই হুৱা-দুৱা লাগিছে বন বিভাগৰ মাজত।

## সমগ্ৰ শিৱসাগৰ জিলাতে চলে

পোহৰলৈ আহিছে এই কথা। ইফালে কালিৰ পৰা গেলেকী আৰক্ষীয়ে চলোৱা ড্ৰাগছবিৰোধী অভিযান অব্যাহত আছে। কালি বিয়লি নাজিৰা মহকুমাৰ অসম-নাগালেণ্ড সীমান্তৱৰ্তী গেলেকী আৰক্ষীয়ে সীমান্ত অঞ্চলত অভিযান চলাই সীমান্ত অঞ্চলটোৰ কুখ্যাত ড্ৰাগছৰ ব্যৱসায়ী ইনামুল হুছেইন ওৰফে বিটু (২২, গেলেকী ৰঙাপাৰা) আৰু চাহিদা ৰহমান ওৰফে পুতু (২৫, গেলেকী কলগাঁও)ক গ্ৰেপ্তাৰ কৰাৰ পাছত আজি পুৱা পুনৰ ড্ৰাগছসহ দুজন নগা যুৱকক গ্ৰেপ্তাৰ কৰে। গেলেকী থানাৰ এছ আই সুনীল দাসৰ নেতৃত্বত যোৱা অভিযানকাৰী আৰক্ষীৰ এটা দলে সীমান্ত অঞ্চলটোৰ আঠখেলৰ পৰা মুৱাটেমচু চামটাম (৩১) আৰু ইম্নলিনবা (২৫) নামৰ নাগালেণ্ডৰ দুই যুৱকক ড্ৰাগছসহ গ্ৰেপ্তাৰ কৰে। মুৱাটেমচুৰ ঘৰ নাগালেণ্ডৰ টুৱেনচাঙৰ লাংখিম নগৰত আৰু ইম্নলিনবাৰ ঘৰ হৈছে নাগালেণ্ডৰ ডিমাপুৰত। উল্লেখ্য যে এই কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰী দলটোৱে দীৰ্ঘদিন ধৰি নাগালেণ্ডৰ ডিমাপুৰৰ পৰা সীমান্তৰ এই অঞ্চলটোৱেদি গেলেকী, নাজিৰা মহকুমাৰ বিভিন্ন অঞ্চলৰ লগতে সমগ্ৰ শিৱসাগৰ জিলাত ড্ৰাগছ, হেৰ'ইন, ব্ৰাউন ছুগাৰৰ এক ৰমৰমীয়া ব্যৱসায় চলাই আহিছে। কালি গেলেকীৰ কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰী দলটোৱে নাগালেণ্ডৰ পৰা ড্ৰাগছ গেলেকীত বিক্ৰী কৰাৰ উদ্দেশ্যে অনাৰ মুহূৰ্তত গ্ৰেপ্তাৰ হোৱাৰ পাছত আজি নাগালেণ্ডৰ দুই যুৱক বুজন পৰিমাণৰ ড্ৰাগছসহ গ্ৰেপ্তাৰ হোৱাৰ ঘটনাই সমগ্ৰ শিৱসাগৰ জিলাত যে নাগালেণ্ডৰ পৰা গেলেকী সীমান্তইদি এক ৰমৰমীয়া ব্যৱসায় চলাই থকাৰ কথা পোহৰলৈ আহিছে। নাগালেণ্ডৰ ডিমাপুৰৰ পৰা মোককচাং, টুৱেনচাং, লংলং আদি নাগালেণ্ডৰ বিভিন্ন অঞ্চলৰ পৰা সীমান্তৰ এই অঞ্চলটোৱেদি গেলেকী, নাজিৰা মহকুমাৰ বিভিন্ন অঞ্চলৰ লগতে সমগ্ৰ শিৱসাগৰ জিলাৰ একাংশ কলেজ, স্কুলীয়া যুৱকৰ যোগেদি যুৱ-প্ৰজন্মৰ বাবে বৰবিহস্বৰূপ এই মাৰাত্মক ড্ৰাগছৰ ব্যৱসায় অব্যাহত আছে।

## দ্বিতীয়বাৰলৈ কামাখ্যা মন্দিৰৰ

দেশ-বিদেশৰ কেইবা লক্ষাধিক ভক্ত, অনুগামী, পৰ্যটক তথা দৰ্শনাৰ্থীৰ আগমন হয়। কিন্তু বিগত বৰ্ষত অসমৰ লগতে সমগ্ৰ বিশ্বতে নভেল কৰ'না ভাইৰাছৰ মহাসংক্ৰমণৰ বাবে কামাখ্যাৰ পৰম্পৰাগত অম্বুবাচী মেলা অনুষ্ঠিত কৰিব পৰা নহৈছিল। এইবাৰো অম্বুবাচী মেলাৰ আয়োজন কৰা নহয় বুলি মন্দিৰ পৰিচালনা সমিতি আৰু কামৰূপ জিলা প্ৰশাসনে স্পষ্ট কৰি দিছে। ফলত একেলেঠাৰিয়ে দুটা বৰ্ষৰ বাবে কামাখ্যা মন্দিৰৰ অম্বুবাচী মেলা স্থগিত কৰিবলৈ বাধ্য হ'ল। প্ৰণিধানযোগ্য এয়ে যে চলিত বৰ্ষত অহা ১২ জুনৰ পৰা কামাখ্যা মন্দিৰৰ অম্বুবাচী মেলাৰ দিন নিৰ্ণয় কৰা হৈছে। হিন্দু ধৰ্মৰ অনুগামীসকলে এই সময়ছোৱাত কামাখ্যা মন্দিৰৰ ভূমি স্পৰ্শ কৰাটো এক পবিত্ৰ কৰ্তব্য হিচাপে বিবেচনা কৰি আহিছে। কিন্তু মা কামাখ্যা দেৱালয় পৰিচালনা সমিতিয়ে আজি ঘোষণা কৰে যে প্ৰশাসনৰ সৈতে আলোচনা কৰি এইবাৰো কামাখ্যা মন্দিৰৰ অম্বুবাচী মেলা ধুমধামেৰে অনুষ্ঠিত নকৰিবলৈ সিদ্ধান্ত লৈছে। ইয়াৰ পৰিৱৰ্তে আধ্যাত্মিকভাৱে নিয়ম-নীতিসমূহ পালন কৰিয়ে এই কাৰ্যসূচীৰ সমাপ্তি ঘটাব। চলিত মাহৰ ২২ জুনত নিবৃত্তি আৰু ২৬ জুনত প্ৰবৃত্তিৰ ক্ষণ নিৰ্ণয় কৰা হৈছে আৰু সেই অনুসৰি কামাখ্যাৰ পূজাৰীসকলে নিয়ম-নীতিসমূহ পালন কৰিব। আনহাতে সাধাৰণ দৰ্শকৰ বাবে কামাখ্যাৰ দুৱাৰ অহা ৩০ জুনলৈকে বন্ধ থাকিব। ইয়াৰ পিছত চৰকাৰে ক'ভিড কাৰ্ফিউৰ শিথিলতা আৰোপ কৰিলে ক'ভিড প্ৰটকল অনুসৰি কামাখ্যা মন্দিৰতো দৰ্শনাৰ্থীৰ প্ৰৱেশ ঘটিব পূৰ্বৰ দৰেই বুলি প্ৰকাশ কৰা হৈছে।

## ছয়গাঁও ঔদ্যোগিক কেন্দ্ৰত

ব্যৱসায়ৰ খবৰ ৰাজহুৱা হৈছে কামৰূপ জিলাৰ বকো থানাৰ অন্তৰ্গত ছাটাবাৰীস্থ ঔদ্যোগিক কেন্দ্ৰত। দক্ষিণ কামৰূপৰ ছয়গাঁৱৰ ঔদ্যোগিক কেন্দ্ৰত চৰকাৰৰ এফ চি আই বিভাগৰ হাজাৰ হাজাৰ বস্তা চোৰাং চাউল জব্দ কৰে বকো আৰক্ষী বিষয়াই। জানিব পৰা মতে মাৰুতি ফুটজ ইউনিট-২ নামৰ ঔদ্যোগটোত মেঘালয়ৰ এফ চি আইৰ চাউল ট্ৰাকে ট্ৰাকে দীৰ্ঘদিনৰ পৰা আহি আছিল। লগতে উদ্যোগটোৰ এফ চি আইৰ চাউল বস্তাৰ পৰা উলিয়াই নতুনকৈ চাউল পেকেজিং কৰাৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ যে নতুনকৈ পেকেট কৰা চাউলসমূহ প্ৰেৰণ কৰা হয় আছাম ৰাইফলছ আৰু চি আৰ পি এফ তথা আৰক্ষীলৈ। প্ৰাপ্ত তথ্য অনুসৰি উদ্যোগটোৰ স্বত্বাধিকাৰী দীপক আগৰৱালাই বহু দিনৰ পৰা এনে ব্যৱসায় চলাই অহাৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ মতে ১ জুনৰ নিশা নধিয়াপাৰাত এখন ট্ৰাক উদ্ধাৰ হোৱাৰ পিছতেই এই ভয়াৱহ দুৰ্নীতি পোহৰলৈ আহে। বকোৰ নধিয়াপাৰাত চাউল ভৰ্তি ট্ৰাকখন দেখি স্থানীয় ৰাইজৰ সন্দেহ হোৱাত বকো আৰক্ষীক অৱগত কৰে। ইফালে বকো থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জীত কুমাৰ ৰয়ৰ নেতৃত্বত লগে লগে ঘটনাস্থলীত আৰক্ষী উপস্থিত হয় আৰু আৰক্ষীয়ে এন এল-০৭ এ এ-০৪৯৩ নম্বৰৰ ট্ৰাকখন জব্দ কৰে লগতে আৰু বহু কেইখন ট্ৰাক উদ্যোগটোৰ ভিতৰত সোমাইছে বুলি স্থানীয় ৰাইজে জনায়। ঘটনা সন্দৰ্ভত যোৱানিশা বকো আৰক্ষীয়ে উদ্যোগটোত অধিক তথ্যৰ বাবে অভিযান চলায়। আনহাতে, বকো থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জীত কুমাৰ ৰয়ে বৰ্তমানো ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে বুলি জানিবলৈ দিয়ে। প্ৰকাশ যে একো একোখন ট্ৰাকত চাউল আছে প্ৰায় ৫০০ বস্তাকৈ।

## জধে-মধে মাচুল ল'ব

মাচুল নিৰ্ধাৰণৰ বাবে ততাতৈয়াকৈ আলোচনাত মিলিত হয়। বিয়লি সংবাদমেলৰ জৰিয়তে স্বাস্থ্য বিভাগে গ্ৰহণ কৰা মাচুলৰ তালিকা ৰাজহুৱা কৰা হয়। সেই অনুসৰি ক'ভিড ৰোগীৰ চিকিৎসাৰ বাবে সাধাৰণ ৱাৰ্ডত দৈনিক মাচুল পাঁচ হেজাৰ টকালৈকে ল'ব পাৰিব। শ্বেয়াৰ কেবিনট একোজনৰ মাচুল ৬৫০০ টকাতকৈ অধিক হ'ব নোৱাৰিব। ভেণ্টিলেটৰ নথকা আইচিইউ বেডৰ দৈনিক মাচুল ১০ হেজাৰ টকা আৰু ভেণ্টিলেটৰ সংলগ্ন থকা আইচিইউ বেডৰ দৈনিক মাচুল ১৫ হেজাৰ টকাৰ অধিক হ'ব নোৱাৰিব। এই নিৰিখ নিৰ্ধাৰণ কৰা হৈছে ছুপাৰ স্পেচিয়েলিটি হাস্পতালৰ ক্ষেত্ৰত। সাধাৰণ চিকিৎসালয়সমূহত জেনেৰেল ৱাৰ্ডৰ বাবে চাৰি হেজাৰ টকা, শ্বেয়াৰ কেবিনৰ বাবে পাঁচ হেজাৰ টকা, ভেণ্টিলেটৰ নথকা আইচিইউ বেডৰ বাবে ৯ হাজাৰ টকা আৰু ভেণ্টিলেটৰ থকা আইচিইউ বেডৰ বাবে সৰ্বাধিক ১২ হাজাৰ টকাৰ দৈনিক মাচুল নিৰ্ধাৰণ কৰা হৈছে। এই মাচুলসমূহত অন্তৰ্ভুক্ত হৈ থাকিব ক'ভিড ৰোগীৰ পঞ্জীয়ন, বিছনাৰ মাচুল, খাদ্য ইত্যাদিৰ বিনিময়ত ধাৰ্য কৰা মাচুল, ডক্টৰ আৰু নাৰ্ছৰ মাচুল, এনাস্থেচিয়া, শৈল চিকিৎসা, অক্সিজেনৰ বিনিময়ত দিব লগা মাচুল, ঔষধ, এক্সৰে ইত্যাদিৰো মাচুল অন্তৰ্ভুক্ত হৈ থাকিব। আনহাতে এই মাচুলৰ ভিতৰতে চিকিৎসক বা চিকিৎসা কৰ্মীয়ে পৰিধান কৰা পিপিইকিট, মাস্ক আদিৰ মূল্যও অন্তৰ্ভুক্ত হৈ থাকিব বুলি স্পষ্ট কৰা হৈছে। আনহাতে ক'ভিড ৰোগীৰ অহা-যোৱাৰ ক্ষেত্ৰত অসম চৰকাৰৰ এম্বুলেন্সসমূহ ব্যৱহাৰ কৰিব পাৰিব বুলি স্বাস্থ্যমন্ত্ৰীয়ে ব্যক্ত কৰিছে। ইফালে ভেকচিন গ্ৰহণৰ ক্ষেত্ৰত দিব্যাংগ আৰু জ্যেষ্ঠ নাগৰিকসকলক ঘৰে ঘৰে গৈ চিকিৎসাকৰ্মীয়ে এতিয়াৰ পৰা ভেকচিন প্ৰদান কৰিব। ৰাজ্যত কিছুদিনলৈ নতুনকৈ কোনো লোকক কোভাক্সিন নামৰ ক'ভিড ভেকচিন প্ৰদান কৰা নহ'ব। কিয়নো এই ভেকচিন বৰ্তমান ৰাজ্যত ২০ হেজাৰ পালিতকৈও কম পৰিমাণে মজুত আছে। এই মজুত থকা ভেকচিনখিনি দ্বিতীয় পালিৰ বাবে ব্যৱহাৰ কৰা হ'ব। ৰাজ্যত ৩.২০ লাখতকৈ অধিক কভিছিল্ড ভেকচিন মজুত হৈ আছে। চলিত মাহৰ পৰা ভেকচিন প্ৰদান কাৰ্যসূচী অতিশয় খৰতকীয়া কৰা হ'ব বুলিও স্বাস্থ্যমন্ত্ৰীয়ে ব্যক্ত কৰিছে।




## ক'ভিডত আক্ৰান্ত হৈ মৃত্যুক আঁকোৱালি ল'লে টংলাৰ দুই কৃতী শিক্ষকে

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ৪ জুন ঃ** অতিমাৰী কৰ'নাই বৃহত্তৰ টংলা অঞ্চলৰ দুগৰাকী কৃতী শিক্ষকক প্ৰাণ কাঢ়ি নিলে। অক্সফৰ্ড ইংলিছ গাইড ইনষ্টিটিউট,পূব নলবাৰী টংলাস্থিত কেন্দ্ৰটোৰ সু-শিক্ষক ৰমেশ স্বৰ্গীয়াৰীৰ ক'ভিডত আক্ৰান্ত হৈ মৃত্যু হোৱাৰ বাতৰিয়ে বৃহত্তৰ টংলা অঞ্চলত শোকৰ ছাঁ পৰিছে। ক'ভিডত আক্ৰান্ত হৈ গৃহতে চিকিৎসাধীন হৈ থকা অৱস্থাত কালি পুৱতি নিশা মৃত্যুক সাবটি লোৱা ৰমেশ স্বৰ্গীয়াৰীয়ে সমগ্ৰ ভেৰগাঁও মহকুমাতে ইংৰাজী ভাষাৰ শিক্ষক হিচাপে জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছিল। তেওঁৰ অধীনত ইংৰাজী ভাষা অধ্যয়ন কৰি ছাত্ৰ-ছাত্ৰী, চাকৰিয়াল, গৃহিণী আদিয়ে কম সময়ৰ ভিতৰতে দক্ষতা অৰ্জন কৰিছিল। ইংৰাজী ভাষা নজনা ন-শিকাৰুসকলে ইংৰাজী ভাষাটো কম সময়তে আয়ত্ত কৰিবলৈ সক্ষম হৈছিল বুলি তেঁওৰ ছাত্ৰ-ছাত্ৰীৰ লগতে গুণমুগ্ধই আজি তেওঁৰ অবৰ্তমানত গুণ-গৰিমা, অৱদান গুণানু কীৰ্তন কৰে। বহুতে তেওঁৰ অধীনতে ইংৰাজী ভাষা শিক্ষা গ্ৰহণ কৰি পৰৱৰ্তী পৰ্যায়ত তেওঁলোকে ইংৰাজী ভাষাৰ শিক্ষক হিচাপে প্ৰতিষ্ঠিত হৈ পৰি জীৱিকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছিল। ভেৰগাঁও টোটলাপাৰাত জন্মগ্ৰহণ কৰা ৰমেশ স্বৰ্গীয়াৰীয়ে টংলা পূব নলবাৰীত নিগাজীকৈ বাস কৰি আছিল। ইংৰাজী শিক্ষাৰ বাঘ বুলি অভিহিত কৰা স্বৰ্গীয়াৰীয়ে দীৰ্ঘদিন ধৰি বড়ো আন্দোলনৰ নেতৃত্ব বহন কৰিছিল। নিখিল বড়ো ছাত্ৰ সন্থাৰ ভলেণ্টিয়াৰ্ছ ফ'ৰ্চৰ সংগ্ৰামী নেতা হিচাপে পৰিগণিত হোৱা ৫৩বছৰীয়া স্বৰ্গীয়াৰীয়ে মৃত্যুৰ সময়ত পত্নী, পুত্ৰ আৰু কন্যাক ইহসংসাৰত এৰি থৈ যায়। আনহাতে, ১ নং হাৰ্চাপাৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক, ওদালগুৰি জিলা প্ৰাথমিক শিক্ষক পৰিষদৰ সম্পাদক খৰ্গেশ্বৰ কছাৰীয়ে কালি নিজ গৃহতে ক'ভিডত আক্ৰান্ত হৈ মৃত্যুক আঁকোৱালি লয়। টংলা পূব নলবাৰীৰ বাসিন্দা কৃতী শিক্ষক খৰ্গেশ্বৰ কছাৰী (৫৬)য়ে মৃত্যুৰ সময়ত পত্নী, দুই কন্যা সন্তান লগতে অজস্ৰ গুণমুগ্ধক এৰি থৈ যায়। দুয়োগৰাকী কৃতী শিক্ষকৰ মৃত্যুত ওদালগুৰি জিলাত গভীৰ শোকৰ ছাঁ পৰিছে। বিভিন্ন দল-সংগঠনে তেওঁলোকৰ বিয়োগত শোক কৰাৰ লগতে বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

# জামুগুৰিহাটৰ ইউকো বেংকত ঋণ দিয়াৰ নামত ধন আত্মসাৎ

### বেংকটোৰ অস্থায়ী কৰ্মচাৰী গৌতম সাহাৰ বিৰুদ্ধে থানাত এজাহাৰ দাখিল ঃ নিবনুৱা যুৱকৰ পৰা ২৫ হাজাৰ টকা আত্মসাৎ কৰাৰ চেষ্টা

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ৪ জুন ঃ** জামুগুৰিহাটৰ ইউকো বেংকত ঋণ দিয়াৰ নামত ব্যাপক দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। শেহতীয়াকৈ ঋণ দিয়াৰ নামত দুৰ্নীতি সংঘটিত কৰা এই দালালী চক্ৰটোৰ বিৰুদ্ধে জামুগুৰি থানাত এক গোচৰো ৰুজু কৰাৰ লগতে এই দুৰ্নীতিত সাঙোৰ খাই পৰিছে বেংকটোত অস্থায়ী ভিত্তিত কৰ্মৰত কৰ্মচাৰী গৌতম সাহাৰ নাম। অভিযোগ অনুসৰি জামুগুৰিহাটৰে নিকটৱৰ্তী হাটিগুঁৱা অমৰাকচা গাঁৱৰ প্ৰণৱজ্যোতি ভূএগ নামৰ নিবনুৱা যুৱকজনৰ পৰা যোৱা বছৰ ডিচেম্বৰ মাহতেই বেংকৰ পৰা ঋণ দিয়াৰ নামত নগদ ২৫ হাজাৰ টকা উৎকোচ লৈছিল গৌতম সাহাই। আনকি গৌতম সাহা নামৰ এই ব্যক্তিজনে ১ লাখ ৯০ হাজাৰ টকা বেংকৰ পৰা ঋণ দিয়াৰ চুক্তিৰে উকা দলিলত চহীও কৰাই লোৱাৰ অভিযোগ উত্থাপন কৰিছে ভুক্তভোগী যুৱকগৰাকীয়ে। সেই অনুসৰি প্ৰণৱৰ সকলো নথি-পত্ৰও এইগৰাকী গৌতম সাহাই হাত কৰি লয়। পৰৱৰ্তী সময়ত ঋণ বিচাৰি গৌতম সাহাৰ ওচৰলৈ প্ৰণৱে বাটকুৰি বাই থাকে যদিও আজিকোপতি ঋণ লাভ নকৰিলে। বৰঞ্চ জমা দিয়া নথি-পত্ৰসমূহ হেৰাল বুলি কৈ এইগৰাকী গৌতম সাহা প্ৰণৱৰ পৰা পলাবলৈহে আৰম্ভ কৰিলে। উপায়ান্তৰ হৈ শিক্ষিত নিবনুৱা যুৱক প্ৰণৱজ্যোতি ভূএগাই জামুগুৰি থানাত গৌতম সাহাৰ ঠগ-প্ৰৱঞ্চনাৰ বিৰুদ্ধে যোৱা ৩১ মে'ত এখন এজাহাৰ দাখিল কৰে। কেৱল প্ৰণৱৰ পৰাই নহয় জামুগুৰি ইউকো বেংকৰ এইগৰাকী অস্থায়ী কৰ্মচাৰী গৌতম সাহাই জামুগুৰিহাটৰ বহুতো নিবনুৱাৰ পৰা বেংকৰ ঋণ দিয়াৰ নামত ধন সংগ্ৰহ কৰাৰ অভিযোগো উত্থাপিত হৈছে। বেংকৰ পৰা ঋণ লৈ ব্যৱসায়ৰ জৰিয়তে স্ব-নিৰ্ভৰশীল হ'ব খোজা শিক্ষিত যুৱক প্ৰণৱে এতিয়া আৰক্ষীয়ে কি পদক্ষেপ গ্ৰহণ কৰে তাৰ অপেক্ষাত বাট চাই ৰৈছে। আনহাতে, প্ৰণৱজ্যোতি ভূএগাৰ দৰে যুৱকক উচিত ন্যায় প্ৰদানৰ বাবে জামুগুৰি আৰক্ষীক অঞ্চলটোৰ সচেতন মহলেও দাবী জনাইছে। সততে বেংকটোৰ পৰিচালকগৰাকীৰ কোঠাতেই দেখা পোৱা গৌতম সাহাই অৱশ্যে ভুক্তভোগী প্ৰণৱজ্যোতি ভূএগাক আজি জামুগুৰি আৰক্ষী চকীত উৎকোচ লোৱা ধনৰ ১৫ হাজাৰ টকা আদায় দিয়ে যদিও বাকী ধনৰাশি ১০ দিনৰ ভিতৰত ওভতাই দিয়াৰ লিখিত প্ৰতিশ্ৰুতি দিয়ে। ঋণ দিয়াৰ নামত বেংকটোত চলি থকা এনে দুৰ্নীতিৰ খবৰে তীব্ৰ প্ৰতিক্ৰিয়াৰো সৃষ্টি কৰিছে সমগ্ৰ অঞ্চলটিত। এই ক্ষেত্ৰত ইউক' বেংকৰ উৰ্ধ্বতন কৰ্তৃপক্ষই কি পদক্ষেপ গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব।

### অসম চিকিৎসা সেৱা সন্থাৰে স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তৰ বৈঠক

# চিকিৎসক-স্বাস্থ্যকৰ্মীৰ নিৰাপত্তা, ৰোগীৰ চিকিৎসাকে ধৰি স্বাস্থ্যসেৱাৰ গুৰুত্বপূৰ্ণ দিশসমূহক লৈ আলোচনা

**দিছপুৰ, ৪ জুন ঃ** ৰাজ্যৰ স্বাস্থ্যসেৱা খণ্ডৰে জড়িত কেতবোৰ গুৰুত্বপূৰ্ণ বিষয়ত আলোচনাৰ বাবে দিছপুৰৰ জনতা ভৱনত আজি অসম চিকিৎসা সেৱা সন্থাৰ (আমছা) সৈতে এখন বৈঠকত মিলিত হয় স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত। জনতা ভৱনস্থিত স্বাস্থ্যমন্ত্ৰীৰ কাৰ্যালয়ত আয়োজিত এই গুৰুত্বপূৰ্ণ বৈঠকত আমছাৰ সভাপতি ডাঃ ননীগোপাল চহৰীয়া আৰু সাধাৰণ সম্পাদক ডাঃ কনক চন্দ্ৰ তালুকদাৰৰ নেতৃত্বত ৰাজ্যৰ চিকিৎসকসকলৰ সংগঠনটোৰ ছজনীয়া প্ৰতিনিধি দল এটাই অংশগ্ৰহণ কৰে। অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ প্ৰধান সচিব অনুৰাগ গোৱেল, চিকিৎসা সেৱা সঞ্চালক ডাঃ ৰথীন্দ্ৰ ভূএগ, স্বাস্থ্য সেৱা সঞ্চালক (পৰিয়াল কল্যাণ) মুনীন্দ্ৰনাথ ঙাটে আৰু অতিৰিক্ত স্বাস্থ্যসেৱা সঞ্চালক (প্ৰশাসন) প্ৰদীপ তিমুঙে ভাগ লোৱা এই বৈঠকত ৰাজ্যৰ সাম্প্ৰতিক ক'ভিড পৰিস্থিতি, ক'ভিড আক্ৰান্ত আৰু আন ৰোগীৰ চিকিৎসাৰ লগতে শেহতীয়াকৈ হোজাইৰ উদালি আদৰ্শ চিকিৎসালয়ত সংঘটিত চিকিৎসকৰ ওপৰত আক্ৰমণৰ ঘটনাক লৈ উদ্ভৱ হোৱা পৰিস্থিতিসহ ৰাজ্যৰ সামগ্ৰিক চিকিৎসা সেৱা ব্যৱস্থা তথা স্বাস্থ্য খণ্ডৰে জড়িত কেতবোৰ গুৰুত্বপূৰ্ণ বিষয়ত উভয় পক্ষই মুকলি মনেৰে আলোচনা কৰে। ক'ভিড আক্ৰান্তসকলৰ লগতে আন ৰোগত চিকিৎসাধীন লোকসকলে যাতে সময় মতে সঠিক চিকিৎসা সেৱা লাভ কৰিবলৈ সক্ষম হয়, সেয়া সুনিশ্চিত কৰাৰ বিষয়েও বৈঠকত গুৰুত্ব সহকাৰে আলোচনা কৰা হয়। ইফালে, হোজাইত চিকিৎসক নিগ্ৰহৰ ঘটনাৰ পাছত প্ৰথমবাৰলৈ আমছা আৰু ৰাজ্য চৰকাৰৰ মাজত অনুষ্ঠিত বৈঠকখনত স্বাস্থ্যমন্ত্ৰী মহন্তই ডাঃ সেউজ কুমাৰ সেনাপতিৰ ওপৰত হোৱা দুৰ্ভাগ্যজনক আক্ৰমণৰ ঘটনাক লৈ দুখ প্ৰকাশ কৰি এনে ঘটনাৰ পুনৰাবৃত্তি ৰোধ কৰিবলৈ চৰকাৰে প্ৰয়োজনীয় জৰুৰী ব্যৱস্থা গ্ৰহণ কৰাৰ বিষয়ে আমছাৰ প্ৰতিনিধি দলটোৰ আগত সদৰী কৰে। ৰাজ্যত চিকিৎসক আৰু স্বাস্থ্যকৰ্মীৰ নিৰাপত্তা নিশ্চিত কৰিবলৈ অতি শীঘ্ৰে এক উপযুক্ত পদ্ধতি কাৰ্যকৰী কৰিবলৈও স্বাস্থ্য বিভাগ তথা ৰাজ্য চৰকাৰে পদক্ষেপ লোৱা বুলি বৈঠকত আমছা নেতৃত্বক অৱগত কৰা হয়। আমছা নেতৃবৰ্গই হোজাইৰ উদালিত সংঘটিত চিকিৎসক-স্বাস্থ্যকৰ্মীৰ ওপৰত আক্ৰমণৰ ঘটনাৰে জড়িত অপৰাধীসকলৰ বিৰুদ্ধে স্বাস্থ্যমন্ত্ৰী তথা ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ক্ষিপ্ৰ কাৰ্যব্যৱস্থা আৰু কঠোৰ স্থিতিৰ বাবে বৈঠকত স্বাস্থ্যমন্ত্ৰী মহন্তক ধন্যবাদ জনায়।

## ডাঃ সেউজ সেনাপতিৰ জন্মভূমি দক্ষিণপাটত ৰাইজৰ প্ৰতিবাদ

### চিকিৎসক আক্ৰমণৰ ঘটনাৰ লগত জড়িত দোষীক কঠোৰ শাস্তি বিহাৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৪ জুন ঃ** হোজাই জিলাৰ উদালি ক'ভিড কেয়াৰ চেণ্টাৰত কৰ্তব্যৰত চিকিৎসক সেউজ কুমাৰ সেনাপতি আৰু স্বাস্থ্য কৰ্মীক বৰ্বৰভাৱে আক্ৰমণ কৰা ঘটনাৰ প্ৰতিবাদ আজিও অব্যাহত আছে। ডাঃ সেউজ কুমাৰ সেনাপতিৰ জন্মভূমি নগাঁও জিলাৰ দক্ষিণপাটত আজি স্থানীয় ৰাইজে মৌন প্ৰতিবাদ সাব্যস্ত কৰে। দক্ষিণপাট উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত প্ৰাক্তন ছাত্ৰ আৰু স্থানীয় ৰাইজৰ সহযোগত অঞ্চলটোৰ সচেতন লোকসকলে চিকিৎসকগৰাকীক আক্ৰমণৰ প্ৰতিবাদত ক'ভিড প্ৰট'কল মানি হাতে হাতে বিভিন্ন শ্ল'গান লিখা প্লে-কাৰ্ড লৈ চিকিৎসক আৰু স্বাস্থ্য কৰ্মীক আক্ৰমণৰ ঘটনাৰ লগত জড়িত দুষ্কৃতিকাৰীসকলক কঠোৰ শাস্তি বিহিবলৈ চৰকাৰক দাবী জনায়। এই প্ৰতিবাদী কাৰ্যসূচীত দক্ষিণপাট অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী নৰেন দাস, ঘন দাস, যুগ প্ৰসাদ বৰদলৈ, প্ৰবীণ মজুমদাৰ, সুনীল দাস, ধীৰেন দাস, হিৰকজ্যোতি দাস, ৰাজীৱ দাস, পংকজ কুমাৰ দাসৰ লগতে অৱসৰপ্ৰাপ্ত শিক্ষক টংকেশ্বৰ দাস, শিক্ষক লৱ শৰ্মাকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে ক'লা বেজ পৰিধান কৰি প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে কয়— 'ডাঃ সেউজ কুমাৰ সেনাপতি দক্ষিণপাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আছিল। এইগৰাকী চিকিৎসকক দুষ্কৃতিকাৰীয়ে আক্ৰমণ কৰা ঘটনাৰ আমি দক্ষিণপাট অঞ্চলৰ প্ৰাক্তন ছাত্ৰ, সচেতন ব্যক্তি আৰু ৰাইজে তীব্ৰ গৰিহণা দিছোঁ। আমি এই ঘটনাৰ লগত জড়িত ব্যক্তিসকলক দৃষ্টান্তমূলক শাস্তি বিহিবলৈ চৰকাৰক দাবী জনাইছোঁ।' আইনৰ সুৰুঙাৰে দোষীসকল যাতে সাৰি যাব নোৱাৰে তাৰ বাবে যথোচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰতিবাদকাৰীসকলে চৰকাৰক দাবী জনাইছে। প্ৰতিবাদী কাৰ্যসূচীৰ অন্তত প্ৰতিবাদকাৰীসকল ডাঃ সেনাপতিৰ দক্ষিণপাট বালিগাঁৱৰ বাসগৃহলৈ গৈ তেওঁৰ পিতৃ চন্দ্ৰ সেনাপতি আৰু পৰিয়ালৰ লোকক সাক্ষাৎ কৰি পৰিস্থিতিৰ বুজ লয়। বিপদৰ সময়ত দক্ষিণপাট অঞ্চলৰ ৰাইজে গ্ৰহণ কৰা পদক্ষেপে আমাক মানসিকভাৱে উৎসাহিত কৰিলে বুলি চন্দ্ৰ সেনাপতিয়ে মন্তব্য কৰে।

## ৰে'লৰ পৰা যাত্ৰীৰ পলায়নৰ চেষ্টা

### আৰক্ষীৰ জালত ১২ যাত্ৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৪ জুন ঃ** জাগীৰোডৰ পিছত আজি পুনৰ ৰে'লৰ পৰা পলায়নৰ চেষ্টা চলায় আৰক্ষী হাতত ধৰা পৰিল ১২গৰাকী যাত্ৰী। এই ঘটনা সংঘটিত হৈছে কামপুৰৰ লাওপানী ৰে'ল ষ্টেচনত। কামপুৰৰ লাওপানী ৰে'ল ষ্টেচনৰ পৰা ক'ভিড টেষ্ট নকৰাকৈ পলায়ন কৰিছিল ১২গৰাকী যাত্ৰীয়ে। পিছত নগাঁও অতিৰিক্ত আৰক্ষী অধীক্ষকৰ সহযোগত কামপুৰ আৰক্ষীয়ে অভিযান চলায় আটক কৰে যাত্ৰীসকলক। যাত্ৰীকেইগৰাকী কেৰালাৰ পৰা অহা ত্ৰিবান্দ্ৰমপুৰম এক্সপ্ৰেছত হোজাই লামডিং অভিমুখে আহিছিল। যাত্ৰীসকলৰ পলায়ন কৰা ঘটনাৰ খবৰ লাভ কৰি নগাঁও অতিৰিক্ত আৰক্ষী অধীক্ষকৰ তৎপৰতাত কামপুৰ আৰক্ষীৰ সহযোগত ১২গৰাকী যাত্ৰীক কাৰায়ত্ত কৰিবলৈ সক্ষম হয়। ইতিমধ্যে কামপুৰ আৰক্ষীয়ে কাৰায়ত্ত কৰা যাত্ৰীসকলৰ ক'ভিড পৰীক্ষা কৰাৰ লগতে 71/21 U/S 51/B of BM. Act নম্বৰৰ এটা গোচৰ ৰুজু কৰি আইনগত ব্যৱস্থা গ্ৰহণ কৰিব বুলি জানিবলৈ দিছে। যাত্ৰীসকলৰ ঘৰ কামপুৰৰ কচুৱা আৰু ৰাজাগাঁও অঞ্চলত বুলি জানিব পৰা গৈছে।

# উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহৰ নিৰ্মাণকাৰ্য খৰতকীয়াভাৱে সম্পূৰ্ণ

উচ্চ শিক্ষানুষ্ঠানৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। অসমৰ সংখ্যালঘু অধ্যুষিত ঠাইত স্থাপন কৰিবলৈ লোৱা ৯ খন মহিলা মহাবিদ্যালয়ৰ নিৰ্মাণকাৰ্যৰ পৰ্যালোচনা কৰি এই মহাবিদ্যালয়সমূহৰ নিৰ্মাণৰ কাম অতি সোনকালে আৰম্ভ কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ শিক্ষা বিভাগক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। অহা ১৫ আগষ্টৰ ভিতৰত এই আটাইকেইখন মহাবিদ্যালয়ৰ নিৰ্মাণৰ কাম যাতে একেলগে আৰম্ভ কৰিব পৰা যায় তাৰ ব্যৱস্থা গ্ৰহণৰ লগতে দুবছৰৰ ভিতৰত এই মহাবিদ্যালয়সমূহ পাঠদানৰ বাবে সাজু কৰি তুলিবলৈ মুখ্যমন্ত্ৰীয়ে লোক নিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজি আৰু ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ অধীনত হাতত লোৱা আদৰ্শ মহাবিদ্যালয়সমূহৰ নিৰ্মাণকাৰ্যৰো বুজ লয়। ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজিৰ অধীনত নিৰ্মাণকাৰ্য চলি থকা ৬ খন আদৰ্শ মহাবিদ্যালয়সমূহৰ নিৰ্মাণৰ কাম নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লগতে ইয়াৰ বাবে প্ৰয়োজনীয় অতিৰিক্ত পুঁজি পৰৱৰ্তী বাজেটতে প্ৰদানৰ ব্যৱস্থা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। আনহাতে ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ অধীনত হাতত লোৱা যিসমূহ আদৰ্শ মহাবিদ্যালয়সমূহৰ নিৰ্মাণকাৰ্য এতিয়াও আৰম্ভ হোৱা নাই, তাৰ কাৰণ বিশ্লেষণ কৰি অতিশীঘ্ৰে এই প্ৰতিবন্ধকতাসমূহ আঁতৰ কৰাৰ ব্যৱস্থা গ্ৰহণৰ বাবে বিভাগ দুটাক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। এই উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহৰ নিৰ্মাণকাৰ্যত নিযুক্ত ঠিকাদাৰসকল আৰু লোক নিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগৰ বিষয়াবৰ্গৰ সৈতে তাৎক্ষণিকভাৱে বৈঠকত মিলিত হৈ লেহেমীয়া প্ৰকল্পসমূহৰ দ্ৰুত ৰূপায়ণ নিশ্চিত কৰিবলৈও শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুক মুখ্যমন্ত্ৰীয়ে দায়িত্ব অৰ্পণ কৰে। ৰাজ্যৰ অভিযান্ত্ৰিক শিক্ষা প্ৰতিষ্ঠানসমূহৰ লগতে সকলো বিভাগৰে অভিযন্তাসকলক নিযুক্তিৰ বাবে এটা স্বতন্ত্ৰ আৰু একক সংস্থা গঠনৰ প্ৰয়োজনীয়তাৰ কথা দোহাৰি ইতিপূৰ্বে ঘোষণা কৰা 'অসম ইঞ্জিনিয়াৰিং ছাৰ্ভিচেছ ৰিক্ৰুইটমেণ্ট বৰ্ড' গঠনৰ আনুষ্ঠানিকতা অতি সোনকালে সম্পূৰ্ণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। পৰৱৰ্তী কেবিনেট বৈঠকতে এই সম্পৰ্কীয় প্ৰস্তাৱ অনুমোদনৰ ব্যৱস্থা কৰা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে। আনহাতে, ৰাজ্যৰ আন্তঃগাঁথনি সবলীকৰণত লোক নিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগৰ গুৰুত্বৰ লগতে বিভাগটোৰ কামৰ পৰিসৰৰ কথা বিবেচনা কৰি অতি সোনকালে এই বিভাগটোক দ্বিবিভক্তকৰণেৰে লোক নিৰ্মাণ (গৃহ) বিভাগক এটা স্বতন্ত্ৰ বিভাগৰূপে গঢ়ি তুলিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। এই বিভাগৰ সকলো খালী পদ শীঘ্ৰে পূৰণৰ লগতে প্ৰয়োজনসাপেক্ষে নতুন পদ সৃষ্টিৰ পদক্ষেপ ল'বলৈও তেওঁ নিৰ্দেশ দিয়ে। বিভাগটোক গতিশীল কৰি তোলাৰ স্বাৰ্থত অতি সোনকালে ৰাজ্যৰ প্ৰতিখন জিলাতে লোক নিৰ্মাণ (গৃহ) বিভাগৰ জিলা কাৰ্যালয় স্থাপনৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। আজিৰ এই বৈঠকত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, উচ্চ শিক্ষা বিভাগৰ প্ৰধান সচিব বি কল্যাণ চক্ৰৱৰ্তী, লোক নিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগৰ আয়ুক্ত আৰু বিশেষ সচিব ৰাজ চক্ৰৱৰ্তী, উচ্চ শিক্ষা বিভাগৰ সচিব ড° দীপক মজুমদাৰৰ লগতে অন্যান্য বিষয়ববীয়াসকল উপস্থিত আছিল।

**স্বাস্থ্য বিভাগৰ বিষয়ববীয়াসকলৰ সৈতে ৰাজ্যৰ কোভিড পৰিস্থিতিৰ পৰ্যালোচনা মুখ্যমন্ত্ৰীৰ**

**অন্যান্য জটিল ৰোগত ভুগি থকা ক'ভিড ৰোগীক হোম কোৱাৰেণ্টিনৰ অনুমতি নিদিব ঃ মুখ্যমন্ত্ৰী**

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনস্থিত তেওঁৰ কাৰ্যালয় সভাকক্ষত আয়োজিত এক বৈঠকত স্বাস্থ্য বিভাগৰ বিষয়ববীয়াসকলৰ সৈতে ৰাজ্যৰ কোভিড পৰিস্থিতিৰ পৰ্যালোচনা কৰে। ৰাজ্যখনত মৃত্যুৰ হাৰ আৰু ক'ভিড সংক্ৰমণৰ হাৰ হ্ৰাস হোৱাৰ পৰিপ্ৰেক্ষিতত অহা কেইসপ্তাহমানৰ ভিতৰত পৰিস্থিতি যথেষ্ট উন্নত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। ক'ভিড সংক্ৰমণৰ হাৰ আৰু মৃত্যুৰ হাৰ অধিক হ্ৰাস কৰাৰ বাবে অন্যান্য জটিল ৰোগত ভুগি থকা (কোমৰ্বিডিটি থকা) যিকোনো বয়সৰ ক'ভিড ৰোগীক হোম কোৱাৰেণ্টিনৰ অনুমতি নিদিবলৈ আৰু তেওঁলোকক প্ৰাতিষ্ঠানিক কোৱাৰেণ্টিনলৈ প্ৰেৰণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে স্বাস্থ্য বিভাগক নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীয়ে ক'ভিড চিকিৎসাৰ বাবে ব্যক্তিগত চিকিৎসালয়ৰ মাচুলৰ হাৰ নিৰ্ধাৰণৰ বিষয়টোও আলোচনা কৰে আৰু ব্যক্তিগত চিকিৎসালয়ৰ সাধাৰণ ৱাৰ্ড আৰু চুপাৰ-স্পেচিয়েলিটি ৱাৰ্ড দুয়োটাতে ক'ভিড চিকিৎসাৰ বাবে ৰোগীৰ ব্যয়সাধ্য যুক্তিসংগত মাচুল নিৰ্ধাৰণ কৰা হয়। অতিমাৰীৰ এই জটিল সময়ত যাতে ব্যক্তিগত চিকিৎসালয়ত স্বাস্থ্যসেৱাৰ বাবে যোৱা ৰোগীসকলৰ মাচুল লোৱাত কোনো বিসংগতি নাথাকে সেয়া নিশ্চিত কৰাৰ বাবেই মাচুলৰ এই হাৰ নিৰ্ধাৰণ কৰা হয়। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনক কেন্দ্ৰীয় চৰকাৰে প্ৰদান কৰা ৬ টা অক্সিজেন প্ৰকল্প স্থাপনৰ স্থিতিৰ পৰ্যালোচনা কৰাৰ লগতে বিভিন্ন চৰকাৰী চিকিৎসালয়ত স্থাপন কৰা পেডিয়াট্ৰিক আইচিইউসমূহৰ স্থিতি তথা ৰাজ্যখনৰ ১৩ টা অক্সিজেন প্ৰকল্পৰ কাম-কাজৰো পৰ্যালোচনা কৰে। অতি সোনকালে সৰ্বাধিক সংখ্যক লোকক টীকাকৰণৰ জৰিয়তে সামৰি লোৱাৰ বাবে দৈনিক টীকাকৰণৰ সংখ্যা বৃদ্ধি কৰিবলৈও মুখ্যমন্ত্ৰীয়ে বিভাগটোক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে অহা কেইদিনমানৰ ভিতৰত ৰাজ্যখনলৈ ভেকচিনৰ নতুন যোগান আহি পোৱাৰ লগে লগে অতি কম সময়ৰ ভিতৰতে যিমান সম্ভৱ সিমান লোকক সামৰি লোৱাৰ বাবে টীকাকৰণ দ্ৰুততৰ কৰি তুলিব লাগিব। সুদবিহীন ঋণৰ মাধ্যমেৰে ব্যক্তিগত চিকিৎসালয়সমূহক পুঁজি যোগান ধৰাৰ বিষয়টো পৰীক্ষা কৰিবলৈও মুখ্যমন্ত্ৰীয়ে স্বাস্থ্য বিভাগক নিৰ্দেশ দিয়ে যাতে তেওঁলোকে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা ব্যক্তিগত খণ্ডৰ বাবে সংৰক্ষিত ২৫ শতাংশ কোটাৰ অধীনত নিৰ্মাতাসকলৰ পৰা পোনপটীয়াকৈ ভেকছিন ক্ৰয় কৰিব পাৰে। এই ব্যৱস্থাৰ ফলত ব্যক্তিগত চিকিৎসালয়ৰ জৰিয়তেও অধিক সংখ্যক লোকক টীকাকৰণৰ আওতালৈ আনিব পৰা যাব বুলি তেওঁ আশা ব্যক্ত কৰে। আজিৰ এই বৈঠকত স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, স্বাস্থ্য বিভাগৰ প্ৰধান সচিব অনুৰাগ গোৱেল, ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন অসমৰ অভিযান সঞ্চালক লক্ষ্মণন এছৰ লগতে অন্যান্য বিষয়ববীয়াসকল উপস্থিত আছিল।

**সদ্যসমাপ্ত এছিয়ান বক্সিং চেম্পিয়নশ্বিপত ৰূপৰ পদক লাভ কৰা শিৱ থাপাই সাক্ষাৎ কৰিলে মুখ্যমন্ত্ৰীক ঃ ৰাজ্যিক ক্ৰীড়া নীতি অনুসৰি ৩ লাখ টকাৰ আৰ্থিক অনুদান আগবঢ়ালে মুখ্যমন্ত্ৰীয়ে**

সদ্যসমাপ্ত এছিয়ান বক্সিং চেম্পিয়নশ্বিপত ৰূপৰ পদক লাভ কৰা বক্সাৰ শিৱ থাপাই আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক তেখেতৰ জনতা ভৱনস্থিত কাৰ্যালয়কক্ষত সাক্ষাৎ কৰে। সাক্ষাৎকালত মুখ্যমন্ত্ৰী ড° শৰ্মাই বক্সাৰগৰাকীক অভিনন্দন জ্ঞাপন কৰাৰ উপৰি ৰাজ্যিক ক্ৰীড়া নীতি অনুসৰি ৩ লাখ টকাৰ আৰ্থিক অনুদানৰ এখন চেক আনুষ্ঠানিকভাৱে বক্সাৰগৰাকীক অৰ্পণ কৰে। মুখ্যমন্ত্ৰীয়ে বক্সাৰগৰাকীয়ে ভৱিষ্যতেও এনেধৰণৰ সফলতাৰে অসম তথা ভাৰতবৰ্ষক গৌৰৱান্বিত কৰিব বুলি আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ভৱিষ্যতেও তেখেতলৈ যথোচিত সহায়-সহযোগিতা আগবঢ়োৱা হ'ব বুলি কয়। আজিৰ সাক্ষাৎকালত ক্ৰীড়া মন্ত্ৰী বিমল বৰা, বিধায়কদ্বয় ক্ৰমে মৃণাল শইকীয়া, মানৱ ডেকা, ক্ৰীড়া বিভাগৰ আয়ুক্ত সচিব মলয় বৰা, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ সঞ্চালক পৱিত্ৰ খাউণ্ড, বক্সিং ফেডাৰেচন অৱ ইণ্ডিয়াৰ উপাধ্যক্ষ শান্তনু কলিতা, বক্সিং ফেডাৰেচন অৱ ইণ্ডিয়াৰ সচিব প্ৰধান হেমন্ত কলিতা উপস্থিত থাকে।

### দিল্লী এইমছৰ অধ্যয়ন টোকাত প্ৰকাশ পাইছে ক'ভিড সংক্ৰমণৰ ইতিবাচক ফলাফল

# ভেকচিন লোৱাৰ পিছত ক'ভিড সংক্ৰমিত হ'লেও মৃত্যুৰ সম্ভাৱনা হ্ৰাস

**নতুন দিল্লী, ৪ জুন ঃ** দিল্লীস্থ সৰ্বভাৰতীয় চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠান চমুকৈ এইমছৰ এক অধ্যয়নকাৰী দলে ক'ভিড ভেকচিনৰ পিছত ৰোগীৰ দেহত কেনেদৰে ক্ৰিয়া কৰে এই সম্পৰ্কে প্ৰকাশ কৰিছে তথ্যসম্বলিত প্ৰতিবেদন। এই প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে ক'ভিড ভেকচিনৰ দুইপালি ঔষধ গ্ৰহণ কৰাৰ পিছতো ভাইৰাছৰ দ্বাৰা সংক্ৰমণৰ সম্ভাৱনা সম্পূৰ্ণকৈ নোহোৱা নহয়। ভেকচিন গ্ৰহণৰ পিছতো মাজে মাজে ভাইৰাছৰ দ্বাৰা একাংশ লোক সংক্ৰমিত হৈছে। কিন্তু এই নতুন ধৰণৰ সংক্ৰমিতৰ মাজত মৃত্যুৰ পৰিসংখ্যা একেবাৰে নাই। এইমছ কৰ্তৃপক্ষই দাবী কৰিছে যে তেওঁলোকৰ হাতত বৰ্তমানলৈকে এনেকুৱা এজনো ৰোগীৰ নাম নাই যিয়ে ক'ভিড ভেকচিন সম্পূৰ্ণকৈ গ্ৰহণ কৰাৰ পিছত পুনৰ আক্ৰান্ত হৈছে আৰু পিছত মৃত্যু হৈছে। অৰ্থাৎ ভেকচিনৰ উপকাৰিতা আৰু অপৰিহাৰ্যতা অতিশয় গুৰুত্বপূৰ্ণ বুলি



এইমছৰ চিকিৎসকৰ দলটোৰ অধ্যয়ন টোকাত প্ৰকাশ পাইছে। এই দলটোৱে যোৱা এপ্ৰিল আৰু মে' মাহত এইমছত চিকিৎসাধীন হোৱা ৰোগীসকলৰ তথ্যসমূহ বিশ্লেষণ কৰিছিল। এই তথ্যসমূহ বিশ্লেষণ কৰি এটা কথা পোহৰলৈ আহিছিল যে সম্পূৰ্ণকৈ ভেকচিন লোৱাৰ পিছত কোনোবাই যদি ক'ভিড ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হয় তেনেহ'লে এই আক্ৰান্তৰ গভীৰতা কেতিয়াও প্ৰাণঘাতক পৰ্যায়লৈ অৱনমিত হ'ব নোৱাৰে। ৬৩জন ৰোগীৰ তথ্য বিশ্লেষণ কৰি তেওঁলোকে এক সিদ্ধান্তত উপনীত হৈছিল এইবুলি যে ইয়াৰে ৩৬ জন ৰোগীয়ে দুটাকৈ ড'জ গ্ৰহণ কৰিছিল। আনহাতে অন্য ২৭ জন ৰোগীয়ে এটাকৈহে গ্ৰহণ কৰিছিল। এইসকলৰ মাজৰে দহজনে ক'ভিশ্বিল্ড আৰু ৫৩ জনে ক'ভাক্সিন ভেকচিন গ্ৰহণ কৰিছিল। কিন্তু দুটাকৈ ভেকচিন গ্ৰহণ কৰা এজন লোকেও প্ৰাণ হেৰুৱাব লগা ধৰণৰ জটিল শাৰীৰিক সমস্যাৰ সন্মুখীন হোৱা নাই। আনহাতে এই আক্ৰান্তসকলৰ মাজৰে ৪১ গৰাকী পুৰুষ ৰোগী আৰু ২২ গৰাকী আছিল মহিলা আক্ৰান্ত। এই অধ্যয়নৰ জৰিয়তে এইমছৰ দলটো নিশ্চিত হৈছে যে ক'ভিড ভেকচিনে কেৱল সাময়িকভাৱে স্বাস্থ্য সুৰক্ষিত কৰি ৰাখিব পৰা ধৰণৰ সক্ষমতা অৰ্জন নকৰে। প্ৰয়োজনত দীৰ্ঘ কালৰ বাবেও এই ভেকচিন সংশ্লিষ্ট লোকসকলক ক'ভিড ভাইৰাছৰ সংক্ৰমণৰ পৰা সুৰক্ষিত কৰি ৰাখিবলৈ সক্ষম হ'ব।

# আহি আছে ছয় ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচন

### উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড, পঞ্জাব, হিমাচলপ্ৰদেশ, গোৱা আৰু গুজৰাটৰ আগন্তুক বিধানসভাৰ নিৰ্বাচনক লৈ দিল্লীত দুদিনীয়া বৈঠক

**নতুন দিল্লী, ৪ জুন ঃ** ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ চৰকাৰী আৱাসত কাইলৈৰ পৰা দুদিনিয়াকৈ দলটোৰ সাধাৰণ সম্পাদকসকলৰ এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হ'ব। দলৰ সভাপতি নাড্ডাই ইতিমধ্যে সকলো সাধাৰণ সম্পাদকক এই বৈঠকত উপস্থিত থাকিবৰ বাবে জৰুৰীভাৱে তলব কৰিছে। বৈঠকৰ দ্বিতীয় দিনা দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও ভাগ লোৱাৰ কথা। উল্লেখ্য যে চলিত বৰ্ষৰ পাঁচ ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচনত অসম আৰু পুডুচেৰীৰ বাহিৰে অন্য তিনিখনত বিজেপি দলে ক্ষমতা দখল কৰিবলৈ সক্ষম নহ'ল। অসমত পূৰ্বতে বিজেপিৰ চৰকাৰেই আছিল আৰু পুডুচেৰীত আছিল ইউ পি এ মৰ্চাৰ চৰকাৰ। অন্য তিনি ৰাজ্য ক্ৰমে কেৰালা, তামিলনাডু আৰু পশ্চিমবংগত বিজেপিয়ে ক্ষমতা দখল কৰিবলৈ সক্ষম নহ'ল। ইয়াৰ বাবেই আগন্তুক ছয় ৰাজ্যত হ'ব লগা বিধানসভাৰ নিৰ্বাচনৰ বাবে সময়তকৈ আগতেই প্ৰস্তুতি চলাইছে গেৰুৱা দলটোৱে। আগন্তুক ২০২২ বৰ্ষত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব লগা ৰাজ্যসমূহ হ'ল উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড, পাঞ্জাৱ, হিমাচল প্ৰদেশ, গুজৰাট আৰু কেন্দ্ৰীয় শাসিত প্ৰদেশ গোৱা। বৰ্তমান এই ছয় ৰাজ্যৰ ভিতৰত পাঞ্জাৱৰ বাহিৰে আটাইকেইখনতে বিজেপি তথা এন ডি এ মৰ্চাৰ চৰকাৰ আছে। ২০২৪ চনত হ'ব লগা লোকসভাৰ নিৰ্বাচনৰ ফলাফল নিৰ্ভৰ কৰিব হিন্দী বলয়ৰ উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড, পাঞ্জাৱৰ দৰে ৰাজ্যসমূহৰ ফলাফলৰ ওপৰত। যাৰ বাবে ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই নিজৰ চৰকাৰী আৱাসত এই বৈঠকৰ আয়োজন কৰিছে আৰু দলৰ সকলো সাধাৰণ সম্পাদকেই আগন্তুক নিৰ্বাচন সম্পৰ্কত মতামত ব্যক্ত কৰিব পাৰিব। ইয়াৰ বাবেই অহা পাঁচ আৰু ছয় জুন




তাৰিখে দিল্লীলৈ সকলো দলীয় সাধাৰণ সম্পাদকক তলব কৰা হৈছে। উক্ত বৈঠকৰ দ্বিতীয় দিনা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ নিজেই উপস্থিত থকাৰ সম্ভাৱনা আছে। আনহাতে প্ৰধানমন্ত্ৰী মোদীয়ে ডিজিটেল পদ্ধতিৰে দলৰ সাধাৰণ সম্পাদকসকলক সম্বোধন কৰিব বুলি জানিব পৰা গৈছে।

# বৃহস্পতিবাৰে হ্ৰাস পাইছে কৰ'না কমিছে ভাইৰাছত সংক্ৰমিতৰ মৃত্যু

### দিনটোত আক্ৰান্ত হ'ল ১.৩২ লাখ, মৃত্যু ২৭১৩

**নতুন দিল্লী, ৪ জুন ঃ** দেশত ক্ৰমাগতভাৱে সংক্ৰমণ হ্ৰাস পাইছে। তথাপি সংক্ৰমণৰ গতি ৰুদ্ধ হোৱা নাই। বৃহস্পতিবাৰৰ দিনটোত নতুনকৈ সংক্ৰমিত হৈছে ১,৩২,৩৬৪ জন। আনহাতে এই সময়ছোৱাত নতুনকৈ মৃত্যুমুখত পৰিছে ২৭১৩ জন। পূৰ্বৰ তুলনাত বৃহস্পতিবাৰে মৃত্যুৰ সংখ্যা নিম্নগামী হৈ পৰা দেখা



গৈছে। ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে আজি পুৱা প্ৰকাশ কৰা নিয়মীয়া বুলেটিনত এই তথ্য সন্নিবিষ্ট হৈছে। বৰ্তমান দেশত সক্ৰিয় ক'ভিড আক্ৰান্তৰ সংখ্যা হ'ল ১৬,৩৫,৯৯৩ গৰাকী। আনহাতে মে' মাহৰ দহ তাৰিখে সৰ্বাধিক সক্ৰিয় সংক্ৰমিতৰ সংখ্যাই ৩৭ লাখ অতিক্ৰম কৰি গৈছিল। আনহাতে যোৱা এক জুন তাৰিখে দেশত নতুনকৈ সংক্ৰমিত হৈছিল ১,২৭,৫১০ জন। এই পৰিসংখ্যা আছিল যোৱা ৮ এপ্ৰিলৰ পিছত সৰ্বনিম্ন। কিয়নো যোৱা সাত এপ্ৰিল তাৰিখত সংক্ৰমিত হৈছিল ১,২৬,৭৮৯ গৰাকী আৰু ৮ এপ্ৰিলত সংক্ৰমিত হৈছিল ১,৩১,৯৬৮ গৰাকী। যোৱা বৃহস্পতিবাৰে তামিলনাডুত সৰ্বাধিক ২৫ হাজাৰ আক্ৰান্ত হোৱা দেখা গৈছিল। ইয়াৰ বিপৰীতে দিল্লীত ৪৮৭,মুম্বাইত ৯৬১, কলকাতাত৯৭৬, চেন্নাইত ২০৬২ আৰু বাংগালুৰুত ৩৫৩৩ জন সংক্ৰমিত হৈছিল। যোৱা ১৭ মে' তাৰিখৰ পৰা সংক্ৰমিতৰ সংখ্যা তিনি লাখৰ তললৈ নামি অহা পৰিলক্ষিত হৈছে। আনহাতে যোৱা ৭ মে' তাৰিখে এদিনতে সৰ্বাধিক ৪.১৪ লাখ লোক কৰ'না ভাইৰাছৰ দ্বাৰা সংক্ৰমিত হৈছিল। আনহাতে যোৱা তিনিটা সপ্তাহত ভাৰতত আশী হেজাৰতকৈ অধিক লোকৰ প্ৰাণ হানি হৈছে ক'ভিড সংক্ৰমণৰ ফলত। আনহাতে যোৱা ২১ মে' তাৰিখে বিশ্বৰ সকলো ৰাষ্ট্ৰত এদিনৰ ভিতৰতে ক'ভিডত মৃত্যু হোৱা পৰিসংখ্যা সৰ্বাধিক পৰিমাণে ভাৰতৰ হাতত আহি পৰিছিল। কিয়নো সেই দিনটোত এদিনতে ৪৫২৯ গৰাকীৰ মৃত্যু হৈছিল। ইয়াৰ পূৰ্বে এদিনতে ৪৪৬৮ গৰাকী মৃত্যু হৈছিল আমেৰিকা যুক্তৰাষ্ট্ৰত যোৱা ১২ জানুৱাৰী তাৰিখে। এই পৰিসংখ্যাই আছিল বিশ্বৰ বাবে সৰ্বাধিক। আনহাতে ব্ৰাজিলত যোৱা ৬ এপ্ৰিলত এদিনতে সৰ্বাধিক মৃত্যু হৈছিল ৪২১১ জন। এনেকৈ দেশত সৰ্বাধিক মৃত্যুৰ বিশ্ব অভিলেখৰ অনাকাংক্ষিত গৰাকী হ'ল যদিও বৰ্তমান সমগ্ৰ বিশ্বতে এই সংক্ৰমণ হ্ৰাস পাইছে ভাৰতৰ দৰেই।

# আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বিডেনে ব্লেক লিষ্টেড কৰিলে চীনৰ ৫৯ টা সামৰিক বাহিনীৰ সামগ্ৰী যোগানকাৰী প্ৰতিষ্ঠানক

**ৱাশ্বিংটন, ৪ জুন ঃ** চীনৰ প্ৰতিষ্ঠানৰ পৰা আমেৰিকা যুক্তৰাষ্ট্ৰই সামৰিক বাহিনীৰ বাবে আৱশ্যক হোৱা কোনো সামগ্ৰী ক্ৰয় নকৰে। ইয়াৰ বাবে যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জ' বিডেনে ৫৯ খন সামৰিক বাহিনীৰ বিভিন্ন সামগ্ৰী যোগানকাৰী চীনা প্ৰতিষ্ঠানক নিষিদ্ধ ঘোষণা কৰিছে। ইয়াৰ পূৰ্বে বিদায়ী ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে চীনৰ অন্য ৩১ খন প্ৰতিষ্ঠানক নিষিদ্ধ কৰাৰ সিদ্ধান্ত লৈছে। এই সম্পৰ্কত হোৱাইট হাউচৰ সম্পৰ্কৰক্ষী বিষয়াই সংবাদ মাধ্যমলৈ এক বাৰ্তা প্ৰেৰণ কৰি কয় যে চীনৰ প্ৰযুক্তিৰে তৈয়াৰী যিকোনো ধৰণৰ সামগ্ৰী ব্যৱহাৰ কৰাটো এক নিৰাপত্তাৰ ভাবুকি স্বৰূপ হৈছে। কিয়নো চীনত প্ৰস্তুত কৰা এনেধৰণৰ সামগ্ৰী ব্যৱহাৰ কৰি আমেৰিকা যুক্তৰাষ্ট্ৰই নিজকে সুৰক্ষিত কৰি ৰাখিব নোৱাৰিব। চীনৰ সামগ্ৰী ব্যৱহাৰ কৰিলে এনে সামগ্ৰীত সংলগ্ন কৰা বিশেষ ডিভাইছৰ জৰিয়তে চীনা চৰকাৰে



আমেৰিকাত চলি থকা নিৰাপত্তাজনিত কাম-কাজবোৰৰ খবৰ আগতীয়াকৈ লাভ কৰিবলৈ সক্ষম হয়। গতিকে কেৱল আমেৰিকা বুলিয়েই নহয়, কোনো এখন দেশ চীনৰ নিৰাপত্তাজনিত সামগ্ৰী ব্যৱহাৰ কৰি সুৰক্ষিত হৈ থাকিব নোৱাৰে। জ' বিডেন চৰকাৰে নিষিদ্ধ কৰা যোগানকাৰী প্ৰতিষ্ঠানসমূহে সাধাৰণতে আমেৰিকাৰ সেনা বাহিনীৰ বাবে যোগান ধৰিছিল কেতবোৰ টেলিকম সামগ্ৰী, প্ৰযুক্তিগত কাৰিকৰী সামগ্ৰী, চীনৰ মোবাইল ফোন, ভিডিঅ' ছাৰ্ভিলেন্স, চীনৰ ৰে'লৰে কনষ্ট্ৰাকচন সামগ্ৰী ইত্যাদি। এই সামগ্ৰীসমূহত চীনে অন্য দেশৰ তথ্য সংগ্ৰহৰ বাবে নিজা কেতবোৰ কাৰিকৰী ডিভাইছ সংস্থাপিত কৰি পঠায় বুলিও আমেৰিকাই সংন্দেহ কৰিছে। কিন্তু ইয়াৰ বিপৰীতে বেইজিং প্ৰশাসনে আমেৰিকাৰ এই অভিযোগক নস্যাৎ কৰিছে। তেওঁলোকে কয় যে ৰাজনৈতিক কাৰণত চীনৰ সামগ্ৰী যোগানকাৰী প্ৰতিষ্ঠানসমূহক বাৰণ কৰা হৈছে। প্ৰকৃত তথ্য আৰু সত্যতা উদঘাটন নকৰাকৈয়ে কেৱল সন্দেহবশতঃ আমেৰিকাই গ্ৰহণ কৰা এই সিদ্ধান্ত দুৰ্ভাগ্যজনক বুলিও চীনৰ বৈদেশিক মন্ত্ৰালয়ৰ মুখপাত্ৰ ৱাং এনবিনে ব্যক্ত কৰিছে।

# ৪৫ হাজাৰ কোটিৰে অত্যাধুনিক ছাবমেৰিন ক্ৰয় কৰিব ভাৰতীয় নৌসেনাই

### প্ৰতিৰক্ষা মন্ত্ৰালয়ে জনালে অনুমোদন

**নতুন দিল্লী, ৪ জুন ঃ** ভাৰতৰ নৌ সেনাৰ সমৰসজ্জাত শীঘ্ৰে সংযোজিত হ'ব ছখন অত্যাধুনিক ছাবমেৰিণ। প্ৰজেক্ট-৭৫১ শিতানত এই ছাবমেৰিণসমূহ ক্ৰয় কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। আজি নতুন দিল্লীত কেন্দ্ৰীয় প্ৰতিৰক্ষামন্ত্ৰী ৰাজনাথ সিঙৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা ডিফেন্স একুইজিছন কাউন্সিল অৰ্থাৎ ডি এ চিৰ বৈঠকত এই সিদ্ধান্ত লোৱা হৈছে। স্বয়ং ৰাজনাথ সিঙে অনুমোদন জনোৱাৰ পিছত ভাৰতৰ নৌসেনা বাহিনী বিশ্বৰ ভিতৰতে শক্তিশালী ৰূপত গঢ়ি তুলিবলৈ চেষ্টা কৰা হ'ব। ইয়াৰ বাবে ৪৫০০০ কোটি টকা অনুমোদন জনোৱা হৈছে। এই মেগা ছাবমেৰিণ ক্ৰয় প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ ইতিমধ্যে দুটা ভাৰতীয় কোম্পানী আৰু পাঁচটা বিদেশৰ সামগ্ৰী প্ৰস্তুতকাৰী প্ৰতিষ্ঠানক তালিকাভুক্ত কৰা হৈছে। ভাৰতীয় থলুৱা প্ৰযুক্তিৰ আধাৰত এই বৃহৎ ছাবমেৰিণসমূহ নিৰ্মাণ কৰি নৌ সেনাৰ সমৰসজ্জাত সংযোজন ঘটোৱা হ'ব বুলিও ব্যক্ত কৰা হৈছে। ইতিমধ্যে প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ হাতত দাখিল কৰা প্ৰস্তাৱত উল্লেখ আছে যে ভাৰতৰ মাজাগাঁওডক্স (এমডিএল)আৰু লাৰ্ছেন এণ্ড টাৰ্বো কোম্পানীৰ নাম আঙুলিয়াই দিয়ে বুলি উল্লেখ আছে। উল্লেখ্য যে নৌ সেনাৰ নিৰাপত্তাৰ ক্ষেত্ৰত আৱশ্যকীয় অত্যাধুনিক ছাবমেৰিণ সংযোজনৰ বাবে ১৯৯৯ চনতে নিৰাপত্তাৰ কেবিনেট



সমিতিয়ে অনুমোদন জনাইছে। ইয়াৰ পিছত ২০০৭ চনত এই অনুমোদন চৰকাৰীভাৱে গ্ৰহণ কৰা হৈছিল। বৰ্তমানলৈকে ভাৰতীয় নৌ সেনাত ১২ খন ছাবমেৰিণ আছে। ইয়াৰ উপৰিও দুখন পাৰমাণৱিক ছাবমেৰিণ আছে। এই সমৰসজ্জাত অন্য ছখন অত্যাধুনিক ছাবমেৰিণ সংযোজিত হোৱাৰ লগে লগে দেশৰ নৌ সেনাৰ শক্তি বিশ্বৰ ভিতৰতে অগ্ৰণী হৈ পৰিব বুলি আশা কৰা হৈছে।

# বিশ্ববেংকৰ শৈক্ষিক উপদেষ্টাৰ পদত মহাৰাষ্ট্ৰৰ শিক্ষক ৰঞ্জিতসিং ডিছালে মনোনীত

### পূৰ্বে গ্ল'বেল শিক্ষক বঁটা লাভ কৰিছিল ২০২০ বৰ্ষত

**মুম্বাই, ৪ জুন ঃ** ২০২০ বৰ্ষত গ্ল'বেল টিছাৰ বঁটা লাভ কৰিছিল মহাৰাষ্ট্ৰৰ গ্ৰামাঞ্চলত শিক্ষকতা কৰা এজন যুৱকে। এতিয়া সেই যুৱকজন আগন্তুক চাৰি বছৰৰ বাবে মনোনীত হৈছে বিশ্ব বেংকৰ শৈক্ষিক উপদেষ্টা পদলৈ। এই খবৰে কেৱল মহাৰাষ্ট্ৰতে নহয় সমগ্ৰ ভাৰততে সৃষ্টি কৰিছে আনন্দময় পৰিৱেশৰ। উল্লেখ্য যে ২০২১ বৰ্ষৰ পৰা ২০২৪ বৰ্ষলৈ বিশ্ববেংকৰ মজিয়াত ৰঞ্জিতসিং ডিছালে পৰামৰ্শ প্ৰদান কৰিব বিশ্বৰ বিভিন্ন দেশত শৈক্ষিক পৰিকাঠামো গঢ়ি তোলাৰ ক্ষেত্ৰত বেংক কৰ্তৃপক্ষৰ কৰণীয় আৰু সহযোগিতাৰ প্ৰসংগত। ইতিমধ্যে মহাৰাষ্ট্ৰৰ শিক্ষামন্ত্ৰী বৰষা গাইকোৱাৰে শিক্ষক ৰঞ্জিতসিঙক অভিনন্দন জ্ঞাপন কৰিছে। গ্ল'বেল টিছাৰ বঁটাপ্ৰাপক শিক্ষকজনে বিশ্ববেংকৰ শৈক্ষিক উপদেষ্টা পদত অধিষ্ঠিত হ'বলৈ সুযোগ পোৱাটো



কেৱল মহাৰাষ্ট্ৰৰ বাবেই নহয় সমগ্ৰ ভাৰতৰ বাবেই গৌৰৱৰ বিষয় বুলি ব্যক্ত কৰিছে। বিশ্ব বেংকে আগন্তুক সময়ত শিক্ষাৰ গুণগত প্ৰসাৰৰ বাবে প্ৰচেষ্টা চলোৱাৰ সমান্তৰালভাৱে শিক্ষা আহৰণৰ বিনিময়ত ব্যয় হ্ৰাস কৰাৰ পৰিকল্পনাও কৰা হৈছে। যাৰ বাবে শিক্ষা গ্ৰহণৰ সময়ছোৱাত ছাত্ৰ-ছাত্ৰীৰ মাচুল হ্ৰাসৰ বিষয়টো বিশ্ববেংকে গুৰুত্বসহকাৰে গ্ৰহণ কৰিছে আৰু সেয়েহে এজন শিক্ষকক বিশ্ব বেংকৰ শৈক্ষিক উপদেষ্টাৰ পদত অধিষ্ঠিত কৰি এই ক্ষেত্ৰত ব্যৱহাৰিক অভিজ্ঞতা প্ৰয়োগৰ পদক্ষেপ লোৱা বুলি আলোচিত হৈছে।

# শীঘ্ৰে ১২-১৫ বছৰ বয়সীয়াৰ বাবে ভেকচিন

### ব্ৰিটেইনত অনুমোদন জনালে চৰকাৰীভাৱে, ফাইজাৰ আৰু বায়' এনটেক কোম্পানীয়ে যুটীয়াভাৱে প্ৰস্তুত কৰিব এই নতুন ভেকচিন

**লণ্ডন, ৪ জুন ঃ** শীঘ্ৰে কমবয়সীয়া সকলৰ বাবেও বজাৰলৈ আহিব ক'ভিড প্ৰতিৰোধী ভেকচিন। ১২-১৫ বছৰ বয়সীয়াৰ বাবে এই ভেকচিন মোকলাই দিয়া হ'ব। ইতিমধ্যে ব্ৰিটিছ প্ৰশাসনে দুটা ভেকচিন প্ৰস্তুতকাৰী কোম্পানীত অনুমোদন জনাইছে ক'ভিড ভেকচিন প্ৰস্তুত হৈছে আৰু ইতিমধ্যে বিশ্বৰ সকলো স্থানতে এই ভেকচিন ক্ৰয় কৰি থকা হৈছে। কিন্তু ১২-১৫ বছৰ বয়সীয়া লোকসকলৰ বাবে ভেকচিন প্ৰস্তুত নকৰিলে নিশ্চিতভাৱে আগন্তুক সময়ত অতি জটিল পৰিস্থিতিৰ সন্মুখীন হ'ব সৰ্বাধিক আক্ৰান্ত হ'ব বুলি একাংশ চিকিৎসক-সংস্থাই মত প্ৰকাশ কৰা দেখা গৈছে। এইসকল লোকক সুৰক্ষা দিবলৈ কোনোধৰণৰ প্ৰামাণিক ভেকচিন বৰ্তমানলৈ কোনো এটা প্ৰতিষ্ঠানে প্ৰস্তুত কৰিব পৰা নাই। তেনেস্থলত ফাইজাৰ আৰু বায়' এনটেক প্ৰতিষ্ঠানে কম বয়সীয়া লোকসকলৰ বাবে ক'ভিড ভেকচিন প্ৰস্তুত কৰিবলৈ আগবাঢ়ি অহা কাৰ্যই সকলোকে আশান্বিত কৰিছে।




উক্ত ভেকচিন উৎপাদনৰ বাবে। ফাইজাৰ আৰু বায়' এনটেক কোম্পানী দুটাই ১২-১৫ বছৰ বয়সীয়া লোকসকলৰ বাবে ভেকচিন প্ৰস্তুত কৰিবলৈ এই অনুমোদন লাভ কৰিছে। প্ৰতিষ্ঠান দুটাই অনুমোদন লাভ কৰা সম্পৰ্কত ব্ৰিটিছ প্ৰশাসনৰ ঔষধ আৰু স্বাস্থ্য সুৰক্ষা ৰেগুলেটৰী বোৰ্ডৰ মুখ্য কাৰ্যবাহী জোন ৰেইনিয়ে এই কথা অৱগত কৰিছে। তেওঁ কয় যে উক্ত বয়সৰ শিশু-নাবালকৰ সুৰক্ষাৰ বিষয়টো এতিয়া বিশ্বজুৰি চৰ্চিত হৈছে। সাবালকসকলৰ বাবে লাগিব। উল্লেখ্য যে ফাইজাৰ ভেকচিনে ইতিমধ্যে ১৬ বছৰ আৰু ইয়াৰ ওপৰৰ বয়সৰ লোকসকলৰ বাবে ভেকচিন প্ৰয়োগৰ অনুমোদন লাভ কৰিছে। এই ভেকচিন ২-৮ ডিগ্ৰী ছেলছিয়াছ তাপমাত্ৰাত সংৰক্ষণ কৰিব পাৰিব। ব্ৰিটেইনৰ এই প্ৰয়াসে কেৱল ইউৰোপৰ দেশসমূহতে নহয় ভাৰত বা বিশ্বৰ অন্য ৰাষ্ট্ৰৰ বাবেও আশাৰ কিৰণ কঢ়িয়াই অনা বুলিব পাৰি। কিয়নো ক'ভিড ভাইৰাছৰ তৃতীয় জোৱাৰত শিশু-নাবালকসকল



*নিমাওমাও গাজিয়াবাদ চহৰ, লকডাউনৰ কবলত ব্যাহত জনজীৱন। অহা ৭ জুনৰ পৰা গাজিয়াবাদৰ লকডাউন আৰু কাৰ্ফিউ শিথিল কৰাৰ সম্ভাৱনা*

# পুনৰ ক্ষমতা দখলৰ কৌশল গ্ৰহণ যোগী আদিত্য নাথৰ

### উত্তৰ প্ৰদেশত মন্ত্ৰীসভাৰ ব্যাপক ৰদবদলৰ সম্ভাৱনা, উপমুখ্যমন্ত্ৰী কেশৱ প্ৰসাদক ৰাজ্যিক সভাপতিৰ দায়িত্ব

**লক্ষ্ণৌ, ৪ জুন ঃ** অচিৰেই উত্তৰ প্ৰদেশ মন্ত্ৰীসভাৰ ব্যাপক ৰদবদল ঘটোৱা হ'ব। আগন্তুক বৰ্ষৰ প্ৰথমাৰ্ধতে আছে ৰাজ্যখনৰ বিধানসভাৰ নিৰ্বাচন। সেয়েহে যোগী আদিত্য নাথৰ কাৰ্যকালৰ শেষৰটো মন্ত্ৰীসভাৰ ৰদবদল চলিত মাহতে সম্পন্ন কৰা হ'ব। নতুনকৈ একাংশক মন্ত্ৰীসভাত স্থান দিয়া হ'ব আৰু বিগত চাৰি বছৰে মন্ত্ৰীসভাত থকা জ্যেষ্ঠসকলক আগন্তুক বিধানসভা নিৰ্বাচনৰ বাবে গুৰু দায়িত্ব অৰ্পণ কৰি দলীয় কাম-কাজত নিয়োজিত কৰা হ'ব। উল্লেখ্য যে দুদিনৰ পূৰ্বে লক্ষ্ণৌত উত্তৰ প্ৰদেশৰ শীৰ্ষ বিজেপি নেতাৰ এখন বিশেষ বৈঠক অনুষ্ঠিত হৈছিল। এই বৈঠকত মন্ত্ৰীসভাৰ সালসলনিৰ বিষয়টোৱে স্থান লাভ কৰা বুলি প্ৰকাশ পাইছে। সমান্তৰালভাৱে দ্বিতীয়বাৰলৈ যোগী আদিত্য নাথৰ নেতৃত্বত বিজেপি চৰকাৰক ক্ষমতাত অধিষ্ঠিত কৰাৰ বাবে কৌশল গ্ৰহণৰ বিষয়টো আলোচনা কৰা হৈছে। বৰ্তমানৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথৰ নেতৃত্বতে বিজেপিয়ে উত্তৰ প্ৰদেশত পৰৱৰ্তী নিৰ্বাচনত অৱতীৰ্ণ হোৱাটো নিশ্চিত হৈছে। আৰ এছ এছৰ সাধাৰণ সম্পাদক দত্ৰেয়া হোজাবালিয়ে তিনিদিনীয়া ভ্ৰমণ সূচীৰে লক্ষ্ণৌত উপস্থিত হৈছে। সেই সময়ছোৱাত মুখ্যমন্ত্ৰী আদিত্য নাথৰ উপৰিও ৰাজ্যিক বিজেপিৰ সভাপতি স্বতন্ত্ৰ দেৱসিং আৰু অন্যান্য কাংশৰ সৈতে আৰ এছ এছৰ মহা সচিবজনে আলোচনাত মিলিত হ'ব। ইফালে নতুনকৈ ৰদবদলৰ জৰিয়তে গঠন কৰিব লগা মন্ত্ৰীসভাত বৰ্তমানৰ উপমুখ্যমন্ত্ৰী কেশৱ প্ৰসাদ মৌৰ্যক অপসাৰণ কৰা হ'ব। তেওঁক দায়িত্ব দিয়া হ'ব ৰাজ্যিক বিজেপিৰ সভাপতি পদত। কিয়নো এইজন জ্যেষ্ঠ নেতাই ৰাজ্যখনৰ চৌদিশে ভ্ৰমণ কৰিব পৰাকৈ সকলো পৰ্যায়ৰ নেতা-কৰ্মীৰ সৈতে যোগাযোগ থকা বুলি বিজেপিৰ শীৰ্ষমহল প্ৰতীয়মান হৈছে. আগন্তুক জুলাই মাহত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই উত্তৰ প্ৰদেশত নিৰ্বাচনকেন্দ্ৰিক আলোচনাৰ বাবে উপস্থিত থকাৰ কথা। ইয়াৰ পূৰ্বেই



মন্ত্ৰীসভাৰ সালসলনি কৰি আগন্তুক নিৰ্বাচনৰ বাবে প্ৰস্তুতি চলাবলৈ গেৰুৱা শিবিৰ সজাগ হৈছে। কিয়নো বিৰোধী দলবোৰৰ ভিতৰত সমাজবাদী পাৰ্টী, বহুজন সমাজবাদী পাৰ্টী, কংগ্ৰেছ আদিয়ে কৰ'না মহামাৰী প্ৰতিৰোধৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰখন ব্যৰ্থ হোৱা বুলি বাৰম্বাৰ অভিযোগ উত্থাপন কৰি ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰা দেখা গৈছে। সেয়েহে বিৰাধীক ভেটিবলৈ আৰু পুনৰবাৰ ক্ষমতাত অধিষ্ঠিত হ'বলৈ বিজেপিয়ে নতুন কৌশল গ্ৰহণৰ বাবে সাজু হৈছে।

# পাকিস্তানৰ সৰ্বোচ্চ ন্যায়ালয়ত নাই মহিলা বিচাৰপতি

### দক্ষিণ এছিয়াৰ ভিতৰত লিংগ বৈষম্যৰ বলি হৈছে মহিলা ন্যায়াধীশ

**ইছলামাবাদ, ৪ জুন ঃ** সমগ্ৰ দক্ষিণ এছিয়াৰ ভিতৰতে কেৱল পাকিস্তানত লিংগ বৈষম্যৰ বলি হ'ব লগা হৈছে মহিলা বিচাৰপতিসকল। কিয়নো পাকিস্তানত বৰ্তমানলৈকে এগৰাকীও মহিলা ন্যায়াধীশক দেশখনৰ উচ্চতম ন্যায়ালয়ত মকৰল কৰা হোৱা নাই। কেবাখনো উচ্চ ন্যায়ালয়ত মহিলা ন্যায়াধীশ আছে যদিও এই পৰিসংখ্যা তেনেই নগণ্য বুলি আঙুলিয়াই দিয়া হৈছে। সেই অনুসৰি দেশখনত দহগৰাকীতকৈ কম পৰিমাণৰ মহিলা ন্যায়াধীশহে নিয়োজিত হৈ আছে উচ্চ ন্যায়ালয়ত। এই বিষয়ত ন্যায়াধীশসকলৰ নিযুক্তিৰ বাবে গঠন কৰা পাকিস্তানৰ সংসদীয় সমিতিৰ ভূমিকা সম্পৰ্কত স্থানীয় সংবাদ মাধ্যমত প্ৰশ্ন উত্থাপন কৰা দেখা গৈছে। আনকি জুডিচিয়েল কমিচন অব পাকিস্তানক নিজৰ সিদ্ধান্ত সংশোধন কৰিবলৈ দেশখনৰ বিভিন্ন



দল-সংগঠনে আহ্বান জনোৱা দেখা গৈছে। ইফালে পাকিস্তানৰ মানৱাধিকাৰ আয়োগেও এক প্ৰতিবেদনৰ জৰিয়তে এই কথা স্পষ্ট কৰিছে। তেওঁলোক কয় যে দেশখনৰ বিভিন্ন উচ্চ ন্যায়ালয়ত নিয়োজিত হোৱা মহিলা ন্যায়াধীশৰ পৰিসংখ্যা হ'ল ৫.৩ শতাংশ। এই পৰিসংখ্যা দক্ষিণ এছিয়াৰ সকলো দেশৰ তুলনাত সৰ্বনিম্ন হিচাপে পৰিগণিত হৈছে। দেশখনত এতিয়াও লিংগবৈষম্য প্ৰকট ৰূপত প্ৰতিফলিত হৈছে আৰু একাংশই মহিলাক ন্যায় পালিকাৰ দৰে গুৰুত্বপূৰ্ণ স্থানত অধিষ্ঠিত কৰাৰ পক্ষপাতি নহয়। ধৰ্মীয় গোড়ামি তথা মৌলবাদীৰ দ্বাৰা প্ৰভাৱিত পাকিস্তানৰ সংসদে এইক্ষেত্ৰত বলিষ্ঠ সিদ্ধান্ত গ্ৰহণ কৰিবলৈ সক্ষম নোহোৱা বুলিও দেশখনৰ বিভিন্ন মহলে আঙুলিয়াই দিছে। তথাপি পৰৱৰ্তী সময়ত বৰ্তমানৰ প্ৰধানমন্ত্ৰী ইমৰাণ খান নেতৃত্বাধীন চৰকাৰে মহিলা ন্যায়াধীশৰ নিযুক্তিৰ ক্ষেত্ৰত লিংগ বৈষম্যৰ ভেদ ভাঙিবলৈ সক্ষম হয় নে নাই সেয়া হ'ব লক্ষ্যণীয় বিষয়।

# অৰুণোদয় আঁচনিৰ পৰা বঞ্চিত গোসাঁইগাঁও বিধানসভা সমষ্টিৰ চাৰিখন গাঁও পঞ্চায়ত

## বিপাঙত পঞ্চায়ত প্ৰতিনিধি

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ৪ জুন ঃ** যি সময়ত অসম চৰকাৰে ৰাজ্যৰ শাৰীৰিকভাৱে সক্ষম, বিধৱা মহিলা আৰু দুখীয়া মহিলাসকলক অৰুণোদয় আঁচনিৰ জৰিয়তে আৰ্থিকভাৱে কিছু সকাহ দিয়াৰ উদ্দেশ্যে হিতাধিকাৰীৰ তালিকা অতি সোনকালে প্ৰস্তুত কৰিবলৈ দায়িত্বত থকা বিভাগসমূহক নিৰ্দেশ জাৰি কৰিছে, ঠিক সেই সময়তে ২৮নং গোসাঁইগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত চাৰিখন গাঁও পঞ্চায়তৰ দুখীয়া ৰাইজ উক্ত আঁচনিৰ পৰা বঞ্চিত হ'ব লগা হৈছে। ফলত উক্ত অভিলাষী আঁচনিখনৰ বাবে যোগ্য ব্যক্তিসকল হতাশ হৈ পৰিছে। একমাত্ৰ দায়িত্বত থকা বিভাগীয় কৰ্তৃপক্ষৰ অমনোযোগিতা, ৰাজনৈতিক নেতাৰ পক্ষপাতিত্ব আৰু বি টি আৰৰ বৈষম্যমূলক আচৰণৰ বাবেই ধুবুৰী জিলা তথা ২৮নং গোসাঁইগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত হাতীধুৰা উন্নয়ন খণ্ডৰ চাৰিখন গাঁও পঞ্চায়ত অৰুণোদয় আঁচনিৰ পৰা বঞ্চিত হ'ব লগা পৰিস্থিতিৰ সৃষ্টি হৈছে। উল্লেখ্য যে, অসমৰ অন্যান্য বিধানসভা সমষ্টিৰ নিচিনাকৈ ২৮নং গোসাঁইগাঁও বিধানসভা সমষ্টিতো অসম চৰকাৰে অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ সংখ্যা ১৬,০০০টা নিৰ্ধাৰণ কৰি দিছে। তাৰে সমষ্টিটোৰ কচুগাঁও উন্নয়ন খণ্ডত ৭,০০০টা, গোসাঁইগাঁও উন্নয়ন খণ্ডত ৪,০০০টা, গোসাঁইগাঁও পৌৰ সভাত ১,৫০০টা আৰু হাতীধুৰা উন্নয়ন খণ্ডত ৩,৫০০টা হিতাধিকাৰীৰ সংখ্যা নিৰ্ধাৰণ কৰি দিছে। কিন্তু মন কৰিবলগীয়া কথাটো হ'ল হাতীধুৰা উন্নয়ন খণ্ডত গোসাঁইগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত বি টি আৰৰ আঠখন ভি চি ডি চি আৰু বি টি আৰৰ বহিৰ্ভূত তথা ধুবুৰী জিলাৰ চাৰিখন গাঁও পঞ্চায়ত অন্তৰ্ভুক্ত হৈ আছে। উন্নয়ন খণ্ডটোৰ বি টি আৰৰ অংশৰ জনসংখ্যা ২০১১ চনৰ লোক পিয়ল মতে ৪০,০২৯জন আৰু বি টি আৰৰ বহিৰ্ভূত অংশৰ জনসংখ্যা ৫৩,০২৫জন। তেনে ক্ষেত্ৰত বিটিআৰৰ অংশৰ ৪০,০২৯জনৰ বাবে তিনি হাজাৰ হিতাধিকাৰী নিৰ্ধাৰণ কৰাৰ বিপৰীতে তাতকৈ বেছি জনসংখ্যা থকা বি টি আৰৰ বহিৰ্ভূত অংশৰ ৫৩,০২৫ জনৰ বাবে মাত্ৰ পাঁচশ হিতাধিকাৰীৰ সংখ্যা উৰ্দ্ধতন কৰ্তৃপক্ষই নিৰ্ধাৰণ কৰি দি বিটিআৰৰ বহিৰ্ভূত অংশৰ জনসাধাৰণক বঞ্চিত কৰাৰ চক্ৰান্ত কৰিছে। ফলত বিপাঙত পৰিছে পঞ্চায়ত প্ৰতিনিধিসকল। কাৰণ ইমান জনসংখ্যা থকা পঞ্চায়তকেইখনত মাত্ৰ পাঁচশ হিতাধিকাৰীক দিয়া মানে এপাচি শাকত এটা জালুকৰ লেখীয়া। একেখন অসমত বসবাস কৰা লোকসকলক দায়িত্বত থকা এচাম প্ৰশাসনিক বিষয়াই কিহৰ স্বাৰ্থত এনে বৈষম্যমূলক নীতিৰে বঞ্চিত কৰাৰ ষড়যন্ত্ৰ কৰি আছে সেইটোৰ বৰ্তমান সময়ত লাখটকীয়া প্ৰশ্ন হৈ পৰিছে। গতিকে এনে বৈষম্যমূলক নীতি ত্যাগ কৰি অন্যান্য অঞ্চলৰ নিচিনাকৈ ধুবুৰী জিলাৰ হাতীধুৰা জিলা পৰিষদ সমষ্টিৰ অধীনস্থ হাতীধুৰা উন্নয়ন খণ্ডৰ তামাৰহাট, ডিংডিঙা, কামানডাঙ্গা আৰু ছোটগুমা গাঁও পঞ্চায়তৰ অন্তৰ্গত অঞ্চলৰ জনসংখ্যা অনুসৰি সমপৰ্যায়ৰ হিতাধিকাৰীৰ সংখ্যা নিৰ্ধাৰণ কৰাৰ বাবে অঞ্চলটোৰ ৰাইজ তথা পঞ্চায়ত সভাপতিসকল অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ওচৰত দাবী জনাইছে। স্মৰ্তব্য যে ২৮নং গোসাঁইগাঁও বিধানসভা সমষ্টিৰ বিধায়ক মাজেন্দ্ৰ নাৰ্জাৰীৰ অকাল বিয়োগত সমষ্টিটো সম্প্ৰতি বিধায়কবিহীন হৈ পৰিছে। তেনে ক্ষেত্ৰত সমষ্টিটোৰ দায়িত্বত থকা অভিভাৱক মন্ত্ৰীগৰাকীক অঞ্চলটোৰ প্ৰতি নজৰ ৰাখিবলৈও আহ্বান জনাইছে অঞ্চলটোৰ বঞ্চিত ৰাইজে।



# বিশ্ব পৰিৱেশ দিৱস উপলক্ষে গোলাঘাটত গছপুলি ৰোপণ কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোলাঘাট, ৪ জুন ঃ** সমগ্ৰ বিশ্বজুৰি ৫ জুনৰ এই বিশেষ দিনটো বিশ্ব পৰিৱেশ দিৱসৰূপে পালন কৰি আহিছে। এই দিৱসৰ লগত সংগতি ৰাখি শুকুৰবাৰৰ পৰা গোলাঘাট জিলাৰ মুৰফুলনী খণ্ড বন কাৰ্যালয় এলেকাত বন বিভাগে বিজুলী আৰু নামবৰ বনাঞ্চলৰ এক বৃহৎ এলেকাৰ ভূমিত গছপুলি ৰোপণৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। বনাঞ্চলিক বিষয়া পুষ্পধৰ বৰগোহাঁইৰ তদাৰকত আৰম্ভ কৰা এই কাৰ্যসূচীত অন্যান্য বনকৰ্মী আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। এই বৃহৎ গছপুলি ৰোপণ কাৰ্যসূচীৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পৰিৱেশ বিষয়ক চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। গোলাঘাটৰ বনাঞ্চলিক বিষয়া পুষ্পধৰ বৰগোহাঁই আৰু সাংবাদিক প্ৰকাশ শৰ্মাই উক্ত কাৰ্যসূচীত চিত্ৰাংকন প্ৰতিযোগিতাত বিজয়ীসকলক বঁটা প্ৰদান কৰে।

## ড° লক্ষ্মীনন্দন বৰাৰ বিয়োগত অসম বিজ্ঞান সমিতিৰ শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৪ জুন ঃ** অসমৰ এগৰাকী সু-প্ৰতিষ্ঠিত সাহিত্যিক, অসম বিজ্ঞান সমিতিৰ প্ৰাক্তন উপ-সভাপতি, কৃষিবিজ্ঞানী, অসম কৃষি বিশ্ববিদ্যালয়ৰ অধ্যাপক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাহিত্য অকাদেমি বঁটা বিজয়ী, পদ্মশ্ৰী ড° লক্ষ্মীনন্দন বৰাৰ বিয়োগত অসম বিজ্ঞান সমিতিয়ে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে তেখেতৰ পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন্ কৰে।

## গোলাঘাটত গ্ৰেপ্তাৰ ড্ৰাগ্‌ছ ব্যৱসায়ী চন্দন বৰুৱা

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোলাঘাট, ৪ জুন ঃ** অসম চৰকাৰৰ নিৰ্দেশ অনুযায়ী সমগ্ৰ ৰাজ্যত ড্ৰাগ্‌ছৰ উৎখাত অভিযান আৰম্ভ হৈছে। প্ৰত্যেক দিনাই ড্ৰাগ্‌ছ ব্যৱসায়ীৰ গ্ৰেপ্তাৰে সংবাদ শিৰোনাম দখল কৰিছে। গোলাঘাটতো বিভিন্ন অঞ্চলত ধাৰাবাহিকভাৱে ড্ৰাগ্‌ছ ব্যৱসায়ী গ্ৰেপ্তাৰ হৈ আছে। পুনৰ গোলাঘাট ফৰকাটিঙত বৃহৎ পৰিমাণৰ ড্ৰাগ্‌ছসহ ড্ৰাগ্‌ছ ব্যৱসায়ী গ্ৰেপ্তাৰ হয়। গোলাঘাট ফৰকাটিং ২নং ফাটোৱাল গাঁৱৰ পৰা গ্ৰেপ্তাৰ ড্ৰাগ্‌ছব্যৱসায়ী চন্দন বৰুৱা। বহুদিনৰ পৰা ফৰকাটিং ২নং ফাটোৱাল গাঁও তথা বৃহত্তৰ ফৰকাটিং অঞ্চলত ড্ৰাগ্‌ছৰ ৰমৰমীয়া ব্যৱসায় চলাই আহিছিল চন্দন বৰুৱাই। ফৰকাটিং আৰক্ষীয়ে লাভ কৰা গোপন সূত্ৰৰ পম খেদি চন্দন বৰুৱাৰ বাসগৃহত তালাচী চলাই ১০ গ্ৰাম হেৰ'ইনসহ গ্ৰেপ্তাৰ কৰে ধৃত চন্দন বৰুৱাক। নিষিদ্ধ ড্ৰাগ্‌ছসমূহ ঘৰৰ টিনৰ মাজত লুকুৱাই থৈছিল চন্দনে। আৰক্ষীয়ে তালাচী চলাই উদ্ধাৰ কৰে ড্ৰাগ্‌ছসমূহ

## দৈনন্দিন বাৰ্তা কাকতৰ বাতৰিৰ প্ৰভাৱ

# আমছুৱে সহায় আগবঢ়ালে নতুন বদলা গাঁৱৰ দুৰ্ভগীয়া আব্দুৰ ৰহমানক

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ৪ জুন ঃ** দক্ষিণ কামৰূপৰ নগৰবেৰাৰ বদলা গাঁৱৰ দুৰ্ভগীয়া আব্দুৰ ৰহমান নামৰ ব্যক্তিজনৰ চিকিৎসাৰ বাবে সহায় বিচাৰি আমাৰ দৈনন্দিন বাৰ্তা কাকতত ২ জুন তাৰিখে এটা বাতৰি প্ৰকাশিত হৈছিল। সবিস্তাৰে বাতৰিটো প্ৰকাশ হোৱাৰ পাছতেই আমছুৰ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ মৰ্মে আজি দক্ষিণ কামৰূপ জিলাৰ আমছুৰ সভাপতি ইমদাদ হুছেইন, সাধাৰণ সম্পাদক আব্দুল লতিফ মণ্ডলসহ ১৫জনীয়া দল এটাই নগৰবেৰাস্থিত টুপামাৰীৰ বদলা গাঁৱৰ আব্দুল ৰহমানৰ ঘৰত উপস্থিত হয়। যোৱা বছৰ লকডাউনৰ সময়ত দৰং জিলাৰ মৌচিতা গাঁৱত হাজিৰা কাম কৰিবলৈ গৈ আব্দুৰ ৰহমান নামৰ ব্যক্তিজনৰ পুলিচৰ কোবত ভৰি ভাঙিছিল। পিছত দুখীয়া পৰিয়ালটোৱে বহু চিকিৎসা কৰিলে যদিও ভাল নহ'ল পৰিয়ালটোৰ একমাত্ৰ উপাৰ্জনকাৰী আব্দুৰ ৰহমান। পৰিয়ালৰ মূল উপাৰ্জনকাৰী পঙ্গু হৈ বিছনাত পৰি থাকিবলগীয়া হোৱাত পৰিয়ালটোলৈ নামি আহিছে ঘোৰ অমানিশা। কেতিয়াবা খাই আকৌ কেতিয়াবা নাখায়ো দিন-ৰাতি পাৰ কৰিবলগীয়া হৈছে দুৰ্ভগীয়া পৰিয়ালটোৱে। আজি দক্ষিণ কামৰূপ জিলাৰ আমছু সঁজাতী দলটোৱে আব্দুৰ ৰহমানৰ ঘৰত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে পৰিয়ালটোলৈ নগদ দুহাজাৰ টকা আৰু প্ৰায় ১৫ দিন খাব পৰাকৈ চাউলৰ লগতে বিভিন্ন খাদ্য-সামগ্ৰী আগবঢ়ায়। দক্ষিণ কামৰূপ জিলাৰ আমছুৰ সভাপতিগৰাকীয়ে আৰক্ষীৰ প্ৰহাৰত আব্দুৰ ৰহমান নামৰ ব্যক্তিজন পঙ্গু হোৱাত অসম আৰক্ষীক গৰিহণা দিয়ে আৰু অসম চৰকাৰক আব্দুৰ ৰহমানলৈ আৰ্থিক সাহায্য প্ৰদান দাবী জনায়। ইয়াৰ উপৰি স্থানীয় বিধায়িকা নন্দিতা দাসক দুৰ্ভগীয়া আব্দুৰ ৰহমানৰ চিকিৎসাৰ বাবে বুজন পৰিমাণৰ আৰ্থিক সাহায্য প্ৰদান কৰিবলৈ আহ্বান জনায় দক্ষিণ কামৰূপ জিলাৰ আমছুৰ সভাপতিগৰাকীয়ে।



## জামুগুৰি ইউকো বেংকত দালালৰ দপ-দপনি

# ঋণ দিয়াৰ নামত নিবনুৱা যুৱকৰ পৰা ধন সংগ্ৰহৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা ৪ জুন ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ ইউকো বেংকত ঋণ দিয়াৰ নামত বৃহৎ দুৰ্নীতি সংঘটিত হৈছে। বেংকটোৰ একাংশ বিষয়া-কৰ্মচাৰীয়ে ঋণ দিয়াৰ নামত দালালীৰ জৰিয়তে সৰ্বসাধাৰণ ৰাইজৰ পৰা উৎকোচ লৈ থকাৰ গুৰুতৰ অভিযোগ পোহৰলৈ আহিছে। শেহতীয়াকৈ এই দালাল চক্ৰটোৰ বিৰুদ্ধে জামুগুৰি থানাতো এক গোচৰ ৰুজু কৰা হৈছে। ভুক্তভোগীৰ ঘটনাৰ বিৱৰণী অনুযায়ী জামুগুৰিহাটৰ হাটিঙা অমৰাকচা নিৱাসী প্ৰণৱজ্যোতি ভূএগ নামৰ নিবনুৱা যুৱকজনৰ পৰা বেংকৰ পৰা ঋণ দিয়াৰ নামত নগদ পঁচিশ হাজাৰ টকা উৎকোচ লয় যোৱা বৰ্ষৰ ডিচেম্বৰত। জামুগুৰি ইউকো বেংকত অস্থায়ী ভিত্তিত কৰ্মৰত কৰ্মচাৰী গৌতম সাহা নামৰ ব্যক্তিগৰাকীয়ে প্ৰণৱক এক লাখ নব্বৈ হাজাৰ টকা বেংকৰ পৰা ঋণ দিয়াৰ চুক্তিৰে উকা দলিলত চহীও কৰাই লয়। সেই অনুসৰি প্ৰণৱৰ সকলো নথি-পত্ৰ এইগৰাকী গৌতম সাহাই হাত কৰি লয়। পৰৱৰ্তী সময়ত ঋণ বিচাৰি গৌতম সাহাৰ ওচৰলৈ প্ৰণৱে বাটকুৰি বাই থাকে যদিও আজিকোপতি ঋণ লাভ নকৰিলে। শেষত প্ৰণৱে জমা দিয়া নথি-পত্ৰসমূহ হেৰাল বুলি কৈ গৌতম সাহা পলাবলৈ ল'লে। উপায়ান্তৰ হৈ প্ৰণৱে জামুগুৰি থানাত গৌতম সাহাৰ ঠগ-প্ৰৱঞ্চনাৰ বিৰুদ্ধে ৩১ মে'ত এখন এজাহাৰ দাখিল কৰে।

## অঞ্চলজুৰি শোকৰ ছাঁ

# গোৱালপাৰা পশ্চিম সমষ্টিৰ প্ৰাক্তন বিধায়ক এবিএছ জোটদাৰৰ দেহাৱসান

**দৈনন্দিন বাৰ্তাৰ সেৱা, লক্ষীপুৰ, ৪ জুন ঃ** গোৱালপাৰা পশ্চিম সমষ্টিৰ প্ৰাক্তন বিধায়ক এ বি এছ জোটদাৰ আৰু নাই। কালি পুৱা ১১ মান বজাত গোৱালপাৰাৰ চোলেচ হাস্পতালত তেওঁ ইহলীলা সম্বৰণ কৰে। জানিব পৰা মতে প্ৰাক্তন বিধায়ক জোটদাৰ দীৰ্ঘ দিনৰ পৰা মধুমেহ আৰু উচ্চ ৰক্তচাপত ভুগি আছিল। কালি পুৱা প্ৰাক্তন বিধায়কগৰাকী তেওঁৰ নিজা বাসভৱনত হঠাৎ অসুস্থ হৈ পৰে আৰু ততাতৈয়াকৈ গোৱালপাৰাৰ চোলেচ হাস্পতালত ভৰ্তি কৰে যদিও চিকিৎসা আৰম্ভ কৰাৰ আগেয়ে তেওঁৰ মৃত্যু হয়। উল্লেখ্য এ বি এছ জোটদাৰ সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়নৰ সভাপতি হৈ থাকোতেই ১৯৯৬ চনত গোৱালপাৰা পশ্চিম সমষ্টিত কংগ্ৰেছ দলৰ পৰা নিৰ্বাচন খেলি বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল। তেওঁ এসময়ত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ এগৰাকী সদস্যৰ উপৰি যুৱ কংগ্ৰেছৰ ৰাজ্যিক উপ-সভাপতিও আছিল। তেওঁ ১৯৮৮ চনত সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়নৰ সাধাৰণ সম্পাদক আৰু ১৯৯২ চনত সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়নৰ সভাপতি আছিল। অকল এয়েই নহয় ৰেষ্ট গোৱালপাৰা কলেজৰ কেইবাবাৰো গৱৰ্নিং বডীৰ সভাপতিও আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুগৰাকী কন্যা, এজন পুত্ৰ, নাতি-নাতিনীসহ বহুতো গুণমুগ্ধক এৰি থৈ যায়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫৬ বছৰ। তেওঁৰ মৃত্যুৰ বাতৰি প্ৰচাৰ হোৱাৰ লগে লগে স্বতঃস্ফূৰ্তভাৱে তেওঁৰ খবৰ ল'বলৈ ক'ভিড প্ৰট'কল মানি গুণমুগ্ধই ভিৰ কৰা পৰিলক্ষিত হৈছে। ইতিমধ্যে সমষ্টিটোৰ বৰ্তমানৰ বিধায়ক আব্দুৰ ৰছিদ মণ্ডল, গোৱালপাৰা জিলা এ ইউ ডি এফ দলৰ সভাপতি ছফিয়ৰ ৰহমান, অসম চৰ পৰিষদৰ উপ-সভাপতি গোলাম শ্বহীদ চোৰোৱাৰ মণ্ডল, গোৱালপাৰা জিলা মুক্তিযুঁজাৰু সন্মিলনৰ সাধাৰণ সম্পাদক দিলীপ কুমাৰ নাথকে ধৰি বিভিন্ন দল-সংগঠনৰ নেতা-কৰ্মী তেওঁৰ আত্মাৰ সদ্‌গতি কামনা কৰাৰ লগতে তেওঁৰ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

# উত্তৰ-পূব কয়লা ক্ষেত্ৰ মুকলি কৰিবলৈ মুখ্যমন্ত্ৰী আৰু স্থানীয় বিধায়কলৈ আহ্বান মাৰ্ঘেৰিটা আঞ্চলিক সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰডুমচা, ৪ জুন ঃ** সমগ্ৰ ৰাজ্যজুৰি অব্যাহত থকা কৰ'না মহামাৰীৰ ভয়াৱহ সংক্ৰমণ ৰোধ কৰিবলৈ অসম চৰকাৰে লোৱা পদক্ষেপৰ বাবে মাৰ্ঘেৰিটা আঞ্চলিক সোণোৱাল কছাৰী ছাত্ৰ সন্থাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰিছে। তেওঁৰ নেতৃত্বতে অসমে উন্নতিৰ শিখৰত আৰোহণ কৰিবলৈ সক্ষম হ'ব বুলি আশা ব্যক্ত কৰিছে। আজি সংবাদ মাধ্যমৰ জৰিয়তে সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ মাৰ্ঘেৰিটা আঞ্চলিক সমিতিৰ হৈ সভাপতি জাহ্নু শ্যাম সোণোৱালে শীঘ্ৰেই 'উত্তৰ-পূব কয়লা ক্ষেত্ৰ' মুকলি কৰি মাৰ্ঘেৰিটাৰ অৰ্থনৈতিক সংকট দূৰ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ সৈতে অসম চৰকাৰক শীঘ্ৰে আলোচনা কৰিবলৈ আহ্বান জনাইছে। এইক্ষেত্ৰত স্থানীয় বিধায়ক ভাস্কৰ শৰ্মাৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ ৰামেশ্বৰ তেলীৰ বলিষ্ঠ পদক্ষেপ গ্ৰহণৰ পোষকতা কৰিছে। উল্লেখ্যে যে, বিগত কেইবা বছৰ ধৰি মাৰ্ঘেৰিটাৰ অৰ্থনীতিৰ মূল ভেটিস্বৰূপ মাৰ্ঘেৰিটাৰ 'উত্তৰ-পূব কয়লা ক্ষেত্ৰ' বন্ধ হৈ আছে। ই মাৰ্ঘেৰিটাৰ লগতে সমগ্ৰৰ তিনিচুকীয়া জিলাৰ অৰ্থনীতিত ই এক ঋণাত্মক কাৰক প্ৰভাৱ পেলাইছে। মাৰ্ঘেৰিটাৰ প্ৰায়সংখ্যক ব্যক্তি প্ৰত্যক্ষ নাইবা পৰোক্ষভাৱে উত্তৰ-পূব কয়লা ক্ষেত্ৰৰ লগত জড়িত হৈ আছে। কয়লা উদ্যোগ বন্ধৰ পৰিপ্ৰেক্ষিতত কৰ'নাৰ ভয়াৱহ মহামাৰীৰ সময়ত অঞ্চলবাসীয়ে এমুঠি অন্ন, এখন বস্ত্ৰৰ বাবে হাহাকাৰ কৰিবলগীয়া পৰিস্থিতিৰ সন্মুখীন হৈছে। সেয়েহে ছাত্ৰ সংগঠনটোৰ নৱ-নিৰ্বাচিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে মাৰ্ঘেৰিটাৰ বিধায়ক ভাস্কৰ শৰ্মা আৰু সাংসদ ৰামেশ্বৰ তেলীলৈ আহ্বান জনাইছে। কৰ'না মহামাৰী শেষ হোৱাৰ লগে লগেই প্ৰথমেই মাৰ্ঘেৰিটাৰ 'উত্তৰ-পূব কয়লা ক্ষেত্ৰ মুকলিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি পুনৰ পূৰ্বৰ দৰে কাৰ্যক্ষম কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰক আৰু মাৰ্ঘেৰিটাৰ অৰ্থনৈতিক দিশটো পুনৰোজ্জীৱিত কৰি মাৰ্ঘেৰিটাৰ দুৰ্ভগীয়া পৰিয়ালৰ মাজত হাঁহিৰ খলকনি সৃষ্টি কৰক। কিন্তু এইক্ষেত্ৰত কয়লাৰ অবৈধ খনন যাতে নহয় ইয়াৰ বাবে বিভাগীয় কৰ্তৃপক্ষই বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। কৰ'না মহামাৰীৰ ফলত ক্ষতিগ্ৰস্ত, আৰ্থিকভাৱে দুৰ্বল পৰিয়ালসমূহক ক্ষতিপূৰণ দিবলৈয়ো ছাত্ৰ সংগঠনটোৱে চৰকাৰলৈ আহ্বান জনাইছে।

# ভাৰতৰত্ন গোপীনাথ বৰদলৈ বিমানবন্দৰ আদানি গ্ৰুপলৈ হস্তান্তৰ কৰিবলৈ নিদিয়াৰ হুংকাৰ জাতীয় পৰিষদৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৪ জুন ঃ** বিমান প্ৰাধিকৰণলৈ জাতীয় পৰিষদৰ স্মাৰক-পত্ৰ। ভাৰতবৰ্ষৰ কেইবাটাও বিমান বন্দৰৰ লগতে অসমবাসী ৰাইজৰ আৱেগ বিজড়িত থকা স্বাধীনতা সংগ্ৰামী, অসমৰ প্ৰথম মুখ্যমন্ত্ৰী তথা মহাত্মা গান্ধীৰ ঘনিষ্ঠ লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ নামেৰে নামাংকিত বৰঝাৰ বিমান বন্দৰটো পুঁজিপতি গোষ্ঠী আদানি গোটৰ হাতত গতাই দিয়াৰ বাবে লোৱা একপক্ষীয় আৰু স্বেচ্ছাচাৰী সিদ্ধান্তৰ পুনৰ বিৰোধিতা কৰিছে অসম জাতীয় পৰিষদ দলে। আজি দলৰ সাধাৰণ সম্পাদক জগদীশ ভূএগ স্বাক্ষৰিত এখন স্মাৰক-পত্ৰ ভাৰতীয় বিমান প্ৰাধিকৰণৰ বৰঝাৰস্থিত কাৰ্যবাহী সঞ্চালকৰ হাতত অৰ্পণ কৰি দলৰ কামৰূপ মহানগৰ জিলা সমিতিৰ সভাপতি সঞ্জীৱ বৰা নেতৃত্বাধীন এটা প্ৰতিনিধি দলে কয় যে যোৱা সপ্তাহতে আদানি গ্ৰুপে লক্ষ্ণৌ বিমান বন্দৰটো চমজি লোৱাৰ লগে লগেই বিমান বন্দৰৰ পাৰ্কিঙৰ পৰা আৰম্ভ কৰি সকলো ধৰণৰ মাচুল দহগুণ বৃদ্ধি কৰিছে। বৰঝাৰৰ বিমান বন্দৰটোৰ দায়িত্ব লোৱাৰ পিছতো তেওঁলোকে নিশ্চয় এনে পদক্ষেপ হাতত ল'ব। স্মাৰক-পত্ৰখনত দলৰ সাধাৰণ সম্পাদক জগদীশ ভূএগই কয় যে কেন্দ্ৰীয় চৰকাৰে বৰঝাৰ বিমান বন্দৰ ব্যক্তিগত কোম্পানীক হস্তান্তৰ কৰা হঠকাৰী কাৰ্যৰ প্ৰতিবাদ জনাই বিগত ৮ আগষ্ট তাৰিখে জাতীয় পৰিষদে বৰঝাৰ বিমানবন্দৰৰ সন্মুখত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছিল আৰু বিমান বন্দৰৰ কাৰ্যবাহী সঞ্চালকক এখন স্মাৰক-পত্ৰও প্ৰদান কৰিছিল। দলটোৰ মতে অসমবাসী ৰাইজৰ আৱেগ জড়িত হৈ থকা গোপীনাথ বৰদলৈৰ নামেৰে নামাংকিত বিমান বন্দৰটিৰ সৈতে অসমীয়া ৰাইজৰ সন্মান আৰু স্বাভিমান জড়িত হৈ আছে। গতিকে ভাৰত ৰত্নৰে সন্মানিত গোপীনাথ বৰদলৈদেৱক পৰোক্ষ অথবা প্ৰত্যক্ষভাৱে অসন্মান কৰা কাৰ্য কোনো কাৰণতে মানি ল'ব নোৱাৰি। আনহাতে লক্ষ্ণৌ, বেংগালুৰু আদিকে ধৰি গুৱাহাটী বিমান বন্দৰক আগন্তুক ৫০বছৰৰ বাবে আদানি গ্ৰুপক গতাই দিব বিচৰা হৈছে। আদানি গ্ৰুপে ইতিমধ্যে দেশৰ অন্য পাঁচটাকৈ বিমান বন্দৰ তেওঁলোকৰ নিয়ন্ত্ৰণলৈ নিছে। তদুপৰি আদানি গ্ৰুপে ইতিমধ্যে পাৰ্কিং আদিকে ধৰি বিমান বন্দৰৰ বিভিন্ন মাচুল দহগুণ বৃদ্ধি কৰিছে। তেওঁলোকৰ এই হঠকাৰী কাৰ্যই মহামাৰীৰ কবলত পৰি বিত্তীয় সংকটে জুৰুলা কৰা যাত্ৰীসকলক আৰু অধিক সংকটৰ মুখলৈ ঠেলি দিছে। ভূএগই স্মাৰক-পত্ৰখনত কয়—'আমি সংশ্লিষ্ট সকলো পক্ষক সতৰ্ক কৰি দিব বিচাৰিছো যে গুৱাহাটী বিমানবন্দৰৰ ব্যক্তিগতকৰণৰ পৰা বিৰত থাকক। অসমবাসীৰ অধিকাৰ আৰু স্বাভিমানক পদদলিত কৰিব বিচৰা কাৰ্য আৰু যাত্ৰীসকলক লুট কৰিব বিচৰা প্ৰচেষ্টা সফল হ'বলৈ দিয়া নহ'ব। ব্যক্তিগতকৰণৰ পৰা বিৰত নাথাকিলে গণতান্ত্ৰিকভাৱে প্ৰবল প্ৰতিৰোধ গঢ়ি তোলা হ'ব। আমি আমাৰ এই বাৰ্তাটিৰ যোগেৰে স্পষ্ট কৰিব বিচাৰিছো যে অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ৰ উচ্চপদস্থ বিষয়াবৰ্গ আৰু আদানি গ্ৰুপে এই বিষয়ে আৰু অধিক সাহস প্ৰদৰ্শনেৰে বৰঝাৰৰ বিমান বন্দৰটি আদানি গ্ৰুপক হস্তান্তৰ কৰাৰ পৰা বিৰত থাকক।'

# মুখ্যমন্ত্ৰী সাহায্য পুঁজিলৈ ঢেকীয়াখোৱা বৰনামঘৰ পৰিচালনা সমিতিৰ পঞ্চাশ হাজাৰ টকাৰ আৰ্থিক সাহায্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ৪ জুন ঃ** মাধৱদেৱে প্ৰতিষ্ঠিত ঐতিহ্যমণ্ডিত ঢেকীয়াখোৱা বৰনামঘৰ পৰিচালনা সমিতিয়েও মহামাৰী কৰ'নাৰ বিৰুদ্ধে যুঁজ দিয়াত আৰ্থিকভাৱে সকাহ পাবলৈ যি সাহায্য নিধিৰ ব্যৱস্থা অসম চৰকাৰে গ্ৰহণ কৰিছে তাৰ সঁহাৰি জনাই মহামাৰীত আক্ৰান্ত হোৱা লোকসকলৰ চিকিৎসা আৰু চিকিৎসা ব্যৱস্থাত ব্যয় কৰিবৰ বাবে আজি শ্ৰীশ্ৰীঢেকীয়াখোৱা বৰনামঘৰ পৰিচালনা সমিতিয়ে পঞ্চাশ হাজাৰ টকাৰ সাহায্য প্ৰদান কৰে। লগতে ঢেকীয়াখোৱা বৰনামঘৰে প্ৰৱৰ্তন কৰা মাধৱদেৱ বঁটাপ্ৰাপক লক্ষ্মীনন্দন বৰাৰ মৃত্যুত শোক প্ৰকাশ কৰি পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰি কৰ'না মহামাৰীৰ পৰা সুস্থ হৈ থাকিবলৈ সকলোকে বৰনামঘৰৰ তৰফৰ পৰা আশীৰ্বাদ প্ৰদান কৰে।

## সৰুক্ষেত্ৰীৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰৰ ক'ভিড আক্ৰান্তলৈ ব্যতিক্ৰমী পদক্ষেপ

# ক'ভিড উপযোগী ঔষধ, খাদ্য-সামগ্ৰী বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভক্তৰডবা/পাকাবেটবাৰী, ৪ জুন ঃ** সম্প্ৰতি দেশ তথা ৰাজ্যখনত ক'ভিডৰ সংক্ৰমণে ভয়াৱহতা সৃষ্টি কৰা পৰিলক্ষিত হৈছে। আৰু ইয়াৰ গণ সংক্ৰমণ ৰোধ কৰাৰ নিমিত্তে চৰকাৰে ইতিমধ্যে পৰ্যায়ক্ৰমে এছ অ' পি ঘোষণা কৰাৰ ফলত হোম কোৱাৰেণ্টাইনত থকা একাংশ ক'ভিড আক্ৰান্ত ৰোগীয়ে খাদ্য-সামগ্ৰী যোগানৰ ক্ষেত্ৰত ভীষণ অসুবিধাৰ সন্মুখীন হৈ আহিছে। সম্প্ৰতি এনে সন্ধিক্ষণত বৰপেটা জিলাৰ ৪৬নং সৰুক্ষেত্ৰী বিধানসভা সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰে ক'ভিড আক্ৰান্তৰ ক্ষেত্ৰত এক ব্যতিক্ৰমী পদক্ষেপ গ্ৰহণ কৰা কাৰ্যই ৰাইজৰ মাজত চৰ্চিত হৈ পৰিছে। বিধায়কজনে সৰুক্ষেত্ৰী সমষ্টিটোৰ প্ৰাণকেন্দ্ৰ স্বৰূপ কয়াকুছিস্থিত বজাৰত ক'ভিড পৰীক্ষা কেন্দ্ৰ, কয়াকুছিত ক'ভিড সংক্ৰান্ত খাদ্য সামগ্ৰীৰ কেন্দ্ৰ মুকলি কৰি সামগ্ৰীসমূহৰ লগতে মাস্ক আদি বিতৰণৰ ব্যৱস্থা কৰি আহি ক'ভিডৰ সেৱা অব্যাহত ৰাখিছে। উল্লেখ্য যে, সমষ্টিটোৰ পাকাবেতবাৰী উন্নয়ন খণ্ডৰ অধীনস্থ ১৪টা গাঁও পঞ্চায়তৰ প্ৰতিজন মণ্ডল কংগ্ৰেছ, সভাপতি-সভানেত্ৰী তথা কংগ্ৰেছী নেত্ৰীবৃন্দক সামৰি ক'ভিড সেৱা সমিতি গঠন কৰাৰ লগতে ক'ভিড আক্ৰান্ত প্ৰতিটো পৰিয়ালৰ ঘৰলৈ গৈ ঔষধ, ক'ভিড ৰোগীৰ উপযোগী খাদ্য-সামগ্ৰী বিতৰণ কৰা কাৰ্যই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। স্মৰ্তব্য যে, এই সন্দৰ্ভত সমষ্টিটোৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰক মুখ্য পৃষ্ঠপোষক, পাকাবেতবাৰী আঞ্চলিক পঞ্চায়তৰ সভাপতি আবুল হুছেইন আৰু পাকাবেতবাৰী ব্লক কংগ্ৰেছৰ সভাপতি আব্দুল আজিজক সভাপতি, ছফিকুল ইছলামক পাকাবেতবাৰী ব্লক সমন্বয়ক আৰু ক্ৰমে দক্ষিণ বেতবাৰী, উত্তৰ বেতবাৰী, মধ্য বেতবাৰী, পশ্চিম বেতবাৰী, দক্ষিণ-পশ্চিম বেতবাৰী, পূব বেতবাৰী, উত্তৰ-পূব বেতবাৰী, পশ্চিম পাকা, দক্ষিণ-পূব পাকা, উত্তৰ পাকা, উত্তৰ-পূব পাকা, মধ্য পাকা আদি ১৪টা গাঁও পঞ্চায়তৰ প্ৰতিখন পঞ্চায়তত দুজনকৈ দলীয় জনপ্ৰতিনিধি তথা কৰ্মকৰ্তাক স্বেচ্ছাসেৱক হিচাপে লৈ ক'ভিড সেৱা সমিতিখন গঠন কৰাৰ লগতে এক ব্যতিক্ৰমী প্ৰচেষ্টাৰ ক'ভিড যোদ্ধা হিচাপে সমষ্টিটোত সেৱা আগবঢ়াই গৈছে। কালি এনে সেৱাৰ অংশ হিচাপে ৪২নং দক্ষিণ বেতবাৰী গাঁও পঞ্চায়তৰ অধীনস্থ পাকা বেতবাৰী গাঁও নিৱাসী তথা ইতিমধ্যে ক'ভিড আক্ৰান্ত হৈ মৃত্যু হোৱা অৰ্জুন চন্দ্ৰ সৰকাৰৰ বাকী সদস্যসকলো আক্ৰান্ত হৈ চিকিৎসাধীন হৈ ঘৰত উভতি অহাত তেওঁলোকৰ ঘৰত গৈ বিধায়কৰ নিৰ্দেশ মৰ্মে খাদ্য সামগ্ৰী বিতৰণ কৰে দক্ষিণ বেতবাৰী গাঁও পঞ্চায়তৰ সভানেত্ৰীৰ স্বামী আজিজুৰ ৰহমান, কংগ্ৰেছৰ সক্ৰিয় কৰ্মী আতোৱাৰ ৰহমান আৰু ৰবিয়াল হুছেইনে(টুটু)। সম্প্ৰতি বিধায়কৰ এনে যুদ্ধংদেহী প্ৰচেষ্টাক ৰাইজে শলাগ লৈছে। পাকা বেতবাৰীৰ দৰে সৰুক্ষেত্ৰী অঞ্চলৰ বাবে বৰমাৰা বজাৰত আন এখন ক'ভিড সহায়-সহযোগিতা কেন্দ্ৰ স্থাপন কৰিছে। সৰুক্ষেত্ৰীৰ বাবে স্থাপিত এই কেন্দ্ৰত সমন্বয়ক হিচাপে নজৰুল ইছলামক দায়িত্ব প্ৰদান কৰা বুলি জানিব পৰা গৈছে।




# মৰিয়ম আজমল ৱ'মেনছ কলেজ অৱ ছায়েন্স এণ্ড টেকন'লজিছৰ ড° লক্ষ্মীনন্দন বৰালৈ শ্ৰদ্ধাঞ্জলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মোৰাঝাৰ, ৪ জুন ঃ** জীৱন নাট সামৰি অনন্তধামলৈ গতি কৰা ৰাজ্যৰ প্ৰখ্যাত সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সদ্যপ্ৰয়াত ড° লক্ষ্মীনন্দন বৰাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে মৰিয়ম আজমল ৱ'মেন্স কলেজ অৱ ছায়েন্স এণ্ড টেকন'লজিছৰ অসমীয়া বিভাগে। সাহিত্যিকগৰাকীৰ মৃত্যুত শ্ৰদ্ধা জনোৱাৰ মানসেৰে দিনৰ ১১.৩০ বজাৰ পৰা গুগল মিটযোগে 'মহীৰূহ' নামেৰে এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান সফলতাৰে সমাপন কৰে। বিভাগটোৰ সহকাৰী অধ্যাপক গৌৰী প্ৰসাদ শৰ্মাই আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশ লৈ আজমল গ্ৰুপ অৱ কলেজৰ কলেজ ইন্সপেক্টৰ ড° ছামিম ছ'ফিকা বেগম, নাজিৰ আজমল মেম'ৰিয়েল কলেজ অৱ ইডুকেশ্বনৰ শিক্ষক-প্ৰশিক্ষাৰ্থী অনন্ত হাজৰিকাৰ লগতে বিভাগৰ ছাত্ৰী ক্ৰমে হাচিনা চিদ্দিকা, নৌৰিন চুলতানা, আফচানা য়াচমিন, য়াচমিন পাটুৱাৰীৰ লগতে ইংৰাজী বিভাগৰ ছাত্ৰী লতিফা বেগমেও ড° লক্ষ্মীনন্দন বৰাৰ সাহিত্যকৰ্মৰ বিশদ বিৱৰণ আগবঢ়ায়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত মূল বক্তা হিচাপে অংশ লৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলা বিভাগৰ সহকাৰী অধ্যাপক মৃণাল কুমাৰ বৰাই সাহিত্যকৰ্ম, সাংবাদিক জীৱন, ব্যক্তিগত সম্পৰ্কৰ বিষয়ে বিস্তৃত বিৱৰণ দাঙি ধৰে। বিভাগৰ মুৰব্বী অধ্যাপক ৰাজীৱ হুছেইনেও ড° বৰাৰ বৰ্ণিল সাহিত্য-কৃতীৰ আলোকপাত কৰাৰ লগতে তেওঁৰ লগত থকা মধুৰ সম্পৰ্কৰ কথা ব্যক্ত কৰে। অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা হেমন্ত কলিতা, চিন্ময়ী ডেকা, অদিতি ঘোষ, অমৃতা মণ্ডল, তাহেৰা ৰহমান, প্ৰেৰণা তালুকদাৰ আৰু ৰাচিৰ আলীও উপস্থিত থাকে।



### তৃতীয়দিনাৰ মেচত বৰষুণৰ বাধা

# ইংলেণ্ডৰ বিৰুদ্ধে প্ৰথম ইনিংছত নিউজিলেণ্ডৰ ৩৭৮

**লণ্ডন, ৪ জুন ঃ** নিউজিলেণ্ডে ইংলণ্ডৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম টেষ্টৰ প্ৰথম ইনিংছত ৩৭৮ ৰাণ কৰিছে। উল্লেখ্য যে কিবি বাহিনীৰ হৈ দ্বিশতক অৰ্জন কৰে অপেনাৰ ক'নৱে (২০০)। লৰ্ডছ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা শৃংখলাৰ প্ৰথমখন টেষ্টত টছত জয়ী হৈ পোনতে বেটিং কৰা নিউজিলেণ্ডে প্ৰথমদিনা প্ৰথম ইনিংছত সংগ্ৰহ কৰিছিল ২৪৬-৩ ৰাণ। প্ৰথমদিনা আউট হয় লাথাম (২৩), কেন উইলিয়ামছন (১৩) আৰু টেইলৰ (১৪)। আনহাতে, শতক অৰ্জন কৰি খেলি আছিল ক'নৱে। তেওঁৰ লগত উইকেটত থকা নিকলছে দ্বিতীয় দিনা ৬১ ৰাণ কৰি আউট হয়। উভয় বেটছমেনৰ বাদে বাকী সকলে বিশেষ অৱদান আগবঢ়াব নোৱাৰিলে। ইংলণ্ডৰ ৰবীনছনে চাৰিটা, মাৰ্ক উদে তিনিটা আৰু এণ্ডাৰছনে দুটা উইকেট পায়। ইফালে, ইংলণ্ডে প্ৰথম ইনিংছ আৰম্ভ কৰি আজি অন্তিম খবৰ অনুসৰি দুই উইকেটত ১১১ ৰাণ কৰিছে। বৰষুণৰ বাবে তৃতীয় দিনাৰ মেচ বন্ধ হৈ আছে। ইংলণ্ডৰ হৈ জ' ৰুটে ৪২ ৰাণ আৰু বাৰ্ণছে ৫৯ ৰাণত বেটিং কৰি আছে। উল্লেখ্য যে নিউজিলেণ্ডে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলৰ পূৰ্বে ইংলণ্ডৰ বিৰুদ্ধে এটা দুখনীয়া টেষ্ট শৃংখলাত অংশ লৈছে।



## লৰ্ডছত সৌৰভ গাংগুলীয়ে গঢ়া ২৫ বছৰীয়া অভিলেখ ভংগ কৰিলে ক'নৱে

**লণ্ডন, ৪ জুন ঃ** নিউজিলেণ্ডৰ অপেনাৰ ক'নৱে ইংলণ্ডৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম টেষ্টৰ প্ৰথম ইনিংছত দ্বিশতক অৰ্জন কৰি ২৫ বছৰীয়া এক অভিলেখ ভংগ কৰিছে। উল্লেখ্য যে নিউজিলেণ্ডে ইংলণ্ডৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম টেষ্টত অভিষেক কৰিছে ক'নৱে। লৰ্ডছত টেষ্ট অভিষেক কৰি সৰ্বাধিক ৰাণ কৰাৰ ভাৰতৰ প্ৰাক্তন অধিনায়ক সৌৰভ গাংগুলীৰ অভিলেখ ভংগ কৰিছে কিবি অপেনাৰজনে। সৌৰভে ১৯৯৬ ত লৰ্ডছত টেষ্ট অভিষেক কৰি ১৩১ ৰাণ কৰিছিল। বিপৰীতে আজি নিউজিলেণ্ডৰ অপেনাৰ ক'নৱে (২০০) লৰ্ডছ ষ্টেডিয়ামত দ্বিশতক অৰ্জন কৰে। উল্লেখ্য যে নিউজিলেণ্ডে ইংলণ্ডৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম টেষ্টৰ প্ৰথম ইনিংছত ৩৭৮ ৰাণ কৰিছে। উল্লেখ্য যে কিবি বাহিনীৰ হৈ দ্বিশতক অৰ্জন কৰে অপেনাৰ ক'নৱে (২০০)। লৰ্ডছ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা শৃংখলাৰ প্ৰথমখন টেষ্টত টছত জয়ী হৈ পোনতে বেটিং কৰা নিউজিলেণ্ডে প্ৰথমদিনা প্ৰথম ইনিংছত সংগ্ৰহ কৰিছিল ২৪৬-৩ ৰাণ। ইংলণ্ডৰ ৰবীনছনে চাৰিটা, মাৰ্ক উদে তিনিটা আৰু এণ্ডাৰছনে দুটা উইকেট পায়।

## ফ্ৰেন্স অপেনৰ মহিলাৰ একক শাখাৰ চতুৰ্থ ৰাউণ্ডত বেলাৰুছৰ ভিক্টোৰিয়া আজাৰেংকা



**পেৰিছ, ৪ জুন ঃ** চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনৰ মহিলাৰ একক শাখাৰ চতুৰ্থ ৰাউণ্ডত প্ৰৱেশ কৰিছে ভিক্টোৰিয়া আজাৰেনকা। আমেৰিকাৰ মেডিছন কীছক ৬-২, ৬-২ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে বেলাৰুছৰ আজাৰেনকাই। উল্লেখ্য যে ইতিমধ্যে মহিলাৰ একক শাখাৰ তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে এলিনা ছ'ভিট'লিনা আৰু ছ'ফিয়া কিন। দ্বিতীয় ৰাউণ্ডৰ মেচত এলিনা ছ'ভিট'লিনাই ৬-০, ৬-৪ ৰ পোনপটীয়া ব্যৱধানত জয়লাভ কৰাৰ বিপৰীতে ছ'ফিয়া কিনে ৭-৫, ৬-৩ ৰ পোনপটীয়া ব্যৱধানত জয়ী হয়। ইফালে, ছেৰেনা উইলিয়ামছে তিনিটা ছেটৰ অন্তত ৬-১, ৫-৭, ৬-১ ৰ ব্যৱধানত জয়ী হৈ অভিযান আৰম্ভ কৰিছে। উল্লেখ্য যে মহিলাৰ একক শাখাত ইয়াৰপূৰ্বে ছ'ফিয়া কিনে ৬-৪, ৪-৬, ৬-৩ ব্যৱধানত তথা এলিনা ছ'ভিট'লিনাই ৬-২, ৭-৫ ব্যৱধানত জয়ী হৈ দ্বিতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হৈছিল। ইফালে, মহিলাৰ শাখাত পেট্ৰা কিট'ভাই ৬-৭, ৭-৬, ৬-১ ব্যৱধানত জয়ী হৈ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰে। দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰে ইগা আৰু ছাবালেনকাও। ইগাই ৬-০, ৭-৫ ব্যৱধানত জয়ী হৈ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰাৰ বিপৰীতে ছাবালেনকাই প্ৰথম ৰাউণ্ডত ৬-৪, ৬-৫ ব্যৱধানত জয়ী হয়।

### মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ভাৰতীয় বক্সিং সন্থাৰ সম্পাদক হেমন্ত কুমাৰ কলিতাৰ ৫০ হেজাৰ

**গুৱাহাটী, ৪ জুন ঃ** ভাৰতীয় বক্সিং সন্থাৰ সম্পাদক হেমন্ত কুমাৰ কলিতাই আজি মুখ্য মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি সাহায্য পুঁজিলৈ ৫০ হেজাৰ টকা আগবঢ়ায়। উল্লেখ্য যে হেমন্ত কুমাৰ কলিতা অসম বক্সিং সন্থাৰো সম্পাদক। কলিতাই এইবাৰ ভাৰতীয় বক্সিং সন্থাৰ সম্পাদকৰ দায়িত্ব লোৱাৰ পাছতে প্ৰথমখন আন্তৰ্জাতিক প্ৰতিযোগিতাত ভাৰতে অভিলেখ গঢ়ি পদক জয় কৰিছে। স্মৰ্তব্য যে ডুবাই অনুষ্ঠিত সদ্য সমাপ্ত এছিয়ান বক্সিং প্ৰতিযোগিতাত ভাৰতীয় দলে মুঠ ১৫ টা পদক লাভ কৰে। এছিয়ান বক্সিং প্ৰতিযোগিতাত পদক জয়ৰ দৃষ্টিৰে এয়াই ভাৰতৰ শ্ৰেষ্ঠ প্ৰদৰ্শন। ইয়াৰপূৰ্বে ভাৰতে ২০১৯ ত থাইলেণ্ডত হোৱা এছিয়ান বক্সিং প্ৰতিযোগিতাত ১৩ টা পদক লাভ কৰিছিল। প্ৰতিযোগিতাত অসমৰ শিৱ থাপাই ৰূপ আৰু লাভলীনা বৰগোঁহায়ে ব্ৰঞ্জৰ পদক লাভ কৰে।

## কেন্দ্ৰীয় ক্ৰীড়ামন্ত্ৰী ৰিজিজুক ধন্যবাদ টেনিছ তাৰকা ছানিয়াৰ



**নতুন দিল্লী, ৪ জুন ঃ** ভাৰতৰ টেনিছ তাৰকা ছানিয়া মিৰ্জাই ইংলণ্ড ভ্ৰমণত নিজ সন্তানক লৈ যোৱাৰ সুযোগ দিয়াৰ বাবে ক্ৰীড়া মন্ত্ৰী কিৰেন ৰিজিজুক ধন্যবাদ জনাইছে। উল্লেখ্য যে আসন্ন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডনত খেলিব ছানিয়াই। কিন্তু সন্তান আৰু ভগ্নিৰ ভিছা লাভ কৰা নাছিল। এতিয়া ভাৰত চৰকাৰে ছানিয়াক সহযোগ কৰি সন্তানৰ লগতে ভগ্নিৰ ভিছাও দিয়াইছে। এইদিশত ক্ৰীড়া মন্ত্ৰী কিৰেন ৰিজিজুই সহায় কৰে ছানিয়াক।

### গুৱাহাটীত উপস্থিত এছিয়ান বক্সিঙত ৰূপজয়ী অসম সন্তান

# বক্সাৰ শিৱ থাপাক তিনি লাখ টকাৰ চেক প্ৰদান মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ

**গুৱাহাটী, ৪ জুন ঃ** ডুবাইত অনুষ্ঠিত সদ্য সমাপ্ত এছিয়ান বক্সিং প্ৰতিযোগিতাত ৰূপৰ পদক লাভ কৰা অসম সন্তান শিৱ থাপাক আজি ৰাজ্যিক ক্ৰীড়া নীতি অনুসৰি তিনি লাখ টকাৰ চেক প্ৰদান কৰে মূখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীৰ দিছপুৰ কাৰ্যালয়ত হোৱা অনুষ্ঠানত ক্ৰীড়া মন্ত্ৰী বিমল বৰা, ক্ৰীড়া আয়ুক্ত মলয় বৰা, ক্ৰীড়া সঞ্চালক প্ৰবিত্ৰ ৰাম খাউণ্ড, ভাৰতীয় বক্সিং সন্থাৰ সম্পাদক হেমন্ত কুমাৰ কলিতা উপস্থিত থাকে। উল্লেখ্য যে সদ্য সমাপ্ত এছিয়ান বক্সিং প্ৰতিযোগিতাত শিৱই ৬৪ কেজি শাখাৰ ফাইনেলত পৰাস্ত হৈ ৰূপৰ পদক লাভ কৰিছিল। সোণৰ পদকৰ যুঁজত শিৱ মংগোলিয়াৰ বাটাৰ্ছুখৰ বিৰুদ্ধে মুখামুখি হয়। মেচখনত শিৱ থাপা ২-৩ ৰ ব্যৱধানত পৰাস্ত হয়। পইণ্টৰ ব্যৱধান হ'ল ২৮-২৯, ২৯-২৮, ২৯-২৮, ২৮-২৯, ২৮-২৯। উল্লেখ্য যে ২০১২ ৰ লণ্ডন অলিম্পিক আৰু ২০১৬ ৰ ৰিঅ' অলিম্পিকত খেলা শিৱই এইবাৰ টকিঅ' অলিম্পিকলৈ যোগ্যতা



অৰ্জনত ব্যৰ্থ হৈছে। লণ্ডন আৰু ৰিঅ'ত প্ৰথম ৰাউণ্ডতে পৰাস্ত হৈ বিদায় লোৱা শিৱই এতিয়া লক্ষ্য লৈছে ২০২৪ ৰ অলিম্পিকত খেলাৰ লগতে পদক জয় কৰাৰ। 'এইবাৰৰ অলিম্পিকত অংশ ল'ব নোৱাৰাটো মোৰ বাবে এক অপ্ৰত্যাশিত ঘটনা। কিন্তু মই আশাবাদী পৰৱৰ্তী ২০২৪ ৰ অলিম্পিকত খেলিমো লগতে পদকো জয় কৰিম।' শিৱই ব্যক্ত কৰে। উল্লেখ্য যে দুবাৰকৈ অলিম্পিক খেলা বক্সাৰ শিৱ থাপাই এছিয়ান বক্সিঙত ২০১৩ ৰ সোণসহ মুঠ পাঁচটা পদক লাভ কৰিলে। এইবাৰ ৰূপ জয় কৰা শিৱই ইয়াৰপূৰ্বে ২০১৩ ত সোণ, ২০১৭ ত ৰূপ আৰু ২০১৫ তথা ২০১৯ ত ব্ৰঞ্জ লাভ কৰিছিল। উল্লেখ্য যে প্ৰতিযোগিতাত শিৱৰ বিজয় ৰথ স্তব্ধ হয় ফাইনেলত। ইয়াৰপূৰ্বে ছেমিফাইনেলত শিৱৰ প্ৰতিদ্বন্দ্বী আছিল তাজাকিস্তানৰ বাখ'দুৰ উছম'ন'ভ। বিগত বৰ্ষৰ ৬৪ কেজি শাখাৰ চেম্পিয়নজনক শিৱই বিধ্বস্ত কৰি ৪-০ ব্যৱধানত পৰাস্ত কৰে। আনহাতে, শিৱই কোৱাৰ্টাৰ ফাইনেলত মুখামুখি হৈছিল কুৱেটৰ নাডিৰ অ'ডাহৰ বিৰুদ্ধে। মেচখনত ৫-০ ব্যৱধানত জয়ী হৈ পদক নিশ্চিত কৰিছিল শিৱই। আনহাতে, প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডৰ মেচত শিৱ থাপাই ৫-০ ব্যৱধানত পৰাস্ত কৰিছিল কাজাখস্তানৰ ডমিইৰি পুচিনক। কৰ'নাৰ বাবে অনুশীলনত বাধা হোৱাৰ কথা উল্লেখ কৰি শিৱই নিজৰ প্ৰদৰ্শনক লৈ কিন্তু নিৰাশ নহয়।

# আইচিচিটি-২০ বিশ্বকাপ ক্ৰিকেট আয়োজনৰ আগ্ৰহ ওমানৰ



**মুম্বাই, ৪ জুন ঃ** আসন্ন আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাখন ওমানত আয়োজন কৰিবৰ বাবে আই চি চি আৰু বি চি চি আইক অনুৰোধ কৰিছে ওমান ক্ৰিকেট সন্থাই। উল্লেখ্য যে কৰ'নাৰ বাবে চলিত বৰ্ষত ভাৰতত হ'বলগা আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাখন আয়োজন কৰাক লৈ অনিশ্চয়তাই দেখা দিছে। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডক এই সন্দৰ্ভত সিদ্ধান্ত ল'বৰ বাবে ২৮ জুনলৈ সময় দিছে আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে। আই চি চিৰ সভাত অংশ লোৱাৰ পাছত এই কথা সদৰি কৰে বি চি চি আইৰ সভাপতি সৌৰভ গাংগুলীয়ে। উল্লেখ্য যে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে চলিত বৰ্ষত ভাৰতত হ'বলগা আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাখন পূৰ্বৰ নিৰ্ধাৰিত সময়তকৈ পিছুৱাই দিয়াৰ বাবে আহ্বান জনাইছিল আন্তৰ্জাতিক ক্ৰিকেট পৰিষদক। মহামাৰী কৰ'নাৰ বাবে পূৰ্বৰ সূচী অনুসৰি অক্টোবৰ-নৱেম্বৰত ভাৰতত আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাখন আয়োজন কৰাটো সম্ভৱ নহয় বুলি কয় ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে। সেয়ে আন্তৰ্জাতিক ক্ৰিকেট পৰিষদক ভাৰতত হ'বলগা আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাখন পূৰ্বৰ নিৰ্ধাৰিত সময়তকৈ পিছুৱাই দিয়াৰ বাবে আহ্বান জনাইছে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে। ইফালে, আই পি এলৰ দৰেই আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাও ডুবাইত অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে। কিন্তু ওমানৰ আগ্ৰহে বিষয়টো নতুনকৈ ভবাৰ সুযোগ দিছে। এই দিশত আন্তৰ্জাতিক ক্ৰিকেট পৰিষদ আৰু ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডৰ সিদ্ধান্তই চুড়ান্ত হ'ব। উল্লেখ্য যে আই পি এলৰ বাকী থকা মেচ ডুবাইত আয়োজন কৰাটো চুড়ান্ত কৰিছে বি চি চি আয়ে। অহা ১৮ বা ১৯ ছেপ্টেম্বৰৰ পৰা ডুবাইত অনুষ্ঠিত হ'ব পাৰে চলিত বৰ্ষৰ আই পি এলৰ বাকী থকা মেচসমূহ। আনহাতে, আই পি এল সামৰনি কৰিব ন অথবা ১০ অক্টোবৰত।

## ডুবাই-আবু ধাবিত হোটেল বুকিং প্ৰক্ৰিয়া আৰম্ভ আই পি এলৰ দলৰ

**মুম্বাই, ৪ জুন ঃ** আই পি এলৰ বাকী থকা মেচ আৰৱত অনুষ্ঠিত হোৱাটো নিশ্চিত হোৱাৰ পাছত এতিয়া দল সমুহে হোটেল বুকিং পক্ৰিয়া আৰম্ভ কৰিছে। ইফালে, আই পি এলৰ দলসমুহে বাকী থকা মেচসমুহ খেলাৰ নতুন খেলুৱৈও বাচনি কৰিব লাগিব। কাৰণ যিসময়ত আই পি এল হ'ব তেতিয়া বিদেশী ক্ৰিকেটাৰ অন্য শৃংখলাত ব্যস্ত থাকিব। কেবাজনো ক্ৰিকেটাৰে ইতিমধ্যে নিজৰ দলক পৰৱৰ্তী মেচ নেখেলাৰ কথা কৈছে। বি চি চি আয়েও দলসমুহক খেলুৱৈ সলনিৰ পথ মুকলি কৰাৰ কথা ব্যক্ত কৰিছে। উল্লেখ্য যে আৰৱত হোৱা অন্তিম আই পি এলত মুম্বাই ইণ্ডিয়ানছ আৰু কলকাতা নাইট ৰাইডাৰ্ছে আবু ঢাবিত থকাৰ বিপৰীতে অন্য দলে ডুবাইত আছিল। উল্লেখ্য যে অহা ১৮ বা ১৯ ছেপ্টেম্বৰৰ পৰা ডুবাইত অনুষ্ঠিত হ'ব পাৰে চলিত বৰ্ষৰ আই পি এলৰ বাকী থকা মেচসমুহ। আনহাতে, আই পি এল সামৰনি পৰিব ন অথবা ১০ অক্টোবৰত। ইতিমধ্যে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে এই বিষয়ে দলৰ গৰাকীসকলক অৱগত কৰিছে। উল্লেখ্য যে ভাৰতীয় ক্ৰিকেট দলৰ সদস্য সকল ইংলণ্ডৰ পৰা পোনে পোনে ডুবাইলৈ আহিব আই পি এলত অংশ লোৱাৰ বাবে। ইংলণ্ডত ভাৰতৰ শৃংখলা সমাপ্ত হ'ব ১৪ ছেপ্টেম্বৰত। উল্লেখ্য যে ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলা আৰু প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচত অংশ লোৱাৰ বাবে টীম ইণ্ডিয়া ৰাওনা হৈছে ইংলণ্ডলৈ। অহা ১৮ জুনত অনুষ্ঠিত হ'ব প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখন। ভাৰতে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত মুখামুখি হ'ব নিউজিলেণ্ডৰ। তাৰপাছত আৰম্ভ হ'ব ইংলণ্ডৰ বিৰুদ্ধে পাঁচখনীয়া টেষ্ট শৃংখলা। অহা চাৰি আগষ্টত ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলাৰ প্ৰথম মেচ খেলিব টীম ইণ্ডিয়াই। আনহাতে শৃংখলা সামৰণি পৰিব ১৪ ছেপ্টেম্বৰত। উল্লেখ্য যে কৰ'নাৰ বাবে এইবাৰ মাজতে বন্ধ হয় আই পি এল। কিন্তু এতিয়াও আই পি এলৰ ৩১ খন মেচ খেলিবলৈ বাকী আছে। এতিয়া বিগত বৰ্ষৰ দৰেই ডুবাইত আই পি এল আয়োজন কৰি বিষয়টো সমাধান কৰিব বি চি চি আয়ে।



### গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেন

## পুৰুষ শাখাৰ অন্তিম যোল্লত জাপানৰ নিশ্বিকৰি



**পেৰিছ, ৪ জুন ঃ** জাপানৰ নাওমি অ'ছাকাই চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনৰ পৰা মাজতে নাম প্ৰত্যাহাৰ কৰিছে যদিও জাপানৰ পুৰুষ তাৰকা নিশ্বিকৰিয়ে একক শাখাৰ অন্তিম যোল্লত স্থান নিশ্চিত কৰিছে। উল্লেখ্য যে প্ৰতিদ্বন্দ্বীৰ আঘাতৰ বাবে তৃতীয় ৰাউণ্ডৰ মেচত ৱাকঅভাৰ লাভ কৰি প্ৰি-কোৱাৰ্টাৰত প্ৰৱেশ কৰে নিশ্চিকৰি। ইফালে, পুৰুষৰ একক শাখাৰ তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে জাৰ্মানীৰ আলেকজেন্দ্ৰা জেৰভ। দ্বিতীয় ৰাউণ্ডৰ মেচত জেৰভ ৭-৬, ৬-৩, ৭-৬ ৰ পোনপটীয়া ব্যৱধানত জয়লাভ কৰে। উল্লেখ্য যে জেৰভে প্ৰথম ৰাউণ্ডৰ মেচত ৩-৬, ৩-৬, ৬-২, ৬-২, ৬-০ ব্যৱধানত জয়ী হৈ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছিল। ইফালে, ছুইজাৰলেণ্ডৰ ৰ'জাৰ ফেডেৰাৰৰ পাছত পুৰুষৰ একক শাখাৰ মেচত জয়লাভ কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে ন'ভাক ডক'ভিচ আৰু ৰাফেল নাডাল। প্ৰথম ৰাউণ্ডৰ মেচত ন'ভাক ডক'ভিচ ৬-২, ৬-৪, ৬-২ ৰ পোনপটীয়া ব্যৱধানত জয়লাভ কৰাৰ বিপৰীতে নাডাল ৬-২, ৬-৩, ৭-৬ ৰ পোনপটীয়া ব্যৱধানত জয়ী হয়। উল্লেখ্য যে পুৰুষৰ একক শাখাৰ মেচত তাৰকা ছুইজাৰলেণ্ডৰ ৰ'জাৰ ফেডেৰাৰে ৬-২, ৬-৪, ৬-৩ ৰ ব্যৱধানত জয়ী হৈ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছিল। ইফালে, পুৰুষৰ ডাবলছ শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে ভাৰতৰ ৰোহন বোপান্না আৰু তেওঁৰ ক্ৰৱেছিয়াৰ সংগী ফ্ৰেংকো। দ্বিতীয় ৰাউণ্ডৰ মেচত ৰোহন বোপান্না আৰু ফ্ৰেংকোই ৬-৪, ৭-৫ ৰ ব্যৱধানত পৰাস্ত কৰে আমেৰিকাৰ ফ্ৰান্সেছ টিয়াগো আৰু নিকোলাছ ম'নৰোক। এঘণ্টা ২০ মিনিট ধৰি চলে মেচখন। উল্লেখ্য যে ইয়াৰপূৰ্বে পুৰুষৰ ডাবলছ শাখাৰ প্ৰথম ৰাউণ্ডৰ মেচত ৰোহন বোপান্না আৰু ফ্ৰেংকোই ৬-৪, ৬-২ ৰ ব্যৱধানত জয়ী হৈ দ্বিতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হৈছিল।

# ২০২৪ লৈ মেনেজাৰ পদত থমাছ টুচলক ৰাখিলে চেলছিয়ে

**লণ্ডন, ৪ জুন ঃ** এইবাৰ চেম্পিয়নছ লীগৰ ট্ৰফী হাতত লোৱা ইংলিছ ক্লাব চেলচিয়ে ক্লাবৰ মেনেজাৰ থমাছ টুচলৰ কাৰ্যকাল ২০২৪ লৈ বৃদ্ধি কৰিছে। উল্লেখ্য যে এইবাৰ টুচলৰ অধীনত খেলি চমকপ্ৰদ প্ৰদৰ্শন কৰে চেলছিয়ে। ২০০৮ আৰু ২০১২ ৰ পাছত এইবাৰ তৃতীয়বাৰৰ বাবে পুনৰ চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত প্ৰৱেশ কৰা চেলছিয়ে দ্বিতীয়বাৰৰ বাবে চেম্পিয়নছ লীগৰ খিতাপ লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে চেম্পিয়নছ লীগ ফুটবলৰ পৰ্তুগালৰ লিছবনত অনুষ্ঠিত হোৱা ফাইনেল মেচখনত চেলছিয়ে একমাত্ৰ গ'লত ইংলণ্ডৰে আন এটা ক্লাব মানচেষ্টাৰ চিটীক পৰাস্ত কৰি চেম্পিয়ন ট্ৰফী হাতত লয়। ইয়াৰপূৰ্বে ২০১২ তো চেম্পিয়নছ লীগ ফুটবলৰ চেম্পিয়ন হৈছিল চেলছি। লিভাৰপুল আৰু মানচেষ্টাৰ ইউনাইটেডৰ পাছত চেলছি ইংলণ্ডৰ তৃতীয়টো ক্লাব যিয়ে দুবাৰ চেম্পিয়নছ লীগৰ খিতাপ লাভ কৰিলে। উল্লেখ্য যে চেম্পিয়নছ লীগৰ খিতাপ লাভ কৰা চেলছিয়ে এফ এ কাপৰ খিতাপৰ যুঁজলৈও অগ্ৰসৰ হৈছিল। কিন্তু চেম্পিয়ন ট্ৰফী হাতত ল'ব নোৱাৰিলে। উল্লেখ্য যে এফ এ কাপৰ ছেমিফাইনেলত মানচেষ্টাৰ চিটীক হৰুৱাই ফাইনেলত প্ৰৱেশ কৰিছিল চেলছি। কিন্তু ফাইনেলত চেলছিক পৰাস্ত কৰে লেইচেষ্টাৰ চিটীয়ে। কিন্তু চেম্পিয়নছ লীগত চেলছিৰ দুৰন্ত যাত্ৰা অব্যাহত থাকে। কোৱাৰ্টাৰ ফাইনেলৰ দ্বিতীয় লেগৰ মেচত পৰ্তুগালৰ ক্লাব এফ চি প'ৰ্টো বিৰুদ্ধে একমাত্ৰ গ'ল পৰাস্ত হৈছিল চেলছি। কিন্তু ইয়াৰপূৰ্বে হোৱা কোৱাৰ্টাৰ ফাইনেলৰ প্ৰথম লেগৰ মেচত চেলছিয়ে জয়লাভ কৰিছিল। একপক্ষীয় মেচখনত এফ চি প'ৰ্টোক ইংলণ্ডৰ ক্লাব চেলছিয়ে ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল। সেয়ে চেলছিয়ে সামগ্ৰিকভাৱে ২-১ গ'লৰ ব্যৱধানত অগ্ৰগতি লাভ কৰি চেম্পিয়নছ লীগ ফুটবলৰ ছেমিফাইনেলত প্ৰৱেশ কৰাৰ সফলতা লাভ কৰে। আনহাতে, ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচত স্পেনিছ ক্লাব ৰিয়াল মাদ্ৰিদৰ বিৰুদ্ধে চেলছি ২-০ গ'লৰ ব্যৱধানত জয়লাভ কৰি খিতাপৰ যুঁজলৈ অগ্ৰসৰ হয়। উল্লেখ্য যে চেলছিয়ে সামগ্ৰিকভাৱে ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে স্পেনিছ ক্লাব ৰিয়াল মাদ্ৰিদ। ইয়াৰপূৰ্বে ছেমিফাইনেলৰ প্ৰথম লেগৰ মেচখনত উভয় দলে ১-১ গ'লৰ ব্যৱধানত ড্ৰ খেলিছিল। কিন্তু দ্বিতীয় লেগৰ মেচত চমক দিয়ে ইংলিছ ক্লাব চেলছিয়ে। মেনেজাৰ টুচলে দিছে চেলছিক আত্মবিশ্বাস।



# বনাঞ্চলিক বিষয়াসহ পাঁচজনকৈ লোক ক'ভিডত আক্ৰান্ত

## কণ্টেইনমেণ্ট জ'ন ঘোষণা ৰাণী বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ চৌহদ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ৪ জুন ঃ** অসম চৰকাৰৰ বন বিভাগৰ পূব কামৰূপ বন সংমণ্ডলৰ অধীনস্থ ৰাণী বনাঞ্চলিক বিষয়া কাৰ্যালয়ৰ বনাঞ্চলিক বিষয়াসহ কাৰ্যালয়ত কৰ্মৰত পাঁচজনকৈ লোক ক'ভিডত আক্ৰান্ত হোৱাৰ পাছত ২ জুনৰ পৰা কাৰ্যকৰী হোৱাকৈ কাৰ্যালয় চৌহদটোক কণ্টেইনমেণ্ট জ'ন হিচাপে ঘোষণা কৰা হৈছে। বিভাগীয় সূত্ৰই সদৰী কৰা অনুসৰি পহিলা জুনত ৰাণী সামূহিক স্বাস্থ্যকেন্দ্ৰৰ ফালৰ পৰা কাৰ্যালয়ত কৰ্মৰত বনাঞ্চলিক বিষয়া, বনকৰ্মীকে ধৰি ১২ জনৰ ক'ভিড পৰীক্ষা কৰা হৈছিল পৰীক্ষাৰ ফলাফলত বনাঞ্চলিক বিষয়া মনোৰঞ্জন বৰ্মন, গাড়ীচালক আনন্দ তালুকদাৰ, অসম বন সুৰক্ষা বাহিনীৰ নায়ক অতুল কলিতা, কনিষ্ঠবলদ্বয় আব্দুল মান্নান আৰু যুগল দাসৰ দেহত ক'ভিড ভাইৰাছৰ উপস্থিতি নিশ্চিত কৰা হয়। তাৰ পাছত ২জুনৰ পৰা কাৰ্যালয় চৌহদটোক পৰৱৰ্তী জাননী নিদিয়া পৰ্যন্ত কণ্টেইনমেণ্ট জ'ন হিচাপে ঘোষণা কৰা হয়। আনহাতে আক্ৰান্ত পাঁচজনৰ ভিতৰত বনাঞ্চলিক বিষয়া মনোৰঞ্জন বৰ্মনক আয়ুৰসূন্দ্ৰা হাস্পতাল, আনন্দ তালুকদাৰ আৰু অতুল কলিতাক কাঁহিকুছিৰ এছ আই আৰ ডিৰ ক'ভিড কেয়াৰ কেন্দ্ৰত ভৰ্ত্তি কৰোৱা হৈছে। ইয়াৰ উপৰি যুগল দাস আৰু আব্দুল মান্নানক হোম আইছ'লেশ্যনত ৰখা হৈছে। ইফালে বিভাগীয় ঊৰ্ধ্বতন কৰ্তৃপক্ষই বনাঞ্চলিক বিষয়াকে ধৰি পাঁচজনকৈ লোক ক'ভিডত আক্ৰান্ত হোৱাৰ পাছত পহৰা ব্যৱস্থাত যাতে ত্ৰুটি নাথাকে তাৰ বাবে অতিৰিক্ত বনকৰ্মীৰ দল নিয়োগ কৰা বুলি জানিব পৰা গৈছে।

# বন বিভাগত দৰমহাৰ পৰা বঞ্চিত শ্ৰমিকক নিৰ্ধাৰিত নিৰিখত দৰমহাসহ নিযুক্তিৰ তৎপৰতা আৰম্ভ বিভাগীয় কৰ্তৃপক্ষৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ৪ জুন ঃ** ৰাজ্য চৰকাৰৰ বন বিভাগৰ বিভিন্ন সংমণ্ডলত দীৰ্ঘদিনে কৰ্মৰত কিন্তু দৰমহাৰ পৰা বঞ্চিত কেজুৱেল শ্ৰমিকৰ যিসকলে ১৯৯৩ চনৰ পহিলা এপ্ৰিলৰ পূৰ্বে বন বিভাগত কেজুৱেল শ্ৰমিক হিচাপে নিযুক্তি লাভ কৰিছিল তেওঁলোকক নিৰ্ধাৰিত নিৰিখত দৰমহাসহ নিযুক্তি প্ৰদান কৰিবলৈ বিভাগীয়ভাৱে তৎপৰতা আৰম্ভ কৰা হৈছে। এইদৰে মন্তব্য কৰিছে বন বিভাগৰ প্ৰধান মুখ্য বন সংৰক্ষক আৰু বন বাহিনীৰ মুৰব্বী এ এম সিঙৰ । ৩ জুনত বন বিভাগৰ পাঞ্জাবাৰীস্থিত মুখ্য কাৰ্যালয় 'অৰণ্য ভৱন'ত সাংবাদিকৰে সৈতে হোৱা বাৰ্তালাপত এইদৰে মন্তব্য কৰে বন বাহিনীৰ মুৰব্বী এ এম সিঙে । এ এম সিঙে কয় বিভাগত বনৰক্ষী, বনপালককে ধৰি বিভিন্ন খালী পদত প্ৰায় ৩ হাজাৰজনক নিযুক্তি দিয়াৰ বাবে বিভাগীয় প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব। ইয়াৰ ভিতৰত বনৰক্ষী, বনপালক আৰু অন্যান্য বিভিন্ন বৰ্গৰ প্ৰায় ১,২৫০ টা পদৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰা হ'ব। তাৰ বাহিৰে বন বিভাগত গ্ৰাছৰুট কৰ্মী হিচাপে পৰিচিত কেজুৱেল শ্ৰমিকখিনিৰ যিখিনি ফিক্সড পে'ৰ বাহিৰত ৰৈ গৈছিল তেওঁলোকৰ প্ৰমাণ-পত্ৰসমূহ পৰীক্ষা কৰি নিযুক্তি প্ৰদান কৰি তেওঁলোকৰ সমস্যাটো সমাধান কৰা হ'ব। অৱশ্যে যিদিনাৰ পৰা নিযুক্তি প্ৰদান কৰা হ'ব, সিদিনাৰ পৰাহে তেওঁলোকে দৰমহা লাভ কৰাৰ লগতে অসম চৰকাৰৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীয়ে লাভ কৰা সা - সুবিধাসমূহ লাভ কৰিব । বৰ্ত্তমান অতিৰিক্ত প্ৰধান মুখ্য বন সংৰক্ষক সূৰ্য নাৰায়ণক অধ্যক্ষ হিচাপে লৈ গঠন কৰা এখন বিভাগীয় কমিটীয়ে ফিক্সড পে'ৰ বাহিৰত ৰৈ যোৱা কেজুৱেল শ্ৰমিক বা মাষ্টাৰৰোল কৰ্মীৰ নিযুক্তিৰ বিষয়টো পৰীক্ষা কৰি আছে। কমিটীয়ে বিভাগক প্ৰতিবেদন দাখিল কৰিলেই কেজুৱেল শ্ৰমিকক নিযুক্তি দি যিবিলাক স্থানত বনকৰ্মীৰ সংখ্যা কম আছে তাত নিযুক্তি দিয়া হ'ব। আনকি সকলো ঠিকে ঠাকে থাকিলে চলিত জুন মাহত নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলিও বন বাহিনীৰ মুৰব্বী এ এম সিঙে ব্যক্ত কৰে । আনহাতে বন বিভাগৰ এই সিদ্ধান্তত সন্তোষ প্ৰকাশ কৰিছে সদৌ অসম বন কেজুৱেল শ্ৰমিক সন্থাই । সন্থাৰ কাৰ্যকৰী সভাপতি চিকণ ডেকা আৰু কোষাধ্যক্ষ পৱিত্ৰ হাৰ্লৈয়ে কয় ২০০৫-০৬ চনত বিভাগত কেজুৱেল শ্ৰমিকক ফিক্সড পে' প্ৰদান প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছিল । বহু শ্ৰমিকক ফিক্সড পে' প্ৰদান কৰা হয় যদিও বিভাগৰ একাংশ বিষয়াৰ হেমাহিৰ বাবে প্ৰায় ডেৰ হাজাৰ মান কেজুৱেল শ্ৰমিক ফিক্সড পে'ৰ আওতাৰ বাহিৰত ৰৈ যায় । ইয়াৰে বহু সংখ্যকৰ ইতিমধ্যে মৃত্যু হোৱাৰ লগতে থকাখিনিৰো চাকৰিৰ বয়স কেতিয়াবাই উকলি গৈছে। ২০০৬ চনৰ পৰা সন্থাই বাদ পৰি যোৱা কেজুৱেল শ্ৰমিকখিনিক প্ৰথমতে ফিক্সড পে'ৰ আওতালৈ আনি পৰৱৰ্তী পৰ্যায়ত নিয়মীয়া নিযুক্তিৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাই আহিছিল। সন্থাই বিভাগৰ ঊৰ্ধ্বতন কৰ্তৃপক্ষক চলিত জুন মাহৰ ভিতৰতে বাদ পৰি যোৱা কেজুৱেল শ্ৰমিকখিনিৰ নিযুক্তি প্ৰক্ৰিয়াটো আৰম্ভ কৰিবলৈ দাবী জনাইছে ।

# লাহৰীঘাটত যুৱকৰূপী যুৱতীয়ে ম'বাইল প্ৰেমেৰে পলুৱাই নিলে যুৱতীক

## দুয়োগৰাকীকে জে'ললৈ প্ৰেৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৪ জুন ঃ** মৰিগাঁৱৰ লাহৰীঘাটত সংঘটিত হৈছে আজব ঘটনা । যুৱকৰূপী যুৱতীয়ে ম'বাইল প্ৰেম কৰি পলুৱাই লৈ গ'ল যুৱতীক। সাৱধান, আপোনাৰ যুৱতীগৰাকীও পৰিব পাৰে ম'বাইল প্ৰেমত। হয়, ৰং নম্বৰে বহু যুৱক-যুৱতীৰ হৈছে বৈবাহিক জীৱন। পিছে কোনোবা আকৌ ম'বাইল প্ৰেমত পৰিছে, খাইছে হাবু-ডুবু। আজি আমি লৈ আহিছো তেনে ৰং নম্বৰত কথা পাতি হিয়া দিয়া নিয়া কৰা দুই যুৱতীৰ কাহিনী। লাহৰীঘাটৰ কোঁছকাটি গাঁৱৰ এইগৰাকী যুৱকৰূপী যুৱতীৰ নাম লভিতা বাংঠাই । ১৯ বছৰীয়া যুৱতীগৰাকীয়ে অঞ্চলটোৰ পটীয়াবন্ধা গাঁৱৰ ১৬ বছৰীয়া এইগৰাকী মালতী বৰদলৈৰ লগত ৰং নম্বৰত প্ৰেম কৰি চাৰিদিন পূৰ্বে লৈ গৈছিল পলুৱাই। অৱশ্যে পৰিয়ালৰ লোকে দুয়োকে উদ্ধাৰ কৰি বৃহস্পতিবাৰে ঘৰলৈ লৈ যায় আৰু তাতে উলাই পৰে উৰহীৰ গছৰ ওৰ। উল্লেখ্য যে লভিতা বাংঠাইয়ে নিজকে অভি নামৰ যুৱকৰ পৰিচয় দি মাত্ৰ এটা দিনতে প্ৰেমৰ জাল পেলাই পলুৱাই লৈ গৈছিল পটীয়াবন্ধাৰ মালতী বৰদলৈক। পাছত যুৱতী দুগৰাকীক আৰক্ষীক গতাই দিয়ে আৰু আজি দুয়োকে জে'ললৈ প্ৰেৰণ কৰা হয়।

# বিগত ১৬ বছৰে শাৰীৰিক-মানসিক অত্যাচাৰ পত্নীৰ ওপৰত

## চাৰিবাৰকৈ গোচৰ ৰুজু কৰিও আজি পৰ্যন্ত পৰিত্ৰাণ নেপালে সবিতাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ৪ জুন ঃ** নাৰী হত্যা, নাৰী নিৰ্যাতন যেন কোনো নতুন ঘটনা নহয়। দিনক দিনে বাঢ়ি আহিছে নাৰী নিৰ্যাতন অথবা হত্যাৰ ঘটনা। শেহতীয়াকৈ পোহৰলৈ আহিছে বিহালী আৰক্ষী থানাৰ অন্তৰ্গত বুৰৈগুৰি ৰৌমাৰী গাঁৱৰ এটা ১৬ বছৰীয়া নাৰী নিৰ্যাতনৰ ঘটনা। প্ৰভাৱশালী লোক যদিও পত্নী যাব লাগে কেঁচা চাহপাত ছিঙিবলৈ নহ'লে ঔকিল পৰে পত্নীৰ পিঠিত। দুটি ৯আৰু ১২বছৰীয়া শিশুক বিদ্যালয়লৈ পঠিওৱাৰ বিপৰীতে পঠাই পাত ছিঙিবলৈ। তথ্য মতে যোৱা ২০০৬ চনতে গহপুৰৰ খাতবাৰী অঞ্চলৰ ক্ষেম হাজৰিকাৰ কন্যা সবিতা হাজৰিকা বিবাহপাশত আবদ্ধ হৈছিল বিহালী বুৰৈগুৰি ৰৌমাৰী গাঁৱৰ ৰাজেন দাসৰ পুত্ৰ ৰাতুল দাসৰ লগত। বিয়া হোৱাৰ ৫ মাহৰ পিছৰে পৰাই নিৰ্যাতন আৰম্ভ হৈছি সবিতাৰ ওপৰত । অত্যাচাৰ সহিব নোৱাৰি বহুবাৰ ঘৰলৈ গৈছিল সবিতা। পুনৰ মাক আৰু পুতেকে বিভিন্ন প্ৰলোভনে লৈ আনে সবিতাক । দুবাৰ মূৰ ফাটি তেজেৰে লুতুৰি পুতুৰি হৈছিল সবিতা । মাক-পুতেক আৰু জীয়েক শুই থকাৰ অৱস্থাত বিছনত অগ্নিসংযোগ কৰিছিল ৰাতুলে। তদুপৰি বিদ্যুৎ ব্যৱহাৰ কৰি শাস্তি দিয়ে সবিতাক। চাৰিবাৰকৈ সবিতাই গোচৰ ৰুজু কৰিছিল ৰাতুলৰ ওপৰত। কিন্তু প্ৰতিবাৰেই আইনৰ জলঙাৰে সাৰি যায় ৰাতুল দাস। এইক্ষেত্ৰত সচেতন লোকৰ সন্দেহ আৰ্থিকভাৱে সবল ৰাতুলে প্ৰশাসনৰ লগত মিলাই ৰাখিছে নেকি অংক ? যোৱা ৩১ মে'ত সবিতাক মাৰি পিটি দিয়াৰ কথা আলোচনা কৰিছিল ৰাতুল আৰু মাক বনেশ্বৰীয়ে। এই আলোচনাৰ কথা উমান পাই ৰাতিয়ে সবিতা পলাই আহি ৰাংছালীৰ বায়েকৰ ঘৰত আশ্ৰয় লয় আৰু পুৱা বিহালী আৰক্ষী থানাত চতুৰ্থবাৰৰ গোচৰ ৰুজু কৰে । এইক্ষেত্ৰত সবিতা উপায়ন্তৰ হৈ সাংবাদিকৰ জড়িয়তে বিচাৰিছে ন্যায় আৰু ৰাতুল-বনেশ্বৰীৰ উচিত শাস্তি নে পুনৰ আইনৰ ফাকেদি সাৰি যাব চহকী ৰাতুল দাস ? সচেতন লোকৰ দাবী এইবাৰ যাতে সবিতাই ন্যায় লাভ কৰে ।

# গোলাঘাটত ড° বাণীকান্ত কাকতি বঁটা প্ৰদান কাৰ্যসূচীৰ শুভাৰম্ভ




**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, গোলাঘাট, ৪ জুন ঃ** অসম চৰকাৰে ড০ বাণীকান্ত কাকতি বঁটা প্ৰদান কৰি ছাত্ৰীসকলক উচ্চশিক্ষাৰ ক্ষেত্ৰখনত অধিক গতিশীলতাৰে খোজ দিবলৈ এক প্ৰেৰণা যোগাই আহিছে। গোলাঘাট হিৰ' অট' ৱৰ্ল্ড মটৰ চাইকেল ডিলাৰত মন্ত্ৰী অজন্তা নেওগ উপস্থিত হৈ ২০১৮/১৯ বৰ্ষত উত্তীৰ্ণ হোৱা ছাত্ৰীসকলক স্কুটী প্ৰদান কৰি ড০ বাণীকান্ত কাকতি বঁটা প্ৰদান কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। বিগত তিনিটা শিক্ষা বৰ্ষত উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ ৩২২০৩ গৰাকী ছাত্ৰীয়ে প্ৰজ্ঞান ভাৰতীৰ উদ্যোগত লাভ কৰিব স্কুটী। উল্লেখ্য অসম চৰকাৰৰ বিত্ত আৰু সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী অজন্তা নেওগে মন্ত্ৰিত্ব লাভ কৰাৰ পাছত প্ৰথমবাৰৰ বাবে গোলাঘাটত উপস্থিত হোৱাৰ পাছত আজি অসম গণ পৰিষদৰ গোলাঘাট জিলা কাৰ্যালয়ত উপস্থিত হয়। অগপৰ জিলা বিষয়ববীয়াৰ লগত আলোচনাত মিলিত হোৱাৰ পাছতে গোলাঘাট জিলা বিজেপি কাৰ্যালয়ত উপস্থিত হৈ দলীয় কৰ্মীৰ লগত মত বিনিময় কৰে মন্ত্ৰী অজন্তা নেওগে।

# কলিয়াবৰৰ মহকুমাৰ অন্তৰ্গত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বুঢ়াপাহাৰ আৰু বাগৰিত ১৪৪ ধাৰা বলৱৎ

**দৈনন্দিন বাৰ্তাৰ সেৱ, কলিয়াবৰ, ৪ জুন ঃ** বিশ্ব ঐতিহঞ্জ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদঞ্জ্যানৰ নগাঁও জিলাৰ কলিয়াবৰ মহকুমাৰ অন্তৰ্গত বাগৰি আৰু বুঢ়াপাহাৰ বনাঞ্চলত ১৪৪ ধাৰা জাৰি। কলিয়াবৰ মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি পবিত্ৰ কুমাৰ দাসে স্বাক্ষৰ কৰা এক জাননী জৰিয়তে এই ঘোষণা। সমাগত বানৰ সময়ত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা জীৱকূল প্ৰাণ ৰক্ষাৰ বাবে ৰাষ্ট্ৰীয় উদ্যাখনৰ মাজেৰে যোৱা ৩৭ নং ৰাষ্ট্ৰীয় পথ অতিক্ৰম কৰি কাৰ্বি পাহাৰলৈ ঢাপলি মেলে। জীৱকূলৰ সুৰক্ষাৰ প্ৰতি ৰাষ্ট্ৰীয় পথছোৱাত যান-বাহনৰ গতি সৰ্বাধিক প্ৰতি ঘণ্টাত ৪০ কি: মি:তকৈ অধিক হ'লে আইন মতে দণ্ডনীয় হ'ব বুলি জাননী জাৰি কৰিছে। তদুপৰি, স্বয়ংক্ৰিয় বাবে আন মাৰণাস্ত্ৰৰ ক্ষেত্ৰতো বাধা নিষেধ আৰোপ কৰিছে। এই সময়ছোৱাত কাজিৰঙা ৰাষ্ট্ৰীয় উদঞ্জ্যন ক্ষেত্ৰত একেলগে সৰ্বাধিক পাঁচজন লোকহে সমবেত হ'ব পাৰিব। আনহাতে, উচ্চ গ্ৰামত বাহনে হৰ্ণ বজোৱাতো বাধা-নিষেধ আৰোপ কৰা হৈছে। এই জাননী তাৎক্ষণিকভাৱে পৰৱৰ্তী জাননী নিদিয়ালৈকে বলৱৎ থাকিব।



## মিনি লকডাউনৰ প্ৰভাৱ

# খাদ্যসংকটত পৰিছে ঐতিহ্যমণ্ডিত নাগশংকৰ দেৱালয়ৰ শ শ কাছ

**দৈনন্দিন বাৰ্তা সেৱা, জামুগুৰিহাট, ৪ জুন ঃ** কৰ'না মহামাৰীৰ পৰিপ্ৰেক্ষিতত চৰকাৰে জাৰি কৰা একপ্ৰকাৰৰ মিনি লকডাউনৰ প্ৰভাৱ অকল জনজীৱনৰ মাজতেই যে পৰিছে তেনে নহয় ইয়াৰ প্ৰভাৱ পৰিছে জীৱ-জন্তুৰ ওপৰতো। মিনি লকডাউনৰ প্ৰভাৱ পৰিছে চতিয়াৰ নিকটৱৰ্ত্তী নাগশংকৰৰ ঐতিহ্যমণ্ডিত নাগশংকৰ দেৱালয়ৰ পুখুৰীত থকা শ শ কাছৰ ওপৰতো। ক'ভিড-১৯ৰ বাবে ভক্তগণ ৰাইজৰ লগতে দৰ্শনাৰ্থীসকল দেৱালয়খনলৈ অহা বন্ধ হোৱাৰ বাবেই এতিয়া নাগশংকৰ দেৱালয়ৰ কাছসমূহ খাদ্য সংকটত পৰা পৰিলক্ষিত হৈছে। মন্দিৰ চৌহদৰ দুটাকৈ পুখুৰীত থকা প্ৰায় ৫ শৰো অধিক কাছৰ বাবে দৈনিক যথেষ্ট পৰিমাণৰ শুকান মাছৰ প্ৰয়োজন হয় যদিও মন্দিৰ পৰিচালনা সমিতিৰ বাবে ক'ভিড সৃষ্ট পৰিৱেশৰ পৰিপ্ৰেক্ষিতত কাছৰ বাবে এই খাদ্য যোগান ধৰাটো অসম্ভৱ হৈ পৰিছে। অৱশ্যে চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাৰ তৎপৰতাত মন্দিৰ পৰিচালনা সমিতিয়ে মিনি লকডাউনৰ সময়ছোৱাত কাছৰ বাবে খাদ্য যোগান ধৰি আহিছে যদিও বৰ্তমান সেয়া পৰ্যাপ্ত নহয়। সেয়েহে ঐতিহ্যমণ্ডিত নাগশংকৰ দেৱালয়ৰ মন্দিৰ পৰিচালনা সমিতিয়ে মন্দিৰ চৌহদৰ পুখুৰীত থকা কাছসমূহে বৰ্তমান সন্মুখীন হোৱা খাদ্য সংকটৰ পৰা পৰিত্ৰাণ পাবলৈ প্ৰকৃতিপ্ৰেমী ৰাইজক কাছৰ বাবে লাগতিয়াল খাদ্য শুকান মাছৰ যোগান ধৰিবলৈ আহ্বান জনাইছে। উল্লেখ্য যে নাগশংকৰ মন্দিৰৰ কাছসমূহক পূৰ্বতে বিস্কুটৰ লগতে মন্দিৰ পৰিচালনা সমিতিয়ে খাদ্য হিচাপে ভোগকে আদি কৰি সামগ্ৰী দিছিল যদিও এবছৰ পূৰ্বে মন্দিৰলৈ অহা কাছ বিশেষজ্ঞৰ পৰামৰ্শৰ ভিত্তিত বৰ্তমান সেইসমূহ খাদ্যসামগ্ৰী কাছৰ বাবে বন্ধ ৰাখি মন্দিৰৰ কাছক শুকান মাছ খাদ্য হিচাপে যোগান ধৰি অহা হৈছে।

# মাজবাট আঞ্চলিক বন বিভাগৰ অসম-অৰুণাচল সংযোগী পথৰ দুয়োকাষে বৃক্ষৰোপণ কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধনশ্ৰী ৪ মে ঃ** গছ থাকিলেহে মানুহ থাকিব—বন বিভাগে প্ৰচাৰ কৰা এই কথাষাৰ আজিৰ দিনত আমি বাৰু কিমান গুৰুত্বপূৰ্ণভাৱে লওঁ। ভাবি চাইছেনে কেতিয়াবা? এতিয়াৰ সময়ছোৱাত মানুহ থাকিবৰ কাৰণে গছ নথকা কৰাটোহে আমাৰ একোটা যেন অভ্যাসত পৰিণত হৈছে । যিহেতু বসতি বাঢ়ি গৈ আছে, হাবি বন কমি গৈ আছে । থাকিবলৈ ঠাই নোহোৱাৰ বাবে একাংশই অৰণ্যৰ অঞ্চলবোৰলৈ সোমাই গৈ আছে, গছবোৰ কাটি ঘৰ সাজিছে । আশ্ৰয়ৰ স্বাৰ্থত যেন গছ থাকিলেহে মানুহ থাকিব কথাষাৰ ভবাৰ সময়েই নোহোৱা হ'ল। কিন্তু বৰ্তমান কৰ'নাৰ বিভীষিকাই যেন সমূহ মানৱ জাতিক জীয়াই থাকিবলৈ এডাল গছৰ মূল্য কিমান তাৰেই এতিয়া ডাঙৰ শিক্ষা প্ৰদান কৰিছে। কাৰণ এতিয়া অক্সিজেনৰ অভাৱতেই লাখ লাখ মানুহৰ জীৱন কাঢ়ি নিছে কৰ'না মহামাৰীয়ে আৰু অক্সিজেন কেৱল গছ-গছনিয়েহে প্ৰদান কৰিব পাৰিব । সেয়ে প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা কৰা আৰু পৃথিৱীক পুনৰ চিৰসেউজ কৰি সজীৱ কৰি তোলাৰ উদ্দেশ্য আগত ৰাখি মাজবাট আঞ্চলিক বন বিভাগে বৃক্ষৰোপণ কাৰ্যসূচী গ্ৰহণ কৰিছে। ইতিমধ্যে মাজবাট আঞ্চলিক বন বিভাগে ওৰাঙৰ পৰা অৰুণাচল সীমান্তৰ চিকাৰিদাঙালৈ অৰুণাচল সংযোগী পথৰ দুয়োকাষে থকা খালি ঠাইসমূহত ভিন্ন মূল্যবান গছ যেনে চেগুন, তিতাচপা, অৰ্জুন, জামু, কৃষ্ণচূড়া, ৰাধাচূড়া, আমলখি, শিলিখা আদিৰ লগতে ভিন্ন ফলমূলৰ গছো ৰোপণ কৰিছে। তেওঁলোকে জানিবলৈ দিয়া মতে অসম-অৰুণাচল সংযোগী ৰূপাই পথাৰলৈকে দুয়োকাষে থকা খালী ঠাইসমূহত বন বিভাগে গছপুলি ৰোপণ কৰি চিৰসেউজ কৰি মনোমোহা কৰি তুলিব আৰু এই ৰোপণ কাৰ্যসূচী তেওঁলোকে ২৫মে'ৰ পৰা ৩১ মে'লৈকে কৰা হৈছে বুলি জানিব দিয়ে।






শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালতহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ নৰেন হাজৰিকা

■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি